● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**

ইয়াত কোনোৱেই মুক্ত নহয়, আনকি চৰাই জাকো আকাশৰ স'তে বন্ধা আছে।

বব ডিলান
*ন'বেলজয়ী গীতিকাৰ-গায়ক*



www.dainikagradoot.in

৭ বিশ্বৰ ধনাঢ্য ব্যক্তিৰ তালিকাত দ্বিতীয় হ'ল আদানী
১৫ হাৰ্দিকৰ বিকল্পৰ সন্ধান পাইছে জাতীয় নিৰ্বাচকে
৪ বিতৰ্কত চৰকাৰৰ নতুন শিক্ষানীতি আৰু ঔদ্যোগিকৰণৰ নতুন ৰূপৰেখা

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ৩৩৮ তম সংখ্যা ● গুৱাহাটী ● শনিবাৰ ৩১ ভাদ ১৪২৯ ভাস্কৰাব্দ ১৭ ছেপ্টেম্বৰ ২০২২ চন ■DAINIK AGRADOOT ● Guwahati ● Saturday 17 September 2022 মূল্য ঃ ৯.০০ টকা

■ গোপনে প্ৰতি ইউনিটত ৯৪ পইচাকৈ মাচুল বৃদ্ধি ■ মিথ্যাচাৰী এপিডিচিএল ■ গৰমৰ বাবেহে বিদ্যুতৰ বিল বাঢ়িছে বুলি যুক্তি ■ লোকচানৰ বোজা গ্ৰাহকলৈ ঠেলি দি নিষ্কণ্টক হোৱাৰ চেষ্টা

# এইবাৰ অসমবাসীক বিদ্যুতৰ মাধমাৰ



*বিদ্যুৎ মাচুল বৃদ্ধিৰ বিৰুদ্ধে প্ৰতিবাদ আম আদমী পাৰ্টিৰ, বিজেপি ভৱনৰ সন্মুখত শুকুৰবাৰে।*

**ইউনিটত নিৰিখ ৫৯ পইচা, ইন্ধনৰ খৰচ ৩০ পইচা বৃদ্ধি, পূৰ্বৰ ৰেহাই পাঁচ পইচা প্ৰত্যাহাৰ**

মাচুল বৃদ্ধিৰ কথা নাজানেই শক্তিমন্ত্ৰীয়ে ■ তদন্ত কমিটী গঠনৰ প্ৰতিশ্ৰুতি ■ ৰাজ্যজুৰি ক্ষোভ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১৬ ছেপ্টেম্বৰ ঃ** ৬৬.৯০ লাখ বিদ্যুৎ উপভোক্তাক অন্ধকাৰত ৰাখি অসম শক্তি বিতৰণ কোম্পানী লিমিটেড (এপিডিচিএল)-এ বৃদ্ধি কৰিছে বিদ্যুৎ মাচুল। সমগ্ৰ ৰাজ্যজুৰি বিদ্যুৎ উপভোক্তাৰ বিগত দুটা মাহৰ মাচুল দুগুণলৈ বৃদ্ধি পোৱাৰ পাছতে গোমৰফাঁক হৈছে ৰাজ্যৰ শক্তি বিভাগৰ মিথ্যাচাৰৰ নমুনা। অচল মিটাৰ, কৰ্মচাৰীৰ দুৰ্নীতি তথা নিজস্ব উৎপাদন নথকা বাবে মুকলি বজাৰৰ পৰা বিদ্যুৎ ক্ৰয় কৰি বিতৰণ কৰা সূত্ৰে এপিডিচিএলে লোকচানৰ জোৰা মাৰিবলৈ ৰাজ্যবাসীৰ মূৰত জাপি দিছে বৰ্ধিত মাচুলৰ বোজা। অসম বিধানসভাৰ মজিয়াত ৰাজ্যৰ শক্তি মন্ত্ৰীগৰাকীয়ে আজি মাচুল বৃদ্ধি সন্দৰ্ভত অজ্ঞতা প্ৰকাশ কৰাৰ লগতে গ্ৰাহকৰ বিদ্যুতৰ খৰচ বৃদ্ধি পোৱা বাবেহে বিল বাঢ়িছে বুলি এপিডিচিএলে বিজ্ঞাপনৰ জৰিয়তে প্ৰকৃত সত্য ঢাকি থোৱাৰ সময়তে 'দৈনিক অগ্ৰদূত'ৰ আগত আজি মাচুল বৃদ্ধিৰ তথ্য প্ৰকাশ কৰিছে এপিডিচিএলৰ অধ্যক্ষ জিষ্ণু বৰুৱাই। ৰাজ্যৰ প্ৰাক্তন মুখ্য সচিব বৰুৱাই আজি 'দৈনিক অগ্ৰদূত'ক কয় যে তাপবিদ্যুৎ উৎপাদন ব্যয় বৃদ্ধিৰ লগতে আনুষংগিক কেতবোৰ কাৰণৰ বাবে প্ৰতি ইউনিটত ৯৪ পইচাকৈ বিদ্যুৎ মাচুল বৃদ্ধি কৰা হৈছে। অসম বিদ্যুৎ নিয়ামক আয়োগৰ *আঠ পৃষ্ঠাত চাওক*

■ মৰাণত ছয় জনগোষ্ঠীয় ঐক্যমঞ্চৰ জৰুৰী কাৰ্যনিৰ্বাহক সভা ■ জনজাতিকৰণত প্ৰবঞ্চনাত ক্ষুব্ধ ■ মোদীৰ জন্মদিন উদযাপন পালন কৰিব ক'লা দিন হিচাপে ■ অৰ্থনৈতিক অৱৰোধ

## বিধানসভা ঘেৰাও-পুনৰ অসম বন্ধৰ আহ্বান

**ষ্টাফ ৰিপ'ৰ্টাৰ/অগ্ৰদূত বাৰ্তা**

**গুৱাহাটী/মৰাণ, ১৬ ছেপ্টেম্বৰ ঃ** ৰাজ্যৰ ছয় জনগোষ্ঠী ক্ৰমে মৰাণ, মটক, তাই আহোম, চুতীয়া, চাহ জনগোষ্ঠী আৰু কোচ ৰাজবংশীক জনজাতিকৰণ নকৰাক কেন্দ্ৰ কৰি ৰাজ্যজুৰি প্ৰতিবাদ অব্যাহত আছে। কেন্দ্ৰৰ বিজেপি চৰকাৰে দেশৰ ১৫টা জনগোষ্ঠীক অনুসূচিত জনজাতিৰ মৰ্যাদা প্ৰদান কৰাৰ সময়তে দীৰ্ঘদিনীয়া আন্দোলন অব্যাহত ৰখা অসমৰ জনগোষ্ঠীকেইটা বাদ পৰি যোৱাটো এক ঐতিহাসিক বিড়ম্বনা বুলি আজি এক সংবাদমেলত মন্তব্য কৰে ছয় জনগোষ্ঠীয় ঐক্য মঞ্চই। ঐক্যমঞ্চৰ নেতাসকলে আজি মৰাণত এখন জৰুৰী কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত কৰে। সভাত ঐক্যমঞ্চৰ নেতাসকলে কয় যে সম্প্ৰতি দেশৰ আৰ্থ-ৰাজনৈতিক আৰু আৰ্থ-সামাজিক ক্ষেত্ৰৰ ব্যাপক পৰিৱৰ্তনৰ ফলত মৰাণ, মটক, তাই আহোম, চুতীয়া, চাহ জনগোষ্ঠী আৰু কোচ ৰাজবংশীসকলৰ দৰে ক্ষুদ্ৰ আৰু অনগ্ৰসৰ জনগোষ্ঠীসমূহ সৰ্বদিশেৰে আগ্ৰাসনৰ কৱলত পৰিছে। এই অৱস্থা বাহাল থাকিলে অস্তিত্বৰ প্ৰতি সংকট নামি আহিব বুলি *১০ পৃষ্ঠাত চাওক*



## ভূদান আইনৰ বিলুপ্তি ঘটাই চৰকাৰৰ হাতলৈ আনিলে এক লাখ ৪০ হেজাৰ বিঘা ভূমি

**ৰাজনৈতিক নেতা-পুঁজিপতিৰ দখলত থকা ভূদান-গ্ৰামদান মাটিত চলিবনে উচ্ছেদ ঃ প্ৰশ্ন বিৰোধীৰ**

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১৬ ছেপ্টেম্বৰ ঃ** গান্ধীবাদী নেতা বিনোৱা ভাৱেই দৰিদ্ৰ আৰু ভূমিহীন লোকক মাটি প্ৰদানৰ উদ্দেশ্যে ১৯৫১ত আৰম্ভ কৰা ভূদান-গ্ৰামদান আন্দোলনৰ জৰিয়তে সৃষ্টি হোৱা অসম ভূদান আইন-১৯৬৫ৰ বিলুপ্তি ঘটাই এই আইনৰ অধীনত থকা ৰাজ্যৰ ১,৩৯,০৪২ বিঘা ভূমি ৰাজ্য চৰকাৰৰ অধীনলৈ অনা হ'ল। আজি বিধানসভাত ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী যোগেন *আঠ পৃষ্ঠাত চাওক*

## মোদীৰ বিকাশৰ মন্ত্ৰৰে পৰিধিৰ পৰা কেন্দ্ৰলৈ উত্তৰ-পূৰ্বাঞ্চল

■ ৰাছবীৰ হুছেইন

**এক** দশক আগলৈকে উত্তৰ-পূৰ্বাঞ্চল প্ৰাকৃতিক সৌন্দৰ্যৰ আঁকৰ ৰূপে অথচ এক অস্থিৰ অঞ্চল হিচাপে দেশ-বিদেশত পৰিচিত আছিল। অঞ্চলটোৰ এই প্ৰতিচ্ছবিখনে আঠখন ৰাজ্যত বাস কৰা ৪.৫ কোটি লোকৰ ক্ষেত্ৰত নেতিবাচক প্ৰভাৱ পেলাইছিল। বোমা বিস্ফোৰণ আৰু নিৰাপত্তা বাহিনীৰ ওপৰত উগ্ৰপন্থীৰ আক্ৰমণৰ খবৰে দেশ-বিদেশৰ বাতৰি *১০ পৃষ্ঠাত চাওক*

## নিযুক্তিত অনিয়মৰ অভিযোগকাৰী ভিক্টৰ দাসৰ জামিন লাভ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১৬ ছেপ্টেম্বৰ ঃ** চৰকাৰী চাকৰিৰ নিযুক্তি প্ৰক্ৰিয়াত দুৰ্নীতিৰ অভিযোগ তুলি গ্ৰেপ্তাৰ হোৱা ভিক্টৰ দাসে জামিন লাভ কৰিলে। গুৱাহাটী উচ্চ ন্যায়ালয়ে আজি এক ৰায়যোগে ভিক্টৰক অন্তৰ্বৰ্তীকালীন *১০ পৃষ্ঠাত চাওক*

## মূৰত গুলীয়াই প্ৰাক্তন মন্ত্ৰীৰ ব্যৱসায়ী পুত্ৰৰ আত্মহত্যা

**ষ্টাফ ৰিপ'ৰ্টাৰ**



**গুৱাহাটী, ১৬ ছেপ্টেম্বৰ ঃ** প্ৰাক্তন মন্ত্ৰী তথা প্ৰাক্তন সাংসদ তিলক গগৈৰ পুত্ৰ ধ্ৰুৱ গগৈ (৫৪)য়ে নিজ গৃহতে আজি মূৰত গুলীয়াই আত্মহত্যা কৰে। বহুদিন ধৰি দুৰাৰোগ্য *১০ পৃষ্ঠাত চাওক*

**বন্ধৰ জাননী**

শ্ৰীশ্ৰী বিশ্বকৰ্মা পূজা উপলক্ষে আমাৰ কাৰ্যালয় বন্ধ থকা হেতুকে ১৮ ছেপ্টেম্বৰ, দেওবাৰৰ 'দৈনিক অগ্ৰদূত' প্ৰকাশ নাপায়। পৰৱৰ্তী সংখ্যা প্ৰকাশ পাব ১৯ ছেপ্টেম্বৰ, সোমবাৰে।

— কাৰ্যাধ্যক্ষ

| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩১° | ২৫° |
| ডিব্ৰুগড় | ২৮° | ২৪° |
| দিল্লী | ৩০° | ২৪° |
| কলকাতা | ৩০° | ২৭° |
| মুম্বাই | ২৭° | ২৬° |
| চেন্নাই | ৩৬° | ২৭° |
| বাংগালুৰু | ২৭° | ১৯° |
| শ্বিলং | ২২° | ১৮° |

১৬ ছেপ্টেম্বৰ, ২০২২

**চেঙা তেল**



*ভালেই হ'ল দিয়ক, আগতে আমি গোপন স্থানত লগালগি হৈছিলো, এতিয়া চৰকাৰী ঘৰতে লগ পালো!'*

■ কংগ্ৰেছৰ তীব্ৰ প্ৰতিবাদত উপায়হীন অধ্যক্ষই স্থগিত ৰাখিলে বিধানসভাৰ কাম-কাজ ■ মজিয়াতে বহি চৰকাৰৰ বিৰুদ্ধে শ্ল'গান

## নিযুক্তি কেলেংকাৰিৰ তদন্ত দাবীত বিৰোধীৰ ধৰ্ণা-বিক্ষোভ-সদন ত্যাগ

**বিৰোধীক সংগ নিদি মৌনব্ৰত ইউডিএফৰ**

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১৬ ছেপ্টেম্বৰ ঃ** ভিক্টৰ দাসক গ্ৰেপ্তাৰ তথা নিযুক্তি কেলেংকাৰি সন্দৰ্ভত বিধানসভাত আলোচনাৰ বাবে সময় বিচাৰি আজি বিৰোধী কংগ্ৰেছে ধৰ্ণা-বিক্ষোভেৰে উত্তাল কৰি তোলে সদনৰ মজিয়া। নিৰ্দলীয় অখিল গগৈ আৰু *১০ পৃষ্ঠাত চাওক*



■ ডাউন টাউন বিশ্ববিদ্যালয়ৰ নৱম সমাৱৰ্তন অনুষ্ঠান সম্পন্ন

## আৰ্থ-সামাজিক উন্নয়নৰ মূল চালিকা শক্তিয়েই হৈছে শিক্ষা ঃ ৰাজ্যপাল



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১৬ ছেপ্টেম্বৰ ঃ** শিক্ষা হৈছে আৰ্থ-সামাজিক উন্নয়ন আৰু বহনক্ষম জীৱন ধাৰণ নিৰ্ণয় তথা সুখৰ গুৰুত্বপূৰ্ণ চালক। আজি অসম ডাউন টাউন বিশ্ববিদ্যালয়ৰ সমাৱৰ্তন অনুষ্ঠানত অংশগ্ৰহণ কৰি এইদৰে কয় ৰাজ্যপাল জগদীশ মুখীয়ে। শিক্ষা ব্যৱস্থাই বহনক্ষম জীৱিকাৰ এক গুৰুত্বপূৰ্ণ আহিলা আৰু ই অহৰহ দ্ৰুতগতিত পৰিৱৰ্তিত পেছাদাৰী পৰিৱেশ তন্ত্ৰৰ *১০ পৃষ্ঠাত চাওক*

## নতুন বাহন পঞ্জীয়নত দিব লাগিব ৭৫ শতাংশ কৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১৬ ছেপ্টেম্বৰ ঃ** নতুন বাহনৰ মূল্যৰ ওপৰত পৰিবহণ বিভাগে নিৰ্ধাৰণ কৰি দিয়া মুঠ কৰৰ এটা কিস্তি গ্ৰাহকজনে পঞ্জীয়নৰ সময়ত আৰু দ্বিতীয়টো কিস্তি পাঁচ বছৰৰ মূৰত আদায় দিব লাগে। সম্প্ৰতি *১০ পৃষ্ঠাত চাওক*

## কৰিমগঞ্জৰ কটামনিৰ উচ্ছেদ বন্ধৰ দাবীত অৱস্থান

মুখ্যমন্ত্ৰীলৈ স্মাৰকপত্ৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১৬ ছেপ্টেম্বৰ ঃ** কৰিমগঞ্জৰ কটামনিত যোৱা জুলাইত প্ৰশাসনে চলোৱা উচ্ছেদক অবৈধ আখ্যা দি সমগ্ৰ ঘটনাৰ উচ্চ পৰ্যায়ৰ তদন্তৰ দাবী কৰিছে অঞ্চলটোৰ শতাধিক পৰিয়ালে। অসম বিধানসভাৰ শৰৎকালীন অধিবেশনৰ আজি চতুৰ্থ দিনা কটামনিৰ উচ্ছেদ *১০ পৃষ্ঠাত চাওক*

নিযুক্তিৰ ছিণ্ডিকেট চলিছে ঃ বান-খহনীয়াক ৰাষ্ট্ৰীয় সমস্যা ঘোষণাৰ দাবী লুৰীণজ্যোতিৰ

## ছয় জনগোষ্ঠীক জনজাতি ঘোষণা নকৰি থলুৱাক গুৰুত্বহীন কৰিছে কেন্দ্ৰই

**ষ্টাফ ৰিপ'ৰ্টাৰ**



**তেজপুৰ, ১৬ ছেপ্টেম্বৰ ঃ** ৰাজ্যত নিযুক্তিৰ ক্ষেত্ৰত বৃহৎ কেলেংকাৰি সংঘটিত হৈছে। দুৰ্নীতিৰ বিৰুদ্ধে শূন্য সহনশীলতাৰ কথা কোৱাটো এক চৰকাৰী প্ৰহসনৰ বাহিৰে আন একো নহয়। আজি ইয়াত এক সংবাদমেলত অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে এইদৰে মন্তব্য কৰে। নিযুক্তিৰ ক্ষেত্ৰত সংঘটিত দুৰ্নীতিৰ বিৰুদ্ধে মাত মতা বাবেই ভিক্টৰ দাসক *[illegible] পৃষ্ঠাত চাওক*

## নদীয়ে খহালে সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পৰ দুই নম্বৰ টানেল

**অগ্ৰদূত বাৰ্তা**

**লখিমপুৰ, ১৬ ছেপ্টেম্বৰ ঃ** বিভিন্ন দল-সংগঠনৰ প্ৰতিবাদক অংগুষ্ঠ দেখুৱাই নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পৰ কাম ৮০-৯০ শতাংশ সম্পূৰ্ণ কৰি ২০২৩ত জানুৱাৰীত বিদ্যুৎ উৎপাদন কৰিব বুলি ঘোষণা কৰাৰ সময়তে পুনৰ প্ৰকৃতিৰ ৰোষত *১০ পৃষ্ঠাত চাওক*

**কাঁচৰ ঘৰত থাকি আনলৈ শিল দলিয়াব নাপায় ঃ মুখ্যমন্ত্ৰীক কটাক্ষ কৰি ক'লে ৰমেশে**

## বিজেপিয়ে ভাঙি যাব আমি জোৰা দি যাম

কন্যাকুমাৰীৰ পৰা কাশ্মীৰলৈ ৩৫৭০ কিলোমিটাৰ দৈৰ্ঘ্যৰ ভাৰত জোড়ো যাত্ৰাৰ প্ৰচাৰ কংগ্ৰেছৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১৬ ছেপ্টেম্বৰ ঃ** 'কাঁচৰ ঘৰত থকাজনে আনলৈ শিল দলিয়াব নাপায়।' কংগ্ৰেছৰ 'ভাৰত জোড়ো' কাৰ্যসূচীক সমালোচনা কৰা অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক আজি গুৱাহাটীলৈ আহি এনেদৰে সকীয়াই দিলে প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী তথা কংগ্ৰেছৰ জ্যেষ্ঠ নেতা জয়ৰাম ৰমেশে। কেইদিনমান পূৰ্বে কংগ্ৰেছৰ শীৰ্ষ নেতাজনৰ নামেই শুনা নাই বুলি মন্তব্য কৰা মুখ্যমন্ত্ৰী ড° শৰ্মাই 'ভাৰত জোড়ো' কাৰ্যসূচীকো *১০ পৃষ্ঠাত চাওক*



NERIM GROUP OF INSTITUTIONS
ADMISSION NOTICE : 2022-23
MSW
MA (Applied Psychology)
Other Courses available for the Academic Session 2022-23
BBA BCA B.Com(H)
BA,LL.B(H) BSW LL.B(H)
MBA MBA MCA
M.Com PGDM MA (Education)
M.Sc. (Computer Science) B.Ed.
ACHIEVEMENTS & AWARDS
NERIM BBA Awarded 1st Rank & NERIM BCA Awarded 4th Rank respectively in the Category of Excellence by GHRDC.

ASSAM STATE AIDS CONTROL SOCIETY

অসম চৰকাৰ

ASBTC

# ৰক্তদান অমৃত মহোৎসৱ

## বৃহৎ স্বেচ্ছামূলক ৰক্তদান অভিযান

(১৭ ছেপ্টেম্বৰ- ১ অক্টোবৰ, ২০২২)



শ্ৰীযুত কেশৱ মহন্ত
মাননীয় মন্ত্ৰী
স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগ, অসম



"ৰক্তদান হৈছে পৰোপকাৰৰ সৰ্বোচ্চ প্ৰকাশবোৰৰ ভিতৰত অন্যতম। ইয়াৰ ফলত আপোনাৰ একো খৰচ নহয় কিন্তু প্ৰয়োজনীয় কাৰোবাৰ বাবে ই বহুত অৰ্থবহন কৰিব পাৰে। ১৮ ৰ পৰা ৬৫ বছৰ বয়সৰ যিকোনো লোকে ৰক্তদান কৰিব পাৰে। এই "ৰক্তদান অমৃত মহোৎসৱ" ১৭ ছেপ্টেম্বৰৰ পৰা আৰম্ভ হৈ ৰাষ্ট্ৰীয় স্বেচ্ছামূলক ৰক্তদান দিৱস, ১ অক্টোবৰ তাৰিখে সামৰণি পৰিব। এই উপলক্ষে মই সকলোকে আগবাঢ়ি আহি আপোনালোকৰ মূল্যৱান সম্পদ 'ৰক্ত' স্বেচ্ছামূলকভাৱে দান কৰিবলৈ আহ্বান জনাইছোঁ।"

### ৰক্তদান অমৃত মহোৎসৱৰ বিষয়ে

ভাৰত চৰকাৰে সমগ্ৰ দেশতে ১৭ ছেপ্টেম্বৰৰ পৰা ১ অক্টোবৰ, ২০২২ লৈ ১০০ শতাংশ স্বেচ্ছামূলক ৰক্তদানৰ লক্ষ্য লৈ এক বিশাল "ৰক্তদান অমৃত মহোৎসৱ" কাৰ্যসূচী আৰম্ভ কৰিছে। এই মহান কাৰ্যসূচী ৰাষ্ট্ৰীয় স্বেচ্ছামূলক ৰক্তদান দিৱস, ১ অক্টোবৰ ২০২২ত সামৰণি পৰিব।

### উদ্দেশ্য

- সমগ্ৰ দেশতে স্বেচ্ছাসেৱী ৰক্তদাতাৰ ডাটাবেছ সৃষ্টি কৰা।
- নিয়মীয়াকৈ কৰা স্বেচ্ছামূলক ৰক্তদানৰ প্ৰয়োজনীয়তাৰ বিষয়ে সজাগতা সৃষ্টি কৰা।
- এই পদক্ষেপে ৰক্তদানৰ মহৎ কৰ্মৰ বাবে সামাজিক সচেতনতা আৰু সামাজিক সংহতিৰ সুযোগ প্ৰদান কৰিব।

### স্বেচ্ছামূলক ৰক্তদানৰ বাবে যোগ্যতাৰ চৰ্তাৱলী

- ১৮-৬৫ বছৰ বয়সৰ যিকোনো যোগ্য ব্যক্তি।
- প্ৰাপ্তবয়স্কৰ নিম্নতম ওজন ৪৫ কিলোগ্ৰাম বা অধিক হ'ব লাগিব।
- ব্যক্তিজনৰ আন কোনো স্বাস্থ্যৰ সমস্যা থাকিব নালাগিব।

সকলো যোগ্য দাতা, স্বেচ্ছাসেৱী সংগঠন আৰু ৰক্ত কেন্দ্ৰই (চৰকাৰী/ৰাজহুৱা খণ্ড/ব্যক্তিগত) আগতীয়াকৈ ই-ৰক্ত কোষ পৰ্টেলত নিজৰ তথ্য পঞ্জীয়ন কৰিব লাগিব। ব্যক্তিগত দাতাসকলেও এই পৰ্টেলত পঞ্জীয়ন কৰিব পাৰে। সকলো দাতাই ই-ৰক্ত কোষ পৰ্টেলৰ পৰা এখন ই-প্ৰমাণপত্ৰ লাভ কৰিব।

### ই-ৰক্ত কোষত ব্লাড বেংকৰ পঞ্জীয়নৰ পদক্ষেপ

- www.eraktkosh.in খোলক।
- 'ব্লাড বেংক লগ ইনত ক্লিক কৰক আৰু তাৰ পাছত 'আপোনাৰ ব্লাড বেংক সংলগ্ন কৰকত ক্লিক কৰক।
- ব্লাড বেংকৰ বিৱৰণ পূৰণ কৰক আৰু দাখিল কৰক।
- প্ৰ-পত্ৰ সফলতাৰে দাখিল কৰাৰ পাছত এটা বাৰ্তা আহিব।
- ব্লাড বেংকৰ বৈধ অনুজ্ঞাপত্ৰৰ প্ৰতিলিপি eraktkosh@cdac.in দাখিল কৰিব লাগে।
- অনুজ্ঞাপত্ৰৰ প্ৰতিলিপিৰ প্ৰমাণীকৰণৰ পাছতহে পৰ্টেল লিংকটো প্ৰদান কৰা হ'ব।
- যিকোনো প্ৰশ্নৰ বাবে আমাক eraktkosh@cdac.in ই-মেইল কৰক।

**বৰ্তমান অসমত ৮৩টা অনুজ্ঞাপ্ৰাপ্ত ব্লাড বেংক (চৰকাৰী/ৰাজহুৱা খণ্ড/ব্যক্তিগত) কাৰ্যক্ষম হৈ আছে**

**অসম চৰকাৰ আৰু স্বাস্থ্য সেৱা সঞ্চালকপ্ৰধান (ডিজিএইচএছ)ৰ দ্বাৰা সমৰ্থিত ব্লাড বেংকৰ বিৱৰণ তলত উল্লেখ কৰা হৈছে**

**বৰপেটা**
ফখৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়

**বিশ্বনাথ**
বিশ্বনাথ চাৰিআলি মহকুমা অসামৰিক চিকিৎসালয়

**বাক্সা**
ডাঃ ৰবি বড়ো অসামৰিক চিকিৎসালয়

**বঙাইগাঁও**
বঙাইগাঁও অসামৰিক চিকিৎসালয়

**কাছাৰ**
ইণ্ডিয়ান ৰেড ক্ৰছ শিশু হাস্পতাল | সতীশ মোহন দেব অসামৰিক চিকিৎসালয় | শিলচৰ চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়

**দৰং**
মঙলদৈ অসামৰিক চিকিৎসালয়

**ধেমাজি**
ধেমাজি অসামৰিক চিকিৎসালয়

**ধুবুৰী**
ধুবুৰী অসামৰিক চিকিৎসালয়

**ডিব্ৰুগড়**
অসম চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়

**ডিমা হাছাও**
হাফলং অসামৰিক চিকিৎসালয়

**গোৱালপাৰা**
গোৱালপাৰা অসামৰিক চিকিৎসালয়

**গোলাঘাট**
স্বহীদ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়

**হাইলাকান্দি**
এছ.কে.ৰয় অসামৰিক চিকিৎসালয়

**যোৰহাট**
যোৰহাট চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়

**কামৰূপ (মেট্ৰ')**
ডাঃ বি. বৰুৱা কৰ্কট প্ৰতিষ্ঠান | গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় | জিলা চিকিৎসালয়, সোণাপুৰ

**কাৰ্বি আংলং**
দিফু চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়

**কৰিমগঞ্জ**
কৰিমগঞ্জ অসামৰিক চিকিৎসালয়

**কোকৰাঝাৰ**
কৰ্মনাথ ব্ৰহ্ম অসামৰিক চিকিৎসালয়

**লখিমপুৰ**
উত্তৰ লখিমপুৰ অসামৰিক চিকিৎসালয়

**মৰিগাঁও**
মৰিগাঁও অসামৰিক চিকিৎসালয়

**নগাঁও**
বি.পি. অসামৰিক চিকিৎসালয়

**নলবাৰী**
এম.এম.চে. অসামৰিক চিকিৎসালয়

**শিৱসাগৰ**
শিৱসাগৰ অসামৰিক চিকিৎসালয়

**শোণিতপুৰ**
কনকলতা অসামৰিক চিকিৎসালয় | তেজপুৰ চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়

**তিনিচুকীয়া**
এল.জি.বি. অসামৰিক চিকিৎসালয়

**চিৰাং**
জে.এছ.বি. অসামৰিক চিকিৎসালয়

**মাজুলী**
শ্ৰীশ্ৰী পীতাম্বৰদেৱ গোস্বামী জিলা চিকিৎসালয়

**ওদালগুৰি**
ওদালগুৰি অসামৰিক চিকিৎসালয়

AssamSBTC   AssamSBTC

ৰক্তদান কৰক। জীৱন ৰক্ষা কৰক। নায়ক হওক।

জনসংযোগ/ডি/১২৩৩৯/২২

দৈনিক অগ্ৰদূত

গুৱাহাটী শনিবাৰ ৩১ ভাদ ১৪২৯ ভাস্কৰাব্দ ১৭ ছেপ্টেম্বৰ ২০২২

# বিদ্যালয় চৌহদতে উচ্চ শিক্ষা

ৰাজ্যৰ শিক্ষা বিভাগে প্ৰকাশ কৰা অনুসৰি, এতিয়াৰে পৰা চৰকাৰী খণ্ডত একেটা চৌহদতে প্ৰাথমিক বিদ্যালয়ৰ পৰা এম ই, হাইস্কুল আৰু উচ্চতৰ মাধ্যমিক শাখা থাকিব। শিক্ষাৰ্থীৰ বাবে শিক্ষানুষ্ঠানৰ চৌহদত হোষ্টেলৰ সুবিধাও উপলব্ধ হ'ব। চৰকাৰী বিদ্যালয়ত একে চৌহদৰ ভিতৰতে 'স্কুল কেম্পাছ' আৰু 'কলেজ কেম্পাছ'ৰ ব্যৱস্থা কৰা হ'ব। স্কুল চৌহদত প্ৰাথমিকৰ পৰা দশম শ্ৰেণীলৈকে অধ্যয়নৰ সুবিধা থকাৰ বিপৰীতে কলেজ চৌহদত উচ্চতৰ মাধ্যমিকৰ পৰা স্নাতক পৰ্যায়লৈকে কলা, বিজ্ঞান আৰু বাণিজ্যৰ পাঠ্যক্ৰম শিক্ষাৰ্থীয়ে অধ্যয়ন কৰিব পাৰিব। ৰাজ্যৰ বিধানসভাত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এই কথা প্ৰকাশ কৰি কৈছে যে ২০২৩ শিক্ষা বৰ্ষৰ পৰা ৰাজ্যৰ শিক্ষানুষ্ঠানত এনে নতুন ব্যৱস্থা গঢ়ি তোলা হ'ব আৰু ইয়াৰ ফলত ছাত্ৰ-ছাত্ৰীয়ে শিক্ষানুষ্ঠানৰ একেটা চৌহদতে থাকি প্ৰাথমিকৰ পৰা স্নাতক পৰ্যায়লৈকে শিক্ষা আহৰণৰ সুবিধা লাভ কৰিব। তদুপৰি শিক্ষানুষ্ঠানৰ স'তে হোষ্টেলৰো ব্যৱস্থা কৰাৰ ফলত দূৰৈৰ শিক্ষাৰ্থীয়ে আৱাসী হৈ অধ্যয়ন কৰিব পাৰিব। চৰকাৰে ৰাজ্যত বিদ্যালয় বন্ধ আৰু সংলগ্নকৰণৰ পদক্ষেপ গ্ৰহণ কৰি বিতৰ্ক সৃষ্টি কৰাৰ সময়তে চৰকাৰী বিদ্যালয়ৰ চৌহদক পৰিবৰ্ধিত আৰু অধিক সা-সুবিধাৰে উন্নীত কৰাৰ পৰিকল্পনা গ্ৰহণ কৰাটো আদৰণীয়। অৱশ্যে শিক্ষা বিভাগে ৰাজ্যৰ ক'ত আৰু কিমানখন এনে শিক্ষানুষ্ঠান স্থাপন কৰিব, সেই কথা প্ৰকাশ কৰা নাই।

বৰ্তমানেও ৰাজ্যত এনে বহু চৰকাৰী শিক্ষানুষ্ঠান আছে যিসমূহত শিক্ষাৰ্থীয়ে উচ্চতৰ মাধ্যমিকলৈকে অধ্যয়ন কৰিব পাৰে। চৰকাৰী বালক আৰু কন্যা উচ্চতৰ মাধ্যমিক বিদ্যালয়তো বিজ্ঞান, কলা, বাণিজ্যত দ্বাদশলৈকে অধ্যয়নৰ সুবিধা আছে; কিন্তু সমস্যাটো হৈছে চৰকাৰী এনেবোৰ শিক্ষানুষ্ঠানৰ আন্তঃগাঁথনি তেনেই দুৰ্বল। মূলতঃ আন্তঃগাঁথনিৰ অভাৱতে চৰকাৰী বিদ্যালয়ৰ প্ৰতি শিক্ষাৰ্থী আৰু অভিভাৱকৰ মোহভংগ ঘটিছে। এনে এক পৰিস্থিতিত শিক্ষা বিভাগে একেটা চৌহদতে স্নাতক পৰ্যায়লৈকে পাঠদানৰ যি এক পৰিকল্পনা গ্ৰহণ কৰিছে, ইয়াৰ জৰিয়তে ৰাজ্যৰ চৰকাৰী শিক্ষানুষ্ঠানসমূহৰ ছবিখন সলনি হ'ব পাৰে। অৱশ্যে ইয়াৰ বাবে প্ৰয়োজনীয় আন্তঃগাঁথনি প্ৰথমে তৈয়াৰ কৰিব লাগিব। ৰাজ্যত বৰ্তমানে যিসমূহ চৰকাৰী বালক আৰু কন্যা উচ্চতৰ মাধ্যমিক বিদ্যালয় আছে, সেইসমূহৰ আন্তঃগাঁথনি উন্নয়নৰে পৰিবৰ্ধনৰ বহু সম্ভাৱনা আৰু সুযোগ আছে। এনেবোৰ বিদ্যালয়ৰ নিজাববীয়া বৃহৎ চৌহদ আছে আৰু এনে চৌহদত চৰকাৰে প্ৰয়োজনীয় সংখ্যক শ্ৰেণীকোঠাৰ নিৰ্মাণ কৰি স্নাতক পাঠ্যক্ৰমলৈকে শিক্ষাৰ্থীক সামৰি ল'ব পাৰিব। বিশ্ববিদ্যালয় অনুদান আয়োগ (ইউ জি চি)ৰ নিৰ্দেশনা অনুসৰি ৰাজ্যৰ বহু মহাবিদ্যালয়ে উচ্চতৰ মাধ্যমিকৰ শাখা কৰ্তন কৰাৰ পাছত এতিয়া চৰকাৰী খণ্ডত একাদশত নামভৰ্তিৰ ক্ষেত্ৰত শিক্ষাৰ্থীসকল সমস্যাগ্ৰস্ত হৈছে। উপায়হীন হৈ অনেকে ব্যক্তিগত খণ্ডৰ বিদ্যালয় আৰু জুনিয়ৰ কলেজত নামভৰ্তি কৰিছে; কিন্তু এইক্ষেত্ৰত সবাতোকৈ ক্ষতিগ্ৰস্ত হৈছে দৰিদ্ৰ পৰিয়ালৰ মেধাৱী শিক্ষাৰ্থীসকল। এনে শিক্ষাৰ্থীৰ বাবে একাদশত নামভৰ্তি কৰাটো প্ৰত্যাহ্বানমূলক হৈছে। এই সমস্যাৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰী বিদ্যালয়ত উচ্চতৰ মাধ্যমিকৰ শ্ৰেণীত অধ্যয়নৰ প্ৰয়োজনীয় সা-সুবিধা শিক্ষাৰ্থীৰ বাবে সহজলভ্য কৰাটো জৰুৰী হৈছে। শিক্ষামন্ত্ৰীয়ে সদনত প্ৰকাশ কৰাৰ দৰে একেখন চৰকাৰী শিক্ষানুষ্ঠানৰ চৌহদতে স্নাতকলৈকে অধ্যয়নৰ সুবিধা উপলব্ধ হ'লে নিশ্চিতভাৱে ৰাজ্যৰ দৰিদ্ৰ পৰিয়ালৰ মেধাৱী ছাত্ৰ-ছাত্ৰীসকল উপকৃত হ'ব।

চৰকাৰী শিক্ষাখণ্ডৰ দুৰ্দশাৰ ফলতে আজি ৰাজ্যত ব্যক্তিগত শিক্ষানুষ্ঠানৰ দপ্দপনি অব্যাহত আছে; কিন্তু অসমৰ দৰে ৰাজ্যত সৰহ সংখ্যক পৰিয়ালৰে বাবে সন্তানক ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানত শিক্ষা আহৰণৰ সুবিধা দিয়াটো আৰ্থিক দিশৰ পৰা সম্ভৱ নহয়। চৰকাৰে বহু বিদ্যালয় বন্ধ কৰি দিয়াত গ্ৰামাঞ্চলৰ সীমিত আয়ৰ অনেক অভিভাৱক সন্তানৰ শৈক্ষিক জীৱনক লৈ চিন্তিত হৈছে। এনে সময়তে শিক্ষা বিভাগে চৰকাৰী বিদ্যালয়ৰ মান উন্নীতকৰণ আৰু পৰিবৰ্ধনৰ পৰিকল্পনাৰ কথা সদৰী কৰি ৰাজ্যবাসীক শিক্ষাৰ ক্ষেত্ৰত এক আশাৰ ৰেঙণি দেখুৱালে। শিক্ষামন্ত্ৰীয়ে সদনত প্ৰকাশ কৰাৰ দৰেই যদি একেটা চৌহদতে চৰকাৰী খণ্ডত স্নাতক পৰ্যায়লৈকে অধ্যয়নৰ সুবিধা থকা এক আন্তঃগাঁথনি নিৰ্মাণ কৰা সম্ভৱ হৈ উঠে, তেন্তে নিঃসন্দেহে অসমত চৰকাৰী শিক্ষানুষ্ঠানসমূহৰ ৰাজ্যৰ শৈক্ষিক জগতত পুনৰ এক জয়যাত্ৰা আৰম্ভ হ'ব।

## খোলা মঞ্চ

### এবাৰ মন্ত্ৰীৰ গাদীত বহিলে...



**খনীন্দ্ৰ নাথ দাস**, লেখক

**দ্ৰুপদ** বৰগোঁহাঞিও নাজিৰাৰ বিধায়ক আৰু ৰাজ্যসভাৰ সাংসদ আছিল। বাওঁপন্থী আদৰ্শত বিশ্বাসী ৰাজনীতিবিদজনৰ বিভিন্ন মানৱতাবাদী কথা শুনিলে আজিৰ ৰাজনীতিবিদ আৰু মন্ত্ৰীৰ বাবে আশা পালি থকা লোকে ত্ৰাসি মধুসুদন সোঁৱৰিব। প্ৰয়াত গোহাঁইৰ সপোন সপোন লগা ঘটনাটো এনে ধৰণৰ— এজনী বিধবা মহিলাই তেওঁক দেখা কৰি কলেহি 'ৰাতিৰ ধুমুহাজাকে থকা ঘৰৰ গোটেইকেইখন টিনপাত, উৰুৱাই নিলে, তিতি বুৰি চাৰিটা প্ৰাণী ৰাতি পুৱালৈ উজাগৰে থাকিলো। কিবা এটা ব্যৱস্থা কৰি আমাক ৰক্ষা কৰক।' বৰগোহাঞিয়ে ক্ষন্তেকো পলম নকৰি নিজৰ গৃহৰ গোঁহালিত লগোৱা আটাইকেইখন টিনপাত খুলি দুৰ্ভগীয়া মহিলাগৰাকীক দি পঠিয়ালে। এয়া হৈছে সঁচা অৰ্থত ৰাইজৰ প্ৰতিনিধি! আমাৰ মন্ত্ৰী, এম এল এ সকলে বৰগোঁহাঞিৰ আদৰ্শ লৈ কিছু হ'লেও পাপৰ পৰা মুক্তি লাভ কৰক। ভোট যুদ্ধত নামি ভোটাৰৰ মন জয় কৰিবলৈ দুখীয়া-নিছলা ভোটাৰৰ স'তে উৰুখা পঁজাত শোৱা, ভাত খোৱা, ল'ৰা-ছোৱালীক চকলেট, চানাচুৰ দি পৰম আহ্লাদিত হোৱা বসুন্ধৰাজ সিন্ধিয়াই এটা দলিত শ্ৰেণীৰ প্ৰজাৰ (সাংগ-পাংগ সহঃ) গৃহত উপস্থিত হৈ মহিলাগৰাকীৰ হাতেৰে খুৱাই দিয়া বেঞ্জনৰ সোৱাদ লোৱা চিত্ৰ এখন বাতৰি কাকতৰ ছবিত দেখি মনত প্ৰশ্ন উদয় হৈছিল, ৰাজনীতিবিদজনাৰ (ৰাজস্থানৰ মুখ্যমন্ত্ৰী) এই দলিত প্ৰীতি সঁচাকৈ আন্তৰিক নে ভোট আদায় কৰা কৌশল? আজি আমাৰ মাজত ত্ৰিপুৰাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰয়াত নৃপেন চক্ৰৱৰ্তী, যিয়ে মুখ্যমন্ত্ৰীৰ দায়িত্ব এৰাৰ পাছত চৰকাৰী বাংলাৰ পৰা এটা ক'লা ছাতি, এডাল লাখুটি আৰু এটা সৰু চুটকেছ সহ চানগ্লাছ পিন্ধি খোজ কাঢ়ি ওলাই আহিছিল। বৰ্তমানৰ মন্ত্ৰী হ'ব খোজা ৰাজনীতিবিদসকলে তেওঁৰ আদৰ্শ গ্ৰহণ কৰিলে অন্ততঃ শান্তিৰে মৰিব পাৰিব। শৰৎ চন্দ্ৰ সিংহ, মাণিক সৰকাৰ আমাৰ আটাইৰে মনত জীৱন্ত কিংবদন্তি পুৰুষ। এই তিনিগৰাকী মুখ্যমন্ত্ৰীৰ কাৰ্যকাল ভাৰতৰ ইতিহাসত সদায় জিলিকি থাকিব। দেশ, সমাজ, জাতি, মাটিৰ স্বাৰ্থত তেওঁলোকে কাকো প্ৰতাৰণা কৰাৰ নজিৰ নাই। জনতা দলৰ চৰকাৰৰ মুখ্যমন্ত্ৰী প্ৰয়াত গোলাপ বৰবৰাও এটা চিনাকি নাম, যিয়ে নিজ স্বাৰ্থ ত্যাগ কৰি প্ৰকৃত দেশ-প্ৰেমিকৰ পৰিচয় দিছিল।

বেছিভাগ ৰাজনীতিবিদৰে উদ্দেশ্য মন্ত্ৰী পদ লাভ কৰি নিজৰ পৰিয়ালৰ সদস্যসকলক নোদোকা কৰি তোলা, ঠিকা-ঠুকুলি আদায় কৰা, পিছ-দুৱাৰেদি এ, পি এছ, ছিত প্ৰাৰ্থী বাছনি কৰোৱা, বেংক বেলেঞ্চ বঢ়োৱা, দিল্লী, মুম্বাই, চেন্নাই, আদিত ফ্লেট ক্ৰয় কৰা, সোণ-হীৰা, মজুত ৰখা, চাহ বাগান ক্ৰয় কৰা আদি ক্ৰীড়া-কাৰ্যই মূল-উদ্দেশ্য বুলি মন্ত্ৰী হ'ব খোজা এচাম-ৰাজনীতিকৰ পৰিকল্পনা। মন্ত্ৰীৰ গাদীত বহিব পৰা যোগ্যতা লাভ কৰাৰ প্ৰথম স্বৰ্তই হৈছে— দেশৰ সেৱা কৰা, দীন-দুখীয়াক সকাহ দিয়া, চৰকাৰী আঁচনিসমূহ সফলভাৱে ৰূপায়ণ কৰা, ব্যভিচাৰ ধৰা পেলোৱা, দুৰ্নীতিক শিপাৰে স'তে উভালি পেলোৱা আদি হৈছে মন্ত্ৰীৰ সাংবিধানিক দায়িত্ব। কিন্তু তাকে নকৰি লুণ্ঠনৰ চৰ্দাৰৰ দৰে কাম কৰিলে ইতিহাসে তেনে মন্ত্ৰীক ক্ষমা নকৰিব!

মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই আগ্ৰাসী ৰূপত চৰকাৰৰ স্থিতি স্পষ্ট কৰি দিছে, চৰকাৰে সংস্কাৰ সাধনৰ বাবে জনাদেশ পাইছে; এতেকে চৰকাৰে লেনিন-ষ্টেলিনৰ বিচাৰ ধাৰাৰে সমৰ্থন দিয়াৰ প্ৰশ্ন নুঠে। বৰঞ্চ চৰকাৰে ব্যক্তিগত খণ্ডতহে বিনিয়োগ কৰিব পাৰে



# বিতৰ্কিত চৰকাৰৰ নতুন শিক্ষানীতি আৰু ঔদ্যোগিকৰণৰ নতুন ৰূপৰেখা

## অৱলোকন



ডং জয়কান্ত শৰ্মা

এইবেলি বিধানসভাৰ মজিয়াত ডং হিমন্ত বিশ্ব শৰ্মাই চৰকাৰৰ উদ্যোগ নীতি সন্দৰ্ভত স্থিতি স্পষ্ট কৰি দিলে, ৰাজহুৱা খণ্ডত আৰু নতুনকৈ উদ্যোগ স্থাপন কৰা নহ'ব। ইতিপূৰ্বে চৰকাৰে বিভিন্ন সময়ত স্থাপন কৰা ৪১টা ঔদ্যোগিক প্ৰতিষ্ঠানৰ ভিতৰত ১৭ টাই বন্ধ হৈ আছে।

এতিয়া অভিজ্ঞতাৰ ভিত্তিত ক'ব পাৰি যে এশকোটি টকা উদ্যোগত বিনিয়োগ কৰি ৫০ কোটি টকা লোকচান ভৰাতকৈ চৰকাৰে সেই টকাৰে নতুন নতুন শিক্ষানুষ্ঠান স্থাপন কৰাটোহে উচিত কাম হ'ব। মুখ্যমন্ত্ৰীয়ে ক'লে,—এয়াই আমাৰ চৰকাৰৰ উদ্যোগ নীতি। নিশ্চয়কৈ জনগণৰ স্বাৰ্থতো এই নীতি বাস্তৱসন্মত। হওঁতে ঔদ্যোগিকৰণৰ এই নীতি নতুন নহয়; এয়া ১৯৯২ত নৰসিংহ ৰাওৰ চৰকাৰে গ্ৰহণ কৰা ব্যক্তিগতকৰণ তথা উদাৰীকৰণ নীতিৰ অনুৰূপ।

লক্ষ্যণীয় যে ৰাজীৱ গান্ধীৰ কাৰ্যকালত শিথিল কৰি দিয়া আমদানি নীতিৰ ফলত ভাৰতৰ বিদেশী মুদ্ৰাৰ ভাণ্ডাৰ খালী হৈ পৰিছিল। পৰৱৰ্তী চন্দ্ৰশেখৰ চৰকাৰে ৰাষ্ট্ৰীয় স্বৰ্ণ ভাণ্ডাৰ 'বেংক অৱ ইংলণ্ড'ত বন্ধকত ৰাখিহে অৰ্থনীতি চম্ভালিবলগীয়াত পৰিছিল। অৱশ্যে চন্দ্ৰ শেখৰে আৰ্থিক সংস্কাৰ সাধনৰ বাবে প্ৰয়াস চলালেও তাৰ বাবে মিত্ৰজোঁটৰ চৰকাৰখনৰ সময় নাছিল। পিছে নৰসিংহ ৰাৱে চৰকাৰ গঠন কৰাৰ সময়তে ভাৰতবৰ্ষ দেউলীয়া অৰ্থনীতিৰ দেশৰূপে চিহ্নিত হ'ল আৰু দূৰদৰ্শী ৰাৱে ততাতৈয়াকৈ বিশিষ্ট অৰ্থনীতিবিদ ডং মনমোহন সিঙক বিত্তমন্ত্ৰীৰূপে নিযুক্ত কৰিলে। ডং মনমোহন সিঙেই সদনত দাখিল কৰা তেওঁৰ প্ৰথমখন বাজেটত উদাৰবাদী অৰ্থনীতিৰ ৰূপৰেখা দাঙি ধৰি ঘোষণা কৰিছিল, ব্যৱসায়-উদ্যোগ চলোৱাটো চৰকাৰৰ কাম নহয়। চৰকাৰে ব্যৱসায়ী তথা উদ্যোগপতিসকললৈ সা-সুবিধাহে আগবঢ়াব; মূৰকত তেওঁলোকৰ সৌজন্যতে দেশৰ আৰ্থিক উন্নয়ন ত্বৰান্বিত হ'ব।

সেই সময়ত ডং মনমোহন সিঙৰ উদাৰীকৰণ নীতিয়ে ভাৰতবৰ্ষক পতনৰ পৰা ৰক্ষা কৰিছিল। সেই নীতি অনুসৰণ কৰি অটল বিহাৰী বাজপেয়ী চৰকাৰে ব্যক্তিগত খণ্ডত নতুন নতুন ঔদ্যোগিক প্ৰতিষ্ঠান গঢ়ি তোলাত উদ্‌গনি দিছিল আৰু এটাৰ পাছত আনটো চৰকাৰী বিত্তীয় প্ৰতিষ্ঠানৰ বিনিয়োগ মোচন ঘটাইছিল। এইটো এই বাবেই আৱশ্যকীয় আছিল যে ৰাজহুৱা খণ্ডৰ উদ্যোগ প্ৰতিষ্ঠানৰ লোকচান মানেই ধাৰৰ বোজাটো সাধাৰণ নাগৰিকৰ মূৰৰ ওপৰতে পৰে। পিছে পৰৱৰ্তী ইউ পি এ চৰকাৰৰ দুটা কাৰ্যকালত বিনিয়োগ মোচন প্ৰক্ৰিয়া বাৰুকৈয়ে মন্থৰ হৈ পৰিছিল, সেইটো অস্বীকাৰ কৰাৰ উপায় নাই। ইয়াৰ কাৰণ হ'ল, ইউ পি এ চৰকাৰ আছিল বহু পৰিমাণে বাঁওপন্থী শিবিৰৰ ওপৰত নিৰ্ভৰশীল।

কিন্তু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উদ্যোগ আৰু ব্যৱসায়িক প্ৰতিষ্ঠানৰ ব্যক্তিগতকৰণত নতুন মাত্ৰাৰ সংযোজন ঘটালে; তাৰ ফলস্বৰূপে ২০২২ত ভাৰতবৰ্ষই ইংলণ্ডক পিছ পেলাই থৈ বিশ্বৰ পঞ্চম অৰ্থনৈতিক শক্তিৰূপে পৰিচয় দিবলৈ সক্ষম হ'ল। পিছে একাংশ বাঁওপন্থী নেতা আৰু বুদ্ধিজীৱীয়ে আজিও দিনে-নিশাই এতিয়াও চিঞৰি আছে, মোদীয়ে ইটো প্ৰতিষ্ঠান বেচিলে, সিটো উদ্যোগ ব্যক্তিগত খণ্ডক গতাই দিলে, ইত্যাদি। সেয়া জনগণক বিভ্ৰান্ত কৰাৰ কৌশল।

অসমতো এচাম আন্দোলনজীৱীয়ে অহৰহ ব্যক্তিগতকৰণ নীতিৰ বিৰোধিতা কৰি আহিছে; পিছে আন্দোলনজীৱী



নেতাসকলৰ অৰ্থনীতিৰ বাস্তৱ জ্ঞান শূন্য। অবিশ্বাস্য যেন লাগিলেও সঁচা যে বন্ধ হৈ যোৱা ৰাজহুৱা খণ্ডৰ উদ্যোগ পুনৰ উজ্জীৱিত কৰাৰ ক্ষেত্ৰতো ব্যক্তিগত বিনিয়োগৰ বিৰোধিতা কৰে আন্দোলনজীৱী নেতাই। অৱশ্যে এনে অদূৰদৰ্শী নীতিৰ সূচনা হৈছিল স্বাধীনতাৰ ঠিক পাছতে। একাংশ অৰ্থনীতিবিদে প্ৰধানমন্ত্ৰী নেহৰুক সকীয়াই দিছিল, চৰকাৰৰ কাম হ'ল— জনসাধাৰণৰ বাবে স্বাস্থ্য সেৱা, শিক্ষাৰ সা-সুবিধা আগবঢ়োৱা আৰু বাট-পথ নিৰ্মাণ কৰাটোহে; ব্যৱসায় উদ্যোগ-বাণিজ্যত চৰকাৰ সোমাব নালাগে। পিছে ছোভিয়েট ৰাছিয়াৰ উত্থানত নেহৰু এনেদৰে মোহাচ্ছন্ন হৈ পৰিছিল যে তেওঁ ছোভিয়েটৰ অৰ্থনৈতিক আৰ্হিকে হুবহু গ্ৰহণ কৰিছিল। তাৰ বিষম পৰিণাম দেশে লাভ কৰিছিল ছোভিয়েটৰ পতনৰ সময়তে।

এতিয়া মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই আগ্ৰাসী ৰূপত চৰকাৰৰ স্থিতি স্পষ্ট কৰি দিছে, চৰকাৰে সংস্কাৰ সাধনৰ বাবে জনাদেশ পাইছে; এতেকে চৰকাৰে লেনিন-ষ্টেলিনৰ বিচাৰ ধাৰাৰে সমৰ্থন দিয়াৰ প্ৰশ্ন নুঠে। বৰঞ্চ চৰকাৰে ব্যক্তিগত খণ্ডতহে বিনিয়োগ কৰিব পাৰে। প্ৰসংগত উল্লেখযোগ্য যে বেদখলমুক্ত বিশাল ভূমিখণ্ডবোৰত চৰকাৰে ব্যক্তিগত খণ্ডৰ সহযোগত সৌৰশক্তি উৎপাদন কেন্দ্ৰ স্থাপন কৰাৰ লক্ষ্য গ্ৰহণ কৰিছে। এই নীতি কাৰ্যকৰী হ'লে অসম হৈ পৰিব এখন 'নিৰ্মল শক্তিসম্পন্ন' ৰাজ্য।

সন্দেহ নাই, শিক্ষাখণ্ডত আমূল সংস্কাৰ সাধনৰ এলানি পদক্ষেপ চৰকাৰে গ্ৰহণ কৰিবলৈ ওলাইছে। মূৰকত সংস্কাৰ সাধনে সমস্যাৰ সৃষ্টি কৰে নে সমস্যাৰ সমাধান কৰে, সেইটো এতিয়াও ক'ব পৰা হোৱা নাই। বিশেষকৈ মাতৃভাষা মাধ্যমৰ চৰকাৰী বিদ্যালয়ত তৃতীয় শ্ৰেণীৰ পৰা গণিত আৰু বিজ্ঞান বিষয় দুটা ইংৰাজী মাধ্যমত শিকোৱাৰ প্ৰস্তাৱটোৱে বহুতৰে মনত খু-দুৱনিৰ সৃষ্টি কৰিছে। একেখন বিদ্যালয়ত দুটা মাধ্যমৰ শিক্ষা? মূৰকত ব্যৱস্থাটোৱে প্ৰাথমিক শিক্ষাৰ পাঠ্যক্ৰমত বিশৃংখলতাৰ সৃষ্টি নকৰেতো? অনেক সমালোচকে কৈছে, এয়া মাতৃভাষাৰ শিক্ষাৰ বাবে মৃত্যু ঘণ্টা; চৰকাৰে নিজেই এতিয়া ইংৰাজী মাধ্যমৰ পোষকতা কৰিবলৈ ল'লে। এই ব্যৱস্থাৰ বিৰুদ্ধে এচাম জাতীয়তাবাদী সংগঠনে গণ আন্দোলন গঢ়ি তোলাৰ ভাবুকিও নিদিয়াকৈ থকা নাই।

পিছে অসমৰ জনগণে গণ-আন্দোলন নিবিচাৰে; বিষয়টোৰ বস্তুনিষ্ঠ বিশ্লেষণহে বিচাৰে। তদুপৰি যিসকলে মাতৃভাষা মাধ্যমৰ বিদ্যালয়ত ইংৰাজী মাধ্যমৰ গণিত আৰু বিজ্ঞান শিক্ষাৰ ব্যৱস্থাটোৰ বিৰোধিতা কৰিছে, তেওঁলোকে নিজৰ সন্তানক কোনটো মাধ্যমৰ বিদ্যালয়ত পঢ়ুৱাইছে? অস্বীকাৰ কৰাৰ উপায় নাই যে আৰ্থিকভাৱে স্বচ্ছল পৰিয়ালৰ সন্তানে ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত পঢ়ে, এইটোৱেই হৈ পৰিছে সাম্প্ৰতিক কালৰ পৰম্পৰা; তাৰ অন্যথা হ'লে সেইটো ব্যতিক্ৰম বুলিহে ধৰা হয়।

মনকৰিবলগীয়া যে অসমৰ গাঁৱে-ভূঞে নগৰে-চহৰে এখনৰ পাছত আনখন মাতৃভাষা মাধ্যমৰ চৰকাৰী বিদ্যালয় বন্ধ হ'ব লাগিছে ছাত্ৰ-ছাত্ৰীৰ অভাৱত, শিক্ষকৰ অভাৱত নহয়। সেই বাবে চৰকাৰে একাধিক বিদ্যালয়ৰ একত্ৰীকৰণ নীতিও গ্ৰহণ কৰিবলগীয়াত পৰিছে। প্ৰশ্ন উঠিছে, মাথোন আৰ্থিকভাৱে অনগ্ৰসৰ পৰিয়ালৰ সন্তানেহে মাতৃভাষাৰ সংৰক্ষণ তথা সংবৰ্ধনৰ জাতীয় দায়িত্ব বহন কৰিব লাগিব নেকি? আকৌ তেওঁলোকক লৈয়েই চলে আন্দোলনজীৱীৰ ভাষিক জাতীয়তাবাদৰ ৰাজনীতি!

এনে প্ৰেক্ষাপটত চৰকাৰৰ সংস্কাৰকামী প্ৰস্তাৱটো মাতৃভাষা মাধ্যমৰ শিক্ষাক বিদ্যাৰ্থীৰ বাবে অৰ্থপূৰ্ণ আৰু অভিভাৱকৰ বাবে গ্ৰহণযোগ্য কৰি তোলাৰ প্ৰয়াস বুলি ভাবিবৰ থল আছে। চৰকাৰে কৈছেও মাতৃভাষা মাধ্যমৰ বিদ্যালয়ৰ ছাত্ৰৰ যাতে উচ্চ শিক্ষা লাভ কৰাৰ পথ সুচল হয়, তাৰ বাবেই গণিত আৰু বিজ্ঞান শিক্ষাৰ মাধ্যম ইংৰাজী হোৱাটো আৱশ্যকীয়। লক্ষ্যণীয় যে নতুন শিক্ষানীতি অনুসৰি স্নাতক আৰু স্নাতকোত্তৰ পৰ্যায়ৰ শিক্ষা লাভৰ বাবে মহাবিদ্যালয় তথা বিশ্ববিদ্যালয়ত ভৰ্তি হোৱাৰ অৰ্হতা অৰ্জন কৰিবলৈ সৰ্বভাৰতীয় 'CUET' ত অৱতীৰ্ণ হোৱাটো বাধ্যতামূলক। এই প্ৰৱেশ পৰীক্ষাৰ মাধ্যম ইংৰাজী। ইতিমধ্যে এই বছৰৰ সৰ্বভাৰতীয় CUET (UG)' আৰু CUET (PG)' অনুষ্ঠিত হৈ গ'ল। আন আন সৰ্বভাৰতীয় পৰীক্ষাতো একেই কথা; গণিত আৰু বিজ্ঞানৰ প্ৰশ্নবোৰ ইংৰাজী মাধ্যমৰ ছাত্ৰ-ছাত্ৰীয়ে অধিক তৎপৰতাৰে কৰিব পাৰে।

পিছে চৰকাৰে অসমীয়া মাধ্যমৰ বিদ্যালয়ত গণিত আৰু বিজ্ঞান শিক্ষা ইংৰাজী মাধ্যমত প্ৰদান কৰাৰ ক্ষেত্ৰত দুটা বৃহৎ প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লাগিব, (১) উপযুক্ত পাঠ্যপুথিৰ প্ৰণয়ন আৰু (২) শিক্ষক-শিক্ষয়িত্ৰীৰ প্ৰশিক্ষণ। আকৌ নতুন শিক্ষানীতি অনুসৰি সকলো বিদ্যালয়ত পঞ্চম শ্ৰেণী পৰ্যন্ত শিক্ষাৰ মাধ্যম মাতৃভাষা। সেই দৃষ্টিৰে মাতৃভাষাৰ পাঠ্যক্ৰমো সুকীয়া গুৰুত্বৰে প্ৰস্তুত কৰিব লাগিব। কাৰণ ভাষাটোৰ আখৰ জোঁটনি, বাক্য গাঁথনি আদি যথাযথভাৱে আয়ত্ত কৰিবলৈ সক্ষম হোৱাৰ উপৰি ছাত্ৰ-ছাত্ৰীসকলে মাতৃভাষাৰ সাহিত্য অধ্যয়ন কৰিবলৈ প্ৰেৰণা লাভ কৰা উচিত। মনত ৰাখিব লাগিব অসমত অসমীয়াৰ উপৰি বড়ো, কাৰ্বি, মিচিং ৰাভা আদিও মাতৃভাষা।

মাদ্ৰাছা শিক্ষা ব্যৱস্থাৰ সন্দৰ্ভত ডং হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ দৃষ্টিভংগী কি? প্ৰশ্নটো বৌদ্ধিক মহলত চৰ্চাৰ বিন্দু নোহোৱাকৈ থকা নাই। অৱশ্যে ৰাজ্যখনৰ ভালেমান সংখ্যালঘু অধ্যুষিত অঞ্চলত অবৈধভাৱে স্থাপিত মাদ্ৰাছা আছে; তাৰে কিছুমানত হেনো ইছলামীয় উগ্ৰপন্থীয়ে জেহাদী কাৰ্যকলাপ চলাই থকাৰ প্ৰমাণো পোৱা গৈছে। যদিহে চৰকাৰে মাদ্ৰাছাত ৰাষ্ট্ৰ বিৰোধী কাৰ্যকলাপ চলাৰ সঠিক প্ৰমাণ লাভ কৰিছে, তেনেহ'লে সেইবোৰ বুলড'জাৰেৰে ভাঙি পেলোৱাত আপত্তিৰ থল নাই। খোদ সৰ্বোচ্চ ন্যায়ালয়েও এনে কাৰ্যত অনুমোদন দি থৈছে, অবৈধ নিৰ্মাণ উচ্ছেদ কৰিবলৈ চৰকাৰে বুলড'জাৰ ব্যৱহাৰ নকৰি কি ব্যৱহাৰ কৰিব?

পিছে বিষয়টো বৰ স্পৰ্শকাতৰ; কাৰণ মাদ্ৰাছাৰ স'তে একাংশ মুছলমানৰ ধৰ্মীয় অনুভূতি জড়িত হৈ থাকে। চৰকাৰী খণ্ডৰ মাদ্ৰাছাসমূহত ধৰ্মীয় বিষয়ৰ উপৰি মূলসুঁতিৰ শিক্ষাৰ বাবে অপৰিহাৰ্য বিষয়বোৰো পঢ়োৱা হয়; কিন্তু ধৰ্মীয় সংগঠনে স্থাপন কৰা ব্যক্তিগত খণ্ডৰ মাদ্ৰাছাবোৰত মাথোন ধৰ্মীয় বিষয়বোৰহে শিক্ষা দিয়া হয়। সেই বাবে এনে শিক্ষাই ছাত্ৰ-ছাত্ৰীৰ মনত ধৰ্মীয় গোড়ামিৰ সৃষ্টি কৰাটো নুই কৰিব নোৱাৰি। তাতে আকৌ জেহাদী কাৰ্যকলাপ চলাটো হয়গৈ দেশ তথা সমাজৰ বাবে বিপজ্জনক। তাতোকৈ ডাঙৰ কথাটো হ'ল, কোনো এখন মাদ্ৰাছাৰ ৰাষ্ট্ৰ বিৰোধী কাৰ্যকলাপৰ বিষয়ে স্থানীয় লোক মুঠেও অৱগত নহয়। সহজ-সৰল অভিভাৱকসকল সন্তানক শিক্ষানুষ্ঠানলৈ পঠিয়ায়েই সন্তুষ্ট; জেহাদী সংগঠনৰ ৰণনীতি সন্দৰ্ভত তেওঁলোক তেনেই অজ্ঞ।

এনে পটভূমিত চৰকাৰে মাদ্ৰাছাসমূহৰ পৰিচালনাত স্থানীয় সমিতিৰ কৰ্তৃত্ব সুনিশ্চিত কৰা উচিত। অৱশ্যে স্থানীয় পৰিচালনা সমিতিয়ে মাদ্ৰাছা এখনৰ গতিবিধি সন্দৰ্ভত দায়বদ্ধতা গ্ৰহণ কৰাৰ কথা চৰকাৰে কৈছে। তাৰে প্ৰথম পদক্ষেপটোৱেই হ'ব, চৰকাৰৰ স্বীকৃতি লাভ। ব্যক্তিগত খণ্ডৰ হ'লেও এখন শিক্ষানুষ্ঠানত বিভাগীয় স্বীকৃতি অবিহনে ছাত্ৰ-ছাত্ৰীক পাঠদান কৰিব পৰা নাযায়। সেয়েহে মাদ্ৰাছাসমূহে চৰকাৰী নিয়ম-কানুন মানি নচলাৰ প্ৰশ্ন নুঠে।

সমস্যাটো মাথোন অসমৰে নহয়; অন্যান্য ৰাজ্যতো একাংশ মাদ্ৰাছাৰ বিৰুদ্ধে অনুৰূপ অভিযোগ উত্থাপিত হৈ আছে। এনে প্ৰেক্ষাপটত উত্তৰ প্ৰদেশ চৰকাৰে মাদ্ৰাছাসমূহৰ গতিবিধিৰ বিষয়ে তথ্য-পাতি সংগ্ৰহ কৰিবলৈ লৈছে। কোনো কোনো মাদ্ৰাছাই ইয়াৰ বিৰোধিতাও কৰিছে। অনেক সংগঠনে দাবী কৰিছে যে মাদ্ৰাছাসমূহ পৰম্পৰাগত শিক্ষানুষ্ঠান নহয়, সেইবোৰ হ'ল ধৰ্মীয় ৰীতি-নীতিৰ অনুশীলনৰ কেন্দ্ৰ মাথোন। পিছে এই সংজ্ঞা মানি ল'লে 'শিশুৰ বাধ্যতামূলক শিক্ষা আইন'খন উলংঘা কৰা নহ'বনে? উক্ত আইনমতে ছয়-১৪ বছৰৰ শিশুৱে বিদ্যালয়ৰ শিক্ষা গ্ৰহণ কৰাটো বাধ্যতামূলক। আকৌ ২০০২ৰ ৮৬ সংখ্যক সংবিধান সংশোধনী অনুসৰি এই বয়সৰ শিশুক শিক্ষাৰ সুবিধা প্ৰদান কৰাটো নাগৰিকৰ মৌলিক কৰ্তব্য।

সি যিয়েই নহওক, মাদ্ৰাছাই শিক্ষানুষ্ঠানৰূপে স্বীকৃতি পাবলৈ কেতবোৰ চৰ্ত পূৰণ কৰাটো আৱশ্যকীয় হৈ পৰে; যেনে, শিক্ষানুষ্ঠানখনে ভূমি আৰু অৰ্থ ক'ৰ পৰা সংগ্ৰহ কৰিলে, শিক্ষকসকলৰ নাম, ঠিকনা আৰু অৰ্হতা, পৰিচালক-মণ্ডলীৰ পৰিচয় ইত্যাদি। অৱশ্যে চৰকাৰেও এই সন্দৰ্ভত নীতি প্ৰস্তুত কৰিব বুলি কৈছে। জনসাধাৰণে আশা কৰে, মাদ্ৰাছা শিক্ষাৰ জৰিয়তে শিশুসকল উপযুক্ত নাগৰিকৰূপে আত্মপ্ৰকাশ কৰিব।

*ফোন : ৯৪৩৫৫-৫৪২০৫*

# ৰাহুল গান্ধীৰ ভাৰত জোড়ো যাত্ৰা সফল হ'বনে?

## প্ৰিয়ংকাই সৰ্বসাধাৰণৰ উৰ্দ্ধত আৰু নিজকে ৰাজকন্যা বুলিয়েই মত ব্যক্ত কৰে। পিছে ভাৰত হ'ল এখন গণতান্ত্ৰিক দেশ আৰু ৰাইজেই দেশৰ ৰজা

## পৰ্যালোচনা



প্ৰমোদ কাকতি

**গণতান্ত্ৰিক** শাসন ব্যৱস্থাত শাসনাধিষ্ঠিত দল আৰু চৰকাৰৰ ভুল আৰু অনিয়মৰ বিৰুদ্ধে বিৰোধী দলে ক্ষোভ প্ৰতিবাদ ধৰ্ণা, অৱৰোধ, আন্দোলনৰ হৰতাল আদিৰে শান্তিপূৰ্ণভাৱে আপত্তি প্ৰদৰ্শন কৰাতো এটা সুস্থ গণতান্ত্ৰিক পৰম্পৰা। ব্ৰিটিছৰ ৰাজত্বকালত তেওঁলোকৰ শোষণ-দমনৰ বিপৰীতে জাতিৰ পিতা মহামানৱ মহাত্মা গান্ধীৰ নেতৃত্বত ভাৰতীয় জাতীয় কংগ্ৰেছ আৰু সমভাৱাপন্ন দল-সংগঠনে দেশজুৰি প্ৰতিবাদ সাব্যস্ত কৰি স্বৰাজৰ বাবে সংগ্ৰাম কৰা কথা ভাৰতৰ ইতিহাসে সোঁৱৰাই দিয়ে। সত্যাগ্ৰহ, শোভাযাত্ৰা, ৰাজহুৱা সভা আদিৰে ইংৰাজৰ অপশাসনৰ বিৰুদ্ধে দেশব্যাপী জনজাগৰণৰ সৃষ্টি কৰি মুক্তিযুদ্ধত নামোতে হেজাৰজন দেশভক্তই ব্ৰিটিছ শাসকৰ চিপাহীৰ গুলী বুকুপাতি লৈ ছহিদ হয় আৰু আন সহস্ৰজনে কাৰাবৰণ কৰি অকথ্য নিৰ্যাতন ভোগ কৰে।

কিন্তু মুক্তি সংগ্ৰামৰ সাম কাটক চাৰি দুগুণ সাহসেৰে দেশৰ মাটিত কঁপনি তুলিলে আৰু বাধ্য হৈ ইংৰাজে ভাৰতীয়ৰ হাতত দেশ অৰ্পণ কৰি নিজ দেশলৈ উভতি যায়। পিছে অতি দুখ আৰু পৰিতাপৰ বিষয় যে ব্ৰিটিছৰ শাসন কালত জন্ম পোৱা ধৰ্মীয় আৰু সাম্প্ৰদায়িক বিভেদ নীতিৰ বিষক্ৰিয়াৰ ফলত অখণ্ড ভাৰত হিন্দুস্থান আৰু পাকিস্তান হিচাপে বিভক্ত হয়। অশেষ যত্ন কৰিও গান্ধীয়ে ভাৰতবৰ্ষক একত্ৰিত কৰি ৰাখিব নোৱাৰিলে। কংগ্ৰেছ আৰু মুছলিম লীগৰ খোৱা-কামোৰাত, জিন্না আৰু নেহৰুৰ ক্ষমতাকেন্দ্ৰিক যুদ্ধৰ ফলত ভাৰতবৰ্ষত বিভাজন ঘটে। সেই সময়ত ৰাজনৈতিক পটপৰিৱৰ্তনৰ গইনা লৈ দুয়োটা সম্প্ৰদায়ৰ নিৰপৰাধ জনসাধাৰণৰ মাজত যি প্ৰাণৰ ভয়, ঘৰ-সম্পত্তি হেৰোৱাৰ ভয়, মান-সন্মান-স্বাভিমান হেৰোৱাৰ বিভীষিকা সৃষ্টি হয়, সেই ভয়াবহ পৰিস্থিতিৰ কথা ভাষাৰে বৰ্ণনা কৰাৰ সাহস নহয়।

ইতিমধ্যে লুইত, গংগা, মেঘনা, কাবেৰী, গোদাবৰীৰ বুকুৰে বহু পানী বাগৰি গ'ল। ভাৰতে ৰাজনৈতিক স্বাধীনতা পালে ঠিকেই, অৰ্থনৈতিক সংগ্ৰাম হ'লে চলি থাকিল। দেশৰ কোটি কোটি জনসাধাৰণৰ মাজত অন্ন-বস্ত্ৰ-বাসস্থান, সংস্থান আৰু আত্মনিৰ্ভৰ হোৱাৰ সমস্যাই আজিও ঢোকে ঢোকে পানী খুৱাই আছে। দেশ স্বাধীন হোৱাৰ দিনাৰে পৰা বিভিন্ন দল আৰু মৰ্চাই শাসনৰ গাদীত বহিল। ৭৫ বছৰীয়া ৰাষ্ট্ৰখনৰ যে পৰিৱৰ্তন একেবাৰে হোৱা নাই সেয়া নহয়। অতি লেহেমীয়া গতিৰে আগবাঢ়ি থকাতো সঁচা। প্ৰতিৰক্ষা, যোগাযোগ, বিজ্ঞান-প্ৰযুক্তি, শিক্ষা, স্বাস্থ্য আদি ভালেমান দিশত দেশে উন্নতি সাধন কৰিছে। ইয়াৰ বিপৰীতে কৃষিপ্ৰধান দেশ হিচাপে আমি আত্মনিৰ্ভৰশীলেই হ'ব পৰা নাই। অন্য দেশলৈ খাদ্য সামগ্ৰী ৰপ্তানি কৰি দেশৰ ধনভঁৰাল চহকী কৰাৰ কথাতো দূৰতে থাকিল। তেনেদৰে এই দেশত জলজ, খনিজ, বনজ, ভূমিজ আদি ক্ষেত্ৰত প্ৰাকৃতিক সম্পদ উভৈনদী হৈ আছে যদিও সুচিন্তা, বাস্তৱমুখী পৰিকল্পনা আৰু কাৰ্যকৰী আঁচনিৰ অভাৱত প্ৰকৃতিপ্ৰদত্ত এই মূল্যবান সম্পদসমূহ তেনেই অনাদৃত হৈ বিনষ্ট হৈ আছে। ক'ৰবাত দুই এটা উদ্যোগ গঢ়ি উঠিলেও তাৰ ব্যয় হোৱা ধনৰাশি ঘূৰাই পোৱাৰ আগতে নানা অজুহাতৰ ফলস্বৰূপে ধ্বংস হোৱাহে পৰিলক্ষিত হয়। বিশ্বৰ ধনী ৰাষ্ট্ৰসমূহে কৃষি আৰু ঔদ্যোগিক দিশৰ প্ৰতিযোগিতা চলাই সকলো দিশতে শক্তিশালী হৈ পৃথিৱী গ্ৰাস কৰাৰ উপক্ৰমৰ সময়তো আমাৰ দেশৰ শাসকীয় পক্ষই প্ৰতিযোগিতাৰ দিশলৈ চকুমেলি নাচাই কেৱল পাঁচবছৰীয়া শাসন কাল সুখত কটোৱাৰ দিহা কৰাতো অতিকৈ লজ্জাজনক কথা। আমাৰ দেশত লঘু, মধ্যমীয়া আৰু বৃহৎ উদ্যোগ গঢ়াৰ উপায় আছে। বতৰমত ৰাহি শস্য ৰাহি কৰা আৰু সৰু বৰ কল-কাৰখানা, ফেক্টৰী উদ্যোগৰ যোগেদি অপচয় নোহোৱাকৈ ৰূপান্তৰিত খাদ্য প্ৰস্তুত কৰি বহুদিনলৈ ভালকৈ ৰখাৰ নানা পদ্ধতি আছে। তেনেদৰে পানীৰ পৰা বিজুলী, পাতালৰ পৰা তৈল সামগ্ৰী, উদ্ভিদৰ পৰা কাকত-বস্ত্ৰ আদি প্ৰস্তুত কৰাৰ বাবে বৃহৎ উদ্যোগ গঢ়ি দেশৰ অৰ্থনীতি সবল কৰাৰ পৰ্যাপ্ত থল আছে। ঔদ্যোগিক নীতি কাৰ্যকৰী হ'লে দেশ আত্মনিৰ্ভৰ হোৱাই নহয়—বছৰি বৰ্দ্ধিত হাৰত বৃদ্ধি পোৱা বিভিন্ন পৰ্যায়ৰ নিবনুৱাকো সংস্থাপন দিয়াত উল্লেখ্যযাগ্য ভূমিকা ল'ব পাৰে।

ওপৰত উল্লেখ কৰা বিভিন্ন সমস্যা আৰু অসংখ্য সম্ভাৱনাৰ কথা সমুখত ৰাখি ৰাহুল গান্ধীৰ 'ভাৰত জোড়ো যাত্ৰা' সম্পৰ্কে তেওঁ কৈ ফুৰা কথা, আনসকলে কৰা বিভিন্ন মন্তব্য আৰু আমাৰ মনত থিতাপি লোৱা তেওঁৰ কথা-কৰ্ম, পৰিপক্কতা, যোগ্যতা সম্পৰ্কে আলচ কৰিব বিচৰা হ'ল। পণ্ডিত নেহৰু আজু ককা, ইন্দিৰা আইতা, পিতৃ ৰাজীৱ হ'ল প্ৰধানমন্ত্ৰী। বিদেশী মূলীয় মাতৃ ছনিয়া গান্ধীও কংগ্ৰেছ সংসদীয় দলৰ নেত্ৰী হিচাপে প্ৰধানমন্ত্ৰী হ'বৰ বাবে ৰাষ্ট্ৰপতি ভৱন পালে। মহামান্য ৰাষ্ট্ৰপতি এ পি জে আব্দুল কালামে জানো কি বুজালে। অন্তৰাত্মাৰ আহ্বানত তেওঁ সেই আসনত নবহি অতিকৈ বিশ্বস্ত আৰু অনুগত ডং মনমোহনকে প্ৰধানমন্ত্ৰীৰ আসনত বহুৱাই শাসন চলাই থাকিল। গতিকে এইসকলৰ উত্তৰাধিকাৰী হিচাপে ৰাহুল-প্ৰিয়ংকা ৰাজপৰিয়ালৰ বংশধৰ। সেই সূত্ৰে ৰাহুলক তেওঁৰ ভক্তসকলে যুৱৰাজ বুলিয়েই জ্ঞান কৰে। প্ৰিয়ংকাইতো সৰ্বসাধাৰণৰ উৰ্দ্ধত আৰু নিজকে ৰাজকন্যা বুলিয়েই মত ব্যক্ত কৰে। পিছে ভাৰত হ'ল এখন গণতান্ত্ৰিক দেশ আৰু ৰাইজেই দেশৰ ৰজা। সংসদীয় গণতন্ত্ৰৰ নিয়ম অনুসৰি সাধাৰণ নিৰ্বাচনৰ যোগেদি ৰাইজে জনপ্ৰতিনিধি নিৰ্বাচন কৰে। দুই-তৃতীয়াংশ জনপ্ৰতিনিধি লাভ কৰা দল বা গোটে চৰকাৰ গঠন কৰি দেশ শাসন কৰে। ৰাহুল গান্ধী সাংসদ হৈছে। শাসকীয় আৰু বিৰোধী দলৰ সাংসদ হিচাপেও অভিজ্ঞতা অৰ্জন কৰিছে। কিন্তু দলীয় বিষয়বাব পালেও আনুষ্ঠানিকভাৱে তেওঁ মন্ত্ৰী বা অন্য চৰকাৰী বিষয়বাব এতিয়ালৈ পোৱা নাই। গতিকে কোনো পঞ্চায়তেই হওক, নিগম-নিকায়ে হওক, ৰাজ্যই হওক অথবা দেশেই হওক— প্ৰত্যক্ষভাৱে শাসন কৰাৰ অভিজ্ঞতা তেওঁৰ নাই। হ'লেও এই পৰিয়ালৰ সদস্যই দেশৰ সংবিধান বহিৰ্ভূত শক্তি হিচাপে কাম কৰাৰ নজিৰ নোহোৱা নহয়। জৰুৰী অৱস্থাৰ সময়ত তেনে শক্তি হিচাপে ইন্দিৰা কনিষ্ঠ পুত্ৰ সঞ্জয়ে মহিলাক বন্ধ্যাকৰণ কৰা সম্পৰ্কত হৰাশাস্তি কৰা কথা ৰাইজে জানে। ৰাহুল গান্ধীয়েও মনমোহন চৰকাৰৰ সিদ্ধান্ত ওফৰাই পেলোৱাৰ উদাহৰণ বিদ্যমান। চৰকাৰৰ মুৰব্বীক কেনেদৰে আচৰণ দেখুৱাব লাগে সেই জ্ঞানৰ বহিঃপ্ৰকাশ তেওঁৰ ক্ষেত্ৰত দেখা নাযায়। কিয়নো সদন চলি থকাৰ সময়তে ৰাহুলে গৈ নিজৰ আসনত বহি থকা প্ৰধানমন্ত্ৰী মোদীক 'উঠো উঠো' বুলি আকোৱালি ল'ব খোজা দৃষ্টিকটু দৃশ্য ভাৰতবাসীয়ে প্ৰত্যক্ষ কৰিছে।



ৰাহুল গান্ধীৰ নেতৃত্বতে কংগ্ৰেছে বিগত দুটাকৈ সংসদীয় নিৰ্বাচনত অৱতীৰ্ণ হৈ কেৱল বিফলতাহে অৰ্জন কৰিলে। দেশত অতবোৰ জ্বলন্ত সমস্যা থকাৰ পাছতো 'মোদী চাহেৱালা' 'চকীদাৰ চোৰ' আৰু 'মোদী হতাও' ধ্বনিৰে ভোটাৰৰ মন জয় কৰিব পাৰিব বুলি ভবাতো ভুল নহয়নে। তেনেদৰে বিভিন্ন ৰাজ্যত হোৱা বিধানসভা নিৰ্বাচন, নগৰ-নিকায় নিৰ্বাচন আনকি পঞ্চায়ত নিৰ্বাচনতো ৰাহুল গান্ধীৰ কংগ্ৰেছ দলে শোচনীয় পৰাজয়হে বৰণ কৰিলে। ইমানৰ পাছতো ৰাহুল গান্ধীয়ে নিজৰ শক্তি সামৰ্থ, যোগ্যতা-পাৰদৰ্শিতা, কৰ্ম-কৌশল আদি কি কি গুণৰ অধিকাৰী নিজকে এবাৰ সুধি নাচায় কিয়? এতিয়া 'আলী' 'কুলি' আগৰ দৰে কংগ্ৰেছৰ ভোট বেংক হৈ থকা নাই নহয়। নিৰ্বাচনী মঞ্চত থিয় হৈ বৰ বৰ কথা ক'লে নহ'ব। দুখীয়া-নিছলাৰ মনৰ মাজত সোমাব লাগিব- তেওঁলোকৰ দুখ-দুৰ্দশাৰ বুজ ল'ব লাগিব। ৰাইজৰ অভাৱ অভিযোগ মোচনৰ ব্যৱস্থা কৰিব লাগিব।

ৰাহুল গান্ধী ৰাজনীতিৰ পথাৰখনৰ নিয়মীয়া কৰ্মী নহয়। গ্ৰন্থ আৰু সমাজ অধ্যয়নেৰেও পুষ্ট বুলি তেওঁৰ বক্তব্যত ওলাই নপৰে। তেওঁ টুইট কৰি বিতৰ্কিত মন্তব্য কৰি ৰাইজৰ হাঁহিয়াতৰ পাত্ৰ হয়। ফুলৱামাত পাকিস্তানী সন্ত্ৰাসবাদীৰ বোমা বিস্ফোৰণত ছল্লিশজনকৈ তেজাল ভাৰতীয় জোৱানে প্ৰাণ আহুতি দিয়া বিষয়ত নীতিগত ভুল পালে তেওঁ কেন্দ্ৰীয় চৰকাৰক সমালোচনা কৰক; কিন্তু সেনাক দোষাৰোপ কৰি মনোবল লাঘৱ কৰিব খোজাতো নিতান্তই অনুচিত। প্ৰতি ৰক্ষা বিষয়ত মাত-মতাত অসাৱধান হ'লে ক্ষতি হ'ব পাৰে। এনে স্পৰ্শকাতৰ বিষয়ত দেশৰ স্বাৰ্থত মন্তব্য কৰাটোহে সমীচিন কথা। ৰাহুল গান্ধীয়ে সময়ে সময়ে বিদেশলৈ গৈ অবাঞ্চিত মন্তব্য কৰিও সমালোচিত হৈছে। নেতা হোৱাৰ বাবে অলায়ক দুৰ্বল, অপৈনত আৰু অংশকালীন (কেজুৱেল) বুলি আমেৰিকাৰ ৰাষ্ট্ৰপতি অ'বামায়ো ৰাহুল গান্ধীলৈ শক্তিশেল নিক্ষেপ কৰিছে। ইমানৰ পাছতো তেওঁ টিঙৰ পৰা নানামি অতিসম্প্ৰতি 'ভাৰত জোড়ো যাত্ৰা' আৰম্ভ কৰিছে। ভাৰতক নতুনকৈ কি ঐক্যবদ্ধ কৰিব লাগে। পাকিস্তান আৰু বাংলাদেশক আকৌ সংলগ্ন কৰাৰ কথা ভবা মানে আপোনাৰ নাক কাটি সতিনীৰ যাত্ৰা ভংগ কৰাৰ দৰে কথা নহ'ব জানো! সাম্প্ৰদায়িক ঐক্যৰ কথা কৈ ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘ আৰু হিন্দুত্বৰ ওপৰত প্ৰশ্ন তোলা মানে কেঁচা ঘাত-কলাখাৰ দিয়া নহ'বনে। তেহেলৈ আমি সকলো ভাৰতীয়ই একগোট হৈ ৰাষ্ট্ৰ নিৰ্মাণৰ কামতহে আত্মনিয়োগ কৰাটো সমীচিন কথা হ'ব।

*ফোন : ৬০০৩২৬২৩৩০*

# সাহিত্য চিন্তা আৰু লেখকৰ দায়বদ্ধতা

**সমাজক যেতিয়া শাসক-শোষকে বিপথে পৰিচালিত কৰে, নিংকিন পদ দলিত কোনো লোক বা সমাজ যদি প্ৰতাৰিত হয়, লুণ্ঠিত হয় লেখকৰ কলম স্তব্ধ হৈ নাথাকে। গৰজি উঠে কলম। ক্ষুৰধাৰ কলমেৰে প্ৰতিবাদ কৰে। গঠনমুখী চিন্তা-চেতনাৰে লেখকসকলে সমাজখনক প্ৰাণৱন্ত কৰি তোলে। ইয়াতে প্ৰকাশ পায় লেখকৰ মহত্ব**



**হৰেন্দ্ৰ কলিতা**

**পাশ্চাত্য** সাহিত্য সমালোচকৰ মতে সাহিত্য হ'ল 'চিন্তাবিদৰ চিন্তা'। আন ধৰণেও কৈছে— সাহিত্য হ'ল 'জীৱন ভাষ্য' বা 'জীৱনৰ সমালোচনা'।

সাহিত্য সৃষ্টি হয় লেখকৰ মগজ আৰু হৃদয়ৰ অপূৰ্ব সমন্বয়ত। ব্যক্তিগত অভিজ্ঞতাই হ'ল সাহিত্যৰ মূল আত্মা। সাহিত্যৰ মহত্ব নিৰ্ভৰ কৰে লেখকৰ মহত্বৰ ওপৰত। মিল্টন কৈছিল, "এখন শ্ৰেষ্ঠ গ্ৰন্থ মহৎ আত্মাৰ মহাৰ্ঘ্য জীৱন ৰক্ত স্বৰূপ, যাক পুৰুষৰ পাছত পুৰুষ ধৰি সংৰক্ষণ কৰা হয়।'

সাহিত্য শব্দ সংস্কৃত ভাষাৰ পৰা অহা। সাহিত্য শব্দ 'সহিত' শব্দৰ পৰা নিঃস্পন্ন হৈছে— 'সহিতস্য ভাবঃ সাহিত্যম', অৰ্থাৎ মিলন। মিলন হ'ল— শব্দ আৰু অৰ্থৰ। শব্দ আৰু অৰ্থৰ সু-সংগতি বা মিলনেই হ'ল সাহিত্য অথবা অৰ্থযুক্ত শব্দাৱলীৰ সু-সংগতি প্ৰয়োগেই সাহিত্য। সাহিত্যত দুটা গুণ নিহিত থাকে। এটা হ'ল— ই মানৱ জীৱন সম্পৰ্কিত হ'ব লাগিব আৰু আনটো হ'ল সি বিশিষ্ট গঠনযুক্ত হ'ব লগিব। পাশ্চাত্য সমালোচক হাডছনৰ মতে, সেইবোৰ গ্ৰন্থ, কেৱল সেইবোৰ গ্ৰন্থই সাহিত্য, যিবোৰৰ বিষয়বস্তু আৰু তাৰ প্ৰয়োগ, সাধাৰণতে মানৱধৰ্মী হয়। দ্বিতীয়তে, যিবোৰৰ আকৃতিগত উপাদানেই যোগোৱা আনন্দ বিশেষে প্ৰয়োজনীয় হৈ পৰে।

বিশ্ব ব্ৰহ্মাণ্ডৰ নক্ষত্ৰ-গ্ৰহ-তৰা আদিৰ পৰা ক্ষুদ্ৰতম ধুলিকণাটোলৈকে নিজৰ স্থানত নিৰৱচ্ছিন্নভাৱে কাম কৰি আছে। এই প্ৰৱল শক্তিৰ প্ৰভাৱতে সৃষ্টি হৈছে প্ৰকৃতিৰ। প্ৰকৃতিৰ সমস্ত প্ৰাণীৰ অনুকূল অৱস্থাত জীৱন ধাৰণ আৰু বংশ বৃদ্ধি স্বয়ংক্ৰিয়ভাৱে ঘটি থাকে। চৰাচৰ জীৱ জগতৰ ভিতৰত একমাত্ৰ মানৱ জাতিৰেই প্ৰাকৃতিক ঘটনা পৰিঘটনা সমূহৰ মৌলিক ধৰ্ম আৰু চৰিত্ৰৰ মূল্যাংকন কৰিব পৰাকৈ মস্তিষ্ক আছে। প্ৰকৃতিৰ ৰক্ষণাবেক্ষণৰ কথা চিন্তা কৰিব পৰা শক্তি আছে। মানুহে প্ৰকৃতিৰ চৰিত্ৰ আৰু ধৰ্মসমূহৰ ইতিবাচক দিশৰ মূল্যাংকন কৰি মানুহৰ বাবে আত্মিক যোগসূত্ৰ গঢ়ি তুলিব পৰা গুণটো সাহিত্যৰ মহৎ গুণ।

সাহিত্য সৃষ্টিৰ অন্তৰালত বিভিন্ন প্ৰেৰণাই কাম কৰে। সৃষ্টিৰ ক্ষেত্ৰত মানুহ সৰ্বশ্ৰেষ্ঠ প্ৰাণী। ইতৰ প্ৰাণী আৰু মানুহৰ মাজত পাৰ্থক্য এইখিনিতেই যে মানুহৰ আশা আকাংক্ষা, বিচাৰ-বুদ্ধি, আৱেগ-অনুভূতি আছে। মানুহে আনক জানিব বিচাৰে। ঠিক তেনেকৈ নিজকো জনাব বিচাৰে। নিজক জনাব বিচৰাৰ যি প্ৰয়াস তাতেই সাহিত্যৰ সৃষ্টি হয়। মানুহ সামাজিক জীৱ, পৰস্পৰ লগত সম্পৰ্ক গঢ়ি তোলে। মানুহ কেতিয়াও স্বতন্ত্ৰভাৱে চলিব নোৱাৰে। মানুহ পৰ নিৰ্ভৰশীল। জন্মৰ পাছতেই পিতৃ-মাতৃ, আত্মীয়-স্বজন, বন্ধু-বান্ধৱ আৰু পৰিৱেশৰ বিভিন্ন প্ৰভাৱেই প্ৰভাৱান্বিত কৰে। জগত সভাৰ বিশাল আৰু বিস্তৃত অধ্যয়নৰ পৰ্যবেক্ষণে মহৎ সাহিত্যৰ সৃষ্টি কৰে।

সাহিত্যৰ সৃষ্টি হয় জীৱনৰ পৰা। জীৱন বৈচিত্ৰ্যপূৰ্ণ। গতিকে সাহিত্যৰ বিষয়বস্তু বৈচিত্ৰ্যপূৰ্ণ হ'ব পাৰে। মানুহৰ জীৱনৰ এনে এটা কথা নাই, যিটো সাহিত্যৰ মাজেদি ৰূপায়িত হ'ব নোৱাৰে।

সাহিত্যৰ উদ্দেশ্য হ'ল আনন্দ দান কৰা। এই আনন্দ কিন্তু ভোগবিলাসৰ আনন্দ নহয়। ই অলৌকিক আনন্দ। অলৌকিক আনন্দৰ একমাত্ৰ উপাদান হ'ল - ৰস। ৰস সংপৃক্ত বিষয়বস্তু হ'লেহে পাঠকক আনন্দ দিব পৰা যায়। সংস্কৃত আলংকাৰিক সকলৰ মতে 'বাক্যং ৰসাত্মকং কাব্যম'। অৰ্থাৎ ৰসে কাব্যৰ আত্মা। প্ৰাচীন সংস্কৃত সাহিত্যত সাহিত্য শব্দৰ সলনি 'কাব্য' শব্দৰ প্ৰয়োগ আছিল। প্ৰাচীন গ্ৰন্থসমূহ ৰচিত হৈছিল পদ্যত। গতিকে সেইবোৰ ৰচনাক কাব্যশব্দই নিৰ্ণয় কৰিছিল। সময়ৰ সোঁতত গদ্য সাহিত্যৰ উদ্ভৱ হ'ল। অতি কম সময়ৰ ভিতৰতে গদ্য সাহিত্যই প্ৰসাৰতা লাভ কৰিলে। তেতিয়া গদ্য-পদ্য উভয় সাহিত্যক বুজাবলৈ সাহিত্য শব্দই বিকাশ লাভ কৰিলে।

অসমীয়া সাহিত্যৰ প্ৰাচীন নিদৰ্শন বৌদ্ধ সিদ্ধাচাৰ্যসকলে ৰচনা কৰা চৰ্যা গীতসমূহ। বৌধ গান আৰু দোহা সমূহ সহজান পন্থৰ ধৰ্ম সাধন গীত। চৰ্যাবোৰ নৈতিক আৰু আধ্যাত্মিক উপদেশেৰে পৰিপূৰ্ণ। চৰ্যাগীত সমূহ গাবৰ কাৰণে ৰচনা কৰা হৈছিল। চৰ্যাগীত সমূহত বিশেষভাৱে নিম্ন সমাজৰ চিত্ৰ অংকিত কৰা হৈছে। উচ্চ অভিজাত শ্ৰেণীৰ জীৱন-যাপনৰ ছবি ইয়াত প্ৰতিফলিত হোৱা নাই বুলিয়েই ক'ব পাৰি। চৰ্যা গীতবোৰত সিদ্ধাচাৰ্য সকলৰ কলা-কুশলতা আৰু সৌন্দৰ্যবোধ সুন্দৰকৈ প্ৰকাশ পাইছে। চৰ্যা গীতসমূহ মূলতঃ আধ্যাত্মিক চিন্তা চেতনাৰে সমৃদ্ধ সাহিত্য।

মহাপুৰুষ শ্ৰীমন্তশংকৰদেৱৰ আগে পিছে যিসকল কবি-সাহিত্যিকে অসমীয়া সাহিত্যক চহকী কৰি এক বিৰল কৃতিত্ব আৰ্জি থৈ গৈছে তেওঁলোকৰ সাহিত্যৰ মূল বিষয়বস্তু আছিল আধ্যাত্মিক চিন্তা-চেতনা। বিষ্ণু, শ্ৰীকৃষ্ণ, ৰাম তেওঁলোকৰ ৰচনাৰ আধাৰ আছিল। পুৰাণ, মহাভাৰত, ৰামায়ণ, ভাগৱতৰ অনুবাদ আৰু বিশেষ বিশেষ চৰিত্ৰবিলাকক লৈ ৰচনা কৰিছিল কাব্য, নাটক, গীত-পদ, চৰিত পুথিও বৈষ্ণৱ সাহিত্যৰ অৱদান। অসমীয়া সংস্কৃতিৰ বৰঘৰত এইবোৰ ৰচনাই স্থান পাইছিল। অসমীয়া ভাষা-সাহিত্যক এই ৰচনাবোৰে চিৰ যুগমীয়া কৰি সমৃদ্ধ কৰিছে মহান অসমীয়া জাতিসত্বাক।

ধৰ্মমূলক বৈষ্ণৱ সাহিত্যৰ ধাৰাটো অব্যাহত থকাৰ লগতে অসমত আহোমৰাজত্ব কালৰ পৰাই বুৰঞ্জী সাহিত্যৰ চিন্তাচৰ্চা হ'বলৈ ধৰে। ৰজাসকলৰ ৰাজকাৰ্য, ৰাজ্য পৰিচালনা, ৰাজ্য বিস্তাৰ, প্ৰজা পালন ইত্যাদি বুৰঞ্জীৰ প্ৰতিপাদ্য বিষয়। ৰজা-মহাৰজাৰ জীৱন সৰ্বস্ব গতিধাৰা, চিন্তা-চেতনাৰে সমৃদ্ধ আছিল বুৰঞ্জী সাহিত্য।

'জোনাকী'ৰ পাছতহে অসমীয়া আধুনিক সাহিত্যই প্ৰতিষ্ঠা লাভ কৰে। জোনাকীৰ প্ৰাৰম্ভিক কালছোৱাত 'লিতিকাই', 'প্ৰহসন', 'পদুম কুঁৱৰী' আৰু 'লাহৰি' উপন্যাস, 'ভ্ৰমৰঙ্গ' নামৰ অনুবাদ নাটক, 'কৃপাবৰ বৰুৱা', চৰিত পুথি, সমালোচনা আৰু কবিতাৰ ন ন ৰূপ উদ্ভৱ হয়। 'জোনাকী' আৰু পুথি ৰচনাৰ যোগেদি অসমীয়া সাহিত্যলৈ ইংৰাজী ৰোমান্টিক ভাবাদৰ্শ আৰু ৰূপ প্ৰৱাহিত কৰি আনে। বৈষ্ণৱ সাহিত্যৰ পৰম্পৰাত গঢ়ি উঠা সাহিত্য জগতত 'ৰোমান্টিক ভাবাদৰ্শ' সম্পূৰ্ণ নতুন ধাৰণা আৰু দৃষ্টিভংগী বুলি ক'ব পাৰি। প্ৰকৃতি প্ৰীতি, অতীতৰ প্ৰতি শ্ৰদ্ধা, ভৱিষ্যতৰ ৰঙীণ কল্পনা, প্ৰেম আৰু সৌন্দৰ্যৰ পূজা, প্ৰিয়াৰ ৰূপ আৰাধনা, অতীন্দ্ৰিয়বাদ, জীৱনৰ ৰহস্যভেদৰ বৌদ্ধিক প্ৰচেষ্টা, সাধাৰণ প্ৰাণী বা পদাৰ্থৰ প্ৰতি উদাৰ মনোভাৱ, বাস্তৱ বিমুখিতা আদি ৰোমান্টিক সাহিত্য চিন্তাৰ প্ৰধান লক্ষণ।

সময়ৰ পৰিৱৰ্তনৰ লগে লগে শিক্ষাৰ বিস্তাৰ ঘটিল, ৰাজনৈতিক আন্দোলনৰ সৃষ্টি হ'ল, সামাজিক পৰিৱৰ্তনৰ সূচনা হ'ল, প্ৰাচীন আদৰ্শৰ ঠাইত নতুন আদৰ্শই ঠাই ল'লে, জীৱনৰ মূল্যবোধৰ সলনি হ'ল— এই সকলোবোৰ পৰিৱৰ্তনৰ চাপ সাহিত্যত পৰিল।

সাহিত্যৰ ধাৰাৰ সলনি হ'ল। নতুন ধাৰাৰ সৃষ্টি হ'ল। প্ৰকৃতি, প্ৰেম, দেশপ্ৰীতি, জাতীয় জাগৰণ, অতীতৰ যশ-গান, সৰল চহা গ্ৰাম্য জীৱন, সমাজ সংস্কাৰ আদি বিষয়ক লৈ বিচিত্ৰ ৰূপত কেইবাটাও সাহিত্যৰ ধাৰাৰ সৃষ্টি হ'ল। কাব্য, নাটক, উপন্যাস, চুটিগল্প, জীৱন চৰিত, সাধুকথা, প্ৰবন্ধ আৰু ব্যক্তিমুখী নিবন্ধৰ চিত্ৰ-বিচিত্ৰ ৰূপত প্ৰকাশ ঘটিল। জীৱন সৰ্বস্ব ধাৰাৰ সাহিত্যই প্ৰতিষ্ঠা লাভ কৰিছে।

অলৌকিকতাৰ পৰা বা ধৰ্মীয় একদেশদৰ্শীতাৰ পৰা মুক্ত বৰ্তমানৰ সাহিত্য বাস্তৱতাৰ ওপৰত প্ৰতিষ্ঠিত আৰু মানৱ জীৱনৰ ঐহিক সুখ-দুখৰ কথাই ইয়াৰ উপজীব্য। গাঁৱৰ অশিক্ষিত, সৰল খেতিয়ক, খৰিভাৰী, চাহ শ্ৰমিক, দোকানী, পোহাৰী, সৈনিক আদি চৰিত্ৰক মুখ্য হিচাপে লৈ সাহিত্যৰ ৰচনা হৈছে। মানৱ জীৱনৰ বাস্তৱ ৰূপটো সাহিত্য চেতনাৰে অংকিত কৰি মানুহক প্ৰধানৰূপে চিত্ৰিত কৰিছে। কবি চন্দ্ৰ কুমাৰ আগৰৱালাই 'মানৱ বন্দনা' কবিতাত মানুহক শ্ৰেষ্ঠ আখ্যা দিছে -

মানুহে দেৱ মানুহে সেৱ
মানুহ বিনে নাই কেৱ
কৰা কৰা পূজা পাদ্য অৰ্ঘ্য লই
জয় জয় মানৱ দেৱ

আন এগৰাকী প্ৰখ্যাত বাংলা কবি চণ্ডী দাসে মানুহক শ্ৰেষ্ঠ হিচাপে অংকিত কৰিছে -

সবাৰ উপৰে মানুষ সত্য
তাহাৰ উপৰে নেই।

সাহিত্য চিন্তাত এচাম সাহিত্যিকে 'কলাৰ বাবে কলা' বুলি ভাবে। আন এচামে 'কলা জীৱনৰ বাবে' হ'ব লাগে বুলি ভাবে। কলাৰ সৃষ্টিৰ গৰাকী হ'ল— মানুহ। সৃষ্টিও হয় মানুহৰ বাবে। জীৱন সৰ্বস্ব সাহিত্যই এতিয়া মহত্ব লাভ কৰিছে।

লেখকজনেই একমাত্ৰ কৰ্মী। যিয়ে আনৰ সহায় নোলোৱাকৈ নিজৰ সৃষ্টি কৰ্মত নিমজ্জিত হৈ থাকিব পাৰে। লেখকজনৰ প্ৰয়োজন কেৱল অলপ পোহৰ, কাগজ আৰু কলম। লেখকজন সদায় সমাজৰ ওচৰত দায়বদ্ধ। সাহিত্যৰ মাজেদি সমাজ জীৱনৰ প্ৰতিচ্ছৱি প্ৰতিফলিত হয়। সাহিত্যৰ বিষয়বস্তু ব্যাপক আৰু বিচিত্ৰধৰ্মী। ব্যক্তিগত অভিজ্ঞতা, মানৱ জীৱন সম্পৰ্কীয়, সমাজ সম্বন্ধীয়, প্ৰকৃতি বিষয়ক আৰু সমালোচনা সাহিত্যই হ'ল— সাহিত্যৰ মূল বিষয়বস্তু।

লেখকজন ইমানেই দায়বদ্ধ যে তেওঁৰ সন্মুখত সমাজ বিপৰ্যস্ত হ'ব পৰা যিকোনো বিষয় উদ্ভৱ হ'লে তেওঁৰ মনৰ চিন্তা আৰু কলম উদ্যত হৈ উঠে। কঠোৰ পৰিশ্ৰম আৰু নিৰলস সাধনাৰ গুণত সমাজখনক শুদ্ধ পথত পৰিচালিত কৰিবলৈ তেওঁ মগজ আৰু হৃদয়ৰ অপূৰ্ব সমন্বয়ত সাহিত্যৰ মৌকোহৰ সৃষ্টি কৰে।

মহাপুৰুষ শ্ৰীশংকৰদেৱে অসমত নানা ভাষা-ভাষী, নানা ধৰ্ম, নানা আচাৰ-পদ্ধতিৰ খেলিমেলিয়ে এটা বিশৃংখল অৱস্থাৰ সৃষ্টি কৰাত প্ৰাচীন সনাতন ধৰ্মৰ আদৰ্শকে আগ কৰি 'এক শৰণ নামধৰ্ম' প্ৰচাৰ কৰি এক ভক্তি আন্দোলন গঢ়ি তোলে। সম্প্ৰীতি, ঐক্য আৰু আধ্যাত্মিক ভাৱ জগাই তুলিবলৈ নাম, দেউ, গুৰু আৰু ভকত— এই চাৰিটা তত্বক সাধনাৰ অংগ স্বৰূপে গ্ৰহণ কৰি 'নৱ বৈষ্ণৱ ধৰ্ম'ৰ প্ৰচাৰ কৰি জন সমাজক উদ্বুদ্ধ কৰি তোলে। অসমত শ শ বছৰ ধৰি সমাজৰ নিম্নস্তৰত অৱহেলিত হৈ পৰি থকা সাধাৰণ জনতাক আধ্যাত্মিক আৰু সামাজিক জীৱনৰ এক উজ্জ্বল পবিত্ৰ ছবি নাট, গীত, অভিনয়, কলাসংস্কৃতি চৰ্চাৰ যোগেদি মনত সৌন্দৰ্যবোধ জগাই সচেতন কৰি তোলে। অসমত এক নৱ জাগৰণৰ সূচনা কৰে। কাব্য, গীত, নাটক, গদ্য আদি সাহিত্যৰ বিভিন্ন শাখা প্ৰৱৰ্তন কৰি মহাপুৰুষজনাই অসমীয়া সাহিত্যত প্ৰচুৰ বৰঙণি যোগাই আৰু জাতীয় সাহিত্যৰ ভেটি সুদৃঢ় কৰি তোলে।

ব্ৰিটিছ সাম্ৰাজ্যবাদৰ অপশাসনৰ ফলত বাংলা ভাষাই অসমীয়া ভাষাৰ ওপৰত আধিপত্য বিস্তাৰ কৰাত বেপ্তিষ্ট মিছনাৰী সকলে 'অৰুণোদয়' প্ৰকাশৰ জৰিয়তে অসমীয়া সাহিত্যৰ ভেটি পুনৰ নিৰ্মাণৰ কামত আগভাগ লৈছিল। কলিকতাত পঢ়িবলৈ যোৱা অসমীয়া ছাত্ৰসকলে 'অসমীয়া ভাষা উন্নতি সাধিনী সভা'ৰ জন্ম দি সভাৰ মুখপত্ৰ 'জোনাকী' আলোচনীৰ জৰিয়তে অসমীয়া ভাষা সাহিত্যৰ চৰ্চা কৰি অসমীয়া ভাষা সাহিত্যৰ উন্নতি সাধন কৰিছিল। তেওঁলোকৰ ভিতৰত আগৰণুৱা আছিল লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্ৰ কুমাৰ আগৰৱালা, হেমচন্দ্ৰ গোস্বামী, পদ্মনাথ গোহাঞি বৰুৱা, সত্যনাথ বৰা আৰু কনকলাল বৰুৱা আদি। 'জোনাকী' কাকতৰ যোগেদি অসমীয়া সাহিত্যত যুগান্তৰ অনাসকলৰ ভিতৰত লক্ষ্মীনাথ আছিল সৰ্বাগ্ৰণী। তেওঁ বহুমুখী সাহিত্যিক প্ৰতিভাৰ গুণত সাহিত্যৰ সকলো বিভাগৰ পৰিপুষ্টি সাধন কৰিছিল। তেওঁ আছিল একেধাৰে কবি, নাট্যকাৰ, চুটিগল্পৰ প্ৰৱৰ্তক, ব্যংগ লেখক, গদ্য শিল্পী, সাংবাদিক, সমালোচক, শিশু সাহিত্যৰ অন্যতম জনক আৰু অসমীয়া ভাষা বিদ্বেষী সকলৰ কাৰণে তেওঁ আছিল মূৰ্তিমান কালান্তক সদৃশ।

কোনো এজন লেখকৰে দায়বদ্ধতাক নুই কৰিব নোৱাৰি। সমাজ যেতিয়া বিশৃঙ্খল হয়, সমাজক যেতিয়া শাসক-শোষকে বিপথে পৰিচালিত কৰে, নিংকিন পদদলিত কোনো লোক বা সমাজ যদি প্ৰতাৰিত হয়, লুণ্ঠিত হয় লেখকৰ কলম স্তব্ধ হৈ নাথাকে। গৰজি উঠে কলম। ক্ষুৰধাৰ কলমেৰে প্ৰতিবাদ কৰে। গঠনমুখী চিন্তা-চেতনাৰে লেখকসকলে সমাজখনক প্ৰাণৱন্ত কৰি তোলে। ইয়াতে প্ৰকাশ পায় লেখকৰ মহত্ব।

*ফোন ঃ ৯৪৩৫৮১৯০৫৩*

# লোক-সংস্কৃতিৰ চৰ্চাত নিমগ্ন সাংবাদিকগৰাকী

**ড° অনুৰাধা শৰ্মা**

**কলাক** যেতিয়া পণ্যৰূপে ব্যৱহাৰ কৰাৰ প্ৰৱণতা বাঢ়ি আহিছে, তেতিয়া চিনেমা, সংগীত, নাটকীয় উপস্থাপন আদিৰ লগতে 'সাহিত্য'তো গ্লেমাৰ ৰূপ এটা লক্ষ্যণীয়ভাৱে অধিক ক্ৰিয়াশীল হৈ উঠিছে। অথচ সাহিত্য এটা গ্ৰুপ এক্টিভিটি নহয়, কেইখিলামান কাগজ, কলম (এতিয়া অৱশ্যে ম'বাইল আৰু কম্পিউটাৰেও এই ঠাই অধিকাৰ কৰিছে আৰু লেখকৰ একান্ত স্পেচ অকণেই সাধনাৰ সম্বল। চাবলৈ গ'লে সাহিত্য ব্যক্তিৰ একক আৰু একান্ত সৃষ্টি— অন্য কোনো অনুষংগ সংগত কৰাৰ প্ৰয়োজন নাই; কিন্তু এই নীৰৱ কৰ্ম বা সাধনা বৰ্তমানৰ জনপ্ৰিয়তা অভিলাষী ধাৰাটোত একপ্ৰকাৰ অচল হৈ পৰিছে। এই বিষয়টোও কিন্তু আমাৰ সাহিত্য আৰু জাতীয় সমস্যাৰ আওতাৰ বাহিৰৰ নহয়। সাহিত্য বা সংস্কৃতিৰ বিভিন্ন স্তৰত কেনেধৰণৰ কাম হৈ আছে বা কোন কোন লেখকে কেনেধৰণৰ চৰ্চা আগবঢ়াই নিছে সেই সম্পৰ্কে সেই অঞ্চলৰ মানুহখিনি অন্ধকাৰত থকাটো অকল দুৰ্ভাগ্যজনকেই নহয়, জাতীয় আত্মপৰিচিতৰ প্ৰশ্নত হানিকাৰকো। এই কথাখিনি মোৰ মনলৈ আহিছে জয়কান্ত শৰ্মাৰ দ্বাৰা ৰচিত উত্তৰ-পূৰৰ সাহিত্য সম্পৰ্কে পঢ়িবলৈ লৈ আৰু একপ্ৰকাৰ নিজেই আত্মগ্লানিত ভুগিছো। বাতৰি কাকতত তেওঁ লিখা বহুকেইটা আলোচনা পঢ়িছো যদিও বা এগৰাকী লেখক হিচাপে তেওঁ জানো যদিও উত্তৰ-পূৰ্বাঞ্চলৰ লোকসংস্কৃতি আৰু সাহিত্য সম্পৰ্কে তেওঁক যে কে'বাটাও গুৰুত্বপূৰ্ণ কাম কৰিছে সেই বিষয়ে আমি জ্ঞাত নাছিলো। সম্ভৱতঃ আমাৰ সমালোচনা সাহিত্যৰে একপ্ৰকাৰ সীমাবদ্ধতা আছে যাৰ বাবে এনে কৰ্মবোৰৰ খতিয়ান যিধৰণে লিপিবদ্ধ হ'ব লাগিছিল বা পাঠকৰ সন্মুখলৈ আহিব লাগিছিল সেই ধৰণে অহা নাই।

অসমৰ সাংবাদিকতাৰ জগতখনত জয়কান্ত শৰ্মা এটি পৰিচিত নাম। অৱশ্যেই যিটো সময়ত তেওঁ এই জগতখনৰ লগত জড়িত আছিল, সেইটো সময়ত ছপা মাধ্যমৰ চাহিদা আছিল বেছি আৰু টি আৰ পি বঢ়োৱাতকৈ সততা আৰু নিষ্ঠাৰে বাতৰি বা প্ৰতিবেদন পাঠকৰ ওচৰলৈ লৈ যোৱাৰ প্ৰতি থকা দায়িত্বক অধিক গুৰুত্ব দিয়া হৈছিল। 'দৈনিক অসম' কাকতত আৰম্ভণিতে সোমাই তাৰ পৰা ডেপুটি এডিটৰ হিচাপে অৱসৰ গ্ৰহণ কৰা শৰ্মাই ৰাষ্ট্ৰীয় পৰ্যায়ৰ কাকত 'ইকন'মিক টাইমছ'ত অসমৰ সংবাদদাতাৰূপেও প্ৰায় ডেৰদশক ধৰি কাম কৰিছিল। অৰ্থনীতি বিষয়ৰ স্নাতকোত্তৰ ডিগ্ৰীধাৰী শৰ্মা 'ইকন'মিক পলিটিকেল উইকলী' নামৰ মুম্বাইৰ পৰা প্ৰকাশিত সাপ্তাহিক কাকতখনৰ লগতো জড়িত আছিল। তদুপৰি তেওঁ 'দ্য আছাম ট্ৰিবিউন' আৰু 'দৈনিক অসম' কাকতত এতিয়াও বিভিন্ন লেখা লেখিয়েই আছে।

গ্ৰন্থ সম্পাদনা, অনুবাদ, লোককথাৰ সংগ্ৰহ, পুথি সমালোচনা, প্ৰবন্ধ ৰচনা তথা সৃষ্টিশীল সাহিত্যৰ লগত জয়কান্ত শৰ্মাই দীৰ্ঘদিন ধৰি জড়িত হৈ আছে। অসমৰ সাংবাদিকতাৰ বাটকটীয়া লক্ষ্মীনাথ ফুকন আৰু কেদাৰনাথ গোস্বামীৰ জীৱন আৰু কৃতি সম্পৰ্কে দুখন গ্ৰন্থ শৰ্মাই সম্পাদনা কৰিছে। অসমৰ সাংবাদিকতাৰ ইতিহাসত এই দুয়োখন গ্ৰন্থ নিশ্চয়কৈ গুৰুত্বপূৰ্ণ সংযোজন। অনুবাদৰ ক্ষেত্ৰত তেওঁৰ এক গুৰুত্বপূৰ্ণ সংকলন হৈছে ভাৰতৰ বিভিন্ন ভাষাৰ পৰা একোটাকৈ গল্প অনুবাদ কৰি প্ৰকাশ কৰা 'ভাৰতীয় গল্প' শীৰ্ষক পুথিখন। ৰুছ লেখক আলেকজেণ্ডাৰ পুস্কিনৰ উপন্যাস 'দুব্ৰভস্কি' আৰু কেইটামান চীনা গল্পৰ সংকলন হৈছে 'বনফুল'। 'গান্ধীৰ দুখৰ দিনবোৰ' আৰু 'গান্ধীৰ পৰা শাস্ত্ৰীলৈ' এই দুখন হৈছে শৰ্মাৰ ৰাজনৈতিক প্ৰবন্ধাৱলীৰ সংকলন। অৱশ্যে তেওঁ লিখা আটাইবোৰ লেখা এতিয়াও সংকলিত ৰূপত প্ৰকাশ হোৱা নাই। শৰ্মাৰ সৃষ্টিশীল সাহিত্যৰ স্বাক্ষৰ হ'ল এঘাৰটি গল্পৰ একত্ৰ সংকলন 'নিস্তৰংগ' নামৰ পুথিখন। গল্পসমূহত আমাৰ সমাজৰ নিম্নবিত্ত আৰু মধ্যবিত্তৰ জীৱন আৰু সংগ্ৰামৰ একো একোখন ছবি শৰ্মাই তুলি আনিবলৈ যত্ন কৰিছে।

সাহিত্য আৰু সংবাদ জগতলৈ বৰঙণি আগবঢ়োৱা শৰ্মাৰ বহুমুখী কৰ্মৰ ভিতৰত আমাক বিশেষভাৱে আকৰ্ষণ কৰা বিষয়টো হৈছে উত্তৰ-পূৰ্বাঞ্চল তথা অসমৰ জনজাতীয় লোকসকলৰ সাহিত্য-সংস্কৃতি চৰ্চাৰ লগত তেওঁ নিৰলসভাৱে লাগি থকা ক্ষেত্ৰখন। দুৰ্ভাগ্যজনকভাৱে ভাৰতবৰ্ষৰ মূল ভূখণ্ডৰ সাহিত্য বা সংস্কৃতিৰ বিষয়ে আমি যিমান জানো বা চৰ্চা হয় উত্তৰ-পূৰৰ বাসিন্দা হৈয়ো সিমান নাজানো বা সেইধৰণে চৰ্চা নহয়। 'ভাৰতীয়' হোৱাৰ সুবাদতে আমাৰ দিল্লীমুখী হোৱাৰ প্ৰৱণতা বেছি আৰু ইয়েই আমাক নিজস্ব ভূমিৰ ইতিহাসৰ পৰা আঁতৰাই ৰাখিছে। লোক-সংস্কৃতিৰ ক্ষেত্ৰত উত্তৰ-পূৰ ভাৰত বিশেষভাৱে সমৃদ্ধ আৰু বৈচিত্ৰ্যপূৰ্ণ কিন্তু ৰাজনৈতিক আৰু ভৌগোলিকভাৱে প্ৰান্তীয় স্থানত থকা বাবেই ইয়াৰ চৰ্চাই ভাৰতীয় ধাৰাটোত যিধৰণৰ গুৰুত্ব লাভ কৰিব লাগিছিল, সেইধৰণে গুৰুত্ব পোৱা নাই। নিজৰ সাংস্কৃতিক পৰিচিতিৰ প্ৰতি উত্তৰ-পূৰৰ লোকসকল নিজেও সচেতন নহয়; সেয়ে উত্তৰ-পূৰৰ বাহিৰৰ ভাষা-সংস্কৃতিয়ে ইয়াত অনায়াসে আধিপত্য বিস্তাৰ কৰাৰ সুযোগ পাইছে। আনহাতে, লোক সংস্কৃতিৰ অধ্যয়নৰ বিশেষ সমল থকা সত্বেও এই অধ্যয়ন আৰু চৰ্চাই গুৰুত্ব লাভ নকৰা বাবে বহুবোৰ দিশ এতিয়াও অনাৱিষ্কৃত হৈয়ে আছে। অসমত যি বলিষ্ঠতাৰে বিৰিঞ্চি কুমাৰ বৰুৱা আৰু প্ৰফুল্লদত্ত গোস্বামীয়ে লোক-সংস্কৃতি অধ্যয়নৰ আৰম্ভণি কৰিছিল পৰৱৰ্তী সময়ত মুষ্টিমেয় কেইগৰাকীমান ব্যক্তিয়েহে এই ধাৰাবাহিকতা ৰক্ষা কৰিছিল তাৰ ভিতৰত আমি জয়কান্ত শৰ্মাৰ নাম ল'ব পাৰো।

সাহিত্য অকাডেমিৰ দৰে গুৰুত্বপূৰ্ণ অনুষ্ঠানে জয়কান্ত শৰ্মাৰ কে'বাখনো গ্ৰন্থ প্ৰকাশ কৰিছে। 'Modern Boro Short Stories' শীৰ্ষক গ্ৰন্থখন বড়ো ভাষাৰ ১১টা চুটিগল্পৰ ইংৰাজী অনুবাদ। জনিল কুমাৰ ব্ৰহ্ম, হৰিভূষণ ব্ৰহ্ম, হেৰম্ব নাৰ্জাৰী, মনোৰঞ্জন লাহৰী, বন্ধু ৰাম বসুমতাৰী, শিকেন ব্ৰহ্ম, মংগল সিং হাজোৱাৰী, নীল কমল ব্ৰহ্ম, ঈশান মুশাহাৰী, ৰঞ্জিত কুমাৰ বৰগয়াৰী, হৰেশ্বৰ বসুমতাৰীৰ গল্প ইয়াত সন্নিবিষ্ট হৈছে। লোকসংস্কৃতি চৰ্চাৰ গ্ৰন্থ এইখন নহয় যদিও বড়ো চুটিগল্প ইংৰাজীলৈ কৰা অনুবাদৰ বিশেষ সামাজিক আৰু বিদ্যায়তনিক গুৰুত্ব আছে। সামাজিকভাৱে গুৰুত্বপূৰ্ণ এইবাবেই যে অসমীয়া ভাষীয়ে জনজাতীয় ভাষাসমূহৰ চৰ্চাক গুৰুত্ব নিদিয়ে বুলি সততে অভিযোগ শুনা যায়। এনে অভিযোগৰ ক্ষেত্ৰত এই তথ্যবোৰো কিন্তু তাৎপৰ্যপূৰ্ণ। সেইদৰে শৰ্মাই মণিপুৰী গল্পকাৰ লমাৰম বীৰমণিৰ গল্প সংকলন 'চেক্লা পাইখোবাদা' অসমীয়ালৈ অনুবাদ কৰিছে 'পখী উৰি যোৱাত' শীৰ্ষকেৰে। অনুবাদক আচলতে 'a bridge between languacultures' বুলি ক'ব পাৰি। 'languacultures' শব্দটো ভাষা আৰু সংস্কৃতিৰ বান্ধোন বুজাবলৈ মাইকেল আগাৰে ব্যৱহাৰ কৰিছিল। অনুবাদ সেয়ে মাত্ৰ ভাষাৰ ৰূপান্তৰ নহয়— সাংস্কৃতিক সংযোগৰো বাহক। অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ সাহিত্যৰ অনুবাদ সাহিত্যতো সংস্কৃতি চৰ্চাৰ আন এক মাত্ৰা হিচাপে বিবেচনা কৰিব পাৰি। জয়কান্ত শৰ্মাৰ আন এক অৱদান হ'ল— অসমীয়া, বড়ো আৰু মণিপুৰী গল্পৰ ইংৰাজী অনুবাদ 'Modern Short Stories From the North East' গ্ৰন্থখন; ইয়াত অসমীয়া চাৰিটা, মণিপুৰী আৰু বড়োত পাঁচোটাকৈ মুঠ ১৪টা গল্প সন্নিবিষ্ট হৈছে। পুথিখনৰ পাছফালে গল্পকাৰসমূহৰ চমু পৰিচয় দিয়াৰ লগতে পাতনিত তিনিওটা ভাষাৰ চুটিগল্পৰ ইতিহাস আৰু ধাৰাৰো চমু পৰিচয় দিয়া হৈছে। উত্তৰ-পূৰৰ সাহিত্যৰ তুলনামূলক অধ্যয়নৰ সমল এই চুটিগল্পকেইটাৰ অনুবাদত অনায়াসে পাব পাৰি। অনূদিত গল্পসমূহত বিশেষভাৱে জনগোষ্ঠীকেইটাৰ দৈনন্দিন সংগ্ৰাম আৰু অকৃত্ৰিম সাংস্কৃতিক জীৱন ব্যাপ্ত হৈ আছে। ইয়াৰ উপৰি জয়কান্ত শৰ্মাৰ পুথি সমালোচনাৰ সম্পাদিত ৰূপ প্ৰকাশ পাইছে- 'Of Assam Letters' শীৰ্ষকেৰে Modern from the North East গ্ৰন্থ 'উত্তৰ-পূৰৰ সাহিত্য' বাগধাৰাৰ এক উল্লেখযোগ্য সংযোজন।

Rabha Folk Tales আৰু Tiwa Folk Tales সাহিত্য অকাডেমিয়ে প্ৰকাশ কৰা লোক সংস্কৃতি বিষয়ক দুখন উল্লেখযোগ্য গ্ৰন্থ। অসমৰ দুটা অন্যতম প্ৰধান জনজাতি হৈছে ৰাভা আৰু তিৱাসকল; এই দুয়োটা জনগোষ্ঠীৰ লিখিত সাহিত্যিক পৰম্পৰা আপেক্ষিকভাৱে দেৰিকৈ আৰম্ভ হ'লেও মৌখিক পৰম্পৰা অতি শক্তিশালী। লোককথাৰ তুলনামূলক অধ্যয়নৰ ক্ষেত্ৰত ইংৰাজী ভাষাত সংকলিত পুথিয়ে এই ভাষা নজনা গৱেষককো বিশেষভাৱে সহায় কৰিব পাৰে। 'একুঁকি তিৱা সাধু' নামৰ ১২টা সাধুকথাৰ সংগ্ৰহ অসমীয়া ভাষাতো তেওঁ আগবঢ়াইছে। অসমীয়া ভাষাত যে তিৱা সাধুকথাবোৰ সুলভ নহয় সেই কথা আগকথাতে উল্লেখ কৰিছে ঃ '...তিৱা সমাজখন সাধুকথাতো সমৃদ্ধ। এই সংকলনখনত সন্নিবিষ্ট সাধুকথাবোৰ বিশেষকৈ পাহাৰীয়া অঞ্চলত এতিয়াও বিস্তৃতভাৱে প্ৰচলিত। সাধুকথাবোৰ যুগ যুগ ধৰি ইটো প্ৰজন্মৰ পৰা সিটো প্ৰজন্মলৈ চলি আছে। অসমীয়া ভাষাত তিৱা সাধুকথাৰ পুথি নাই বুলিবই পাৰি।' তদুপৰি, নেচনেল বুক ট্ৰাষ্টৰ পৰা প্ৰকাশ পাবলগীয়া আন এখন পুথি হৈছে 'Karbi Folk Tales'(যন্ত্ৰস্থ)।

২০২১ত প্ৰকাশিত শৰ্মাৰ এখন উল্লেখযোগ্য পুথি হৈছে— 'পূৰ্বোত্তৰৰ আদিবাসী লোককথা।' ইয়াত পূৰ্বোত্তৰৰ বিভিন্ন জনগোষ্ঠীৰ মাজত প্ৰচলিত ১৯টা লোক কাহিনী সংগ্ৰহ কৰি অসমীয়া ভাষাত প্ৰকাশ কৰা হৈছে। এই ১৯টা লোককথা ১৯টা জনগোষ্ঠীৰ, তালিকাখন এনে ধৰণৰ ঃ আবাৰাৰ কথা (বড়ো), কঁকাল ভঙা ভেকোলা (ত্ৰিপুৰী), থেলন ( খাছীয়া), পাম্বাওৰাজা (ডিমাছা), কা ছিয়েম জালাপাং (জয়ন্তীয়া), থেইপাগালি আৰু তাৰ ইয়াকটো (অৰুণাচলী), মাউৰাৰ সিয়ানবুদ্ধি (কাৰবি), অমাতৰ মাত বুজা মুখিয়ালজন (গাৰো), সতী দ্যুমকুচি (ৰাভা), মাউৰা ছোৱালীজনী (নগা), পীৰাকুঁৱৰী (তিৱা), বুদ্ধিয়েই আচল বল (চাওতালী), বিষলতাৰ কেনেকৈ জন্ম হ'ল (কুকি), ওজা দেমখুলা (চাকমা), হাতীৰ কোঁহ খাই শিয়াল মৰিল (দেউৰী), এহাল বুঢ়া-বুঢ়ী আৰু বান্দৰ (কলই), বাঘ মানুহ আৰু বীৰ হুইতি (মিজো), পিনাক ৰাজকুঁৱৰী (মগ), মৎস্যকন্যা (ৰিয়াং)। উত্তৰ পূৰৰ বিভিন্ন জনগোষ্ঠীৰ মাজত প্ৰচলিত লোককথাবোৰ সংগ্ৰহ কৰি অসমীয়ালৈ অনুবাদ কৰি তেওঁ লোক-সংস্কৃতিৰ তুলনাত্মক অধ্যয়নৰ বাট কাটিছে। পুথিখনৰ পাতনিত শৰ্মাই এই কথা উল্লেখ কৰিছে যে সাংস্কৃতিক জীৱনৰ পৰিৱেশগত মিলৰ বাবেই 'ইটো আদিবাসী লোক উপাদানৰ লগত, সিটো আদিবাসী জনগোষ্ঠীৰ উপাদানসমূহৰ সাদৃশ্য অৱধাৰিতভাৱেই চকুত পৰে।' এই বিষয়টোও নিঃসন্দেহে তাৎপৰ্যপূৰ্ণ! উত্তৰ-পূৰৰ আদিম জনগোষ্ঠী সকলোকে সামৰি ল'ব নোৱাৰিলেও (এইটো ব্যক্তিগত প্ৰচেষ্টাত এক প্ৰকাৰ দুৰুহ কাম হ'ব, কাৰণ পূৰ্বোত্তৰত আদিবাসী জনগোষ্ঠীৰ সংখ্যা যথেষ্ট বেছি) ১৯টা জনগোষ্ঠীৰ লোককথাই এই সংকলনত ঠাই পাইছে। লিখিত ইতিহাস বা পৰ্যাপ্ত ঐতিহাসিক তথ্য নাথাকিলে একোটা জনগোষ্ঠীৰ লোকসাহিত্য বিশেষকৈ লোককথাবোৰৰ অধ্যয়নে জনগোষ্ঠীটোৰ ইতিহাস তথা প্ৰাচীন সাংস্কৃতিক ঐতিহ্য নিৰ্ণয় কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলাব পাৰে। এটা জনগোষ্ঠীৰ লগত আন এটা জনগোষ্ঠীৰ সম্পৰ্ক, পাৰ্থক্য অথবা কালানুক্ৰমৰ কোনোবা স্তৰত তেওঁলোক পৃথক হ'ল নেকি আদি বিষয়বোৰো এনে অধ্যয়নৰ আলমত অন্বেষণ কৰিব পাৰি। 'পূৰ্বোত্তৰৰ আদিবাসী লোককথা' এই পুথিখন পঢ়ি থাকোতে পূৰ্বোত্তৰৰ জনগোষ্ঠীৰ এটা 'ফ'কল'ৰ মিউজিয়াম'ৰ কথা আমাৰ মনলৈ বাৰে বাৰে আহিছে। এয়া সময়ৰ দাবী।

'অসমৰ জনজাতীয়সকলৰ ধৰ্মীয় আচাৰ আৰু সংস্কৃতি' নামৰ গ্ৰন্থ এখনো জয়কান্ত শৰ্মাই সম্পাদনা কৰি উলিয়াইছে। এই পুথিখনৰ সম্পাদনাৰ আঁৰৰ কথা তেওঁ মুখবন্ধত উল্লেখ কৰিছে- '২০১০ৰ ২২ৰ পৰা ২৪ অক্টোবৰলৈকে গুৱাহাটীৰ জনজাতি ধৰ্ম আৰু সংস্কৃতি সুৰক্ষা মঞ্চৰ উদ্যোগত এখন কৰ্মশালাৰ আয়োজন কৰা হৈছিল। কৰ্মশালাৰ বিষয়বস্তু আছিল উত্তৰ-পূৰ ভাৰতৰ জনজাতিসকলৰ সংস্কৃতি আৰু ধৰ্মীয় দৰ্শন। কৰ্মশালাত আগবঢ়োৱা নিবন্ধবোৰ সামৰিয়ে এইখন গ্ৰন্থ যুগুতোৱা হৈছে।' অসমৰ বিভিন্ন জনজাতীয় গোষ্ঠীৰ ধৰ্মীয় আচাৰ, ৰীতি, বিশ্বাস, সংস্কৃতি সম্বন্ধে এই গ্ৰন্থত গৱেষক আৰু জিজ্ঞাসু পাঠকে বিস্তৃত সমল পাব।



শৰ্মাৰ কৰ্মৰাজিৰ বিষয় আৰু ব্যাপ্তিৰ প্ৰতি চকু দিলে এই কথা স্পষ্ট হয় যে তেওঁৰ কিছু লেখা সাংবাদিক জীৱনৰ স'তে জড়িত বা তেনে প্ৰয়োজনতে তেওঁ তেনেধৰণৰ লেখা লেখিছে। কিন্তু একান্ত সংবাদধৰ্মী এনে লেখাখিনি বাদ দিলেও এই কথা স্পষ্ট যে তেওঁ এগৰাকী নিষ্ঠাৱান লেখক— লিখি থকাটো বা সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰখনত সজীৱ আৰু সচেতনভাৱে বিচৰণ কৰাটো তেওঁৰ এক আত্মিক টান। সাংবাদিকতা আৰু সংবাদধৰ্মী লেখা-মেলাৰ বাহিৰেও তেওঁ এজন একনিষ্ঠ সাহিত্যকৰ্মী— তাৰ ভিতৰতো জনজাতীয় বিষয় লৈ তেওঁ অতি সংবেদনশীল। অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ জনজাতীয় লোকসকলক লৈ অকলে যিমানখিনি কাম কৰিছে, সেইটো সঁচাকৈয়ে অতি প্ৰশংসনীয় আৰু প্ৰেৰণাদায়ক। আনকি কোনো জনজাতীয় লোকেও ব্যক্তিগতভাৱে ইমানবোৰ বৈচিত্ৰ্যপূৰ্ণ কাম কৰা নাই। তেওঁ অকল এটা জনগোষ্ঠীতে আবদ্ধ হৈ থকা নাই। অসম তথা পূৰ্বাঞ্চলৰ বহুকেইটা জনগোষ্ঠীকে তেওঁ নিজৰ কামৰ মাজেৰে তুলি ধৰাৰ প্ৰয়াস কৰিছে। তদুপৰি ইংৰাজী ভাষাত এনেবোৰ কাম হোৱাৰ বাবে বাহিৰত আমাৰ কথা তুলি ধৰাটো ই আমাক সহায় কৰিব। সাম্প্ৰতিক সময়ত সাহিত্য-সংস্কৃতিৰ অধ্যয়ন এটা নিৰ্দিষ্ট ভাষাৰ মাজত সীমিত হৈ থকা নাই; বৰঞ্চ দেশ, কাল, জাতিৰ সীমা নেওচি সাহিত্যক মানৱসৃষ্ট এক মহত্তম কলা হিচাপে লৈ অন্যান্য বিষয় আৰু পৰিধিৰ মাজলৈ আনি আলোচনা কৰাটোহে সময়ৰ দাবী হৈ পৰিছে। এই ক্ষেত্ৰত তুলনাত্মক সাহিত্য অধ্যয়নে এক নতুন মাত্ৰা সংযোজন কৰিছে যদিও বিশ্বমুখী আৰু ভাৰতীয় ধাৰা দুটাহে সক্ৰিয় হৈ আছে আনকি ভাৰতীয় ধাৰাটোৰ মাজতো উত্তৰ-পূৰ্বাঞ্চল বিশেষভাৱে চৰ্চিত নহয়। শৰ্মাৰ কৰ্মৰাজি সন্মুখলৈ অহাৰ পাছত আমাৰ এটা ধাৰণা মনলৈ আহিছে যে তুলনাত্মক ভাৰতীয় সাহিত্য অধ্যয়নৰ ক্ষেত্ৰখনতো পূৰ্বোত্তৰৰ সাহিত্য বা সাতভনীৰ সাহিত্য এক বিশেষ ধাৰা হিচাপে আলোচিত হ'ব পাৰে। আমি উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ ভাষা-সাহিত্য, সংস্কৃতিৰ তুলনামূলক অধ্যয়নকো অধিক গুৰুত্ব সহকাৰে লোৱাৰ অৱকাশ আৰু প্ৰয়োজনীয়তা আছে। শৰ্মাৰ কৰ্মৰাজি যে এনেধৰণৰ অধ্যয়নৰ বাবেও প্ৰাথমিক বা মূল উৎস হিচাপে সহায়ক হ'ব তাত কোনো সন্দেহ নাই। অতি পৰিতাপৰ বিষয় যে আমাৰ শিক্ষা তথা সাহিত্য-সংস্কৃতিৰ চৰ্চাত ইংৰাজী আৰু আৰু ভাৰতীয় যিমান প্ৰভাৱ, সিমান প্ৰভাৱ আমাৰ নিজৰ ৰাজ্যখনৰ জনজাতীয় সমাজখনৰ নাই, সাতভনী বুলি আৱেগিক হৈ পৰা বাকী ভনীকেইগৰাকীৰ সাহিত্য-সংস্কৃতিৰ কথা বাৰু বাদেই দিলো। আমি ইংৰাজী ভাষাৰ বা পাশ্চাত্যৰ বিখ্যাত লেখকসকলক নজনাটো যিমান লাজৰ কথা বুলি ভাবো, আমাৰ নিজৰ ভিতৰতে থকা জনজাতীয় লেখকৰ বিষয়ে নজনাটো সিমান লাজৰ কথা বুলি নাভাবো। লগতে বা কাষতে থকাসকলৰ হৃদয়ৰ কথা আৰু ভাষা বুজিবলৈ তেওঁলোকৰ সাহিত্য-সংস্কৃতিৰ মাজত সোমাব লাগিব, কিন্তু বিষয়টো ক'বলৈ যিমান সহজ, কৰিবলৈ সিমান সহজ নহয়। সেইবাবেই আমি বুকুতে থাকিও তেওঁলোকৰ মানস পটৰ পৰা বহু আঁতৰত। শৰ্মাৰ দৰে লোকে নিষ্ঠা সহকাৰে একক প্ৰচেষ্টাৰে এই লোকসকলৰ জীৱনটোক বুজাৰ বাট মসৃণ কৰিবলৈ যথেষ্টখিনি কষ্ট কৰিছে, নিশ্চয়কৈ এই কাম সাধুবাদৰ যোগ্য। আমাৰ বিদ্বৎ সমাজে শৰ্মাৰ এই কৰ্মৰ প্ৰতি গুৰুত্ব দিয়াৰ লগতে সমন্বয়ৰ সাঁকো হিচাপে কাম কৰা এনে ব্যক্তিক চৰকাৰেও যথাযোগ্য স্বীকৃতি প্ৰদান কৰা উচিত বুলি আমি ভাবো— কাৰণ এনেধৰণৰ স্বীকৃতিয়ে অকল যে শৰ্মাকে উৎসাহিত কৰিব তেনে নহয়, উঠি অহা প্ৰজন্মৰ লেখক-গৱেষকসকলকো এই বাটেদি আগুৱাই যাবলৈ উৎসাহিত কৰিব।

*ফোন ঃ ৯৪৩৫০-৩১০৬৪*

# ভাৰতীয় নাৰী শক্তিৰ জাগ্ৰত প্ৰতীক দ্ৰৌপদী মুৰ্মু



**গোপাল জালান**

**অতি** সম্প্ৰতি ভাৰতত সৰ্বাধিক চৰ্চিত নামটোৱে হ'ল দ্ৰৌপদী মুৰ্মু। ভাৰতৰ ১৫ সংখ্যক ৰাষ্ট্ৰপতি হিচাপে শপত গ্ৰহণ কৰাৰ পাছতে এইগৰাকী মহিলাক লৈ সৰ্বত্ৰে চলিছে চৰ্চা। কাৰণ দ্ৰৌপদী মুৰ্মু হ'ল দেশৰ প্ৰথমগৰাকী জনজাতি মহিলা ৰাষ্ট্ৰপতি। ইয়াৰ পূৰ্বে প্ৰতিভা পাটিলে ভাৰতৰ প্ৰথমগৰাকী মহিলা ৰাষ্ট্ৰপতিৰ সন্মান লাভ কৰিলেও এইবাৰ দ্ৰৌপদী মুৰ্মুক লৈহে হৈছে চৰ্চা। কাৰণ দেশৰ জনজাতীয় মহিলাসকল ইমানদিনে এই পদৰ বাবে উপযুক্ত নহয় বুলি গণ্য কৰা দলৰ সংখ্যাই আছিল অধিক। দেশৰ স্বাধীনতাৰ সাতটা দশক অতিক্ৰম কৰাৰ পাছতো জনজাতীয় মহিলাসকলক শক্তিশালী বুলি ভবা ৰাজনৈতিক নেতাৰ অভাৱ থকাটোৱে প্ৰমাণ কৰিছিল যে তেওঁলোক যোগ্য হ'লেও বঞ্চিত কৰি অহা হৈছিল।

এইবাৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পূৰ্বৰ জনজাতি মহিলাসকলক লৈ থকা ধাৰণাৰ সলনি কৰিলে। আজি আৰু জনজাতি মহিলাসকল পিছপৰি থকা বুলি ভাবিলে নহ'ব। প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বত বিজেপি চৰকাৰে যি দৃষ্টান্ত দাঙি ধৰিলে সেয়া সঁচাকৈয়ে প্ৰশংসনীয় পদক্ষেপ। ভাৰতত যে নাৰী শক্তিক কেতিয়াও উলাই কৰিব নোৱাৰি সেই কথাকে তেওঁ প্ৰমাণ কৰিলে।

ওড়িছাৰ এখন অখ্যাত গাঁৱৰ পৰা আহি আজি ভাৰতৰ সৰ্বোচ্চ পদত অধিষ্ঠিত হ'ব পৰাটোৱে প্ৰমাণ কৰিছে দ্ৰৌপদী মুৰ্মুৰ শক্তি তথা অফুৰন্ত প্ৰতিভাৰ কথা। ১৯৫৮ৰ ২০ জুনত জন্মগ্ৰহণ কৰা মুৰ্মুৱে ৰাজনীতিত প্ৰৱেশ কৰাৰ পূৰ্বে ৰাজ্যিক জলসিঞ্চন আৰু শক্তি বিভাগত কেৰাণী হিচাপে কাম কৰিছিল। ১৯৯৭লৈকে তেওঁ কাম কৰে। ইয়াৰ পাছত ৰাইৰংপুৰত ১৯৯৭লৈকে শিক্ষকতা কৰে। তেওঁৰ পিতৃ আছিল কৃষক। তেওঁৰ ককা আছিল গাঁও পঞ্চায়তৰ মুৰব্বী। মুৰ্মুৰ ঘৰত মতা নাম আছিল পুতিটুডু। বিদ্যালয়ত শিক্ষকে তেওঁৰ নাম দ্ৰৌপদী হিচাপে নামকৰণ কৰে। ৰমা দেৱী মহিলা মহাবিদ্যালয়ৰ পৰা তেওঁ স্নাতক ডিগ্ৰী লাভ কৰিবলৈ সক্ষম হয়। তেওঁ ১৯৮০ত চৰণ মুৰ্মুৰ স'তে বিবাহপাশত আবদ্ধ হয়। কিন্তু ২০০৯ৰ পৰা ২০১৫লৈকে সাত বছৰৰ ভিতৰত তেওঁৰ স্বামীৰ উপৰি দুজন পুত্ৰ, মাতৃ আৰু এজন ভ্ৰাতৃৰ মৃত্যু হয়। ইয়াৰ পাছত তেওঁ ব্ৰহ্মকুমাৰীৰ স'তে জড়িত হৈ পৰে।



মুৰ্মুৰ জীৱন অসমৰ পদ্মশ্ৰী নলিনীবালা দেৱীৰ জীৱনৰ স'তে বহুতো সাদৃশ্য আছে। নলিনীবালা দেৱীয়ে প্ৰত্যক্ষভাৱে ৰাজনীতিত প্ৰৱেশ কৰা নাছিল যদিও পিতৃ কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈৰ পৰা বহুতো কথাই আয়ত্ত কৰিব পাৰিছিল। নলিনীবালা দেৱীয়েও স্বামীৰ মৃত্যুৰ পাছত দুজনকৈ পুত্ৰক কম সময়ৰ ব্যৱধানতে হেৰুৱাইছিল। তেওঁ সকলো দুখ পাহৰি আধ্যাত্মিক জগতখনত প্ৰৱেশ কৰাৰ পাছত ৰচনা কৰিছিল এখনৰ পাছত আন এখন জনপ্ৰিয় গ্ৰন্থ। এই গ্ৰন্থই অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰাত সহায় কৰিছিল। দুয়োগৰাকীৰে জীৱন দৰ্শনৰ মাজত সাদৃশ্য আছে। মহাশ্বেতা হিচাপেই দুয়োগৰাকীকে আখ্যা দিব পাৰি। এইবাৰ ভাৰতীয় ৰাজনীতিত মহাশ্বেতাৰ ৰূপত আবিৰ্ভাৱ ঘটিছে দ্ৰৌপদী মুৰ্মুৰ। এইগৰাকী ৰাজনীতিকৰ মনোবল আত্মবিশ্বাস সকলোৰে বাবে আদৰ্শ। শূন্যৰ পৰা দেশৰ শীৰ্ষ পদত অধিষ্ঠিত হোৱা এনে মহিলাৰ সংখ্যা ভাৰতৰ কথাতো বাদেই বিশ্বতেই আঙুলিৰ মূৰত লেখিব পৰা বিধৰ।

ওড়িছাৰ মুৰ্মু উড়িষাৰ হ'লেও তেওঁ প্ৰতিনিধিত্ব কৰা জনজাতীয় লোক দেশৰ প্ৰতিটো অঞ্চলতে কম-বেছি পৰিমাণে আছে। অসমৰ আদিবাসী লোকসকলৰ স'তেও আছে এক সম্পৰ্ক। অসমৰ ভূমিপুত্ৰসকলেও সদায় নিজৰ অস্তিত্ব ৰক্ষাৰ বাবে যুঁজ দি আছে। তেওঁলোকৰ কৃষ্টি-সংস্কৃতিৰ স'তে বহুতো সাদৃশ্য আছে ওড়িছাৰ জনজাতীয় লোকসকলৰ। সাংস্কৃতিক দিশত এশ শতাংশ সাদৃশ্য থকা বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। গতিকে মুৰ্মুৱে যিখন সমাজৰ পৰা ওলাই আহিছে তেনে এখন সমাজ অসমতো আছে। উত্তৰ-পূৰ্বাঞ্চলৰ আটাইকেইখন ৰাজ্যৰ সংস্কৃতিৰ স'তেও আছে এক সম্পৰ্ক। পিছে তেওঁলোকৰ গাত লাগি থকা অপবাদৰ পৰা ওলাই আহি দেশ এখনৰ সৰ্বোচ্চ পদত অধিষ্ঠিত হোৱাটো কম ডাঙৰ কথা নহয়।

মুৰ্মু হ'ল যুঁজাৰু মানসিকতাৰে আত্মবিশ্বাসৰ তুংগত উঠি সকলো বাধা-বিঘিনি অতিক্ৰমী আগুৱাই যাব পৰা ৰণুৱা ঘোঁৰা। এই ৰণুৱা ঘোঁৰাৰ গতিৰ সন্মুখত কোনোৱে বাধাৰ প্ৰাচীৰ হৈ থিয় দিব নোৱাৰে। আজি ভাৰতৰ কোটি কোটি জনতাই বিচাৰিছে দ্ৰৌপদীৰ আদৰ্শৰে সকলো আগুৱাই আহক। মুৰ্মুৱে বিশ্ববাসীৰ সন্মুখত প্ৰতিপন্ন কৰক তেওঁৰ প্ৰকৃত শক্তি। কেৱল ভাৰতৰেই নহয় বিশ্বৰ সকলো জনজাতীয় লোকৰ বাবে হওক আদৰ্শস্বৰূপ। ভাৰতবাসীয়েও যাতে গৌৰৱ কৰিব পাৰে তাৰ বাবে অফুৰন্ত শক্তিৰ উৎস হওক ৰাষ্ট্ৰপতি মুৰ্মু। তেনেই সাধাৰণ জীৱন-যাপন কৰা মুৰ্মুৰ নাই অহংকাৰ। সকলোকে সমভাৱে চাব পৰা প্ৰশান্ত মহাসাগৰ সদৃশ এখন অন্তৰৰহে অধিকাৰী। পোছাক পৰিধানৰ ক্ষেত্ৰতো আছে এক স্বকীয় বৈশিষ্ট্য। কাৰণ তেওঁ ভালদৰে জানে যে দেশ এখন প্ৰতিনিধিত্ব কৰা প্ৰতিগৰাকী ব্যক্তিয়ে সকলো বিষয়তেই সমানেই গুৰুত্ব প্ৰদান কৰা উচিত।

ফোন ঃ ৯৪৩৫১-০৩৯৭৭

# বোনাছক কেন্দ্ৰ কৰি ঢেকিয়াজুলি বাগিচাত উত্তপ্ত পৰিস্থিতি

## ১৫ শতাংশ বোনাছ প্ৰদানক কেন্দ্ৰ কৰি ক্ষুব্ধ চাহ শ্ৰমিকে সাব্যস্ত কৰিলে প্ৰতিবাদ



**অগ্ৰদূত বাৰ্তা**
**ঢেলামৰা, ১৬ ছেপ্টেম্বৰ ঃ** ঢেকিয়াজুলি চাহ বাগিচাত বোনাছক কেন্দ্ৰ কৰি আজি পুৱাই এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। মালিক পক্ষৰ বিৰুদ্ধে বঞ্চনাৰ অভিযোগ তুলি বাগিচাখনৰ ক্ষুব্ধ চাহ শ্ৰমিকে বাগিচা কাৰ্যালয়ৰ সন্মুখত পৰিৱেশ উত্তাল কৰি তোলে। কৰ্তৃপক্ষৰ বিৰুদ্ধে বোনাছ প্ৰদানত খেলিমেলি কৰাৰ অভিযোগ চাহ শ্ৰমিকসকলৰ। শ্ৰমিকসকলৰ অভিযোগ মালিক পক্ষই চাহ শ্ৰমিকৰ অজ্ঞাতে চাহ মজদুৰ সংঘৰে গোপন বুজাবুজি কৰি ২০ শতাংশ বোনাছৰ পৰিৱৰ্তে মাত্ৰ ১৫ শতাংশহে বোনাছ দিবলৈ বিচৰাত শ্ৰমিকসকলে প্ৰতিবাদ কৰে। পূজাৰ পূৰ্বে ১৫ শতাংশ দি বাকী পাঁচ শতাংশ ডিচেম্বৰত দিবলৈ বিচৰাত ঢেকিয়াজুলি চাহ বাগিচা কৰ্তৃপক্ষৰ বিৰুদ্ধে শ্ৰমিকসকলে বঞ্চনাৰ অভিযোগ তুলি পুৱাই বাগিচাৰ কাৰ্যালয়ৰ সন্মুখত প্ৰতিবাদ সাব্যস্ত কৰে। আমাক ২০ শতাংশ বোনাচ লাগিবই, বোনাচক লৈ খেলিমেলি বন্ধ কৰক, আমাৰ দাবী ন্যায্য দাবী, ১৫ শতাংশ বোনাছ মানি লোৱা নহ'ব, চাহ মজদুৰ সংঘ হায় হায় আদি শ্ল'গানৰে পৰিৱেশ উত্তাল কৰি তোলে। উল্লেখ্য যে ২০ শতাংশ বোনাছৰ দাবীত শ্ৰমিকসকল অটুট আছে।

# উত্তৰ-পূবৰ কৃষি অৰ্থনীতি-অসমৰ চাহ শিল্পক নিঃশেষৰ ষড়যন্ত্ৰ কেন্দ্ৰ চৰকাৰৰ

## নামৰূপ সাৰ কাৰখানা বিক্ৰীৰ সিদ্ধান্তত সৰৱ আছু- অঃজাঃপ

**অগ্ৰদূত বাৰ্তা**
**নামৰূপ, ১৬ ছেপ্টেম্বৰ ঃ** 'ভাৰত চৰকাৰে নিৰ্বিনিয়োজন নীতিৰ আধাৰত ৰাজহুৱা খণ্ডৰ উদ্যোগ ব্যক্তিগতখণ্ডক গতাই দিয়াৰ যি সিদ্ধান্ত গ্ৰহণ কৰিছে সেই সিদ্ধান্তৰ আওতাত নামৰূপস্থ উত্তৰ-পূবৰ একমাত্ৰ সাৰ উদ্যোগ ব্ৰহ্মপুত্ৰ ভেলী ফাৰ্টিলাইজাৰ কৰ্প'ৰেছন লিমিটেড অৰ্থাৎ নামৰূপ সাৰ কাৰখানাৰ নাম সাঙুৰ খাই পৰাত প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে অসম জাতীয় পৰিষদ দল আৰু সদৌ অসম ছাত্ৰ সন্থাই। উল্লেখ্য যে আঞ্চলিক ৰাজনৈতিক দলটোৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে কয় যে নামৰূপ সাৰ কাৰখানা ভাৰতবৰ্ষৰ প্ৰথম আৰু উত্তৰ-পূবৰ একামাত্ৰ সাৰ উদ্যোগ যি উদ্যোগৰ স'তে উত্তৰ-পূবৰ কৃষি প্ৰধান সমাজ আৰু অসমৰ চাহ খেতিয়াকসকল ওতঃপ্ৰোতভাৱে জড়িত। তেনেস্থলত এই সাৰ উদ্যোগটো বিক্ৰী কৰি কেন্দ্ৰীয় চৰকাৰে উত্তৰ-পূবৰ কৃষি নিৰ্ভৰ অৰ্থনীতি আৰু অসমৰ চাহ শিল্প দুয়োটাকে ধ্বংসৰ মুখলৈ ঠেলি দিব বিচাৰিছে। ইয়াৰ উপৰি নৰেন্দ্ৰ মোদীৰ এশ দিনীয়া কাৰ্যসূচীত যিটো সাৰ উদ্যোগে স্থান পাইছিল তথা পাঁচ হেজাৰ ৫০০ কোটি টকাৰ আবন্টনেৰে এই সাৰ উদ্যোগৰ চতুৰ্থটো গোট নিৰ্মাণৰ সিদ্ধান্ত লোৱা হৈছিল আৰু পুৰণি দুটা গোট মেৰামতিৰ বাবে এশ কোটি আবন্টন দিয়া হৈছিল আঠ পৃষ্ঠাত চাওক



# তামুলপুৰৰ ভাৰত-ভূটান সীমান্তত বনৰীয়া হাতীৰ উপদ্ৰৱ

## কে'বাটাও পৰিয়ালৰ বাসগৃহ ভাঙি লণ্ডভণ্ড



**অগ্ৰদূত বাৰ্তা**
**তামুলপুৰ, ১৬ ছেপ্টেম্বৰ ঃ** তামুলপুৰ জিলাৰ ভাৰত-ভূটান সীমান্তত অব্যাহত আছে হাতী-মানুহৰ সংঘাত। নিশা হ'লেই ভূটান পাহাৰৰ পৰা নামি অহা বৃহৎ হাতীৰ জাকে সীমান্তৰ গাঁওসমূহত আঠ পৃষ্ঠাত চাওক

# সুৰাৰ পৰা অধিক ৰাজহ সংগ্ৰহৰ লক্ষ্য ঃ সুৰা ব্যৱসায়ীক হেঁচা

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**তেজপুৰ, ১৬ ছেপ্টেম্বৰ ঃ** ঋণৰ বোজাত পোতযোৱা চৰকাৰে যিকোনো প্ৰকাৰে ৰাজহ সংগ্ৰহ কৰাত গুৰুত্ব প্ৰদান কৰিছে। উল্লেখ্য যে বিদ্যুৎ ৰন্ধন গেছ, ঔষধৰ মূল্যবৃদ্ধিৰ লগতে নিত্য ব্যৱহাৰ্য সামগ্ৰীৰ আকাশলংঘী মূল্যবৃদ্ধিয়ে সৰ্বসাধাৰণক কোঙা কৰাৰ বিপৰীতে ৰাজ্য চৰকাৰ ১৭ হেজাৰ কোটি টকাৰ ঋণত ডুব যোৱাৰ সময়তে এইবাৰ সুৰাৰ দ্বাৰাও ব্যাপক পৰিমাণে ৰাজহ সংগ্ৰহৰ চেষ্টা আঠ পৃষ্ঠাত চাওক

# অ'এনজিচিৰ তৈলক্ষেত্ৰৰ চাৰিসীমাৰ ভূমিত বেদখলকাৰীৰ বিৰুদ্ধে উচ্ছেদ



**অগ্ৰদূত বাৰ্তা**
**নাজিৰা, ১৬ ছেপ্টেম্বৰ ঃ** অসমৰ প্ৰান্তে প্ৰান্তে অবৈধ বেদখলত থকা ভূমি উদ্ধাৰৰ বাবে চৰকাৰে উচ্ছেদ অভিযান অব্যাহত ৰখাৰ সময়তে এইবাৰ অবৈধ ভূমি বেদখলকাৰীৰ বিৰুদ্ধে সৰৱ হৈ পৰিছে শিৱসাগৰ জিলা প্ৰশাসনৰ লগতে মহাৰত্ন কোম্পানী অ'এনজিচি কৰ্তৃপক্ষ। মহাৰত্ন কোম্পানী অ'এনজিচিৰ গেলেকী চাৰিআলিস্থিত তৈলক্ষেত্ৰৰ চাৰিসীমাৰ ভূমি বিগত ৩০ বছৰ ধৰি অবৈধভাৱে বেদখল কৰি আহিছিল বিহাৰৰ পৰা অহা একাংশ ব্যক্তিয়ে। চলিত ২০২০ৰ পৰা অ'এনজিচি কৰ্তৃপক্ষই বেদখলকাৰীসকলক আঁতৰি যাবলৈ নিৰ্দেশনা জাৰি কৰি আহিছিল; কিন্তু বেদখলকাৰীসকলে তেল আৰু প্ৰাকৃতিক গেছ নিগমৰ কৰ্তৃপক্ষৰ নিৰ্দেশক আওকাণ কৰি অহাত আঠ পৃষ্ঠাত চাওক

# ওৰাঙত প্ৰধানমন্ত্ৰী, জনজাতি পৰিক্ৰমা মন্ত্ৰী, মুখ্যমন্ত্ৰীৰ প্ৰতিকৃতি দাহ আক্ৰাছুৰ



**অগ্ৰদূত বাৰ্তা**
**টংলা, ১৬ ছেপ্টেম্বৰ ঃ** যোৱা দুদিন পূৰ্বে কেন্দ্ৰীয় চৰকাৰে অসমৰ পাঁচ জনগোষ্ঠীৰ লগতে কোচ ৰাজবংশী জনগোষ্ঠীৰ দীৰ্ঘদিনীয়া জনজাতিকৰণৰ দাবী নস্যাৎ কৰি পাঁচখন ৰাজ্যৰ ১২ টা জনগোষ্ঠীক কেবিনেটত জনজাতিকৰণৰ মৰ্যাদা প্ৰদান কৰাৰ সিদ্ধান্তক আদৰণি জনাইছে সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থা চমুকৈ আক্ৰাছুৱে। কিন্তু ইয়াৰ সমান্তৰালকৈ কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰে সমগ্ৰ কোচ ৰাজবংশী জনগোষ্ঠীক জনজাতিকৰণৰ দীৰ্ঘদিনীয়া দাবীক বাৰে বাৰে নস্যাৎ কৰি জনজাতিকৰণৰ ক্ষেত্ৰত প্ৰতাৰণা কৰাৰ বাবে আজি সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থা, ওদালগুৰি জিলা কোচ সন্মিলনীয়ে ১৫ নম্বৰ ঘাইপথত প্ৰতিমূৰ্তি দাহ কাৰ্যসূচী গ্ৰহণ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, জনজাতি পৰিক্ৰমা মন্ত্ৰী অৰ্জুন মুণ্ডা আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ প্ৰতিমূৰ্তি দাহ কৰি সদৌ অসম কোচ ৰাজবংশী ছাত্ৰ সন্থা চমুকৈ আক্ৰাছুৰ উপসভাপতি নৰজিত কোচে শাসনাধিষ্ঠিত বিজেপি চৰকাৰক প্ৰতাৰক আখ্যা দি এই প্ৰতিমূৰ্তি দাহ কাৰ্যসূচীৰ জৰিয়তে অসম চৰকাৰক সকীয়নি দি আগন্তুক ২০২৪ত হ'ব লগা লোকসভা নিৰ্বাচনত বিজেপি চৰকাৰক কোচ ৰাজবংশী জনগোষ্ঠীটোৰ লোকসকলে উচিত প্ৰত্যুত্তৰ দিব বুলি হুংকাৰ দি 'নৰেন্দ্ৰ মোদী, অৰ্জুন আঠ পৃষ্ঠাত চাওক

# আদিবাসীৰ স'তে কৰা চুক্তিৰ পাছত ৰাজ্যত জ্বলিছে প্ৰতিবাদৰ জুই

## ■ শালবাৰীত আক্ৰাছুৰ নৰেন্দ্ৰ মোদী, ড° হিমন্ত বিশ্ব শৰ্মা আৰু অৰ্জুন মুণ্ডাৰ পুত্তলিকা দাহ

**অগ্ৰদূত বাৰ্তা**
**শালবাৰী, ১৬ ছেপ্টেম্বৰ ঃ** কালি ৰাজ্যধানী নতুন দিল্লীত আদিবাসী পাঁচ সংগঠনৰে চুক্তি স্বাক্ষৰৰ পাছত ৰাজ্যখনৰ আন ছয় জনগোষ্ঠীক জনজাতিকৰণৰ পৰা বঞ্চিত কৰাৰ অভিযোগ তুলি কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ বিৰুদ্ধে কোচ ৰাজবংশী ছাত্ৰ সন্থা চমুকৈ আক্ৰাছুৱে প্ৰতিবাদী কাৰ্যসূচী আৰম্ভ কৰিছে। আজি সংগঠনটোৱে বাগ্‌সা জিলাৰ শালবাৰীৰ ভকুৱামাৰীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় জনজাতি পৰিক্ৰমা মন্ত্ৰী অৰ্জুন মুণ্ডা আৰু ৰাজ্যৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ পুত্তলিকা দাহেৰে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদকাৰীসকলে 'কেন্দ্ৰীয় চৰকাৰ হায় হায়, ৰাজ্য চৰকাৰ হায় হায়, প্ৰধানমন্ত্ৰী মিছলীয়া' আদি শ্ল'গান দি প্ৰতিবাদস্থলী উত্তাল কৰি তোলা পৰিলক্ষিত হয়। অৱশ্যে প্ৰতিবাদস্থলীত উপস্থিত থকা আৰক্ষীয়ে ততালিকে উক্ত স্থানৰ পৰা জ্বলন্ত পুত্তলিকাসমূহ আঁতৰাই নিয়া পৰিলক্ষিত হয়। তাৰ পাছতেই প্ৰতিবাদস্থলীত উপস্থিত থকা আক্ৰাছুৰ যুটীয়া সাধাৰণ সম্পাদক কপিল দেৱ সিংহই অংশগ্ৰহণ কৰি কেন্দ্ৰ আৰু ৰাজ্য উভয় চৰকাৰকে তীব্ৰ সমালোচনা কৰে। আক্ৰাছুৰ যুটীয়া সাধাৰণ সম্পাদকে কেন্দ্ৰীয় কেবিনেটে দেশৰ পাঁচখন ৰাজ্যৰ ১২ টা জনগোষ্ঠীক জনজাতিকৰণৰ বাবে লোৱা সিদ্ধান্তৰ লগতে ৰাজ্যখনৰ পাঁচ আদিবাসী সশস্ত্ৰ সংগঠনৰ স'তে কালি ৰাজধানী নতুন দিল্লীত হোৱা শান্তি চুক্তিলৈ আদৰণি জনাই কোচ ৰাজবংশীসকলেও ১৯৬৮ৰ পৰাই জনজাতিকৰণৰ দাবীত আন্দোলন কৰি অহাৰ কথা সদৰী কৰে। আঠ পৃষ্ঠাত চাওক

# নগাঁও চহৰত দিন দুপৰতে চুৰি

## ■ বিয়া পাতিবলৈ সাঁচি থোৱা সোণৰ গহণা, নগদ ধন লৈ উধাও হ'ল চোৰ

**বিশেষ সংবাদদাতা**
**নগাঁও, ১৬ ছেপ্টেম্বৰ ঃ** নগাঁও চহৰৰ হয়বৰগাঁও আৰক্ষী চকীৰ অন্তৰ্গত শান্তিপুৰত আজি দিন দুপৰতে চোৰে বিয়া পাতিবলৈ সাঁচি থোৱা সোণৰ গহণা আৰু নগদ ধন লৈ উধাও হোৱা ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। এই চুৰিকাণ্ডত সমগ্ৰ ঘটনা বন্দী হয় চি চি টিভি কেমেৰাত। হয়বৰগাঁৱৰ শান্তিপুৰ নিবাসী ইন্দ্ৰজিৎ ৰয় নামৰ লোকজনৰ ঘৰত দিন দুপৰতে গৃহস্থ নথকাৰ সুযোগত চোৰে লুটি নিয়ে বিয়া পাতিবলৈ সাঁচি থোৱা সোণৰ গহণা আৰু নগদ ধন। উল্লেখ্য যে পূৰ্বেও এই গৃহতে চুৰি কাণ্ড সংঘটিত হৈছিল যদিও আৰক্ষীয়ে আজিলৈকে চোৰৰ কোনো সন্ধান উলিয়াবলৈ সক্ষম নহ'ল। যাৰ বাবে গৃহস্থই এইবাৰ লগাইছিল চি চি টিভি কেমেৰা। তাতে বন্দী হৈ ৰ'ল সমগ্ৰ দৃশ্য। এইবাৰ চি চি টিভি কেমেৰাৰ দৃশ্য চাই আৰক্ষীয়ে চোৰ ধৰিব পাৰে নে নাই সেয়া পৰৱৰ্তী সময়ত লক্ষণীয় হ'ব।

# জামুগুৰিত ২০ ছেপ্টেম্বৰত হ'ব লগা কেন্দ্ৰীয় ছহিদ দিৱস স্থগিত

## ৪২ৰ ছহিদ মনবৰ নাথৰ প্ৰতিমূৰ্তিৰ কাম সম্পূৰ্ণ

**বিশেষ সংবাদদাতা**
**নগাঁও, ১৬ ছেপ্টেম্বৰ ঃ** ছেপ্টেম্বৰত ঢেকীয়াজুলি থানাত ইংৰাজৰ গুলিত দেশ মাতৃৰ হকে প্ৰাণ আহুতি দি ৪২ৰ গণ আন্দোলনৰ ছহিদ হৈছিল ছহিদ মনবৰ নাথ। পৰিতাপৰ বিষয় যে এই যে স্বাধীনতাৰ ৭৬ বছৰৰ পাছতো এইগৰাকী বীৰ ছহিদে যি ভাৱে ৰাষ্ট্ৰীয় মৰ্যাদা পাব লাগিছিল সেই মৰ্যাদা লাভ কৰা পৰিলক্ষিত বৰ্তমানলৈ হোৱা নাই। কিন্তু বৰ্তমান বিভিন্ন জাতি-জনগোষ্ঠীৰ সমন্বয় ক্ষেত্ৰ বৰ অসমৰ প্ৰাচীন জনগোষ্ঠী নাথ-যোগী সমাজৰ নৱ প্ৰজন্মৰ সামগ্ৰিক বিকাশ আৰু উত্তৰণৰ অন্যতম সংগঠন সদৌ অসম নাথ-যোগী ছাত্ৰ সন্থাৰ বিশেষ উদ্যোগত বৰ্তমান অসমৰ মুখ্যমন্ত্ৰী আঠ পৃষ্ঠাত চাওক

# ধনুভাঙা সংৰক্ষিত বনাঞ্চলত অবৈধ বেদখলকাৰীৰ বিৰুদ্ধে বন বিভাগৰ অভিযান



## ■ পোন্ধৰ হেক্টৰ ভূমিত স্থাপন কৰা ৰবৰ নাৰ্চাৰী, ছাগলী পাম, কৃষি পাম উচ্ছেদ

**অগ্ৰদূত বাৰ্তা**
**দুধনৈ, ১৬ ছেপ্টেম্বৰ ঃ** গোৱালপাৰা বন সংমণ্ডল তথা ৰংজুলি বনাঞ্চলিক কাৰ্যালয়ৰ অন্তৰ্গত ধনুভাঙা সংৰক্ষিত বনাঞ্চলত একাংশ লোকে বনাঞ্চল ধ্বংস কৰি বনাঞ্চলৰ মাটি বেদখলেৰে বন ভূমিত গঢ়ি তুলিছে কৃষি পাম, ছাগলী পামৰ লগতে ৰবৰৰ নাৰ্চাৰী। ধনুভাঙাৰ ১৭ নম্বৰ ঘাইপথৰ কাষতে গঢ়ি তোলা কৃষি পাম আৰু ছাগলী পামৰ লগতে ৰবৰৰ নাৰ্চাৰীৰ বাবে মাটি প্ৰস্তুত কৰি থকা অঞ্চলত আজি হঠাতে গোৱালপাৰা বন সংমণ্ডলৰ ডিএফঅ' ৰাজেন্দ্ৰ কুমাৰৰ নেতৃত্বত আৰু ৰংজুলি বনাঞ্চলিক কাৰ্যালয়ৰ বন বিষয়া শৰৎ দাস আৰু বনকৰ্মীৰ সহযোগত অভিযান চলায় আৰু ধনুভাঙা সংৰক্ষিত বনাঞ্চলৰ প্ৰায় পোন্ধৰ হেক্টৰ ভূমিত বনাঞ্চল ধ্বংস কৰি গঢ়ি আঠ পৃষ্ঠাত চাওক

# ৰঙাপৰা, বালিপৰা-চাৰিদুৱাৰত সুতৰ অবৈধ বেহা

## ■ শোণিতপুৰ আৰক্ষী অধীক্ষকক আছাৰ অভিযোগ পত্ৰ প্ৰদান

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**তেজপুৰ, ১৬ ছেপ্টেম্বৰ ঃ** শোণিতপুৰৰ ৰঙাপৰা. বালিপাৰা আৰু চাৰিদুৱাৰৰ বিভিন্ন আদিবাসী অধ্যুষিত ্ঞ্চল তথা চাহ বাগিচাত অবৈধ সংদৰ ব্যৱসায় চলি থকাৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিবলৈ সদৌ অসম আদিবাসী ছাত্ৰ সন্থা (আছা) ই আজি শোণিতপুৰৰ আৰক্ষী অধীক্ষকক লিখিত পত্ৰ দাখিল কৰে। আছাৰ কেন্দ্ৰীয় কমিটীৰ কাৰ্যকৰী সদস্য প্ৰহ্লাদ তাঁতী আৰু জিলাৰ প্ৰচাৰ সম্পাদক ৰাজেশ গোৱালাই আজি বিয়লি দাখিল কৰা পত্ৰত অবৈধ সুঁদৰ ব্যৱসায় কৰা সকলক শীঘ্ৰেই গ্ৰেপ্তাৰৰ দাবী জনাই লগতে কয় যে এই বেহাত একাংশ কাবুলীৰ লগতে একাংশ খান আৰু আন লোকো জড়িত হৈ আছে। এই অবৈধ বেহা চাহ বাগিচা ্ঞ্চলত বাৰুকৈয়ে বৃদ্ধি পোৱা বুলি উল্লেখ কৰি পত্ৰখনত এইসকলে সাধাৰণ লোকৰ ওপৰত বল প্ৰয়োগ আৰু মানসিক নিৰ্যাতন চলাই আহিছে বুলি কয়। সংগঠনটোৱে এনেবোৰ ঘটনাক গৰিহণা দি অবৈধ বেহাৰে জড়িতসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে।

# অসমৰ ছয় জনগোষ্ঠীক পুনৰ প্ৰতাৰণা



## ■ ক্ষোভিত গোসাঁইগাঁও জিলা কোচ ৰাজবংশী সন্মিলনীৰ সংবাদমেল

**অগ্ৰদূত বাৰ্তা**
**তামাৰহাট, ১৬ ছেপ্টেম্বৰ ঃ** কেন্দ্ৰীয় চৰকাৰ তথা অসম চৰকাৰে জনজাতিকৰণৰ ক্ষেত্ৰত অসমৰ অন্যতম জনগোষ্ঠী কোচ ৰাজবংশী জনগোষ্ঠীটোক পুনৰ প্ৰতাৰণা কৰাত গোসাঁইগাঁও জিলা কোচ ৰাজবংশী সন্মিলনীয়ে জাঙুৰ খাই উঠিছে। কেন্দ্ৰীয় চৰকাৰৰ কেবিনেটে দেশৰ পাঁচ ৰাজ্যৰ ১২ টা জনগোষ্ঠীক জনজাতিকৰণৰ সিদ্ধান্ত লোৱাৰ পাছত আজি গোসাঁইগাঁও জিলা কোচ ৰাজবংশী সন্মিলনীয়ে তামাৰহাট প্ৰেছ ক্লাবত এক সংবাদমেল অনুষ্ঠিত কৰি তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। সংবাদমেলত গোসাঁইগাঁও কোচ ৰাজবংশী সন্মিলনীৰ সভাপতি সুৰথ চন্দ্ৰ ৰায়ে কয় যে ৰাজনৈতিক, শৈক্ষিক, আৰ্থ-সামাজিক আদি সকলো দিশতে পিছ পৰি থকা কোচ ৰাজবংশী জনগোষ্ঠীটোক জনজাতিকৰণৰ দাবীত সদৌ অসম কোচ ৰাজবংশী সন্মিলনীয়ে দীৰ্ঘদিনৰে পৰা আন্দোলন কৰি আহিছে যদিও কেন্দ্ৰীয় তথা ৰাজ্য চৰকাৰে বাৰে বাৰে জনগোষ্ঠীটোক আঠ পৃষ্ঠাত চাওক

# হাজোৰ দুই নম্বৰ শৌলমাৰীত প্ৰৱল খহনীয়াত শংকিত ৰাইজ

## খহনীয়া প্ৰতিৰোধৰ বাবে সমূহীয়া দোৱা ৰাইজৰ



**অগ্ৰদূত বাৰ্তা**
**হাজো, ১৬ ছেপ্টেম্বৰ ঃ** কামৰূপ জিলাৰ হাজো সমষ্টিৰ অন্তৰ্গত দুই নম্বৰ শৌলমাৰীৰ সমীপৱৰ্তী ব্ৰহ্মপুত্ৰৰ সুঁতিৰ লগতে পুঠিমাৰী নৈৰ প্ৰৱল খহনীয়াৰ কবলত পৰা পৰিলক্ষিত হৈছে অঞ্চলবাসী। যাৰ বাবে প্ৰতিদিনে শংকিত হৈ পৰিছে গাঁওবাসী। বছৰ বছৰ ধৰি নৈৰ প্ৰৱল খহনীয়াৰ ফলত উছন হৈছে বহুতো পৰিয়াল। শ শ বিঘা কৃষিভূমি নৈৰ বুকুত জাহ গৈছে। শৌলমাৰীত স্থাপন কৰা একমাত্ৰ প্ৰাথমিক বিদ্যালয়খনো বিগত সময়ছোৱাত খহনীয়াৰ কবলত কে'বাবাৰো স্থানান্তৰিত কৰিবলগীয়া হৈছিল। কৃষিজীৱী ৰাইজৰ কৃষিভূমি খহনীয়াৰ কবলত পৰি সংকুচিত হৈ পৰিছে। কৃষি প্ৰধান অঞ্চলৰ দুই নম্বৰ শৌলমাৰীত বাঢ়নী পানীয়ে ব্যাপকভাৱে খহনীয়াৰ সৃষ্টি কৰাৰ পাছত আজি স্থানীয় ৰাইজে অদৃশ্যজনৰ ওচৰত দোৱা প্ৰাৰ্থনাৰে নৈখনৰ পাৰত একত্ৰিত হয়। ইফালে, জনপ্ৰতিনিধি তথা চৰকাৰৰ বিভাগীয় কৰ্তৃপক্ষই খহনীয়া ৰোধৰ বাবে বিগত সময়ছোৱাত আঠ পৃষ্ঠাত চাওক

# নাৰায়ণপুৰ শ্ৰীশ্ৰীমাধৱদেৱ কলাক্ষেত্ৰৰ প্ৰায় ৯০ শতাংশ কাম সম্পূৰ্ণ হোৱাৰ পথত

## লখিমপুৰৰ অনন্য সম্পদ হৈ শীঘ্ৰে উজলিব



**অগ্ৰদূত বাৰ্তা**
**লখিমপুৰ, ১৬ ছেপ্টেম্বৰ ঃ** নাৰায়ণপুৰৰ মহাপুৰুষ মাধৱদেৱৰ জন্মস্থানৰ ঐতিহ্য তথা নাৰায়ণপুৰ আৰু উত্তৰ পাৰবাসীৰ একান্ত অনুগ্ৰহক সন্মান জনাই ৰাজ্য চৰকাৰৰ উদ্যোগত নাৰায়ণপুৰস্থিত শ্ৰীশ্ৰীবদলা সত্ৰত নিৰ্মাণ হৈ থকা শ্ৰীশ্ৰীমাধৱদেৱ কলাক্ষেত্ৰৰ প্ৰায় ৯০ শতাংশ কাম সম্পূৰ্ণ হৈ উঠিছে। উল্লেখ্য যে গুৱাহাটী ৰাজশেখৰ কনষ্ট্ৰাকছন প্ৰাইভেট লিমিটেড কোম্পানীৰ অধীনত সম্প্ৰতি শ্ৰীশ্ৰীমাধৱদেৱ কলাক্ষেত্ৰৰ তৃতীয় তথা অন্তিম পৰ্যায়ৰ অন্তৰ্গত শেষৰ পৰিষ্কৰণৰ কাম-কাজসমূহ চলি আছে। মাধৱদেৱ কলাক্ষেত্ৰৰ যোজনা প্ৰবন্ধক দেৱাশীষ চক্ৰৱৰ্তীৰ তত্ত্বাৱধানত ২০২০ৰ পৰা থকা এই তৃতীয় পৰ্যায়ৰ কাম-কাজত পূৰ্বৰ প্ৰথম আৰু দ্বিতীয় পৰ্যায়ৰ কাম-কাজসমূহতকৈ বহুকেইটা বিষয় নৱতম সংযোজন আঠ পৃষ্ঠাত চাওক

# দলগাঁৱত বিজ্ঞান শিক্ষকৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**
**দলগাঁও, ১৬ ছেপ্টেম্বৰ ঃ** দৰঙৰ দলগাঁও-শিয়ালমাৰী শিক্ষা খণ্ডৰ অন্তৰ্গত ঘিলাধাৰী মধ্য ইংৰাজী বিদ্যালয়ৰ বিজ্ঞান শিক্ষক গোপাল সিংহৰ যোৱা নিশা চিকিৎসালয়ত মৃত্যু হোৱা ঘটনাই অঞ্চলটোত শোকৰ ছাঁ পেলাইছে। ওদালগুৰি জিলাৰ চাওতাল গাঁৱৰ নিবাসী গোপাল সিংহৰ ডিঙি আৰু চকুৰ নাৰ্ভ পেৰালাইছিচ হোৱাত গুৱাহাটী এপ'ল' চিকিৎসালয়ত চিকিৎসা লৈ আছিল। আৰু তাতেই তেওঁ ৫৩ বছৰ বয়সত মৃত্যু বৰণ কৰে । সিংহই বিদ্যালয়খনত ভেঞ্চাৰ শিক্ষক হিচাপে যোগদান কৰি বহু বছৰ চাকৰি নিয়মীয়াকৰণৰ বাবে সংগ্ৰাম কৰাৰ পাছত অৱশেষত ২০১৩ত বিদ্যালয় প্ৰাদেশিকীকৰণ হোৱাত চাকৰি নিয়মীয়া হয়। চাকৰি নিয়মীয়া হোৱাৰ পৰা মাত্ৰ ন বছৰ পাছতে এনেদৰে মৃত্যুক আঁকোৱালি লোৱা ঘটনাই সকলোকে মৰ্মাহত কৰিছে।



## সত্যেন্দ্ৰ-মনীষৰ পাছত বিপদ বাঢ়িল আপৰ অমানতুল্লাহৰ

**নিউজ ব্যুৰ', নতুন দিল্লী, ১৬ ছেপ্টেম্বৰ ঃ** দিল্লীৰ বহুচৰ্চিত সুৰা কেলেংকাৰিৰ গোচৰত আম আদমী পাৰ্টি (আপ)ৰ এজনৰ পাছত আন এজন নেতা সাঙোৰ খোৱাৰ সময়তে এইবাৰ আপৰ বিধায়ক অমানতুল্লাহ খানৰ বিপদ বাঢ়িল। আপৰ বিধায়ক তথা ৱাকফ ব'ৰ্ডৰ অধ্যক্ষ খানক দুৰ্নীতি প্ৰতিৰোধী বিভাগ (এ চি বি)-এ এক গোচৰত জেৰা কৰি আছে। আজি দুপৰীয়া তদন্তকাৰী সংস্থাটোৱে ৱাকফ ব'ৰ্ডৰ স'তে জড়িত দুবছৰৰ পুৰণি দুৰ্নীতিৰ এক গোচৰত খানক পুনৰ জেৰা কৰে। এ চি বিয়ে প্ৰকাশ কৰা অনুসৰি দুৰ্নীতি প্ৰতিৰোধ আইনৰ অধীনত ৰুজু কৰা গোচৰত আপৰ বিধায়ক খানক সোধা-পোছা কৰা হৈছে। এই গোচৰটো ২০২০ বৰ্ষতে ৰুজু কৰা হৈছিল।

## ছমাহৰ পাছত সোণৰ মূল্য ৪৯ হেজাৰ টকালৈ হ্ৰাস পালে



**নিউজ ব্যুৰ', নতুন দিল্লী, ১৬ ছেপ্টেম্বৰ ঃ** সোণ আৰু ৰূপৰ মূল্য হ্ৰাস অব্যাহত আছে। ঘৰুৱা বজাৰত আজি সোণ আৰু ৰূপৰ মূল্য পুনৰ হ্ৰাস পোৱাৰ ফলত ছমাহৰ সৰ্বনিম্ন হ'ল। শুকুৰবাৰে দুপৰীয়া প্ৰতি ১০ গ্ৰাম সোণৰ মূল্য ৩০১ টকা হ্ৰাসৰে ৪৯,০১১ টকালৈ অৱনমিত হ'ল। একেদৰে প্ৰতি কিলো ৰূপৰ মূল্য ৮৬৭ টকা হ্ৰাস পোৱাৰ ফলত শুকুৰবাৰে ৫৫,৫৫০ টকালৈ হ্ৰাস পালে। যোৱা ফেব্ৰুৱাৰীত অন্তিমবাৰৰ বাবে দেশৰ বজাৰত প্ৰতি ১০ গ্ৰাম সোণৰ মূল্য ৪৯,২০০ টকালৈকে হ্ৰাস পাইছিল। আজি বিগত দুমাহৰ পাছত পুনৰ দেশৰ বজাৰত সোণৰ মূল্য ৫০ হেজাৰ টকাৰ তললৈ নামিল। শুকুৰবাৰে ২৪ কেৰেটৰ সোণৰ ১০ গ্ৰামৰ সোণৰ মূল্য ৪৯,৩৭৪ টকা হয়। একেদৰে ২৩ কেৰেটৰ ১০ গ্ৰাম সোণৰ মূল্য ৪৯,১৭৬ টকালৈ হ্ৰাস পায়। ২২ কেৰেটৰ ১০ গ্ৰাম সোণৰ মূল্য ৪৫,২২৭ টকা, ২০ কেৰেটৰ ১০ গ্ৰাম সোণৰ মূল্য ৩৭,০৩১ টকা আৰু ১৮ কেৰেটৰ ১০ গ্ৰাম সোণৰ মূল্য ২৮,৮৮৪ টকালৈ হ্ৰাস পায়।

## আদালতত চি বি আইৰ দাবী ঃ সকলো দুৰ্নীতিৰ মূল পৰিকল্পক প্ৰাক্তন শিক্ষামন্ত্ৰী পাৰ্থ



**নিউজ ব্যুৰ', কলকাতা, ১৬ ছেপ্টেম্বৰ ঃ** পশ্চিমবংগৰ প্ৰাক্তন শিক্ষামন্ত্ৰী পাৰ্থ চেটাৰ্জীক প্ৰৱৰ্তক সঞ্চালকালয় (ই ডি)ৰ পৰা নিজৰ জিম্মাত বিচাৰিলে কেন্দ্ৰীয় তদন্তকাৰী সংস্থা চি বি আয়ে। সূত্ৰৰ খবৰ অনুসৰি, নিজৰ জিম্মাত লৈ কল্যাণময় গাংগুলীৰ সন্মুখত বহুৱাই পাৰ্থক জেৰা কৰিব বিচাৰে চি বি আয়ে। আজি আদালতত চি বি আয়ে দাবী কৰি কয় যে পাৰ্থ শিক্ষামন্ত্ৰী হৈ থকাৰ সময়ত পশ্চিমবংগত ব্যাপক দুৰ্নীতি সংঘটিত হৈছিল আৰু এই সকলোবোৰ দুৰ্নীতিৰ মূল পৰিকল্পক আছিল তদানীন্তন শিক্ষামন্ত্ৰীজন। চি বি আইৰ দাবী অনুসৰি এই দুৰ্নীতি পাৰ্থৰ লগতে আন কে'বাজনো লোক জড়িত আছিল। আজি দুপৰীয়া আলিপুৰ আদালতত পাৰ্থক হাজিৰ কৰোৱা হৈছিল।

## মানৱ সৰবৰাহৰ গোচৰত জামিন লাভ পঞ্জাৱী গায়ক ডালেৰৰ



**নিউজ ব্যুৰ', পাতিয়ালা, ১৬ ছেপ্টেম্বৰ ঃ** ১৯ বছৰ পুৰণি মানৱ সৰবৰাহ গোচৰত অৱশেষত জামিনত মুক্তি লাভ কৰিলে পঞ্জাৱী গায়ক ডালেৰ মেহেন্দিয়ে। পাতিয়ালা আদালতৰ ৰায়ত আজি স্থগিতাদেশ জাৰি কৰিলে পঞ্জাৱ-হাৰিয়ানা উচ্চ ন্যায়ালয়ে। উল্লেখ্য যে মানৱ সৰবৰাহৰ গোচৰত দোষী সাব্যস্ত হোৱা ডালেৰক যোৱা জুলাইত দুবছৰৰ কাৰাদণ্ডৰ ৰায় দিছিল পাতিয়ালাৰ আদালতে। আজি পঞ্জাৱ-হাৰিয়ানাৰ উচ্চ ন্যায়ালয়ে পাতিয়ালা আদালতৰ উক্ত ৰায়ত স্থগিতাদেশ জাৰি কৰি ডালেৰৰ জামিন আবেদন মঞ্জুৰ কৰিলে।

## এছ চি অ' বৈঠকত ভাৰতক সহযোগিতাৰ বাৰ্তা জিনপিঙৰ



**নিউজ ব্যুৰ', বেইজিং, ১৬ ছেপ্টেম্বৰ ঃ** আজিৰে পৰা অনুষ্ঠিত এছ চি অ' সন্মিলিনত ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ভাষণৰ পাছতে ভাৰতৰ প্ৰতি সৎভাৱ প্ৰদৰ্শন কৰিলে চীনৰ ৰাষ্ট্ৰপতি জি জিনপিঙে। ২০২৩ বৰ্ষত এছ চি অ' সন্মিলন আয়োজন কৰিব ভাৰতে। এই ক্ষেত্ৰত ভাৰতত সকলো ধৰণৰ সাহায্য আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি দিলে চীনৰ ৰাষ্ট্ৰপতিয়ে। জিনপিঙে ভাৰতলৈ এই বাৰ্তা দি কয় যে এছ চি অ' বৈঠকৰ আয়োজনৰ ক্ষেত্ৰত ভাৰতক চীনে সকলো ধৰণৰে সহায় আগবঢ়াব। উল্লেখ্য যে এছ চি অ' বৈঠক অনুষ্ঠিত হোৱাৰ কিছুদিন পূৰ্বে লাডাখ সীমান্তৰ পৰা সেনা প্ৰত্যাহাৰৰ সিদ্ধান্ত লৈছিল ভাৰত আৰু চীনে। ইয়াৰ পাছত এছ চি অ'ৰ মঞ্চত থিয় দি প্ৰকাশ্যে ভাৰতলৈ সহযোগিতাৰ বাৰ্তা দিলে চীনে।

**ফ'ৰ্বছৰ তথ্য অনুসৰি এদিনত আদানীৰ সম্পত্তিৰ পৰিমাণ প্ৰায় চাৰি শতাংশ বৃদ্ধি পালে**

# ৰকেটৰ গতিৰে বাঢ়িছে সম্পত্তি, বিশ্বৰ ধনাঢ্য ব্যক্তিৰ তালিকাত দ্বিতীয় হ'ল আদানী

**নিউজ ব্যুৰ' নতুন দিল্লী, ১৬ ছেপ্টেম্বৰ ঃ** এইবাৰ বিশ্বৰ সবাতোকৈ ধনাঢ্য ব্যক্তিৰ তালিকাত দ্বিতীয় স্থান দখল কৰিলে ভাৰতীয় অৰ্বুদপতি গৌতম আদানীয়ে। আদানী গোষ্ঠীৰ মুৰব্বী আদানীয়ে আজি ফ'ৰ্বছৰ ধনাঢ্য ব্যক্তিৰ তালিকাত এমেজনৰ মুৰব্বী জেফ বেজ'ছক স্থানচ্যুত কৰি দ্বিতীয় স্থান দখল কৰে। আদানীয়ে দ্বিতীয় স্থান লাভ কৰাৰ বিপৰীতে তালিকাত চতুৰ্থ স্থানলৈ অৱনমিত হ'ল এমেজনৰ মুৰব্বী বেজ'ছ। ধনাঢ্য ব্যক্তিৰ এই তালিকাত বৰ্তমানেও শীৰ্ষ স্থানত আছে টেছলা আৰু স্পেচ এক্সৰ



মুৰব্বী এলন মাস্ক। উল্লেখ্য যে কিছুদিন পূৰ্বে আদানীয়ে এই তালিকাত তৃতীয় স্থান লাভ কৰিছিল।

শুকুৰবাৰে প্ৰকাশিত ফ'ৰ্বছৰ ধনাঢ্য ব্যক্তিৰ তালিকাৰ তথ্য অনুসৰি পূৰ্বৰ তুলনাত এদিনত আদানীৰ সম্পত্তিৰ পৰিমাণ প্ৰায় চাৰি শতাংশ বৃদ্ধি পালে। আদানীৰ বৰ্তমানৰ সম্পত্তিৰ পৰিমাণ হৈছে ১৫৪.৭ বিলিয়ন ডলাৰ। তালিকাত শীৰ্ষ স্থানত থকা মাস্কৰ সম্পত্তিৰ পৰিমাণ হৈছে ২৭৩.৫ বিলিয়ন ডলাৰ। আনহাতে, ১৪৯.৭ বিলিয়ন ডলাৰৰ সম্পত্তিৰে তালিকাত চতুৰ্থ স্থানলৈ অৱনমিত হ'ল বেজ'ছ।

## ভেংকটেশ্বৰ মন্দিৰত ১.৫ কোটি টকা দান কৰিলে আম্বানীয়ে



**নিউজ ব্যুৰ', তিৰুমালা, ১৬ ছেপ্টেম্বৰ ঃ** ৰিলায়েন্স ইণ্ডাষ্ট্ৰীজৰ মুৰব্বী মুকেশ আম্বানীয়ে আজি তিৰুমালাত থকা ভগৱান ভেংকটেশ্বৰ মন্দিৰত ১.৫ কোটি টকা দান কৰে। বিশিষ্ট উদ্যোগপতিজনে চেকযোগে মন্দিৰ সমিতিক এই ধনৰাশি অৰ্পণ কৰে। আজি পুৱাতে আম্বানীয়ে তিৰুমালাত উপস্থিত হৈছিল। ভগৱান ভেংকটেশ্বৰৰ মন্দিৰত নিয়ম অনুসৰি পূজা অৰ্চনাৰ পাছত আম্বানীয়ে তিৰুমালা তিৰুপতি দেৱস্থানমৰ অতিৰিক্ত কাৰ্যবাহী বিষয়া এ ভেংকট ধৰ্মৰেড্ডিক ১.৫ কোটি টকাৰ চেক অৰ্পণ কৰে। পাছত আম্বানীয়ে উক্ত মন্দিৰত থকা হাতীক দৰ্শন কৰি খাদ্য খোৱালে।

## যুদ্ধবিধ্বস্ত ইউক্ৰেইনৰ ইজিউমত পুনৰ গণকবৰৰ সন্ধান, ৪৪০ টা মৃতদেহ উদ্ধাৰ



**নিউজ ব্যুৰ', কীভ, ১৬ ছেপ্টেম্বৰ ঃ** ৰুছ দখলমুক্ত অঞ্চলত পুনৰ গণকবৰৰ সন্ধান লাভ কৰিলে ইউক্ৰেইন সেনাই। খাৰকীভৰ সমীপৰ ইজিউম চহৰত সন্ধান লাভ কৰা গণকবৰত কালি ৪৪০ টা মৃতদেহ উদ্ধাৰ কৰা হৈছিল। খাৰকীভ প্ৰশাসনৰ খবৰ অনুসৰি নিহত ব্যক্তিসকল অসামৰিক নাগৰিক আছিল। কিদৰে ইজিউমত ইমান বৃহৎ সংখ্যক নাগৰিকৰ মৃত্যু হ'ল, সেয়া এতিয়াও স্পষ্ট হোৱা নাই। গণকবৰৰ সন্দৰ্ভত প্ৰশাসনে তদন্ত আৰম্ভ কৰিছে। উল্লেখ্য যে যোৱা সপ্তাহত ইউক্ৰেইন সেনাৰ আক্ৰমণত খাৰকীভৰ ইজিউম চহৰ ত্যাগ কৰিবলৈ ৰুছ সেনা বাধ্য হৈছিল। ইজিউম পুনৰ দখলৰ পাছতে ইউক্ৰেইন সেনাই চহৰখনত বিশাল গণকবৰৰ সন্ধান লাভ কৰিলে। এই কবৰৰ পৰা উদ্ধাৰ কৰা ৪৪০ টা মৃতদেহৰ পৰিচয় এতিয়াও নিশ্চিত হোৱা নাই। অৱশ্যে মৃত লোকসকল যে সেনা নাছিল সেয়া তেওঁলোকৰ পৰিধানৰ পৰা জানিব পৰা গৈছে। ইউক্ৰেইন সেনাই পুনৰ দখল কৰা অঞ্চলত অধিক সংখ্যক গণকবৰ থাকিব পাৰে বুলি ইউক্ৰেইন চৰকাৰে সন্দেহ কৰিছে।

## দিল্লীৰ চৰকাৰী বিদ্যালয়ত উন্নত পাঠদানৰ পৰিণতি, ১১৪১ শিক্ষাৰ্থী উত্তীৰ্ণ হ'ল জেইই-নীটত ঃ কেজৰিৱাল

**নিউজ ব্যুৰ' নতুন দিল্লী, ১৬ ছেপ্টেম্বৰ ঃ** দিল্লীৰ চৰকাৰী বিদ্যালয়ত অধ্যয়ন কৰা ১১৪১ ছাত্ৰ-ছাত্ৰীয়ে চলিত বৰ্ষৰ সংযুক্ত প্ৰৱেশ পৰীক্ষা (জেইই) আৰু ৰাষ্ট্ৰীয় যোগ্যতা প্ৰৱেশ পৰীক্ষা (নীট)ত সফলতা অৰ্জন কৰিলে। দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে আজি এই কথা প্ৰকাশ কৰি কয় যে দিল্লীৰ চৰকাৰী শিক্ষানুষ্ঠানত প্ৰদান কৰা উন্নত মানৰ শিক্ষাৰ জৰিয়তে ৰাজধানী চহৰৰ ১১৪১ শিক্ষাৰ্থীয়ে জেইই আৰু নীটত উত্তীৰ্ণ হ'ল। জেইই আৰু নীটৰ শীৰ্ষ স্থান লাভ কৰা শিক্ষাৰ্থীক দিল্লীৰ ত্যাগৰাজ ষ্টেডিয়ামত সম্বৰ্ধনাৰ বাবে আয়োজন কৰা অনুষ্ঠানত অংশ লৈ মুখ্যমন্ত্ৰীজনে লগতে কয় যে দিল্লীৰ চৰকাৰী শিক্ষানুষ্ঠানৰ ব্যাপক সংস্কাৰ সাধনৰ ফলত চৰকাৰী খণ্ডৰ শিক্ষাৰ্থীয়ে ইঞ্জিনিয়াৰিং আৰু মেডিকেলৰ প্ৰৱেশ পৰীক্ষাত অভুতপূৰ্ব সফলতা অৰ্জন কৰিবলৈ সফল হৈছে। কেজৰিৱালে লগতে কয় যে দেশত ১৮ কোটি শিশুৱে চৰকাৰী বিদ্যালয়ত অধ্যয়ন কৰি আছে আৰু ইয়াৰে সৰহ সংখ্যক



বিদ্যালয়ৰে অৱস্থা সন্তোষজনক নহয়। 'যিদৰে আমি দিল্লীত চৰকাৰী শিক্ষানুষ্ঠানৰ মান উন্নীত কৰিলো, একেদৰে অন্যান্য ৰাজ্যতো চৰকাৰী বিদ্যালয়ৰ সংস্কাৰ সাধন কৰিব পাৰি। আমি শিক্ষাৰ্থীসকলক গুণগত মান সম্পন্ন শিক্ষা প্ৰদান কৰিছো আৰু এই কাৰণতে আমাৰ চৰকাৰী বিদ্যালয়ৰ ১১৪১ শিক্ষাৰ্থীয়ে এইবাৰ জেইই আৰু নীট পৰীক্ষাত সফলতা লাভ কৰিলে। পূৰ্বে এনে এক ধাৰণা সৃষ্টি কৰা হৈছিল যে চৰকাৰে বিদ্যালয় চলাব নোৱাৰে আৰু এনে বিদ্যালয়ে ব্যক্তিগত খণ্ডক অৰ্পণ কৰা উচিত। শিক্ষাদান এক কামেই নহয়, ই এক অধিকাৰ। যদি আমি প্ৰতিটো শিশুক ভাল শিক্ষা দিব পাৰো তেন্তে আমাৰ দেশৰ পৰা দাৰিদ্ৰ দূৰ কৰিব পৰা যাব।' জেইই আৰু নীট উত্তীৰ্ণ ২৮ শিক্ষাৰ্থীক সম্বৰ্ধনা জনাই দিল্লীৰ মুখ্যমন্ত্ৰীজনে আজি ভাষণ প্ৰসংগত এইদৰে কয়।



## একেৰাহে দুদিন ধৰি দেশত ক'ভিড আক্ৰান্তৰ সংখ্যা ছহেজাৰৰ অধিক, মৃত্যু ২৩ জনৰ

**নিউজ ব্যুৰ' নতুন দিল্লী, ১৬ ছেপ্টেম্বৰ ঃ** দুৰ্গা পূজাৰ পূৰ্বে দেশত পুনৰ উদ্বেগ বৃদ্ধি কৰিলে ক'ভিডৰ দৈনিক সংক্ৰমণে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি, যোৱা ২৪ ঘণ্টাত দেশত ৬,২৮৯ জন লোক কৰ'নাত সংক্ৰমিত হ'ল। বৃহস্পতিবাৰেও দেশত আক্ৰান্তৰ সংখ্যা ছহেজাৰৰ অধিক আছিল। বৰ্তমানে ভাৰতত ৪৬,৭৪৮ জন সক্ৰিয় ক'ভিড ৰোগী আছে। ইফালে, ক'ভিডৰ সংক্ৰমণৰ ফলত বিগত এদিনত দেশৰ বিভিন্ন ৰাজ্যত ২৩ জন লোকে প্ৰাণ হেৰুৱালে।

## ব্ৰাজিলত ক্ষুধাৰ সন্মুখীন হৈছে ৩.৩০ কোটি লোক



**নিউজ ব্যুৰ', ৰাষ্ট্ৰসংঘ, ১৬ ছেপ্টেম্বৰ ঃ** বিশ্বৰ সবাতোকৈ অধিক আৰ্থিক বৈষম্যৰ লেটিন আমেৰিকাৰ দেশ মেক্সিকো, আৰ্জেণ্টিনা, কলম্বিয়া আৰু পেৰুৰ পাছত ব্ৰাজিলত মূল্যবৃদ্ধিয়ে ভয়াৱহ ৰূপ ধাৰণ কৰিছে। এই আন্তৰ্জাতিক প্ৰতিবেদনত উল্লেখ কৰা অনুসৰি সম্প্ৰতি ব্ৰাজিলত ৩.৩০ কোটি নাগৰিকে ভয়াৱহ ক্ষুধাৰ সমস্যাত আক্ৰান্ত হৈছে। ২০০৪ বৰ্ষৰ পাছত ব্ৰাজিলত সৰ্বাধিক সংখ্যক লোকে দুবেলা-দুমুঠি আহাৰৰ সংকটত ভুগিছে। ক্ষুধাৰ সমস্যাটোৱে ভয়াৱহ ৰূপ ধাৰণ কৰাৰ সময়তে ব্ৰাজিলত ৰাজনৈতিক অস্থিৰতাও বৃদ্ধি পাইছে। সম্প্ৰতি দেশখনত অব্যাহত আছে গৃহযুদ্ধ সদৃশ পৰিৱেশ। বিশ্বজুৰি সম্প্ৰতি খাদ্য আৰু ইন্ধনৰ যথেষ্ট মূল্যবৃদ্ধি হৈছে আৰু ইয়াৰ প্ৰভাৱ ব্ৰাজিলৰ দৰে দেশত অধিক প্ৰত্যক্ষ হ'বলৈ ধৰিছে। অত্যধিক মূল্যবৃদ্ধিৰ ফলত দৰিদ্ৰ লোকসকল সৰ্বাধিক সমস্যাগ্ৰস্ত হৈছে। এইসকল দৰিদ্ৰ লোকৰ দৈনিক সৰ্বোচ্চ ক্ৰয় ক্ষমতা হৈছে ১.৯০ ডলাৰ, অৰ্থাৎ প্ৰায় ১৫০ টকা।

## আমেৰিকাত অত্যধিক সুৰাপানত ২৫ শতাংশ মৃত্যু বৃদ্ধি



**নিউজ ব্যুৰ', ৱাশ্বিংটন, ১৬ ছেপ্টেম্বৰ ঃ** অত্যধিক সুৰাপানৰ ফলত আমেৰিকাত পাৰিবাৰিক সমস্যা বৃদ্ধি পাইছে। দেশখনত ২০২০ত সুৰাপানৰ ফলত হোৱা মৃত্যু ২৫ শতাংশ বৃদ্ধি পালে। পৰিসংখ্যা অনুসৰি ২০১৯ বৰ্ষত আমেৰিকাত সুৰাপানৰ ফলত ৭৮,৯২৭ জন লোকৰ মৃত্যু হৈছিল। ২০২০ত সুৰাপানৰ ফলত দেশখনত মৃত্যু হোৱা লোকৰ সংখ্যা ৯৯,০১৭ জনলৈ বৃদ্ধি পালে। সৰহ সংখ্যক লোকৰ মৃত্যুৰ কাৰণ হৈছে অত্যধিক সুৰাপান। এফালে সুৰাপানে আমেৰিকাৰ জনস্বাস্থ্যৰ ব্যাপক ক্ষতি কৰাৰ বিপৰীতে আনহাতে দেশখনৰ ৰাজহৰ লাভ হৈছে। ২০২১ বৰ্ষত মাৰ্কিন ৰাজকোষে সুৰা বিক্ৰীৰ জৰিয়তে ৰাজহ বৃদ্ধি কৰিবলৈ সফল হৈছিল। ২০২০ বৰ্ষৰ তুলনাত ২০২১ত সুৰা বিক্ৰীৰ জৰিয়তে আমেৰিকাৰ ৰাজকোষৰ ৰাজহ আঠ শতাংশ বৃদ্ধি পাইছিল।

## 'ভাৰত জোড়ো'ৰ চান্দা নিদিয়াত কেৰালাত কংগ্ৰেছীয়ে লণ্ডভণ্ড কৰিলে পাচলিৰ দোকান

**নিউজ ব্যুৰ', তিৰুঅনন্তপুৰম, ১৬ ছেপ্টেম্বৰ ঃ** ৰাহুল গান্ধীৰ নেতৃত্বত কংগ্ৰেছে 'ভাৰত জোড়ো' যাত্ৰা অব্যাহত ৰখাৰ সময়তে কেৰালাৰ কুল্লমত কংগ্ৰেছ কৰ্মীয়ে এই যাত্ৰাৰ বাবে চান্দা নিদিয়াৰ কাৰণত এজন ক্ষুদ্ৰ ব্যৱসায়ীৰ দোকান লণ্ডভণ্ড কৰাৰ অভিযোগ উত্থাপিত হ'ল। কংগ্ৰেছ কৰ্মীৰ দ্বাৰা আক্ৰমণৰ বলি হোৱা ব্যৱসায়ীজনৰ নাম এছ ফৱাজ আৰু তেওঁ কুল্লমত এখন শাক-পাচলিৰ দোকান দিয়ে। উত্থাপিত অভিযোগ অনুসৰি যোৱা ১৪ ছেপ্টেম্বৰত স্থানীয় একাংশ কংগ্ৰেছ নেতা-কৰ্মীয়ে চান্দা বিচাৰি ফৱাজৰ দোকানলৈ আহিছিল আৰু দুহেজাৰ টকা দাবী কৰিছিল। কিন্তু ফৱাজে পাঁচশ টকা দিয়াত উক্ত ধন ল'বলৈ অস্বীকাৰ কৰি কংগ্ৰেছ কৰ্মীয়ে তেওঁৰ দোকানখন লণ্ডভণ্ড কৰিছিল। এই ঘটনাৰ ভিডিঅ' সামাজিক মাধ্যমত ইতিমধ্যে



ভাইৰেল হৈছে। পীড়িত ব্যৱসায়ীজনে এই বিষয়ত স্থানীয় থানাত অভিযোগ দাখিল কৰিছে। 'ভাৰত জোড়ো' পদযাত্ৰাৰ নামত এইদৰে কংগ্ৰেছ নেতা-কৰ্মীয়ে ক্ষুদ্ৰ ব্যৱসায়ীৰ পৰা ধন দাবী কৰা আৰু ব্যৱসায়িক প্ৰতিষ্ঠানত আক্ৰমণ চলোৱা ঘটনাই কেৰালাত ব্যাপক প্ৰতিক্ৰিয়া অব্যাহত ৰাখিছে।

## চীনা ঋণৰ ফান্দত ৯৭ দেশ, সৰ্বাধিক ক্ষতিগ্ৰস্ত পাকিস্তান-শ্ৰীলংকা

**নিউজ ব্যুৰ' নতুন দিল্লী, ১৬ ছেপ্টেম্বৰ ঃ** চীনে বিশ্বজুৰি আৰ্থিক ঋণৰ যি মৰণফান্দ মেলিছে, সেই সন্দৰ্ভত বিশেষজ্ঞসকলে সময়ে সময়ে সমগ্ৰ বিশ্বক সঁকীয়াই আহিছিল। সাম্প্ৰতিক সময়ত চীনৰ পৰা ঋণ লৈ ভয়াৱহ পৰিস্থিতিৰ সন্মুখীন হ'ব লগা হৈছে এখনৰ পাছত আনখন দেশ। চীনৰ পৰা এইদৰে ঋণ লৈ ক্ষতিগ্ৰস্ত হোৱা দেশৰ ভিতৰত সম্প্ৰতি শ্ৰীলংকা আৰু পাকিস্তানৰ অৱস্থা দিনকদিনে জটিল হৈছে। এই প্ৰতিবেদনৰ তথ্য অনুসৰি বিশ্বৰ ৯৭ খন দেশ চীনৰ ঋণৰ ফান্দত আবদ্ধ হৈছে। এই প্ৰতিবেদনতে উল্লেখ কৰা মতে, পাকিস্তান, শ্ৰীলংকা আৰু মালদ্বীপে চীনৰ পৰা সৰ্বাধিক পৰিমাণত ঋণ লৈ পৰিশোধ কৰিবলৈ বাকী আছে। ফ'ৰ্বছ শেহতীয়া



প্ৰতিবেদনত উল্লেখ কৰা মতে পাকিস্তানে চীনক ৭৭.৩ বিলিয়ন ডলাৰৰ ঋণ পৰিশোধ কৰিব বাকী আছে। চীনৰ পৰা ঋণ লোৱা সৰহ সংখ্যক দেশেই সম্প্ৰতি বিত্তীয় দিশত জৰ্জৰিত হৈছে। ইয়াৰ উত্তম উদাহৰণ হৈছে পাকিস্তান আৰু শ্ৰীলংকা। উল্লেখ্য যে চীনে আৰ্থিকভাৱে দুৰ্বল দেশসমূহক মূলতঃ বন্দৰ, ৰেল, পথ নিৰ্মাণৰ বাবে ঋণ প্ৰদান কৰি আহিছে।

## ট্ৰাম্পে হিন্দীতে শ্ল'গান দি ক'লে, 'ভাৰত-আমেৰিকা সবাতোকৈ ভাল বন্ধু'



**নিউজ ব্যুৰ', ৱাশ্বিংটন, ১৬ ছেপ্টেম্বৰ ঃ** আমেৰিকাৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে অহা নৱেম্বৰত দেশখনত অনুষ্ঠিত হ'বলগা মধ্যৱৰ্তী নিৰ্বাচনত প্ৰভাৱশালী ভাৰতীয়-মাৰ্কিন নাগৰিকক আকৰ্ষিত কৰিবলৈ বিশেষ চেষ্টা চলাইছে। প্ৰায়বোৰ নিৰ্বাচনী সভাতে ট্ৰাম্পে আমেৰিকা আৰু ভাৰতৰ মিত্ৰতাৰ প্ৰসংগ উল্লেখ কৰিছে আৰু এই ক্ষেত্ৰত প্ৰাক্তন ৰাষ্ট্ৰপতিজনে হিন্দীতে এক শ্ল'গান দিয়া দেখা গৈছে। ৰিপাব্লিকান দলে প্ৰচাৰ কৰা এক ভিডিঅ' ট্ৰাম্পে 'ভাৰত আৰু আমেৰিকা সবাতোকৈ ভাল বন্ধু' বুলি শ্ল'গান দিছিল। প্ৰাক্তন ৰাষ্ট্ৰপতিজনে মধ্যৱৰ্তী নিৰ্বাচনত আমেৰিকাত থকা ভাৰতীয় মূলৰ ভোটদাতাসকলৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ এইদৰে হিন্দীতে ভাৰত-মাৰ্কিন বন্ধুত্বৰ সন্দৰ্ভত শ্ল'গান ব্যৱহাৰ কৰিছে। উল্লেখ্য যে ২০১৬ৰ ৰাষ্ট্ৰপতিৰ নিৰ্বাচনতো ট্ৰাম্পে 'আপকী বাৰ, ট্ৰাম্প চৰকাৰ' শীৰ্ষক শ্ল'গান ব্যৱহাৰৰে ভাৰতীয় মূলৰ লোকক আকৰ্ষণৰ চেষ্টা চলাইছিল।

## বিজেপিত যোগদান কৰিব পঞ্জাৱৰ প্ৰাক্তন মুখ্যমন্ত্ৰী অমৰিন্দৰে



**নিউজ ব্যুৰ', চণ্ডীগড়, ১৬ ছেপ্টেম্বৰ ঃ** পঞ্জাৱৰ প্ৰাক্তন মুখ্যমন্ত্ৰী কেপ্টেইন অমৰিন্দৰ সিঙে অহা ১৯ ছেপ্টেম্বৰত বিজেপিত যোগদান কৰিব। প্ৰকাশিত বাতৰি অনুসৰি প্ৰাক্তন মুখ্যমন্ত্ৰীজনৰ লগতে পঞ্জাৱৰ কমেও পাঁচ-ছয়জন প্ৰাক্তন মন্ত্ৰীয়ে বিজেপিৰ সদস্যপদ গ্ৰহণ কৰিব। পঞ্জাৱ বিধানসভাৰ নিৰ্বাচনৰ পূৰ্বে অমৰিন্দৰে পঞ্জাৱ লোক কংগ্ৰেছ নামৰে এটা ৰাজনৈতিক দল গঠন কৰিছিল। অমৰিন্দৰে বিজেপিত যোগদান কৰাৰ লগে লগে পঞ্জাৱ লোক কংগ্ৰেছ বিজেপিত বিলয় হ'ব। উল্লেখ্য যে পঞ্জাৱৰ বিজেপিয়ে দলৰ পুনৰ গঠনৰ প্ৰস্তুতি চলাইছে। বৰ্তমানৰ বিজেপিৰ ৰাজ্যিক সভাপতি অশ্বিনী শৰ্মাৰ কাৰ্যকাল অচিৰে সমাপ্ত হ'ব। অমৰিন্দৰে বিজেপিত যোগদান কৰিলে তেওঁৰ লগতে আন কে'বাজনো সতীৰ্থক দলে গুৰুত্বপূৰ্ণ পদবী আৰু দায়িত্ব অৰ্পণ কৰাৰ সম্ভাৱনা আছে। পঞ্জাৱত বৰ্তমানে বিজেপিৰ হাতত মাত্ৰ দুটা সমষ্টি আছে। যোৱা ৩০ আগষ্টত অমৰিন্দৰে দিল্লীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰিছিল। সেই সময়তে পঞ্জাৱৰ প্ৰাক্তন মুখ্যমন্ত্ৰীজনে বিজেপিত যোগদান কৰিব পাৰে বুলি চৰ্চা চলিছিল। অৱশেষত সকলো জল্পনা-কল্পনাৰ অৱসান ঘটাই অমৰিন্দৰে বিজেপিত যোগদানৰ কথা আনুষ্ঠানিকভাৱে প্ৰকাশ কৰিলে।

## ৩০০ কোটি টকাৰ ক্লাবত স্থান লাভ 'ব্ৰহ্মাস্ত্ৰ'ৰ



**নিউজ ব্যুৰ', মুম্বাই, ১৬ ছেপ্টেম্বৰ ঃ** ৰণবীৰ কপুৰ আৰু আলিয়া ভাট অভিনীত সদ্যমুক্তিপ্ৰাপ্ত চলচ্চিত্ৰ 'ব্ৰহ্মাস্ত্ৰ'ৰ বাণিজ্যিক সফলতা অব্যাহত আছে। মুক্তিৰ এসপ্তাহৰ ভিতৰত এইখন ছবিয়ে ৩০০ কোটি টকাৰো অধিক ব্যৱসায় কৰিবলৈ সফল হ'ল। কেৱল ভাৰততে অয়ন মুখাৰ্জী পৰিচালিত ছবিখনে ১৬৯ কোটি টকাৰ ব্যৱসায় কৰিলে। উল্লেখ্য যে সন্মানীয় তিনিশ কোটি ক্লাবত স্থান লাভ কৰা ৰণবীৰৰ এইখন তৃতীয় আৰু আলিয়াৰ প্ৰথম ছবি। যোৱা ন ছেপ্টেম্বৰত দেশৰ ৫০১৯ টা আৰু বিদেশৰ ৩৮৯৪ টা চিত্ৰগৃহত 'ব্ৰহ্মাস্ত্ৰ'ই মুক্তি লাভ কৰিছিল।

# ২০ ছেপ্টেম্বৰত জিলা শিক্ষা বিষয়াৰ কাৰ্যালয়ত ধৰ্ণা শালবাৰী মহকুমা শিক্ষক সন্মিলনীৰ

**অগ্ৰদূত বাৰ্তা**

**শালবাৰী, ১৬ ছেপ্টেম্বৰ ঃ** দেশৰ সকলো ঠিকাভিত্তিক শিক্ষকক নিয়মীয়া কৰা, পুৰণি পেঞ্চন নীতি বাহাল ৰাখি নতুন পেঞ্চন নীতি প্ৰত্যাহাৰ কৰা, দেশৰ সকলো ৰাজ্যতে সপ্তম দৰমহা বিধি প্ৰয়োগ কৰা, ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ৰ অন্তৰ্ভুক্ত শিক্ষক বিৰোধী দফা বাতিল কৰা, শিক্ষাত ব্যক্তিগত আৰু ৰাজহুৱা অংশীদাৰিত্ব বন্ধ কৰাকে ধৰি কে'বাটাও শৈক্ষিক দিশৰ দাবী তুলি অখিল ভাৰতীয় প্ৰাথমিক শিক্ষক সন্থাই ঘোষণা কৰা এলানি আন্দোলনৰ কাৰ্যসূচী ৰূপায়ণ কৰিব। শালবাৰী মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীয়ে জানিবলৈ দিয়া মতে, ইয়াৰ পূৰ্বে শিক্ষক সন্থাটোৱে একৰ পৰা ৩১ আগষ্টলৈ স্বাক্ষৰ অভিযান কাৰ্যসূচী ৰূপায়ণ কৰাৰ লগতে ভাৰতৰ ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী, অসমৰ মুখ্যমন্ত্ৰীলৈ এই সন্দৰ্ভত স্মাৰকপত্ৰ প্ৰেৰণ কৰা হৈছিল। কিন্তু এই বিষয়ত কোনো ধৰণৰ সুফল লাভ নকৰাত শালবাৰী মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীয়ে অহা ২০ ছেপ্টেম্বৰত বাগ্‌সা জিলা শিক্ষা বিষয়াৰ কাৰ্যালয়ৰ সন্মুখত ধৰ্ণা কাৰ্যসূচীৰে প্ৰতিবাদ সাব্যস্ত কৰিব।

### ■ প্ৰাথমিক শিক্ষকসকলৰ ভিন্ন সমস্যা সমাধানৰ দাবী

# চাৰিদুৱাৰ মীন মহলৰ পৰিচালনাৰ দায়িত্ব তেজপুৰ-ঢেকিয়াজুলিৰ ৰাজহ চক্ৰ বিষয়াক অৰ্পণ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ১৬ ছেপ্টেম্বৰ ঃ** শোণিতপুৰৰ চাৰিদুৱাৰ মীন মহল পৰিচালনাৰ দায়িত্ব চাৰিদুৱাৰ আৰু ঢেকিয়াজুলি ৰাজহ চক্ৰ বিষয়াৰ ওপৰত ন্যস্ত কৰা হৈছে। উল্লেখ্য যে তেজপুৰৰ পৰা শিঙৰী পৰ্যন্ত ব্যাপ্ত এই মীন মহল চাৰিদুৱাৰ ব্ৰহ্মপুত্ৰ আৰু খালৈবিল মীন পালন ছ'চাইটিয়ে পৰিচালনা কৰি আহিছিল। মৎস্যজীৱী বহু সংখ্যক লোকৰে গঠিত এই চাৰিদুৱাৰ ব্ৰহ্মপুত্ৰ খালৈবিল ছ'চাইটিৰ তেজপুৰ আৰু বৰছলাৰ কিছু অংশত অবৈধভাৱে বাহিৰা লোকক মাছমৰাৰ অনুমতি দিয়া আৰু স্বজন তোষণৰো অভিযোগ উঠিছিল। তদুপৰি ইয়াৰ দৰিদ্ৰ অংশীদাৰসকলৰ সলনি মুষ্টিমেয় একাংশ লোকহে লাভান্বিত হোৱাৰ লগতে অংশীদাৰসকলে লাভৰ মুখ দেখাই নাছিল বুলি অভিযোগ উত্থাপিত হৈছিল। আনহাতে, চৰকাৰীভাৱে এই মহল পৰিচালনাৰ ম্যাদ ইতিমধ্যে উকলি গৈছিল যদিও কৰ'নাৰ বাবে মাজতে খালৈবিল সমবায়ে অতিৰিক্ত সময় এই মীনমহল পৰিচালনাৰ সুযোগ পাইছিল। শেহতীয়াকৈ শোণিতপুৰৰ উপায়ুক্তই যোৱা ১২ ছেপ্টেম্বৰত এই মীন মহলৰ পৰিচালনাৰ দায়িত্ব চাৰিদুৱাৰ ব্ৰহ্মপুত্ৰ আৰু খালৈবিল সমবায়ৰ পৰা কৰ্তন কৰি তেজপুৰ আৰু ঢেকিয়াজুলিৰ ৰাজহ চক্ৰ বিষয়াদ্বয়ক ইয়াৰ পৰিচালনাৰ দায়িত্ব ১৩ ছেপ্টেম্বৰৰ পৰা লোৱাৰ নিৰ্দেশ দিয়ে। উল্লেখ্য যে যথেষ্ট পৰিমাণে মাছ পোৱাৰ পাছতো পূৰ্বে ৰহস্যজনকভাৱে লাভৰ মুখ নেদেখা বুলিয়েই কৈ অহাৰ বিপৰীতে এই মীন মহল পৰিচালনাৰ দায়িত্বত থকা একাংশই ব্যাপক দুৰ্নীতিত লিপ্ত হোৱাৰ বাবেই এনে হোৱা বুলি অভিযোগ উঠি আহিছে।

# সাহিত্যিক পেঞ্চনাৰ মাণিক লাল মাহত্বৰ দুখন গ্ৰন্থ উন্মোচন



**ষ্টাফ ৰিপ'ৰ্টাৰ/অগ্ৰদূত বাৰ্তা**

**যোৰহাট/লাহদৈগড়, ১৬ ছেপ্টেম্বৰ ঃ** লেখক, সাহিত্যিক পেঞ্চনাৰ, সমালোচক মাণিক লাল মাহত্বৰ ৭৫ সংখ্যক ওপজা দিনত কালি ৰাধাকান্ত সন্দিকৈ ভৱনত শিক্ষাবিদ আনন্দ শইকীয়াৰ সঞ্চালনাত অনুষ্ঠিত গ্ৰন্থ উন্মোচন সভাত বন্তি প্ৰজ্বলন কৰে যোগেন চন্দ্ৰ নেওগ আৰু বন্তি মহন্তই। লখিমী দলৈৰ বৰগীতেৰে আৰম্ভ কৰা সভাত আদৰণি ভাষণ প্ৰদান কৰে শিক্ষাবিদ ড° মাণিক শইকীয়াই । মাণিক লাল মাহত্বৰ দ্বাৰা ৰচিত 'বিচিত্ৰা' নামৰ প্ৰবন্ধ সংকলনখন উন্মোচন কৰে যোৰহাট জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ইন্দ্ৰজিৎ বৰুৱাই আৰু 'চেলুলাৰ জেলৰ ডায়েৰী' নামৰ আনখন গ্ৰন্থ উন্মোচন কৰে সাহিত্যিক দেৱেন তাছাই। সভাত যোৰহাট জিলাৰ বিভিন্ন প্ৰান্তৰ পৰা অহা শতাধিক লোকৰ উপস্থিতিৰে অনুষ্ঠান জীপাল কৰি তোলে। গ্ৰন্থ উন্মোচন সভাখনৰ আঁত ধৰে আপকুৰ যোৰহাট জিলা সমিতিৰ সভাপতি সত্যৰঞ্জন শইকীয়াই । সাহিত্যিক পেঞ্চনাৰ মাণিক লাল মাহত্বৰ দ্বাৰা ৰচিত গ্ৰন্থ দুখন প্ৰকাশ কৰে ভোগদৈ প্ৰকাশনে।

# জামুগুৰিহাটৰ ডেকাসুন্দৰ গাঁৱত পৰম্পৰাগতভাৱে অনুষ্ঠিত শ্ৰীশ্ৰীমাধৱদেৱ তিথি

**অগ্ৰদূত বাৰ্তা**

**নদুৱাৰ, ১৬ ছেপ্টেম্বৰ ঃ** শ্ৰীশ্ৰী মাধৱদেৱ গুৰুজনাৰ তিৰোভাৱ তিথিৰ দিনটোত পৰম্পৰাগতভাৱে উদ্‌যাপন কৰি অহা ডেকাসুন্দৰ গাঁৱৰ শিশুসকলৰ দ্বাৰা পৰিবেশিত দিন ভাওনাই এইবেলিও ৰাইজৰ হৃদয় স্পৰ্শ কৰিবলৈ সক্ষম হ'ল। ৯০ দশকৰ পৰাই পৰম্পৰাগতভাৱে শ্ৰীশ্ৰী মাধৱদেৱ গুৰুজনাৰ তিথিৰ দিনটোত ডেকাসুন্দৰ গাঁৱৰ যুৱক সংঘই পালন কৰি অহা এই শিশু ভাওনাৰ এইবেলি অনুষ্ঠিত হয় মাধৱদেৱ বিৰচিত 'অৰ্জুন ভঞ্জন' নাটভাগ। শিশুসকলেই পৰিৱেশন কৰা সূত্ৰধাৰীৰ পৰা শিশু কৃষ্ণ-নন্দ-যশোদাৰ পৰা সখীলৈকে ধৰি ভাওনাখনত পৰিবেশন তথা শিশুসকলৰ অভিনয় আছিল আকৰ্ষণীয়। সাংস্কৃতিক শিল্পী প্ৰেশৰ কলিতা আৰু সংগ্ৰাম ৰতন ৰাজবংশীৰ পৰিচালনাত অনুষ্ঠিত শিশু ভাওনাভাগ স্বচক্ষে প্ৰত্যক্ষ কৰিবলৈ বিগত সময়ৰ দৰেই এইবেলিও ৰাইজৰ সঁহাৰি আছিল আশাব্যঞ্জক। অঞ্চলটোৰ বিভিন্ন প্ৰান্তৰ পৰা অভিভাৱকসকলে নিজৰ নিজৰ সন্তানক লগত লৈ অহাৰ উপৰি ভাওনাভাগ প্ৰত্যক্ষ কৰিবলৈ উপস্থিত হয় সহস্ৰাধিক লোক। তাৎপৰ্যপূৰ্ণ যে ভাওনাভাগত গায়ন-বায়নৰ পৰা খোল-তাল-বাঁহী আদি সকলো শিশুসকলেই পৰিবেশন কৰাৰ লগতে ভাওনাভাগ প্ৰত্যক্ষ কৰিবলৈ কে'বাখনো গাঁৱৰ মইনা পাৰিজাতৰ লগত জড়িত শিশুসকলকেই আমন্ত্ৰণ জনায় উদ্যোক্তাসকলে। আমন্ত্ৰিত মইনা শিশুসকলে জাতীয় সাজপাৰ পৰিধান কৰি সম্পূৰ্ণ ৰীতি-নীতিৰে ভাওনা প্ৰত্যক্ষ কৰা দৃশ্যও আছিল খুবেই আকৰ্ষণীয়। শিশুসকলৰ মনত বাল্যকাল তথা শৈশৱ কালৰ পৰাই যাতে গুৰু দুজনাৰ চিন্তা-চৰ্চা তথা আধ্যাত্মিক পৰিৱেশে ঠাই পায় সেই লক্ষ্যৰেই ডেকাসুন্দৰ গাঁৱৰ যুৱক সংঘই এনেদৰে ভাওনাভাগত পূৰ্বৰ পৰাই শিশুসকলক জড়িত কৰাই সকলো কাম-কাজ কৰিবলৈ উদগনি যোগোৱাৰ বিষয়টোও ব্যক্ত কৰে উদ্যোক্তাসকলে। নিশালৈও ডেকাসুন্দৰ গাঁৱৰ নামঘৰতেই অনুষ্ঠিত হয় 'কৰ্ণ পৰ্ব' নাটভাগ। 'কৰ্ণ পৰ্ব' নাটৰো প্ৰতিটো চৰিত্ৰৰ সুন্দৰ অভিনয়ে দৰ্শকৰ মন মুহিবলৈ সক্ষম হয়। আজি নিশা হ'বলগীয়া 'দক্ষ যজ্ঞ' ভাওনাৰে এইবেলিৰ ডেকাসুন্দৰ গাঁৱৰ ভাওনা উৎসৱৰ সামৰণি পৰে। ভাওনা উৎসৱত ৰাইজৰ অকুণ্ঠ সহযোগিতাৰ বাবে সকলোলৈকে ধন্যবাদ জনাইছে গাঁওবাসীয়ে।

### দিন ভাওনা হিচাপে শিশুসকলৰ দ্বাৰা পৰিৱেশিত হ'ল 'অৰ্জুন ভঞ্জন' অংকীয়া নাট

# বিসংগতিপূৰ্ণ স্মাৰ্ট মিটাৰৰ জৰিয়তে উপভোক্তাক শোষণ

## ■ গোৱালপাৰাত বিদ্যুৎ উপভোক্তা সমিতিৰ অৱস্থান ঘৰ্মঘট



**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ১৬ ছেপ্টেম্বৰ ঃ** অসম শক্তি বিতৰণ কোম্পানী লিমিটেডে বিসংগতিপূৰ্ণ স্মাৰ্ট মিটাৰৰ জৰিয়তে বিদ্যুৎ গ্ৰাহকসকলক শোষণ কৰাৰ বিৰুদ্ধে গোৱালপাৰা জিলা বিদ্যুৎ উপভোক্তা সমিতিয়ে জিলা উপায়ুক্ত কাৰ্যালয়ৰ সন্মুখত কালি অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। বেনাৰ আৰু প্লে-কাৰ্ডেৰে সু-সজ্জিত হৈ দিনৰ ১১ বজাৰ পৰা এক বজালৈ দুঘণ্টীয়া অৱস্থান ঘৰ্মঘট পালন কৰি উপভোক্তাসকলে 'বিসংগতিপূৰ্ণ স্মাৰ্ট মিটাৰ বন্ধ কৰক, পুৰণি মিটাৰসমূহ পুনৰ চালু কৰক, এপিডিচিএল হায় হায়, বৰ্ধিত বিদ্যুৎ বিল বন্ধ কৰক, অসম চৰকাৰ হায় হায়, আমাৰ দাবী ন্যায্য দাবী, আমাৰ দাবী মানি লওঁক' আদি বিভিন্ন শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তোলে। প্ৰতিবাদী কাৰ্যসূচীৰ জৰিয়তে গোৱালপাৰা জিলা বিদ্যুৎ উপভোক্তা সমিতিৰ কাৰ্যকৰী সভাপতি আব্দুল হাইয়ে কয় যে চৰকাৰে পৰিকল্পিতভাৱে বিদ্যুৎ গ্ৰাহকসকলক স্মাৰ্ট মিটাৰৰ জৰিয়তে বিদ্যুৎ উপভোক্তা ৰাইজৰ মূৰত ৰামটাঙোন মাৰি আছে। লগতে তেওঁ কয় যে এই স্মাৰ্ট মিটাৰসমূহ বিসংগতিপূৰ্ণ আৰু এই বিসংগতি থকা মিটাৰেৰে গ্ৰাহকসকলৰ পৰা অতিৰিক্ত বিল আদায় লৈ আছে। অসম শক্তি বিতৰণ কোম্পানী লিমিটেডৰ এনে মইমতালিৰ বিৰুদ্ধে বিহিত ব্যৱস্থা লোৱাৰ দাবী জনায় কাৰ্যকৰী সভাপতিজনে। একেদৰে গোৱালপাৰা জিলা বিদ্যুৎ উপভোক্তা সমিতিৰ সভাপতি ননী কুমাৰ দাসে কয় যে অসম শক্তি বিতৰণ কোম্পানী লিমিটেডে বিদ্যুৎ বিলৰ জৰিয়তে গ্ৰাহকসকলক একপ্ৰকাৰ শোষণ আৰম্ভ কৰিছে। গোৱালপাৰাত আৰম্ভ কৰা স্মাৰ্ট মিটাৰে প্ৰথমতেই অসফল বুলি প্ৰমাণিত হৈছে। স্মাৰ্ট মিটাৰৰ অতিৰিক্ত বিলৰ বাবে গোৱালপাৰাত বহু দোকান-পোহাৰ বন্ধ হৈ পৰাৰ উপক্ৰম হৈ পৰিছে বুলি তেওঁ মন্তব্য কৰে। সেয়ে অতি সোনকালে এই বিসংগতিপূৰ্ণ স্মাৰ্ট মিটাৰসমূহ সলনি নকৰিলে গোৱালপাৰা জিলা বিদ্যুৎ উপভোক্তা সমিতিয়ে পৰৱৰ্তী সময়ত গণতান্ত্ৰিক আন্দোলন কৰিবলৈ বাধ্য হ'ব বুলি জানিবলৈ দিয়ে। কালিৰ অৱস্থান ধৰ্মঘট কাৰ্যসূচীত গোৱালপাৰা চহৰৰ বিশিষ্ট সমাজসেৱক শৈলেন দাসৰ স'তে কে'বাগৰাকী জ্যেষ্ঠ নাগৰিকে অংশগ্ৰহণ কৰি চৰকাৰৰ এনে শোষণ নীতিক ক্ষুৰধাৰ সমালোচনা কৰে। চলিত বিধানসভাৰ অধিবেশনত বিসংগতিপূৰ্ণ স্মাৰ্ট মিটাৰ সম্পৰ্কে আলোচনা কৰি জনসাধাৰণক সকাহ দিবলৈ বিধানসভাৰ অধ্যক্ষক গোৱালপাৰা জিলা বিদ্যুৎ উপভোক্তা সমিতিৰ কাৰ্যকৰী-সভাপতি আব্দুল হাইয়ে অনুৰোধ জনায়। উল্লেখ্য যে স্মাৰ্ট মিটাৰ সলনিৰ দাবীৰে গোৱালপাৰা বিদ্যুৎ উপ-সংমণ্ডলৰ কৰ্তৃপক্ষৰ লগতে জিলা উপায়ুক্তক লিখিত অভিযোগ দাখিলৰ পাছতো আজিলৈকে কোনো ধৰণৰ সুফল নোপোৱা বুলি অভিযোগ উঠিছে। সেয়ে কালি অৱস্থান ধৰ্মঘট কাৰ্যসূচীৰ জৰিয়তে এই ক্ষেত্ৰত উচ্চ পৰ্যায়ৰ তদন্ত কৰি বিহিত ব্যৱস্থা গ্ৰহণৰ দাবীৰে গোৱালপাৰা জিলা বিদ্যুৎ উপভোক্তা সমিতিয়ে জিলা উপায়ুক্তৰ জৰিয়তে অসম বিধানসভাৰ অধ্যক্ষ, মুখ্যমন্ত্ৰী আৰু শক্তিমন্ত্ৰীলৈ স্মাৰকপত্ৰ প্ৰদান কৰে। উক্ত স্মাৰকপত্ৰত উল্লেখ কৰা মতে স্মাৰ্ট মিটাৰ লগোৱাৰ পাছত বিদ্যুতৰ বিল অস্বাভাৱিক হাৰে বৃদ্ধি পাই আহিছে। ফলত সৰ্বসাধাৰণ ৰাইজৰ লগতে ক্ষুদ্ৰ আৰু মজলীয়া ব্যৱসায়ীসকলে ভয়াৱহ সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছে। পূৰ্বৰ তুলনাত বিদ্যুতৰ খৰচৰ পৰিমাণ বৃদ্ধি পোৱা নাই যদিও স্মাৰ্ট মিটাৰ লগোৱাৰ পাছৰে পৰা প্ৰতিমাহে বিদ্যুৎ বিল অস্বাভাৱিক হাৰে বৃদ্ধি পাই আহিছে। উদাহৰণ স্বৰূপে এগৰাকী উপভোক্তাই স্মাৰ্ট মিটাৰ লগোৱাৰ পূৰ্বে অৰ্থাৎ যোৱা ফেব্ৰুৱাৰীত ৬৭৩ টকা বিল আদায় দিছিল। কিন্তু স্মাৰ্ট মিটাৰ লগোৱাৰ পাছত একেই পৰিমাণৰ বিদ্যুৎ খৰচ কৰাৰ পাছতো মাৰ্চত ১১৪৭ টকা, এপ্ৰিলত ১৪৯৯ টকা, মে'ত ১৮৩১ টকা, জুনত ২০৬৩ টকা, জুলাইত ২৮১৭ টকা আৰু আগষ্টৰ বাবে ৩১৪০ টকাৰ বিল লাভ কৰা বুলি স্মাৰকপত্ৰত উল্লেখ কৰিছে। সেয়েহে এই বিসংগতিপূৰ্ণ স্মাৰ্ট মিটাৰৰ বিৰুদ্ধে উচ্চ পৰ্যায়ৰ তদন্তৰ জৰিয়তে বিহিত ব্যৱস্থা গ্ৰহণৰ বাবে চৰকাৰক স্মাৰকপত্ৰৰ জৰিয়তে দাবী জনাইছে গোৱালপাৰা জিলা বিদ্যুৎ উপভোক্তা সমিতিয়ে। লগতে স্মাৰকপত্ৰৰ প্ৰতিলিপি অসম বিধানসভাৰ বিৰোধী দলৰ দলপতি আৰু এআইইউডিএফৰ বিধায়িনী দলৰ দলপতিলৈ প্ৰেৰণ কৰা বুলি গোৱালপাৰা জিলা বিদ্যুৎ উপভোক্তা সমিতিয়ে জানিবলৈ দিয়ে।

# 'দক্ষতা বিকাশ আৰু কৰ্ম-সংস্কৃতি' শীৰ্ষক গ্ৰন্থ উন্মোচন

**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ১৬ ছেপ্টেম্বৰ ঃ** ঘগ্ৰাপাৰ হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক তথা সাহিত্যিক বীৰেন্দ্ৰ কুমাৰ নাথৰ 'দক্ষতা বিকাশ আৰু কৰ্মসংস্কৃতি' শীৰ্ষক গ্ৰন্থখন উন্মোচন কৰে সাহিত্যিক অশ্বিনী কুমাৰ শৰ্মাই। উন্মোচনী ভাষণত শৰ্মাই গ্ৰন্থখন আৰু গ্ৰন্থ প্ৰণেতা নাথৰ বিষয়ে এটি তত্ত্বগধুৰ ভাষণ প্ৰদান কৰাৰ লগতে শিক্ষক দিৱসৰো তাৎপৰ্য বিশ্লেষণ কৰে। ৬১ সংখ্যক শিক্ষক দিৱস উপলক্ষে ভাৰতীয় দলিত সাহিত্য একাডেমী নলবাৰী জিলা সমিতিয়ে পাঁচ ছেপ্টেম্বৰত শিক্ষক দিৱস উদ্‌যাপন কৰে। ইয়াৰ পাছত দাৰ্শনিক পণ্ডিত সৰ্বপল্লীৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে বিষ্ণুজ্যোতি হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰদান শিক্ষক পূৰ্ণৰাম কলিতাই। আবেলি চাৰি বজাত ভাৰতীয় দলিত সাহিত্য একাডেমী নলবাৰী জিলা সমিতিৰ সভাপতি তথা সাহিত্যিক দিলীপ বৰ্মনৰ সভাপতিত্বত স্মৃতিচাৰণ, গ্ৰন্থ উন্মোচন, বঁটা প্ৰদান আৰু সম্বৰ্ধনা সভা অনুষ্ঠিত হয়। সভাৰ আঁত ধৰে জিলা সমিতিৰ সম্পাদক প্ৰতাপ দেৱনাথে।

# মাজুলীৰ ৰাসলীলা মহোৎসৱৰ উপলক্ষে 'ৰং মহোৎসৱ' আয়োজন

**অগ্ৰদূত বাৰ্তা**

**কমলাবাৰী, ১৬ ছেপ্টেম্বৰ ঃ** মাজুলীত অহা সাত নৱেম্বৰৰ পৰা তিনিদিনীয়াকৈ অনুষ্ঠিত হ'ব লগা ৰাস মহোৎসৱৰ লগত সংগতি ৰাখি মাজুলী ৰূপবৰণ চিত্ৰকলা বিদ্যালয়ৰ উদ্যোগত প্ৰথমবাৰৰ বাবে পাঁচদিনীয়াকৈ অনুষ্ঠিত হ'ব 'ৰং মহোৎসৱ' ২০২২। থলুৱা পৰম্পৰাগত শিল্পকলা কৃষ্টিৰ প্ৰচাৰ প্ৰসাৰৰ উদ্দেশ্যে আয়োজন কৰা উক্ত মহোৎসৱৰ সন্দৰ্ভত কালি বিয়লি চিত্ৰকলা বিদ্যালয়ত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। সমাজকৰ্মী জগত হাজৰিকাৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে বিদ্যালয়ৰ অধ্যক্ষ দীপু বৰাই। উদ্দেশ্য ব্যাখ্যাত দীপু বৰাই মাজুলীৰ বিভিন্ন ক্ষেত্ৰত সিঁচৰতি হৈ থকা পৰম্পৰাগত শিল্পকলা, থলুৱা শিল্পীৰ সমাৱেশৰে নতুন প্ৰজন্মক সেইসমূহ কলাৰ লগত পৰিচয় কৰোৱা, সত্ৰীয়া আৰু ৰাসলীলা মহোৎসৱৰ দৃশ্য অংকন কৰি বিশ্ববাসীৰ ওচৰলৈ মাজুলীৰ কলাসমূহ লৈ যোৱাৰ আদি পৰিকল্পনা হাতত লৈ ৰং মহোৎসৱৰ আয়োজন কৰা হৈছে বুলি জানিবলৈ দিয়ে। সভাত বিষয়বস্তুৰ ওপৰত আলোকপাত কৰি শিল্পী, সচেতন যুৱক প্ৰতাপ বৰুৱাই ৰাসলীলাৰ মহত্বক ৰং তুলিকাৰে প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে হাতত লোৱা উক্ত কাৰ্যসূচীসমূহ পৰিকল্পিতভাৱে আগবাঢ়ি সফল কৰিবলৈ সকলোকে আহ্বান জনায়। সভাত অৱসৰপ্ৰাপ্ত শিক্ষক কৃষ্ণ গায়ন, অভিভাৱক জীৱন দত্ত, ৰূপবৰণৰ শিক্ষক দিগন্ত বৰা, সঞ্জীৱ বৰুৱাই প্ৰেৰণামূলক ভাষণ দিয়ে। সভাই মহোৎসৱৰ প্ৰাককলন তৈয়াৰ কৰাৰ বাবে বিজয় শংকৰ গামক সভাপতি, প্ৰতাপ বৰুৱাক কাৰ্যকৰী সভাপতি, দীপু বৰাক সাধাৰণ সম্পাদকৰূপে লৈ ১৮গৰাকী সদস্যৰে প্ৰস্তুতি সমিতি গঠন কৰা হয়। সভাই আগন্তুক ১০দিনৰ ভিতৰত মাজুলীৰ সকলো অঞ্চলৰ প্ৰতিনিধিৰে এখন বৃহৎ ৰাজহুৱা সভা আয়োজন কৰি 'ৰং মহোৎসৱ' উদ্‌যাপন সমিতি গঠন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। মাজুলীত পূৰ্বে নোহোৱা ব্যতিক্ৰমী চিন্তা-চৰ্চাৰে মাজুলীৰ ৰাসলীলা মহোৎসৱ উজ্জীৱিত কৰাৰ প্ৰচেষ্টাক মাজুলীৰ কলাপ্ৰেমী ৰাইজে সন্তোষ প্ৰকাশ কৰিছে।

### ■ কমলাবাৰীত ৰাজহুৱা সভা সম্পন্ন, প্ৰস্তুতি সমিতি গঠন

# জন্মগাঁও সোণকানিত ছহিদ মুকুন্দ কাকতিৰ স্মৃতি দিৱস উদ্‌যাপনৰ প্ৰস্তুতি

**অগ্ৰদূত বাৰ্তা**

**বাহাৰঘাট, ১৬ ছেপ্টেম্বৰ ঃ** ছহিদ মুকুন্দ কাকতি স্মৃতি সংঘৰ সৌজন্যত ২০ ছেপ্টেম্বৰত ৪২ৰ ছহিদ মুকুন্দ কাকতিৰ জন্ম গাঁও বৰভাগৰ সোণকানিত সংঘৰ বাকৰিত ছহিদগৰাকীৰ ৮১ সংখ্যক স্মৃতি দিৱস উদ্‌যাপনৰ ব্যাপক আয়োজন কৰিছে। উদ্‌যাপন উপলক্ষে সিদিনা পুৱা সংঘৰ পতাকা উত্তোলন কৰিব সংঘৰ সভাপতি ভগিন্দ্ৰ কলিতাই, ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিব নলবাৰী সদৰ থানাৰ উপ-আৰক্ষী অধীক্ষক জিকিৰাণী মহন্তই। ছহিদ প্ৰতিমূৰ্তিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰিব ক্ৰমে বৰভাগ ৰাজহ চক্ৰৰ চক্ৰ বিষয়া জিতেন্দ্ৰ টাইড আৰু বৰভাগ উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া অপূৰ্ব চক্ৰৱৰ্তীয়ে। ইয়াৰ পাছতে চাফাই, ভেশছন প্ৰতিযোগিতা, বৃক্ষৰোপণ, চিত্ৰাংকন, ৰচনা আৰু খেল-ধেমালি প্ৰতিযোগিতা। সন্ধিয়া সামূহিক বন্তি প্ৰজ্বলন কৰিব স্থানীয় বিধায়ক দিগন্ত বৰ্মন আৰু জিএমডিএৰ অধ্যক্ষ নাৰায়ণ ডেকাই। ইয়াৰ পাছতে আমন্ত্ৰিত অতিথিসকলৰ লগতে কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা আৰু অসমীয়া গীতৰ আধাৰত একক নৃত্য প্ৰতিযোগিত উদ্বোধন কৰিব বিজেপিৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক মাণিক তালুকদাৰে।

# গোসাঁইগাঁও শংকৰদেৱ বিদ্যা নিকেতনৰ ছাত্ৰৰ সাফল্য

**অগ্ৰদূত বাৰ্তা**

**গোসাঁইগাঁও, ১৬ ছেপ্টেম্বৰ ঃ** বিদ্যা ভাৰতীৰ অধীনস্থ পূৰ্বোত্তৰ ক্ষেত্ৰৰ অন্তৰ্গত বিদ্যালয়সমূহৰ মাজত আয়োজিত গণিত-বিজ্ঞান মেলা শীৰ্ষক প্ৰতিযোগিতাখন যোৱা ১২, ১৩ আৰু ১৪ ছেপ্টেম্বৰত গুৱাহাটীৰ বিষ্ণু পথস্থিত শংকৰদেৱ বিদ্যা নিকেতনত সম্পন্ন হয়। পূৰ্বোত্তৰ ক্ষেত্ৰৰ অন্তৰ্গত মেঘালয়, অৰুণাচল প্ৰদেশ, মণিপুৰ, মিজোৰাম আৰু অসম এই পাঁচখন ৰাজ্যৰ বিভিন্ন বিদ্যালয়সমূহৰ পৰা অহা প্ৰতিযোগী দলসমূহে উক্ত প্ৰতিযোগিতাখনত অংশগ্ৰহণ কৰে। প্ৰতিযোগিতাখনত গোসাঁইগাঁও ৰেল ষ্টেছন পথস্থিত শংকৰদেৱ বিদ্যা নিকেতনৰ তিনিজনীয়া ছাত্ৰৰ দলটোৱে অংশগ্ৰহণ কৰি প্ৰথম স্থানৰ খিতাপ আঁজুৰি আনিবলৈ সক্ষম হয়। প্ৰতিযোগী দলটোৱে যানবাহনত পেট্ৰ'ল জাত সামগ্ৰীৰ বিকল্প হিচাপে আন পৰম্পৰাগত শক্তি ব্যৱহাৰ কৰি পৰিৱেশ প্ৰদূষণৰ পৰা পৃথিৱীখনৰ লগতে জীৱকুলক ৰক্ষা কৰা ধাৰণাৰে বিজ্ঞানৰ সৃজনিশীল নমুনা প্ৰস্তুত কৰিছিল। উক্ত নমুনা অৱশেষত বিচাৰকৰ তালিকাত প্ৰথম স্থান লাভ কৰিবলৈ সক্ষম হোৱা বতৰাই বিদ্যালয়খনৰ লগতে মহকুমাটোৰ শৈক্ষিক মহলত এক ইতিবাচক বাৰ্তা কঢ়িয়ায় আনিছে । বিদ্যালয়খনৰ দশম শ্ৰেণীৰ তিনি ছাত্ৰ ক্ৰমে শুভংকৰ দে, তুষাৰ সাহা আৰু ৰাজ পালে এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছিল। বিদ্যালয়খনৰ বিজ্ঞান শিক্ষক শেখৰজ্যোতি মেধিৰ লগতে আন কে'বাজন শিক্ষকৰ অক্লান্ত সহযোগিতা আৰু তিনিও ছাত্ৰৰ নেৰানেপেৰা প্ৰচেষ্টাত এই অসাধ্য সাধন হোৱাৰ সুবাদত আজি ছাত্ৰ তিনিজনৰ লগতে শিক্ষকসকলকো বিদ্যালয়খনৰ তৰফৰ পৰা সম্বৰ্ধনা জ্ঞাপন কৰা হয়। বিদ্যালয়খনৰ প্ৰেক্ষাগৃহত আজি দুপৰীয়া এই উপলক্ষে আয়োজিত সম্বৰ্ধনা সভাত প্ৰধান আচাৰ্য প্ৰফুল্ল ভৰালী, বিদ্যালয় পৰিচালনা সমিতিৰ সম্পাদক গোপাল বৰ্মন, কোষাধ্যক্ষ শান্তি ৰাম ৰায় তথা সদস্য ক্ৰমে শতদল কৌণ্ড, জয়ন্ত ডেকা প্ৰমুখ্যে আচাৰ্য-আচাৰ্যাসকলৰ লগতে সমূহ শিক্ষাৰ্থী উপস্থিত থাকে । তিনিও জন ছাত্ৰক সফলতাৰ স্বীকৃতি স্বৰূপে একোখনকৈ ফুলাম গামোচা মানপত্ৰ তথা ফুলৰ তোৰাৰে সম্বৰ্ধনা জনোৱাৰ লগতে শিক্ষকসকলকো গামোচা আৰু ফুলৰ তোৰাৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। উল্লেখ্য যে অহা দুই নৱেম্বৰত ভূপালত অনুষ্ঠিত হ'বলগীয়া ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰতিযোগিতাত দলটোৱে অংশগ্ৰহণ কৰিব ।

### ■ গণিত-বিজ্ঞান মেলাত বিজ্ঞানৰ নমুনা প্ৰদৰ্শনেৰে প্ৰথম স্থান লাভ

# বোকাখাত আৰক্ষী থানাত বস্তাত বন্ধ অৱস্থাত উদ্ধাৰ কুকুৰ ঃ চিন্তিত আৰক্ষী

**অগ্ৰদূত বাৰ্তা**

**বোকাখাত, ১৬ ছেপ্টেম্বৰ ঃ** বোকাখাত আৰক্ষী থানাৰ অধীনৰ কুৰুৱাবাহীত ৰাজপথৰ দাঁতিত কালি বস্তাত বান্ধি ৰখা ৩১ টা কুকুৰ উদ্ধাৰ হয়। থলুৱা কুকুৰকেইটা ঠেং আৰু মুখ বান্ধি বস্তাত ভৰাই বহিঃৰাজ্যলৈ নিবলৈ লৈছিল যদিও আৰক্ষীয়ে সন্দেহ কৰা মতে সৰবৰাহ কৰা বাহনৰ বিজুতি ঘটাত পথৰ কাষত এৰি যায় কুকুৰকেইটা। অসমৰ বিভিন্ন গাঁৱৰ পৰা কুকুৰ চুবুৰীয়া ৰাজ্যসমূহলৈ অবৈধভাৱে চালান দি অহা পৰিলক্ষিত হৈছে। আৰক্ষীয়ে তদন্ত কৰিছে কিন্তু দুষ্ট চক্ৰটোৰ সম্ভেদ পোৱা নাই। ইফালে জব্দ কৰা কুকুৰৰ জাকটোক লৈ সমস্যা হৈছে আৰক্ষীৰ। ক'ত কেনেদৰে কুকুৰ ৰাখিব সেয়া লৈ বিপাঙত পৰিছে আৰক্ষী বাহিনী।

# বিমানকোঠত বিশ্বকৰ্মা পূজাৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**

**আজাৰা, ১৬ ছেপ্টেম্বৰ ঃ** গুৱাহাটী বিমানকোঠৰ অতি পুৰণি তথা ৩৫ বছৰ গৰকা গুৱাহাটী বিমানকোঠ টেক্সি সন্থাই বিগত বছৰবোৰৰ দৰে এইবেলিও দুদিনীয়াকৈ শ্ৰীশ্ৰী বিশ্বকৰ্মা পূজাৰ আয়োজন কৰিছে। গুৱাহাটী বিমানকোঠৰ দাঁতিতে থকা এমইএছ গেটৰ শিৱ মন্দিৰৰ ওচৰত আয়োজিত উক্ত পূজাৰ সমূহ কাৰ্যসূচীতে সন্থাৰ সদস্যৰ লগতে ভক্তপ্ৰাণ ৰাইজৰ সহায়-সহযোগিতা কামনা কৰিছে সন্থাৰ সাধাৰণ সম্পাদকদ্বয় কমল ৰাভা আৰু বলেন দাসে।

# চাপৰত ১৬ অৱসৰপ্ৰাপ্ত শিক্ষকক বিদায় সম্বৰ্ধনা



**অগ্ৰদূত বাৰ্তা**

**চাপৰ, ১৬ ছেপ্টেম্বৰ ঃ** চাপৰ শিক্ষাখণ্ডৰ অধীনৰ বিভিন্ন প্ৰাথমিক বিদ্যালয়ত শিক্ষকতা কৰি অৱসৰ গ্ৰহণ কৰা ১৬ গৰাকী শিক্ষকক কালি চাপৰ চহৰস্থিত 'প্ৰগতি সংঘ ভৱন'ত বিদায় সম্বৰ্ধনা জনোৱা হয়। উল্লেখ্য যে চাপৰ চাৰ্কোল প্ৰাথমিক শিক্ষক সন্মিলনীৰ সৌজন্যত আৰু চাপৰ চাৰ্কোল বিদায় সম্বৰ্ধনা সমিতিৰ উদ্যোগত আয়োজিত এই অনুষ্ঠানত চাপৰ শিক্ষাখণ্ডৰ অধীনৰ বিভিন্ন নিম্ন প্ৰাথমিক বিদ্যালয়ৰ ১৬ গৰাকী অৱসৰপ্ৰাপ্ত শিক্ষক-শিক্ষয়িত্ৰী ক্ৰমে সম্বাৰী ৰায়, আব্দুল মজিদ তালুকদাৰ, নজৰুল ইছলাম, প্ৰদীপ কুমাৰ দাস, চানু বালা পাঠক, ঘুমৰ আলী, মনিল চন্দ্ৰ মণিদাস, সুধন্য চৌধুৰী, দিলীপ কুমাৰ দাস, আৰতি শৰ্মা দাস, জয়নাল আবেদিন শ্বেখ, ইশ্ৰাফিল আহমেদ আৰু সুমৰ আলী শ্বেখৰ লগতে মৰণোত্তৰভাৱে তিনিজন শিক্ষক ক্ৰমে প্ৰয়াত নিমাই চন্দ্ৰ নমদাস, ভৈৰৱ চন্দ্ৰ দাস আৰু দেৱজিৎ চৌধুৰীক আনুষ্ঠানিকভাৱে ফুলাম গামোচা, এখন মানপত্ৰ, এটি গছপুলি, জাপি, কিতাপৰ টোপোলা আৰু শৰাইৰ লগতে নগদ ধনেৰে সম্বৰ্ধনা জনোৱা হয়। ইপিনে, প্ৰয়াত শিক্ষক তিনিজনৰ হৈ তেওঁলোকৰ সহধৰ্মিণীয়ে সম্বৰ্ধনা গ্ৰহণ কৰে। বিদায় সম্বৰ্ধনা সমিতিৰ সভাপতি ৰফিকুল ইছলামৰ পৌৰোহিত্যত অনুষ্ঠিত সম্বৰ্ধনা সভাখনত আমন্ত্ৰিত অতিথিৰূপে উপস্থিত থাকি ক্ৰমে চাপৰৰ চক্ৰ বিষয়া কবিতা ডেকা, চাপৰ-শালকোচা শিক্ষাখণ্ডৰ খণ্ড সমল ব্যক্তি উৎপল কলিতা, বিলাসীপাৰা প্ৰাথমিক শিক্ষক সন্মিলনীৰ সভাপতি আব্দুল্লা শ্বেখ, অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ ৰাজ্যিক সদস্য উদ্ধৱ বৰ্মন, চাপৰ চাৰ্কোল প্ৰাথমিক শিক্ষক সন্মিলনীৰ সভাপতি আব্দুল হাসেম, সম্পাদক আব্দুল মালেক, কৃতী শিক্ষয়িত্ৰীৰ সন্মানপ্ৰাপ্ত ইন্দিৰা সিংহ, সদৌ অসম প্ৰাথমিক টে'ট উত্তীৰ্ণ শিক্ষক সমাজৰ চাপৰ ব্লক সমিতিৰ সভাপতি ধীমান দাস, ৰাজ্যিক সদস্য জাহানুৰ ইছলামকে ধৰি বহু কেইগৰাকী বিশিষ্ট ব্যক্তিয়ে ভাষণ প্ৰদান কৰে। উল্লেখ্য যে শিক্ষক সন্মিলনীৰ সদস্য তথা শিক্ষক-শিক্ষয়িত্ৰীৰ দল এটাই পৰিৱেশন কৰা এটি গীতেৰে আৰম্ভণি হোৱা সভাখনত অৱসৰপ্ৰাপ্ত শিক্ষকসকললৈ প্ৰদান কৰা মানপত্ৰখন পাঠ কৰে বিদায় সম্বৰ্ধনা সমিতিৰ সম্পাদক তথা শিক্ষক অভিজিৎ শৰ্মাই।

# ৰঙিয়াত উমানাথ শিক্ষাগুৰু বঁটাৰ বাবে আবেদন আহ্বান

**অগ্ৰদূত বাৰ্তা**

**ৰঙিয়া, ১৬ ছেপ্টেম্বৰ ঃ** ৰঙিয়াৰ অগ্ৰণী সামাজিক-সাংস্কৃতিক অনুষ্ঠান ৩১ সংগীত গ্ৰুপ অৱ ক্ৰিয়েচনৰ উদ্যোগত অহা ১৬ অক্টোবৰত স্থানীয় হৰদত্ত-বীৰদত্ত ভৱন প্ৰেক্ষাগৃহত 'উমানাথ শিক্ষাগুৰু' বঁটা প্ৰদান অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই শিক্ষাগুৰু বঁটাৰ বাবে সমগ্ৰ ৰাজ্যৰ পৰা আবেদন বিচৰা হৈছে। উল্লেখ্য যে সংগীত গ্ৰুপ অৱ ক্ৰিয়েচনে প্ৰতিবছৰে ৰাজ্যৰ নিৰ্বাচিত কৃতী শিক্ষকলৈ উমানাথ শিক্ষাগুৰু বঁটা আগবঢ়াই আহিছে। এই বঁটা প্ৰদান অনুষ্ঠানৰ লগত সংগতি ৰাখি অনলাইন ৰচনা আৰু একক অভিনয় প্ৰতিযোগিতাও অনুষ্ঠিত কৰা হ'ব। নৱম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত আয়োজন কৰা ৰচনা প্ৰতিযোগিতাৰ বিষয় 'অসমীয়া জাতীয় সংহতিত লোকসংস্কৃতিৰ অৱদান আৰু ইংৰাজী শিক্ষাৰ প্ৰয়োজনীয়তা'। আনহাতে নিজস্ব বিষয়ৰ আধাৰত অভিনয় পীপাসুসকলে একক অভিনয় প্ৰতিযোগিতাত তিনি মিনিট সময় দৈৰ্য্যৰ ভিডিঅ' প্ৰস্তুত কৰি প্ৰেৰণ কৰিব পাৰিব। বয়সৰ কোনো নিম্ন অথবা উৰ্ধ্ব সীমা নাই। অভিনেতা-অভিনেত্ৰীসকলে প্ৰেৰণ কৰা ভিডিঅ' ইউটিউব চেনেল সাংস্কৃতিক পৰিক্ৰমা যোগে প্ৰচাৰ কৰা হ'ব। এই বিশেষ অনুষ্ঠানত ৰাজনীতি, সাহিত্য, সংস্কৃতি, কৃষি, চিকিৎসা, বিজ্ঞান আদি ক্ষেত্ৰৰ লগত জড়িত বিশিষ্ট লোকক বিশেষভাৱে বঁটাৰে সন্মানিত কৰা হ'ব। অনুষ্ঠানত ৰাজ্যিক বিজেপিৰ সভাপতি ভৱেশ কলিতা, জনপ্ৰিয় নাট্যকাৰ-পৰিচালক-অভিনেতা চম্পক শৰ্মা, জনপ্ৰিয় কণ্ঠশিল্পী কুমাৰ ভৱেশ উপস্থিত থাকিব বুলি সভাপতি প্ৰদীপ কুমাৰ বৰ্মন আৰু সম্পাদক পংকজ পল্লৱ শৰ্মাই এক বিবৃতিযোগে সদৰী কৰিছে। অনুষ্ঠানত দ্বীপেন মেনাৰ সম্পাদনাত স্মৃতিগ্ৰন্থ 'দৈষ্টিক' প্ৰকাশ কৰা হ'ব। ইতিমধ্যে অনুষ্ঠান সাফল্যমণ্ডিত কৰিবলৈ ৩২ জনীয়া এখন সমিতি গঠন কৰা হৈছে। যোগাযোগৰ ঠিকনা উমানাথ ভৱন, গাঁও-কোঠৰা, ডাকঘৰ-জামতোলা, জিলা কামৰূপ(অসম) ফোন নম্বৰ-৯৯৫৪২৯৩৬৬৮।

# পাঁচ অক্টোবৰৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে মাজুলীৰ যুৱক প্ৰগতি সংঘৰ সোণালী জয়ন্তী

**অগ্ৰদূত বাৰ্তা**

**কমলাবাৰী, ১৬ ছেপ্টেম্বৰ ঃ** মাজুলীৰ অগ্ৰণী সামাজিক অনুষ্ঠান বেজগাঁও যুৱক প্ৰগতি সংঘৰ সোণালী জয়ন্তী উৎসৱ অহা পাঁচ অক্টোবৰৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে আয়োজন কৰিছে। ১৯৭১ত প্ৰতিষ্ঠা লাভ কৰা যুৱক সংগঠনটোৱে ৫০ টা বছৰ সম্পূৰ্ণ কৰাৰ সুবাদত বৰ্ষজোৰাকৈ আয়োজন কৰা সোণালী জয়ন্তী উৎসৱৰ সামৰণি অনুষ্ঠান শ্ৰীমন্ত শংকৰদেৱৰ জন্মজয়ন্তীৰ লগত সংগতি ৰাখি তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজন কৰিছে। প্ৰথমদিনা পাঁচ অক্টোবৰৰ পুৱা উষাকীৰ্তন, পৰিৱেশ নিকাকৰণ, আইসকলৰ নাম, বৃক্ষৰোপণ, ধৰ্মধ্বজা উত্তোলন আৰু ৫০ বছৰীয়া জয়ন্তীৰ লগত সংগতি ৰাখি যুৱক সংঘৰ ৫০খন পতাকা উত্তোলনৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ পাছতে ভাগৱত ভ্ৰমণ আৰু পুৱা ১১ বজাৰ পৰা পুৰুষ-মহিলাৰ দুটা ভাগত দিহানাম প্ৰতিযোগিতা আৰম্ভ হ'ব। ছয় অক্টোবৰত পুৱা উষাকীৰ্তন, পৰিৱেশ নিকাকৰণ, আইসকলৰ নাম, সোণালী জয়ন্তীৰ বৰ্ণাঢ্য শোভাযাত্ৰা, সাময়িক নাম-কীৰ্তন আৰু দুপৰীয়া ১২ বজাৰ পৰা বৰগীত আৰু সত্ৰীয়া নৃত্য প্ৰতিযোগিতা সম্পন্ন কৰা হ'ব লগতে সন্ধিয়া প্ৰগতি মইনা পাৰিজাতৰ সৌজন্যত শিশুসকলৰ দ্বাৰা সাংস্কৃতিক অনুষ্ঠানৰ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। সাত অক্টোবৰ তৃতীয় দিনা পুৱা উষাকীৰ্তন, পৰিৱেশ নিকাকৰণ, আইসকলৰ নাম আৰু পুৱা ১১ বজাৰ পৰা সোণালী জয়ন্তীৰ লগত সংগতি ৰাখি মুকলি সভা, স্মৃতিগ্ৰন্থ উন্মোচন আৰু 'যুৱ সমাজৰ উত্তৰণত শংকৰদেৱৰ দৰ্শন' শীৰ্ষক আলোচনাচক্ৰ আয়োজন কৰা হৈছে। সন্ধিয়া আঠ বজাৰ পৰা যুৱক প্ৰগতি সংঘৰ বেজগাঁৱৰ শিল্পীসকলৰ দ্বাৰা 'ৰাম পৰাজয় সীতাৰ পাতাল গমন' ভাওনা প্ৰদৰ্শন কৰা হ'ব। তিনিদিনীয়া কাৰ্যসূচী লৈ সোণালী জয়ন্তীৰ উদ্‌যাপন সমিতিৰ সভাপতি-সম্পাদক ক্ৰমে দীপক বৰা আৰু দিগন্ত দত্তই সদাশয় ৰাইজৰ উপস্থিতি কামনা কৰিছে।

# বিপজ্জনক অৱস্থাত মৰোৱা-কমলপুৰ-বৰখাল পথ

## ■ পথৰ শ্লেপকালভাৰ্টত প্ৰকাণ্ড গাঁত



অগ্ৰদূত বাৰ্তা

**বাহাৰঘাট, ১৬, ছেপ্টেম্বৰ ঃ** ঠিকাদাৰৰ অদূৰদৰ্শিতা আৰু অতি নিম্নমানৰ নিৰ্মাণ শৈলীৰ বাবে কিছুমান নতুনকৈ পকীকৰণ কৰা পথে ৰাইজক যন্ত্ৰণা ভোগাই আছে। তেনেকুৱা এটি পথ হৈছে মৰোৱা-কমলপুৰ পথৰ পৰা বৰখালালৈ যোৱা পথছোৱা। উল্লেখ্য যে মৰোৱা-কমলপুৰ পথৰ কলবাৰী চ'কৰ পৰা লৰমাবটাঁকুছিৰ মুছলিম চুবুৰিৰ মাজেৰে লৰমাবটাঁকুছিতে সমাপ্ত হোৱা পথটো নিৰ্মাণ কালৰে পৰা বিসংগতিপূৰ্ণ। বিভাগীয় প্ৰাক্কলন মতে পথটোত মুঠ চাৰিটা শ্লেপকালভাৰ্ট আছে। চাৰিওটাই নিৰ্মাণ কৰিছে যদিও কলবাৰীৰ চ'কৰ ওচৰতে থকা কালভাৰ্ট নিৰ্মাণৰ পাছতে ভাঙি পৰিছিল আৰু পাছত নতুনকৈ নিৰ্মাণ কৰিছিল। ইয়াৰ পাছতে লৰমাবটাকুছিৰ পহৰানটোলা চুবুৰিত এটা শ্লেপকালভাৰ্ট বনাইছিল। উক্ত কালভাৰ্টটো যোৱা বেলি মাজতে এটি প্ৰকাণ্ড গাঁত হৈ যাতায়াতত ব্যাঘাত জন্মিছিল। এই সম্পৰ্কে দৈনিক অগ্ৰদূতত বাতৰি প্ৰকাশ হোৱাত সেইটোক মেৰামতি কৰি যাতায়াতৰ উপযোগী কৰিছিল। দুৰ্ভাগ্যজনক কথা যে যোৱা এপ্ৰিলত হোৱাবাবে উক্ত কালভাৰ্টটোত পুনৰ এটা প্ৰকাণ্ড গাঁত হৈ যাতায়াতৰ অনুপযোগী হৈ পৰিছে। তাৰ পাছত জুনৰ বানপানীত ইয়াৰ আকাৰ বৃদ্ধি হয়। এনেকৈ বাৰে বাৰে কালভাৰ্টটো ভাঙি পৰাত ৰাইজৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। প্ৰধানমন্ত্ৰী গ্ৰামসড়ক যোজনাৰ অধীনস্থ এক কোটি ১০ লক্ষাধিক টকা ব্যয় সাপেক্ষে অত্যাধুনিক জাৰ্মান প্ৰযুক্তিত নিৰ্মিত পথত এনেকৈ বাৰে বাৰে কালভাৰ্ট ভাঙি পৰাটো লোকনিৰ্মাণ বিভাগৰ অভিশাপ স্বৰূপ হৈ পৰিছে। কলিতা উপাধিৰ প্ৰভাৱশালী ঠিকাদাৰজনে অধিক মুনাফা লাভৰ আশাত একাংশ উপ-ঠিকাদাৰক কামৰ দায়িত্ব দি দায়িত্ব সাৰিছিল। উপ-ঠিকাদাৰেও বেছি লাভৰ আশাত নিম্নমানৰ কাম কৰি মুনাফা লাভ কৰিছিল। মাত্ৰ দুৰ্ভোগৰ সন্মুখীন হৈছে ৰাইজ। মন কৰিবলগীয়া যে পথটো নিৰ্মাণৰ পাঁচ বছৰ অতিক্ৰম কৰাই নাই। মাত্ৰ তিনিবছৰ অতিক্ৰম কৰা সময়তে এটা কালভাৰ্ট এবাৰ এবাৰকৈ দুবাৰ ভাঙি পৰিল। এই ক্ষেত্ৰত পথ নিৰ্মাণৰ সময়ত দায়িত্বত থকা বিভাগীয় বিষয়া-কৰ্মচাৰীসকলকো ৰাইজে চোকা সমালোচনা কৰিছে। এইসকল বিষয়া-কৰ্মচাৰীৰ উদাসীনতাৰ বাবে ঠিকাদাৰে কামত কাৰ্পণ্য কৰিছে। ৰাইজে অনতিপলমে কালভাৰ্টটো মজবুতকৈ পুনৰ নিৰ্মাণৰ দাবী কৰিছে। আনহাতে, কোনো উপ-ঠিকাদাৰৰ আশ্ৰয় নল'বলৈ বিভাগীয় বৰমূৰীয়াসকলক আহ্বান জনাইছে।

## ৮০ৰ উৰ্দ্ধৰ শিক্ষাবিদ শুকদেৱ মালাকৰক 'শিক্ষাজ্যোতি বঁটা'

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ১৬ ছেপ্টেম্বৰ ঃ** ৬১ সংখ্যক শিক্ষক দিৱস উপলক্ষে ভাৰতীয় দলিত সাহিত্য একাডেমী নলবাৰী জিলা সমিতিয়ে পাঁচ ছেপ্টেম্বৰত শিক্ষক দিৱস উদ্‌যাপন কৰে। শিক্ষক দিৱস উপলক্ষে ৬১ গছি বন্তি প্ৰজ্বলন কৰা হয়। বন্তি প্ৰজ্বলন কাৰ্যসূচী ৰূপায়ণ কৰে অৱসৰপ্ৰাপ্ত অধ্যক্ষ নগেন দত্ত, সাংস্কৃতিক মহাসভা, অসম, নলবাৰী জিলা সমিতিৰ প্ৰতিষ্ঠাপক সম্পাদক উমেশ চন্দ্ৰ বৰ্মন, ভাৰতীয় দলিত সাহিত্য একাডেমী নলবাৰী জিলা সমিতিৰ উপ-সভাপতি চাইফুদ্দিন আহমেদ, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ভগৱান চন্দ্ৰ বৰ্মন, নলবাৰী জিলা কৰ্মচাৰী পৰিষদৰ প্ৰাক্তন সভাপতি হৰেকৃষ্ণ মেধি, সমাজসেৱী পৰীক্ষিত ডেকা, কৃতী শিক্ষকৰ বঁটাপ্ৰাপক খগেন চন্দ্ৰ নাথ, সাহিত্যিক লাৱণ্য ডেকা, শিক্ষক অমূল্য দাস, সাংবাদিক শ্বাহ আলম আহমেদ, দিগন্ত বৰ্মন, প্ৰাঞ্জল শৰ্মা, শিল্পী ননীগোপাল গোস্বামী আদিয়ে। ইয়াৰ পাছত দাৰ্শনিক পণ্ডিত সৰ্বপল্লীৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে বিষ্ণুজ্যোতি হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক পূৰ্ণৰাম কলিতাই। আবেলি চাৰি বজাত ভাৰতীয় দলিত সাহিত্য একাডেমী নলবাৰী জিলা সমিতিৰ সভাপতি তথা সাহিত্যিক দিলীপ বৰ্মনৰ সভাপতিত্বত স্মৃতিচাৰণ, গ্ৰন্থ উন্মোচন, বঁটা প্ৰদান আৰু সম্বৰ্ধনা সভা অনুষ্ঠিত হয়। সভাখনৰ আঁত ধৰে জিলা সমিতিৰ সম্পাদক প্ৰতাপ দেৱনাথে। ঘগ্ৰাপাৰ হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক তথা সাহিত্যিক বীৰেন্দ্ৰ কুমাৰ নাথৰ দক্ষতা বিকাশ শীৰ্ষক গ্ৰন্থখন উন্মোচন কৰে সাহিত্যিক অশ্বিনী কুমাৰ শৰ্মাই। ইয়াৰ পাছত ৮০ৰ উৰ্দ্ধৰ মিলন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ শুকদেৱ মালাকৰক গ্ৰন্থৰ টোপোলা, ফুলাম গামোচা, স্মাৰক আৰু মানপত্ৰৰে শিক্ষাজ্যোতি বঁটা প্ৰদান কৰে। আনহাতে বিশিষ্ট অভিনেতা ধীৰেণ কুমাৰ বৰ্মনকো শিল্পীজ্যোতি বঁটা প্ৰদান কৰে।

## নিশা নিৰ্মীয়মাণ নলবাৰী মেডিকেল কলেজ পৰিদৰ্শন মন্ত্ৰী জয়ন্ত মল্লৰ



অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ১৬ ছেপ্টেম্বৰ ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰৰ দক্ষিণগাঁৱত অৱস্থিত নৱনিৰ্মিত নলবাৰী মেডিকেল কলেজখন যোৱা নিশা নলবাৰীৰ বিধায়ক তথা মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই পৰিদৰ্শন কৰি নিৰ্মীয়মাণ মেডিকেল কলেজখনৰ কামৰ বুজ লয়। লগতে মন্ত্ৰীজনে বিভাগীয় আমোলা-বিষয়ৰ স'তে এক বৈঠকত মিলিত হয়। মন্ত্ৰীজনে সংবাদ মাধ্যমৰ আগত আগন্তুক অক্টোবৰ-নৱেম্বৰত নৱনিৰ্মিত কলেজখন মুকলি হ'ব বুলি সদৰী কৰে। লগতে মন্ত্ৰীয়ে চৰকাৰে স্বচ্ছ আৰু নিকা পদ্ধতিৰে ৰাজ্যখনৰ নিবনুৱাক বিভিন্ন বিভাগত নিযুক্তি প্ৰদান কৰি আহিছে আৰু আগলৈও কৰিব, একাংশ চেনেল আৰু একাংশ ৰাজনৈতিক দলেহে নিযুক্তি কেলেংকাৰি হোৱা বুলি ভুৱা প্ৰচাৰ চলাইছে বুলি প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। আগন্তুক দিনত ৰাজ্যখনৰ দুখীয়া পৰিয়ালৰ নিবনুৱাই অসম চৰকাৰৰ বিভিন্ন বিভাগত নিযুক্তি পাবলৈ সক্ষম হ'ব বুলি মন্ত্ৰীজনে ঘোষণা কৰাৰ উপৰি স্বাস্থ্যসেৱা নীতি আৰু কল্যাণমূলক ব্যৱস্থাক প্ৰসাৰিত কৰাত স্বাস্থ্যখণ্ডৰ উন্নত আন্তঃগাঁথনি মূল ভূমিকা পালন কৰি অহাৰ কথাও সদৰী কৰে। মন্ত্ৰীজনৰ নিশাৰ এই কাৰ্যসূচীত নলবাৰী জিলাৰ উপায়ুক্ত গীতিমনি ফুকন, এন এইছ এমৰ কাৰ্যবাহী সঞ্চালক মনোজ চৌধুৰী, চিকিৎসা শিক্ষাৰ সঞ্চালক অনুপ বৰ্মন, নলবাৰী মেডিকেল কলেজৰ অধ্যক্ষ ড° প্ৰফেছৰ যোগেশ শৰ্মা, নলবাৰী জিলা বিজেপিৰ সভাপতি ডাঃ মৃগাংক তালুকদাৰ, ঘগ্ৰাপাৰ ৰাজহ চক্ৰ বিষয়া মনীষা কলিতা, বড়িগোগ বনভাগ মণ্ডল বিজেপিৰ সভাপতি ডিম্বেশ্বৰ বেজবৰুৱাৰ লগতে আন আন সংশ্লিষ্ট অংশীদাৰসকলো উপস্থিত থাকে।

## প্ৰান্তীয় বিজ্ঞান মেলাত উজলিল কঠিয়াতলি শংকৰদেৱ বিদ্যা নিকেতনৰ তিনি শিক্ষাৰ্থী



অগ্ৰদূত বাৰ্তা

**কঠিয়াতলি ১৬ ছেপ্টেম্ব ঃ** গুৱাহাটী বিষ্ণু পথত অৱস্থিত শংকৰদেৱ বিদ্যা নিকেতনত শিশু শিক্ষা সমিতি অসমৰ সৌজন্যত বিজ্ঞান আৰু গণিত মেলা ২০২২ অনুষ্ঠিত হয়। ১২, ১৩ আৰু ১৪ ছেপ্টেম্বৰত উত্তৰ-পূৰ্বাঞ্চলৰ ৪০০ শিক্ষাৰ্থী আৰু আচাৰ্য-আচাৰ্যাসকলৰ দ্বাৰা প্ৰান্তীয় বিজ্ঞান মেলা অনুষ্ঠানত কঠিয়াতলি শংকৰদেৱ বিদ্যা নিকেতনৰ পৰা অংশগ্ৰহণ কৰা নৱম শ্ৰেণীৰ ছাত্ৰ অভিজ্ঞানম কাশ্যপে উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰতে পত্ৰ বাচন প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি প্ৰথম স্থান পাবলৈ সক্ষম হয়। অভিজ্ঞানম কঠিয়াতলি লাচিত নগৰৰ পৰাণ কুমাৰ বৰা আৰু মাতৃ পিংকি বৰাৰ সন্তান। আনহাতে, বিদ্যালয়খনৰ অষ্টম শ্ৰেণীৰ ছাত্ৰী জুমৰমুৰ গাঁৱৰ বনমালী শইকীয়াৰ জীয়ৰী আস্থাজিতা শইকীয়া আৰু নিজ কঠিয়াতলিৰ নিৰ্মল বৰাৰ জীয়ৰী ৰশ্মি বৰাই বিজ্ঞানৰ আৰ্হি প্ৰতিযোগিতাত যুটীয়াভাৱে প্ৰথম স্থান অধিকাৰ কৰি বিদ্যালয়খনৰ লগতে অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিছে।

## কৃতী শিক্ষয়িত্ৰী পূৰ্ণিমা কলিতাক শিক্ষক গৌৰৱ বঁটা প্ৰদান

অগ্ৰদূত বাৰ্তা

**শুৱালকুছি, ১৬ ছেপ্টেম্বৰ ঃ** পছৰীয়াৰ কুশল কোঁৱৰ হাইস্কুলৰ সহকাৰী শিক্ষয়িত্ৰী পূৰ্ণিমা কলিতাক মানৱ সম্পদ গঢ়াত আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে ৰাজ্যিক শিক্ষক গৌৰৱ বঁটা প্ৰদান কৰা হয়। 'ডিভাইন হেণ্ড ৱেলফেয়াৰ অৰ্গেনাইজেছনে' শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ বাগ্মীবীৰ নীলমণি ফুকন প্ৰেক্ষাগৃহত আয়োজন কৰা অনুষ্ঠানত এই বঁটা প্ৰদান কৰে। কৃতী শিক্ষয়িত্ৰীগৰাকী ১৯৮৮ত মুকুলী ৰয় ছোৱালী হাইস্কুলত সহকাৰী শিক্ষয়িত্ৰী হিচাপে যোগদান কৰি ২০১২লৈ ২৪ বছৰে বিনা বেতনে পাঠদান কৰিছিল। পাছত ২০১৭ত উক্ত স্কুলখন কুশল কোঁৱৰ হাইস্কুলৰ লগত একত্ৰীকৰণ কৰাত উক্ত স্কুলত সহকাৰী শিক্ষয়িত্ৰী হিচাপে যোগাদন কৰি ২০২২ৰ ৩০ জুনত অৱসৰ গ্ৰহণ কৰে। অৱশ্যে ইয়াৰ আগতে ২০১৩ত তেওঁৰ চাকৰি চৰকাৰীকৰণ হৈ বেতন লাভ কৰে। শিক্ষকতাৰ সমান্তৰালকৈ তেওঁ সামাজিক কামতো সময় অতিবাহিত কৰিছিল। বিশেষকৈ মহিলাসকলৰ অধিকাৰ, মহিলা সবলীকৰণ আদিৰ ওপৰত গৱেষণামূলক চিন্তা-চৰ্চাৰে মহিলাসকলক সমাজত পৰিচয় কৰাই দিয়াত আগভাগ লৈছিল। কলিতা এগৰাকী লোকসংস্কৃতিৰ শিল্পী হিচাপেও সমাজত পৰিচিত। আই নাম, বিয়ানাম, বিহুনামৰ নামতী হৈ পাৰম্পৰা লোকসংগীতক জীয়াই ৰখাৰ প্ৰচেষ্টা চলাই আছে। অহা ১৪ অক্টোবৰত শিক্ষয়িত্ৰীগৰাকীক কুশল কোঁৱৰ হাইস্কুলে ৰাজহুৱা সম্বৰ্ধনা জনাব।

## পুনৰ কাৰ্বি আংলঙৰ বৰপথাৰত আৰক্ষীৰ জালত পাঁচখনকৈ ইউৰিয়া ভৰ্তি ট্ৰাক

# ইউৰিয়া সাৰৰ বিশাল ক'লা সাম্ৰাজ্যৰ ন ন তথ্য

অগ্ৰদূত বাৰ্তা

**বোকাজান, ১৬ ছেপ্টেম্বৰ ঃ** যোৱা ১২ ছেপ্টেম্বৰত কাৰ্বি আংলঙৰ খটখটী আৰক্ষীয়ে অসম-নগালেণ্ড সীমান্তত জব্দ কৰা পাঁচখন ইউৰিয়াভৰ্তি ট্ৰাকে ৰাজসাহায্যযুক্ত ইউৰিয়া সাৰৰ বৃহৎ ক'লাবজাৰৰ তথ্য উদঙাই দিয়াৰ পাছত কালি কাৰ্বি আংলঙৰ বৰপথাৰ আৰক্ষীৰ জালত পৰে আন পাঁচখন এনে অবৈধ ইউৰিয়াভৰ্তি ট্ৰাক। বৰপথাৰ আৰক্ষীৰ জালত পৰা এই পাঁচখন ট্ৰাকৰ এখন ট্ৰাকে আৰক্ষীৰ তালাচী বেহু ভাঙি পলাই গৈছিল যদিও খটখটীত আৰক্ষীয়ে আবদ্ধ কৰিবলৈ সক্ষম হয় ট্ৰাকখন। জে এইছ-০২ এ কে-০৩৭২, বি আৰ-০১ জি জি-২৬০৩, বি আৰ-০১ জি-৭৭৭৫ বি আৰ-২৫ জি এ-২৩৬৭, বি আৰ-০২ ডব্লিউ-৫৩৯৫ আৰু বি আৰ-২৬ জি এ-৫৩৬৭ নম্বৰৰ ট্ৰাককেইখনে ঝাৰখণ্ডৰ ৰাজসাহায্যযুক্ত ইউৰিয়া সাৰ মণিপুৰলৈ লৈ আহিছিল। ঝাৰখণ্ডৰ এম বি এণ্টাৰপ্ৰাইজৰ পৰা মণিপুৰৰ ৰাজ এণ্টাৰপ্ৰাইজলৈ লৈ অহা এই ইউৰিয়াৰ নথিপত্ৰত পূৰ্বৰ দৰেই ৰাসায়নিক সাৰৰ পৰিৱৰ্তে জৈৱিক সাৰ বুলি উল্লেখ আছে।

এই সংক্ৰান্তত আৰক্ষীয়ে ট্ৰাককেইখনৰ চালক কৰ্মচাৰীসহ ছয়জনক আটক কৰিছে যদিও এই বিশাল ক'লা সাম্ৰাজ্যৰ মূল কাণ্ডাৰীসকল এতিয়াও আৰক্ষীৰ জালত পৰা নাই। উল্লেখ্য যে অসমকে ধৰি ভাৰতৰ বিভিন্ন ৰাজ্যৰ কৃষকৰ মাজত ইউৰিয়া সাৰৰ কৃত্ৰিম নাটনিৰ সময়ত এইদৰে প্ৰতিদিনে ট্ৰাকে ট্ৰাকে ইউৰিয়া সাৰ আৰক্ষীৰ জালত পৰাৰ পাছতেই উন্মোচিত হৈছে ইউৰিয়া সাৰৰ চোৰাং ব্যৱসায়ৰ ন ন তথ্য। সূত্ৰ অনুসৰি বিভিন্ন ৰাজ্যৰ বাবে আৱণ্টন হোৱা এই ৰাজসাহায্যযুক্ত ইউৰিয়া চোৰাংকৈ জৈৱিক সাৰৰ ভুৱা নথিৰে সকলোকে আভুৱা-ভাঁৰি মণিপুৰলৈ সৰবৰাহ হয় আৰু তাৰ পৰাই কে'বাগুণ অধিক দামত ব্যৱসায়ী চক্ৰটোৱে ম্যানমাৰলৈ সৰবৰাহ কৰে। উল্লেখ্য যে ম্যানমাৰত ধান খেতিৰ পৰা আৰম্ভ কৰি বিভিন্ন ৰবি শস্যত এই ইউৰিয়া ব্যৱহাৰ কৰাৰ উপৰি মাৰাত্মক আফিং খেতিতো এই ইউৰিয়া ব্যৱহাৰ কৰে। ইপিনে, অন্যতম জনপ্ৰিয় বাৰ্মাৰ মাছৰ খেতিতো এই ইউৰিয়া ব্যৱহাৰ কৰে। ইয়াৰ ফলত ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যৰ কৃষকে পৰ্যাপ্ত ইউৰিয়া সাৰৰ পৰা বঞ্চিত হোৱাৰ বিপৰীতে ম্যানমাৰৰ কৃষকৰ চাহিদা পূৰণ কৰে এই ৰাজসাহায্যযুক্ত ইউৰিয়াই। যদিহে কেন্দ্ৰ আৰু সংশ্লিষ্ট ৰাজ্য চৰকাৰে এনে চোৰাং ব্যৱসায়ক নিয়ন্ত্ৰণ কৰিব নোৱাৰে তেন্তে ইউৰিয়াৰ কৃত্ৰিম নাটনি কোনোদিনেই দূৰ নহ'ব।

## ৰইনাদাৱৰীত প্ৰতিজন হিতাধিকাৰীৰ পৰা এশ টকা সংগ্ৰহ

অগ্ৰদূত বাৰ্তা

**কোকৰাঝাৰ,** ১৬ ছেপ্টেম্বৰ ঃ অৰুণোদয় হিতাধিকাৰী পুনৰীক্ষণক লৈ কোকৰাঝাৰ চহৰৰ সমীপৱৰ্তী গেন্দ্ৰাবিল ভিচিডিচিৰ অন্তৰ্গত ৰয়নাদাৱৰী গাঁৱত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। স্থানীয় গএঞা ৰাইজৰ অভিযোগ অনুসৰি পুনৰীক্ষণ সমিতিত সদস্যসকলৰ স'তে এগৰাকী ছুপাৰভাইজাৰো নিয়োগ কৰা হৈছে আৰু উক্ত সমিতিখনে ঘৰে ঘৰে গৈ হিতাধিকাৰীসকলৰ পুনৰীক্ষণ কৰিব লাগে। কিন্তু গেন্দ্ৰাবিল ভিচিডিচিৰ অন্তৰ্গত ৰইনাদাৱৰী গাঁৱত উক্ত সমিতিখনে ভিচিডিচিৰ সদস্য জয়শ্ৰী নাথ আৰু ইউপিপিএলৰ সদস্য শ্ৰীমন্ত নাথৰ ঘৰৰ আতিথ্য গ্ৰহণ কৰি তাৰ পৰাই পুনৰীক্ষণৰ কাম সামৰে, কিন্তু এইখিনিতে তাৎপৰ্যপূৰ্ণ কথাটো হৈছে ভিচিডিচি মেম্বাৰ জয়শ্ৰী নাথ আৰু ইউপিপিএলৰ সদস্য শ্ৰীমন্ত নাথে পুনৰীক্ষণ সমিতিৰ চাহ-ভাতৰ খৰচৰ বাবদ প্ৰতিজন হিতাধিকাৰীৰ পৰা এশ টকা সংগ্ৰহ কৰে। যি কাৰ্যত স্থানীয় ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে ।

**আঢ্যৱন্ত পৰিয়াল হিতাধিকাৰীৰ তালিকাত**

উল্লেখ্য যে অৰুণোদয় হিতাধিকাৰী বাছনিৰ ক্ষেত্ৰত চৰকাৰে কে'বাটাও নীতি-নিৰ্দেশনা জাৰি কৰিছিল যদিও কাৰ্যক্ষেত্ৰত সেই নীতি-নিৰ্দেশনাক বৃদ্ধাংগুষ্ঠ প্ৰদৰ্শন কৰি হিতাধিকাৰী বাছনি কৰা হৈছিল আৰু চৰকাৰে মোকলাই দিয়া ধন তেওঁলোকে নিয়মীয়াকৈ লাভ কৰি আহিছিল। কিন্তু উক্ত তালিকাত দুখীয়া দৰিদ্ৰৰ পৰিৱৰ্তে একেখন ঘৰতে শাহুৱেক আৰু তিনিগৰাকী বোৱাৰী অৰ্থাৎ চাৰিগৰাকী হিতাধিকাৰী অন্তৰ্ভুক্ত হৈছে । উক্ত পৰিয়ালত চাৰিচকীয়া বাহন, ট্ৰেক্টৰকে ধৰি বিভিন্ন অত্যাধুনিক আচবাব থকাৰ লগতে প্ৰতিষ্ঠিত ঠিকাদাৰো আছে। তদুপৰি শাহুৱেকে বৃদ্ধা পেঞ্চনো লাভ কৰি আছে। আনহাতে, ভাৰতীয় ডাকঘৰৰ কৰ্মচাৰীৰ পত্নী, পৰিয়াল পেঞ্চনাৰ, চৰকাৰী পেঞ্চনাৰ পত্নীকে ধৰি বহুতো আঢ্যৱন্ত পৰিয়ালৰ মহিলা হিতাধিকাৰীৰ তালিকাত অন্তৰ্ভুক্ত হৈ আছে। তেনেক্ষেত্ৰত বিভিন্ন স্থানত অভিযোগ উত্থাপিত কৰিও একো সুফল নোপোৱা ৰাইজ আৰু বঞ্চিতসকলে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অৰুণোদয়ৰ হিতাধিকাৰী বাছনিৰ ক্ষেত্ৰতো ব্যাপক খেলিমেলি সৃষ্টি হোৱাৰ গুৰুতৰ অভিযোগ উত্থাপিত হোৱাৰ প্ৰতি গুৰুত্ব আৰোপ কৰি হিতাধিকাৰী পুনৰীক্ষণৰ নিৰ্দেশনা জাৰি কৰাত অসমৰ আন অঞ্চলৰ দৰে ৰইনাদাৱৰীৰ ৰাইজে সন্তোষ প্ৰকাশ কৰিছিল। কিন্তু তেওঁলোকে আশা কৰাৰ দৰে পুনৰীক্ষণ সমিতিয়ে কোনো ব্যৱস্থা গ্ৰহণ নকৰিলে। পূৰ্বৰ তালিকাখনেই বাহাল থকাত গাঁৱৰ ৰাইজে তীব্ৰ ক্ষোভ প্ৰকাশ কৰি ইতিমধ্যে গেন্দ্ৰাবিল ভিচিডিচিৰ অধ্যক্ষ শুক্ৰজয় গয়াৰীক আৰু গাঁৱলৈ যোৱা পূৰ কোকৰাঝাৰ বিধানসভা সমষ্টিৰ বিধায়ক লৰেন্স ইছলাৰীক অভিযোগ দাখিল কৰে যদিও আজিলৈকে কোনো ধৰণৰ বিহিত ব্যৱস্থা গ্ৰহণ কৰা নাই বুলি ক্ষুব্ধ গএঞাই সদৰী কৰিছে। উল্লেখ্য যে পুনৰীক্ষণ সমিতিয়ে কিছু সংখ্যক হিতাধিকাৰীৰ ঘৰলৈ পৰীক্ষণৰ বাবে যায় যদিও তেওঁলোকক সামঞ্জস্য অনুসৰি ধন আদায় দিয়া বুলিও গএঞা ৰাইজে অভিযোগ কৰিছে।

## তামুলপুৰৰ ভাৰত-ভূটান সীমান্তত বনৰীয়া হাতীৰ উপদ্ৰৱ

**কে'বাটাও পৰিয়ালৰ বাসগৃহ ভাঙি লণ্ডভণ্ড**

অগ্ৰদূত বাৰ্তা

**তামুলপুৰ, ১৬ ছেপ্টেম্বৰ ঃ** তামুলপুৰ জিলাৰ ভাৰত-ভূটান সীমান্তত অব্যাহত আছে হাতী-মানুহৰ সংঘাত। নিশা হ'লেই ভূটান পাহাৰৰ পৰা নামি অহা বৃহৎ হাতীৰ জাকে সীমান্তৰ গাঁওসমূহত প্ৰৱেশ কৰি উপদ্ৰৱ চলোৱাত সম্প্ৰতি বিনিদ্ৰ ৰজনি কটাবলগীয়া হৈছে সীমান্তাঞ্চলৰ ৰাইজে। যোৱা নিশাও ভূটান পাহাৰৰ পৰা খাদ্যৰ সন্ধানত নামি অহা হাতীৰ জাক এটাই সীমান্তৰ চেঁচাপানী, হৰতোলা, শশীপুৰ, বগাজুলি আদি অঞ্চলত উপদ্ৰৱ চলাই কে'বাটাও পৰিয়ালৰ ঘৰ-দুৱাৰ ভাঙি লণ্ডভণ্ড কৰাৰ লগতে ভড়ালৰ ধান, সাঁচতীয়া চাউল আদি খাই তহিলং কৰে। বনৰীয়া হাতীয়ে ঘৰ-দুৱাৰ ভাঙি লণ্ডভণ্ড কৰাৰ ফলত কে'বাটাও পৰিয়ালৰ বিছনা পত্ৰ, আলমিৰা, টিভি আদিও ভাঙি চূৰ্ণ বিচূৰ্ণ কৰে। নিশা শুই থকা অৱস্থাতে বনৰীয়া হাতীয়ে উপদ্ৰৱ চলোৱাৰ ফলত শিশু মহিলাসহ কে'বাজনো লোক কথমপি হাতীৰ আক্ৰমণৰ পৰা ৰক্ষা পৰে। উল্লেখ্য যে খাদ্যৰ সন্ধানত ভূটান পাহাৰৰ পৰা নামি অহা বনৰীয়া হাতীৰ বৃহৎ জাক এটাই বিগত কিছুদিন ধৰি ভূটান সীমান্তৰ দৰঙাজুলি সংৰক্ষিত বনাঞ্চলত অৱস্থান কৰি আছে । সন্ধিয়া হ'লেই এই বৃহৎ হাতীৰ জাকটোৱে ৰঙিয়া-ভূটান ৰাষ্ট্ৰীয় ঘাইপথ পাৰ হৈ সীমান্তৰ গাঁওসমূহত প্ৰৱেশ কৰি উপদ্ৰৱ চলাই মানুহৰ ঘৰ-দুৱাৰ ভঙাৰ লগতে পাচলি খেতি, ধান খেতি, কলৰ খেতি, তামোল বাৰী তহিলং কৰি বিস্তৰ ক্ষতি সাধন কৰি আহিছে । হাতীৰ আক্ৰমণত বিগত সময়ছোৱাত কে'বাজনো লোকৰ মৃত্যুও হৈছে ।

## হেমকোষৰ ব্ৰেইলি সংস্কৰণ মুকলি



ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ১৬ ছেপ্টেম্বৰ ঃ** হেমকোষ অভিধানৰ ব্ৰেইলি সংস্কৰণ আজি ৰাজ্যপাল জগদীশ মুখীয়ে উন্মোচন কৰে। উজান বজাৰৰ বিবেকানন্দ কেন্দ্ৰত অনুষ্ঠিত উন্মোচনী অনুষ্ঠানত ৰাজ্যপাল মুখীয়ে আজি অসমবাসীৰ বাবে গৌৰৱৰ বিষয় বুলি উল্লেখ কৰি কয় যে সাদিন-প্ৰতিদিন গোষ্ঠীয়ে অসমীয়া ভাষা-সাহিত্যলৈ ব্ৰেইলি অভিধানেৰে এক উল্লেখনীয় অৱদান আগবঢ়ালে। ইয়াৰ জৰিয়তে দৃষ্টিহীন লোকসকলে উপকৃত হ'ব বুলি তেওঁ উল্লেখ কৰে। লুইচ ব্ৰেইলিৰ অৱদানৰ কথা উল্লেখ কৰি তেওঁ কয় যে ১৯১৯ত হেমচন্দ্ৰ বৰুৱাই হেমকোষ অভিধানৰ জৰিয়তে অসমীয়া সাহিত্য জগতত এক বিৰল অৱদানৰ পাতনি মেলিছিল। সম্প্ৰতি সেই অভিধানৰে ব্ৰেইলি সংস্কৰণ উলিয়াই জয়ন্ত বৰুৱাই এক প্ৰশংসনীয় কাম কৰিলে। আজি এই গ্ৰন্থ উন্মোচনী অনুষ্ঠানত দিল্লী বিশ্ববিদ্যালয়ৰ পণ্ডিত ভাৰাতেন্দু পাণ্ডে, সাদিন-প্ৰতিদিন গোষ্ঠীৰ অধ্যক্ষ জয়ন্ত বৰুৱা, সঞ্চালক স্মিতাক্ষী বি গোস্বামী, মুখ্য প্ৰৱন্ধক গৌৰৱ গোস্বামী প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

## লাম্পীক লৈ বিধানসভাত কৰা মন্তব্যত ক্ষুণ্ণ গোৰ্খা সংগঠন ঃ বকোত সংবাদমেল

অগ্ৰদূত বাৰ্তা

**বকো, ১৬ ছেপ্টেম্বৰ ঃ** অসম বিধানসভাৰ অধিবেশনত সীমান্ত উন্নয়ন মন্ত্ৰী অতুল বৰাই লাম্পী সন্দৰ্ভত কৰা মন্তব্যত ক্ষুণ্ণ হৈ পৰিছে কামৰূপ জিলা গোৰ্খা কল্যাণ সমিতি আৰু লাম্পী আঞ্চলিক গোৰ্খা ছাত্ৰ সন্থা। ইয়াৰ বিৰোধিতা কৰি বকোৰ পৰিদৰ্শন বাংলাত এক সংবাদমেল অনুষ্ঠিত কৰি তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে সংগঠন দুটাই। কামৰূপ জিলা গোৰ্খা কল্যাণ সমিতিৰ সম্পাদক কৈলাশ শৰ্মা, লাম্পী আঞ্চলিক গোৰ্খা ছাত্ৰ সন্থাৰ সভাপতি বিকাশ ছেত্ৰী, সম্পাদক সম্ভু ছেত্ৰী, সদস্য কৰ্ণ ছেত্ৰী, বিজু ছেত্ৰী, কমল ছেত্ৰী, সুভাষ ছেত্ৰী, খেম মগৰৰ উপস্থিতিত কামৰূপ জিলা গোৰ্খা কল্যাণ সমিতিৰ সভাপতি দুলাল কুমাৰ ৰাণাই সীমা উন্নয়ন বিভাগৰ মন্ত্ৰী অতুল বৰাই অসম মেঘালয় সীমান্তৱৰ্তী বকোৰ লাম্পী সন্দৰ্ভত বিধানসভা অধিবেশনত দাঙি ধৰা বক্তব্যত ক্ষোভ প্ৰকাশ কৰে। বকোৰ বিধায়িকা নন্দিতা দাসৰ প্ৰশ্নৰ উত্তৰত মন্ত্ৰীজনে লাম্পী অঞ্চলৰ বহু গাঁও মেঘালয়ত থাকিব বিচাৰে বুলি কোৱাত আশ্চৰ্য প্ৰকাশ কৰিছে সংগঠন দুটাই। চলিত বছৰৰ ১০ ছেপ্টেম্বৰ আৰু চাৰিমাহৰ আগত দুবাৰকৈ সংগঠন দুটাই লিখিতভাৱে লাম্পীৰ স্থিতি সম্পৰ্কত মন্ত্ৰীজনক অৱগত কৰিছিল বুলি সংবাদ মাধ্যমৰ আগত অৱগত কৰে সভাপতিজনে। মন্ত্ৰীজনে সংগঠন দুটাৰ আগত এক ইঞ্চি অসমৰ ভূমি মেঘালয়ক এৰি নিদিও বুলি মন্তব্য কৰিছিল। কিন্তু চাৰিদিন পাছতে বিধানসভাৰ মজিয়াত মন্ত্ৰীজনৰ মন্তব্যক লৈ নিদ্ৰা হৰণ হৈছে সংগঠন দুটাৰ লগতে লাম্পীবাসীৰ। ২০২১ৰ ১২ নৱেম্বৰত অসম আৰু মেঘালয় চৰকাৰৰ কেবিনেট উপ-সমিতি দুখনে অসম মেঘালয় সীমান্তৱৰ্তী বকোৰ আপাৰ তাৰাবাৰী, গামেৰীমূৰা, ডাবাকড্ৰপ অঞ্চলত ৰাইজৰ স'তে মতবিনিময় কৰিছিল। এই অঞ্চলৰ গৰিষ্ঠ সংখ্যক লোক খাচী সম্প্ৰদায়ৰ বাবে মেঘালয়ত থকাৰ কথা ব্যক্ত কৰিছিল। লাম্পী অঞ্চলটোত গোৰ্খা সম্প্ৰদায়ৰ লোকো বসবাস কৰে। লাম্পী অঞ্চললৈ পদাৰ্পণ নকৰাকৈ মন্ত্ৰীজনে বিধানসভাত মিথ্যাচাৰৰ আশ্ৰয় লোৱাটো সংগঠনকেইটাই তীব্ৰ ভাষাৰে নিন্দা কৰে। লাম্পী অঞ্চলটোত গোৰ্খাসকলে এশ বছৰতকৈও অধিক কাল বসবাস কৰি আহিছে। মেঘালয়ৰ দুৰ্বৃত্তই লাম্পী অঞ্চলটো বলপূৰ্বকভাৱে দখল কৰিবলৈ চেষ্টা অব্যাহত ৰাখিছে যদিও গোৰ্খাসকলে প্ৰতিহত কৰিবলৈ সক্ষম হৈ আহিছে। পৰ্যটনস্থলী হিচাপে খ্যাত হৈ পৰা লাম্পী অঞ্চলটো মেঘালয়ত চামিলৰ প্ৰশ্নৰ নুঠে। এই কাৰ্যক গোৰ্খা সংগঠনসমূহে কেতিয়াও সমৰ্থন নকৰে। ইয়াৰ বিপৰীতে মন্ত্ৰীজনক লাম্পী অঞ্চলটোলৈ গৈ ৰাইজৰ মতামত গ্ৰহণ কৰি সীমা সমস্যা সমাধানৰ ক্ষেত্ৰত আগবাঢ়িবলৈ আহ্বান জনাই সভাপতিজনে। একেদৰে লাম্পী আঞ্চলিক গোৰ্খা ছাত্ৰ সন্থাৰ সভাপতি বিকাশ ছেত্ৰীয়ে সংবাদমেলখনত উল্লেখ কৰে যে আমি অসমীয়া আৰু অসম এৰি আমি মেঘালয়ত চামিল নহওঁ। জাতি, মাটি, ভেটিৰ কথা কোৱা বিজেপি নেতৃত্বাধীন চৰকাৰখনে অসমৰ ভূমি চুবুৰীয়া ৰাজ্য মেঘালয়ত চামিলকৰণত মনোনিবেশ কৰিছে। প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপূৰ অসমৰ লাম্পীখন মেঘালয়ত চামিলকৰণ কৰিলেও লাম্পীবাসীয়ে কেতিয়াও কোনো কাৰণত লাম্পীখন মেঘালয়ত চামিলকৰণ হ'ব নিদিয়ে বুলি হুংকাৰ প্ৰদান কৰে। উপস্থিত সম্পাদক সম্ভু ছেত্ৰীয়ে ক্ষোভ প্ৰকাশ কৰি কয়, 'আমাৰ মাতৃভূমিক আমি কেতিয়াও বিক্ৰী কৰিব দিয়া নহ'ব।'

## কলংপাৰ বিদ্যাপীঠৰ ৰূপালী জয়ন্তীৰ সামৰণি

বিশেষ সংবাদদাতা

**নগাঁও, ১৬ ছেপ্টেম্বৰ ঃ** 'ভাল শিক্ষকে কেৱল নিজৰ শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীক গঢ় দিলেই নহ'ব, ওচৰৰ আন শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীকো গঢ় দিবৰ বাবে প্ৰযত্ন কৰিব লাগিব। আজি নগাঁৱৰ কলংপাৰ বিদ্যাপীঠে শৈক্ষিক দিশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। কিন্তু মই কলংপাৰ বিদ্যাপীঠৰ শিক্ষকসকলক অনুৰোধ জনাম নিজৰ শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীক পাঠদান কৰাৰ লগতে প্ৰতিৱেশী আন শিক্ষানুষ্ঠানলৈ গৈও সেই শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীক বাট দেখুওৱাৰ দায়িত্ব পালন কৰিব লাগিব। তেতিয়াহে সকলো ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যৎ সুনিশ্চিত হ'ব।' নগাঁৱৰ অগ্ৰণী শিক্ষানুষ্ঠান কলংপাৰ বিদ্যাপীঠৰ নৱাগত আদৰণি আৰু ৰূপালী জয়ন্তী বৰ্ষৰ সামৰণি মুকলি সভাত আজি এই মন্তব্য কৰে অসম চৰকাৰৰ শিক্ষা উপদেষ্টা অধ্যাপক ননী গোপাল মহন্তই। অৱসৰপ্ৰাপ্ত অধ্যাপক গিৰীন্দ্ৰকুমাৰ বৰুৱাৰ সভাপতিত্বত আজি নগাঁও জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত অনুষ্ঠিত সভাত মহন্তই লগতে আৰু কয় যে অসম চৰকাৰে শিক্ষা ব্যৱস্থাৰ উন্নয়নৰ বাবে আজি বিভিন্ন আঁচনি গ্ৰহণ কৰিছে। এক লাখ নিবনুৱাক কৰ্ম সংস্থাপন দিয়াৰ কাম আৰম্ভ কৰিছে; কিন্তু সেয়াই পৰ্যাপ্ত নহয়, অসমৰ ছাত্ৰ-ছাত্ৰীয়ে কেৱল চাকৰিৰ ওপৰতে নিৰ্ভৰ নকৰি বিভিন্ন স্ব-উপাৰ্জনৰ পথো মুকলি কৰিব লাগিব। কলংপাৰ বিদ্যাপীঠৰ অধ্যক্ষ পদুম ৰাজখোৱাই আদৰণি ভাষণ দিয়া সভাৰ আৰম্ভণিতে শিক্ষাবিদ হৰেশ্বৰ গোস্বামী আৰু হেমকান্ত শৰ্মাৰ প্ৰতিচ্ছবিত শ্ৰদ্ধা তৰ্পণ কৰা হয়। বন্তি প্ৰজ্বলন কৰে পৰিচালনা সমিতিৰ সভাপতি গিৰীন্দ্ৰকুমাৰ বৰুৱাই, পুষ্পাঞ্জলি তৰ্পণ কৰে হৰেশ্বৰ গোস্বামীৰ পুত্ৰ সপোন গোস্বামী আৰু হেমকান্ত শৰ্মাৰ পুত্ৰদ্বয়ে। বিদ্যাপীঠ সংগীতেৰে আৰম্ভ হোৱা সভা উদ্বোধন কৰে প্ৰাক্তন অধ্যক্ষ তথা সত্ৰাধিকাৰ জীৱেশ্বৰ দেৱগোস্বামীয়ে। নিজৰ ভাষণত তেওঁ কলংপাৰ বিদ্যাপীঠে নগাঁৱত এক শৈক্ষিক জাগৰণ আৰম্ভ কৰিলে বুলি উল্লেখ কৰি কলংপাৰ বিদ্যাপীঠৰ দৰে শিক্ষানুষ্ঠান নগাঁৱৰ বৌদ্ধিক সমাজৰ ফচল বুলিও মন্তব্য দিয়ে। শিক্ষক ইন্দ্ৰমোহন বৰাই আঁতধৰা সভাত ক'ভিড কালত অতি সাহসেৰে মানৱসেৱা কৰা নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ৰ দুজন চিকিৎসক ডাঃ ক্ষীৰকান্ত দাস আৰু ডাঃ জিয়াউদ্দিন আহমেদক বিশেষ সন্মান জনোৱা হয়। বিদ্যাপীঠৰ ছাত্ৰ-ছাত্ৰী হীৰকজ্যোতি হাজৰিকা, অনুভূতি ৰাজখোৱা, জেচিকা দাস আৰু বিৰাজকুমাৰ নাথে ছাত্ৰ-ছাত্ৰীৰ হৈ আদৰণি ভাষণ প্ৰদান কৰা সভাত মৰিগাঁও বাৰপুজীয়াৰ জনশিল্পী টোকেশ্বৰ সেনাপতিক হেমকান্ত শৰ্মা সোঁৱৰণী বঁটা প্ৰদান কৰা হয়। বঁটাত আছে গামোচা, চেলেং, শৰাই, ফুলৰ তোৰা, স্মাৰক, মানপত্ৰ আৰু নগদ ১০ হেজাৰ টকা। বঁটা প্ৰদান কৰে ড° ননী গোপাল মহন্ত আৰু ড° দীপক কুমাৰ শৰ্মাই। একেটা অনুষ্ঠানতে ৰামানুজন ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ ছাত্ৰ গোলাঘাটৰ সৌম্যদীপ খাউণ্ডক শিক্ষাবিদ হৰেশ্বৰ গোস্বামী সোঁৱৰণী বঁটা প্ৰদান কৰা হয়। কলংপাৰ বিদ্যাপীঠৰ এসময়ৰ ছাত্ৰী তথা নগাঁও জিলাৰ অতিৰিক্ত উপায়ুক্ত দেৱাহুতি বৰা, অতিৰিক্ত উপায়ুক্ত শান্তনা বৰা, প্ৰাক্তন অধ্যক্ষ অমৰজিৎ গোস্বামী, সমাজকৰ্মী দেৱেন্দ্ৰৰ সিং সেহমি, সাহিত্যিক ৰতিমোহন নাথ, শিল্পী দীপক কুমাৰ শৰ্মা, ৰঞ্জন বেজবৰুৱা প্ৰমুখ্যে শতাধিক বিশিষ্ট ব্যক্তি আৰু কলংপাৰ বিদ্যাপীঠৰ ছয় শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থকা সভাত অতিথিৰূপে অংশগ্ৰহণ কৰে কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ড° দীপক কুমাৰ শৰ্মাই। গুৱাহাটী বিশ্ববিদ্যালয়ৰ সংস্কৃত বিভাগৰ অধ্যাপক ড° শৰ্মাই কয় যে ভাৰতীয় সংস্কৃতি হৈছে ব্ৰেইণ্ড বেছড সংস্কৃতি। সেয়ে ভাৰতীয় পৰম্পৰা এক পবিত্ৰ বস্তু। ইয়াত জ্ঞানৰ পবিত্ৰতা আছে। ভাৰতীয় সংস্কৃতিয়ে সদায় পিতৃ-মাতৃ আৰু আচাৰ্যক দেৱতাৰ দৰে জ্ঞান কৰিবলৈ কৈছে। সেই কাৰণেই শিক্ষকসমাজে গুৰু-শিষ্যৰ পবিত্ৰ পৰম্পৰা ৰক্ষা কৰি ছাত্ৰ-ছাত্ৰীক মানৱ সম্পদলৈ ৰূপান্তৰিত কৰাৰ দায়িত্ব পালন কৰিব লাগে। সভাপতিৰ ভাষণত গিৰীন্দ্ৰকুমাৰ বৰুৱাই কলংপাৰ বিদ্যাপীঠক নগএঞা বৌদ্ধিক সমাজৰ শিক্ষানুষ্ঠান বুলি উল্লেখ কৰি যোৱা ২৪টা বছৰে যি মৰম শুভাশিস নগএঞা ৰাইজে কলংপাৰ বিদ্যাপীঠক দিছে, তাৰ বাবে সকলোকে ধন্যবাদ জনায়। মুকলি সভাৰ পাছত ন-পুৰণি ছাত্ৰ-ছাত্ৰীৰ সতীৰ্থ সন্মিলন অনুষ্ঠিত হয়।

## ওদালগুৰি জিলা সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক-গ্ৰন্থ উন্মোচনী সভা

অগ্ৰদূত বাৰ্তা

**টংলা, ১৬ ছেপ্টেম্বৰ ঃ** অসম সাহিত্য সভাৰ অন্যতম শাখা ওদালগুৰি জিলা সাহিত্য সভাৰ পঞ্চম কাৰ্যনিৰ্বাহক সভা আৰু গ্ৰন্থ উন্মোচনী অনুষ্ঠান অহা ১৮ ছেপ্টেম্বৰত পুৱা ১০.৩০ বজাৰ পৰা পুৰন্দিয়া সাহিত্য সভা আৰু গেৰুৱা গাঁও উন্নয়ন সমিতিৰ আতিথ্যত গেৰুৱা নামঘৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত কৰা হ'ব। জিলা সাহিত্য সভাৰ সভাপতি, বিশিষ্ট লেখক হৰেশ্বৰ কলিতাৰ সভাপতিত্বত অনুষ্ঠিত সভাত নিৰ্বাচনী সমিতি গঠন, কবিৰালিত অনুষ্ঠিত হ'বলগীয়া জিলা অধিবেশন, ওদালগুৰি ৰত্ন বঁটা-২০২২ প্ৰাপকৰ নাম ঘোষণা, সোঁৱৰণী শৈক্ষিক বঁটা প্ৰদান সম্পৰ্কে, আকাশ, ৰামধেনু, পত্ৰিকা, ভ্ৰাম্যমাণ পুথিভঁৰাল উপ-সমিতি, আজীৱন সভ্য কোষ উন্মোচন, সন্মিলন, ষষ্ঠ কাৰ্যনিৰ্বাহক সভাৰ স্থান নিৰ্বাচন, শতদল, স্বৰ্ণ শাখাৰ পত্ৰ বিতৰণ আদি গুৰুত্বপূৰ্ণ বিষয়ত আলোচনা কৰা হ'ব বুলি জানিব দিছে ওদালগুৰি জিলা সাহিত্য সভাৰ সম্পাদক ড° পৱিত্ৰ কুমাৰ শৰ্মাই। ওদালগুৰি জিলা সাহিত্য সভাৰ সভাপতি হৰেশ্বৰ কলিতাই গোপাল চন্দ্ৰ ৰাভাৰ নৱতম কাব্য পুথি 'পুণ্য নদীৰ ঘাট' উন্মোচন কৰিব।

# কোকৰাঝাৰৰ যান-জঁট চম্ভালাৰ নামত বহিঃৰাজ্যৰ বেচৰকাৰী সংস্থা

■ মাহেকত ১২০ জনৰ ৩০ লাখ টকা কোনে বহন কৰে? ■ অজ্ঞ জিলা প্ৰশাসন, আৰক্ষী বিভাগ আৰু পৰিবহণ বিভাগ



অগ্ৰদূত বাৰ্তা

**কোকৰাঝাৰ, ১৬ ছেপ্টেম্বৰ ঃ** যি সময়ত অসমত লাখ লাখ নিবনুৱা যুৱক-যুৱতীয়ে আত্মসংস্থাপনৰ বাবে হাহাকাৰ কৰি ফুৰিছে সেই সময়ত বিটিচি সদৰ কোকৰাঝাৰ চহৰত যান-জঁট চম্ভালাৰ নামত বহিঃৰাজ্যৰ শতাধিক যুৱক-যুৱতী আহি বাহৰ পতা কাণ্ডই বিভিন্ন মহলৰ লগতে স্থানীয় ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। তথ্য মতে বিগত প্ৰায় এমাহ ধৰি কোকৰাঝাৰ চহৰৰ মুখ্য পথসমূহত তিনিআলি, চাৰিআলিবোৰত তিনিজনীয়া দল একোটাই যান-জঁট নিয়ন্ত্ৰণৰ দায়িত্ব পালন কৰিবলৈ লৈছে। হঠাৎ এওঁলোক ক'ৰ পৰা আহিল? কোনে তেওঁলোকক আনিলে? আৰক্ষী বিভাগত যান-বাহন শাখা বুলি এটা সক্ৰিয় বিভাগ থকাৰ পাছত কি কাৰণত বেচৰকাৰী সংস্থা এটাক এইদৰে গুৰুত্বপূৰ্ণ বিষয় এটাৰ দায়িত্ব দিয়া হৈছে? ইত্যাদি বিভিন্ন প্ৰশ্ন উত্থাপিত হ'বলৈ লৈছে। এই পৰিপ্ৰেক্ষিতত তেওঁলোকৰ কে'বাগৰাকীক ক'ৰ পৰা কিয় কোনে আনিলে বুলি জানিব বিচৰাত এগৰাকীয়ে তেওঁলোকক কলকাতাৰ এটা সংস্থাই যান-বাহন নিয়ন্ত্ৰণৰ ওপৰত প্ৰশিক্ষণ ল'বলৈ প্ৰেৰণ কৰা বুলি সদৰী কৰে আৰু ইয়াৰ বাবে তেওঁলোকক মাহিলী ২৫ হেজাৰ টকা দৰমহা আদায় দিয়া হৈছে বুলিও কয়। তেওঁ লগতে কোকৰাঝাৰ আৰক্ষী বিভাগৰ স'তে যোগাযোগ কৰি আহিছে বুলিও কয়। কিছুমানে আকৌ মুখ্যমন্ত্ৰীৰ নিৰ্দেশত অহা বুলিও ইংগিত দিছে। আনহাতে, আন এগৰাকীয়ে তেওঁলোকক এতিয়ালৈ কোনো দৰমহা আদায় দিয়া হোৱা নাই বুলি সদৰী কৰে। তেওঁলোকৰ ১২০ জনীয়া দল এটা আহিছে আৰু সাত দিন তেওঁলোকে চহৰখনৰ বিভিন্ন অঞ্চলত মুখ্য মুখ্য পথত ট্ৰেফিক লগতে পথ সুৰক্ষাৰ ওপৰত গুৰুত্ব আৰোপ কৰিব বুলি জানিব দিছে। এজনে জানিবলৈ দিয়া মতে তেওঁলোকৰ এজনৰ মাহিলি দৰমহা যদি ২৫ হেজাৰ টকা হয় মাহেকত ১২০ জনৰ ৩০ লাখ টকা ক'ৰ পৰা কোনে যোগান ধৰি আছে? উল্লেখ্য যে বিটিচিৰ সদৰ কোকৰাঝাৰ চহৰৰ দৰে ১৩ পৃষ্ঠাত চাওক

## সত্ৰীয়া ঐক্য মঞ্চৰ সাংস্কৃতিক মহাসভা

### মাৰ্চত সন্মিলিত সত্ৰীয়া সংগীতৰ সমাৰোহ

**গুৱাহাটী, ১৬ ছেপ্টেম্বৰ ঃ** যোৱা সাত ছেপ্টেম্বৰত গুৱাহাটী মহানগৰৰ দেওৱা মহাবিদ্যালয় প্ৰাংগণত শিল্পী প্ৰফুল্ল প্ৰাণ মহন্তৰ সভাপতিত্বত এখন আলোচনা সভা অনুষ্ঠিত হয়। সভাত গুৱাহাটীস্থ সংগীত অনুষ্ঠানসমূহৰ মুৰব্বী আৰু প্ৰতিনিধি উপস্থিত থাকে। অহা মাৰ্চত চাৰিদিনীয়াকৈ সংগীত বিদ্যালয় আৰু সত্ৰসমূহৰ চৰ্চা কেন্দ্ৰৰ প্ৰতিযোগিতামূলক সমাৰোহ অনুষ্ঠিত কৰাৰ বাবে আলোচনা কৰা হয়। সভাত গুৰু গোবিন্দ শইকীয়া, মাধৱদেৱ প্ৰতিষ্ঠিত হাজোৰ ঢোপৰগুৰি সত্ৰৰ সভাপতি মোহন মালাকাৰ, সংগীত সত্ৰৰ ৰঞ্জমণি শইকীয়া, শিল্পী বেবী ভূঞা, শিল্পী দীপা নেওগ, ড° বৈজয়ন্তী গোস্বামী, অৰূপ বৰঠাকুৰ, অসম চৰকাৰৰ সাংস্কৃতিক বিভাগৰ যুটীয়া সচিব, গীতিকাৰ ডিম্বেশ্বৰ দাস আদি লোকসকলে তথ্য সম্বলিত পৰামৰ্শ আগবঢ়ায়। সভাত সম্পাদক বৈকুণ্ঠ প্ৰসাদ গোস্বামীয়ে উদ্দেশ্য ব্যাখ্যা দাঙি ধৰি কয় যে সাম্প্ৰতিক সময়ত অসমত সত্ৰীয়া নৃত্য-গীত-বাদ্যৰ ঘাইসুঁতি এৰি বহুতেই নিজাববীয়াকৈ কৃষ্টি পৰিৱেশন কৰিবলৈ ধৰিছে। ফলত অনুষ্ঠানসমূহৰ মাজত কিছু বিসংগতিয়ে দেখা দিছে। সত্ৰীয়া ঘাই সংগীতৰ লগত সংযোজন কৰি সকলোৱে মিলি শুদ্ধ ৰূপত নৃত্য-গীত- বাদ্যাদি প্ৰদৰ্শন কৰাৰ বাবে এই অনুষ্ঠান প্ৰতিষ্ঠা কৰা হৈছে। এই উদ্দেশ্যৰ লগত ৰজিতা খুৱাই বহুতেই বক্তব্য প্ৰকাশ কৰি মহা সাংস্কৃতিক সভাৰ প্ৰয়োজনীয়তাৰ বাবে আদৰণি জনাইছে। অহা মাৰ্চত প্ৰতিযোগিতামূলক সমাৰোহৰ আয়োজনাৰ্থে এখন প্ৰস্তুতি সমিতি এই ১৩ পৃষ্ঠাত চাওক

## জনজাতিকৰণৰ দাবীত কলিয়াবৰত কোচ ৰাজবংশী সন্মিলনীৰ তীব্ৰ প্ৰতিবাদ



অগ্ৰদূত বাৰ্তা

**কলিয়াবৰ, ১৬ ছেপ্টেম্বৰ ঃ** জনজাতিকৰণৰ দাবীত আজি কলিয়াবৰত কোচ ৰাজবংশী সন্মিলনীয়ে সাব্যস্ত কৰে তীব্ৰ প্ৰতিবাদ। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ প্ৰতিমূৰ্তি দাহ কৰি কলিয়াবৰৰ আমবাগানত কোচ ৰাজবংশী সন্মিলনীৰ লোকসকলে সাব্যস্ত কৰে এই প্ৰতিবাদ। অৰ্ধশতাধিক প্ৰতিবাদকাৰীয়ে চৰকাৰ বিৰোধী বিভিন্ন শ্ল'গান প্ৰয়োগ কৰি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। অতি শীঘ্ৰে কোচ ৰাজবংশী লোকসকলক জনজাতিকৰণ নকৰিলে অনাগত দিনত ৰাজপথ, ৰেলপথ অৱৰোধ কৰি প্ৰতিবাদ কৰাৰ হুংকাৰ দিয়ে প্ৰতিবাদকাৰীসকলে। কোচ ৰাজবংশী যুৱ ছাত্ৰ সন্মিলন আৰু মহিলা সন্মিলনীৰ লোকসকলেও এই প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী, প্ৰধানমন্ত্ৰীৰ প্ৰতিকৃতি দাহ কৰে।

## নিয়োগত অগ্ৰাধিকাৰৰ দাবীত শক্তি বিতৰণ কোম্পানী লিমিটেডৰ কৰ্মচাৰীৰ প্ৰতিবাদ

■ অহা মাহৰ পৰা আন্দোলনৰ ভাবুকি

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ১৬ ছেপ্টেম্বৰ ঃ** প্ৰতিবাদে লগ এৰা নাই অসম শক্তি বিতৰণ কোম্পানী লিমিটেড (এপিডিচিএল)ক। এপিডিচিএলক ব্যক্তিগতকৰণক লৈ কৰ্মচাৰীয়ে তীব্ৰ প্ৰতিবাদ অব্যাহত ৰখাৰ সময়ত এইবাৰ বহিঃ উৎস কৰ্মচাৰীসকলে আৰম্ভ কৰিছে প্ৰতিবাদ। অসম চৰকাৰে শেহতীয়াকৈ মিটাৰ ৰিডিং, বিল ডিষ্ট্ৰিবিউছন, লাইন মেণ্টেনেনছ আদিৰ বাবে প্ৰায় পাঁচ হেজাৰ কৰ্মচাৰী এপিডিচিএলত নিয়োগ কৰিবলৈ আগবাঢ়িছে। কিন্তু বহু বছৰ ধৰি সমগ্ৰ অসমত প্ৰায় পাঁচ হেজাৰ কৰ্মচাৰীয়ে বহিঃ উৎসৰূপে বছৰ বছৰ ধৰি এই সেৱা আগবঢ়াই আহিছে। কিন্তু অসম চৰকাৰে প্ৰকাশ কৰিবলগীয়া বিজ্ঞাপনত ইতিমধ্যে কৰ্মৰত বহিঃ উৎস কৰ্মচাৰীসকলক কোনো অগ্ৰাধিকাৰ দিয়াৰ ব্যৱস্থা কৰা নাই। সেয়েহে কালি শিৱসাগৰ বিদ্যুৎ সংমণ্ডলত এইসকল বহিঃ উৎস কৰ্মচাৰীয়ে এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰি তেওঁলোকে বিগত সময়ত আগবঢ়াই অহা সেৱাক আগন্তুক মকৰলত অগ্ৰাধিকাৰ প্ৰদান কৰিবলৈ দাবী জনাইছে। এই সন্দৰ্ভত ইতিমধ্যে গুৱাহাটীৰ মুখ্য কাৰ্যালয়ৰ শীৰ্ষ কৰ্তৃপক্ষৰ লগতে বিভিন্ন মহলক এইসকল কৰ্মচাৰীয়ে অৱগত কৰি আহিছে। আজি শিৱসাগৰ বিদ্যুৎ কাৰ্যালয়ৰ চৌহদত জিলাখনৰ বিভিন্ন সংমণ্ডলৰ বহিঃ কৰ্মচাৰীসকল সমবেত হৈ মুখ্য পৰিচালন সঞ্চালকক এক স্মাৰকপত্ৰ প্ৰদান কৰে। বহিঃ উৎস কৰ্মচাৰীসকলক চৰকাৰে আগন্তুক মকৰলত অগ্ৰাধিকাৰ প্ৰদান নকৰিলে অহা অক্টোবৰৰ পৰা বহিঃ উৎস কৰ্মচাৰীসকলে আন্দোলনৰ পথ ল'ব বুলি হুংকাৰ দিয়ে।

## অভয়াপুৰী মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা যোজনাৰ স্বেচ্ছাসেৱকৰ অভিমুখীকৰণ কাৰ্যসূচীৰ সামৰণি

অগ্ৰদূত বাৰ্তা

**অভয়াপুৰী, ১৬ ছেপ্টেম্বৰ ঃ** বঙাইগাঁও জিলাৰ অভয়াপুৰী মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা যোজনা গোটে বিগত বৰ্ষৰ দৰে এইবেলিও দুদিনীয়া কাৰ্যসূচীৰে নতুনকৈ নামভৰ্তি কৰা স্বেচ্ছাসেৱকসকলৰ উদ্দেশ্যে অভিমুখীকৰণ কাৰ্যসূচীৰ আয়োজন কৰে। যোৱা ১২ আৰু ১৩ ছেপ্টেম্বৰত আয়োজন কৰা কাৰ্যসূচীৰ অংশ হিচাপে প্ৰথম দিনা স্বেচ্ছাসেৱকসকলৰ উদ্দেশ্যে মহাবিদ্যালয়ৰ পূৰ্ণ চন্দ্ৰ শীল আলোচনা কক্ষত ৰাষ্ট্ৰীয় সেৱা যোজনাৰ কাৰ্যক্ৰম বিষয়াদ্বয়ৰ লগতে অন্যান্য শিক্ষকসকল উপস্থিত থাকে। অভিমুখীকৰণ কাৰ্যসূচীৰ আৰম্ভণি হয় ৰাষ্ট্ৰীয় সেৱা যোজনাৰ সংগীতেৰে। ৰাষ্ট্ৰীয় সেৱা যোজনাৰ কাৰ্যক্ৰম বিষয়া ড° নৱজিৎ মজুমদাৰে স্বেচ্ছাসেৱকসকলৰ উদ্দেশ্যে ৰাষ্ট্ৰীয় সেৱা যোজনাৰ নীতি, লক্ষ্য-উদ্দেশ্যৰ লগতে স্বেচ্ছাসেৱকসকলে অনুসৰণ কৰিবলগীয়া নিয়মাৱলী আৰু বছৰৰ বিভিন্ন সময়ত কেনেকৈ ৰাষ্ট্ৰীয় সেৱা যোজনাৰ মাধ্যমেৰে দেশৰ সৰ্বাংগীণ উন্নতিত অৰিহণা যোগাব পাৰে সেই সম্পৰ্কীয় বক্তৃতা আগবঢ়ায়। মহাবিদ্যালয়খনৰ ৰাষ্ট্ৰীয় সেৱা যোজনাৰ প্ৰাক্তন স্বেচ্ছাসেৱক তথা বৰ্তমানৰ সহকাৰী অধ্যাপক বিক্ৰম ৰঞ্জন ৰয়ে তেওঁৰ অভিজ্ঞতাৰে স্বেচ্ছাসেৱকসকলৰ উপযোগীকৈ বক্তব্য আগবঢ়ায়। মহাবিদ্যালয়খনৰ ৰাষ্ট্ৰীয় সেৱা যোজনাৰ দ্বিতীয়টো গোটৰ কাৰ্যক্ৰম বিষয়া ধৰমসিং ইংতি কাথাৰেও ৰাষ্ট্ৰীয় সেৱা যোজনাৰ গুৰুত্বৰ কথা অৱগত কৰে। সহকাৰী অধ্যাপিকা তথা প্ৰাক্তন কাৰ্যক্ৰম বিষয়া ড° পংখী হাজৰিকাইও স্বেচ্ছাসেৱকসকলৰ কৰণীয় সম্পৰ্কে বক্তব্য আগবঢ়ায়। বক্তব্যৰ মাজে মাজে কাৰ্যক্ৰম বিষয়া ড° নৱজিৎ মজুমদাৰে স্বেচ্ছাসেৱকসকলৰ মাজত সমাজ-সেৱাৰ বাবে প্ৰয়োজনীয় কেতবোৰ গুৰুত্বপূৰ্ণ দিশৰ স'তে জড়িত কেতবোৰ ক্ৰিয়া-কলাপ প্ৰদৰ্শন কৰে। সৰ্বশেষত একাংশই কবিতা আবৃত্তি আৰু গীত পৰিৱেশন কৰে। দ্বিতীয় দিনাৰ কাৰ্যসূচীত উপস্থিত থাকে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সদানন্দ নাথ আৰু উপাধ্যক্ষ চিন্তামণি দেৱ শৰ্মাই। ৰাষ্ট্ৰীয় সেৱা যোজনাৰ গুৰুত্ব আৰু দেশৰ যিকোনো বিপদৰ সময়ত স্বেচ্ছাসেৱকসকলে পালন কৰিবলগীয়া ভূমিকাৰ কথা অৱগত কৰে অধ্যক্ষ আৰু উপাধ্যক্ষই। ইয়াৰ পাছতেই সেচ্ছাসেৱক-সেচ্ছাসেৱিকাসকলে নিজৰ নিজৰ সুপ্ত প্ৰতিভাসমূহ পৰিবেশন কৰে।

## শক্তি বিভাগে গ্ৰাহকৰ ঘৰলৈ প্ৰেৰণ কৰিছে নাভূত-নাশ্ৰুত বিল

■ এক-দুই হেজাৰৰ পৰিৱৰ্তে গ্ৰাহকে ভৰিব লগাত পৰিছে আঠ-১০ হেজাৰকৈ টকা ■ গ্ৰাহকৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়া

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ১৬ ছেপ্টেম্বৰ ঃ** দশক দশক ধৰি নিয়মীয়াকৈ বিদ্যুৎ বিল পৰিশোধ কৰি অহা ব্যক্তিসকলক যোৱা আগষ্ট মাহৰ বিল পূৰ্বতকৈ তিনি-চাৰি গুণ অধিক কৰি প্ৰেৰণ কৰা ঘটনাই তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। একাংশ বিষয়াই অত্যাধিক ৰাজহ সংগ্ৰহ কৰাৰ বুলি দেখুৱাই বিভাগীয় মন্ত্ৰী আৰু উচ্চ পদস্থ বিষয়াৰ ওচৰত বাঃ বাঃ লোৱাৰ পৰিকল্পনাৰে গ্ৰাহক টেটু চেপা দিয়াক লৈয়েই সৃষ্টি হৈছেঁ এই প্ৰতিক্ৰিয়াৰ। অভিযোগ অনুসৰি যোৱা বছৰ বছৰ ধৰি ১০০০ পৰা ১৫০০ কিম্বা ২০০০ টকা বিল পৰিশোধ কৰি অহা গ্ৰাহকসকলৰ ঘৰলৈ চলিত মাহত ছয়ৰ পৰা ১০ হেজাৰ টকা পৰ্যন্ত বিল প্ৰেৰণ কৰিছে। বিদ্যুৎ বিভাগে প্ৰেৰণ কৰা বিলত উল্লেখ থকা ধনৰ পৰিমাণ দেখি গৰিষ্ঠ সংখ্যক গ্ৰাহকে মূৰে কপালে হাত দিব লগাত পৰিছে। এই সন্দৰ্ভত বিভাগটোৰ লগত যোগাযোগ কৰিলেও বিভাগৰ বিষয়া কৰ্মচাৰীয়ে গ্ৰাহকৰ কোনো কথাই শুনিব নিবিচাৰে। বৰঞ্চ গ্ৰাহকক বিলৰ ধন সময়মতে জমা নিদিলে তেওঁলোকৰ বিদ্যুৎ লাইন কৰ্তন কৰা হ'ব বুলি সকীয়নি দিয়াৰহে অভিযোগ উঠিছে। সাম্প্ৰতিক সময়ত গৰিষ্ঠ সংখ্যক গ্ৰাহকে অনাহকত বিদ্যুৎ অপচয় কৰাৰ পৰা বিৰত থাকে। প্ৰতিগৰাকী গ্ৰাহকে নিজৰ গৃহত এল ই ডি বাল্ব স্থাপন কৰিছে। যিবোৰৰ ক্ষমতা তিনি ৱাৰ্টৰ পৰা অতি বেছি ন ৱাৰ্ট পৰ্যন্ত। পূৰ্বৰ দৰেই কোনো গ্ৰাহকে ৪০, ৬০ কিম্বা ১০০ ৱাৰ্টৰ বাল্ব ব্যৱহাৰ নকৰে। তৎসত্বেও গ্ৰাহকসকলৰ ঘৰলৈ বৃহৎ পৰিমাণৰ টকাৰ কথা উল্লেখ কৰি বিদ্যুৎ বিল প্ৰেৰণ কৰাত গ্ৰাহকসকলে তীব্ৰ প্ৰতিক্ৰিয়া উল্লেখ কৰিছে। কে'বাটাও সংগঠনৰ বিষয়-ববীয়া আৰু সচেতন গ্ৰাহকে উত্থাপন কৰা অভিযোগ অনুসৰি শক্তি বিভাগে শেহতীয়াভাৱে বহিৰাগত এক প্ৰতিষ্ঠানক প্ৰতিটো বিদ্যুৎ মিটাৰৰ তথ্য আহৰণ কৰাৰ বাবে ঠিকা প্ৰদান কৰিছে। অতি কম সময়ৰ ভিতৰতেই গ্ৰাহকসকলৰ ঘৰত লাগি থকা মিটাৰ সমূহ পৰিৱৰ্তন কৰি প্ৰিপেইড মিটাৰ ব্যৱস্থা ১৩ পৃষ্ঠাত চাওক

## ধুবুৰীৰ বিবেকানন্দ বিদ্যাপীঠ বিদ্যালয়ত সজাগতা সভা স্বাস্থ্য পৰীক্ষণ শিবিৰ

**ধুবুৰী, ১৬ ছেপ্টেম্বৰ ঃ** ধুবুৰী নগৰীয়া প্ৰাথমিক স্বাস্থ্য আৰু যুৱ কল্যাণ কেন্দ্ৰৰ উদ্যোগত বিবেকানন্দ বিদ্যাপীঠ বিদ্যালয়ত সজাগতা সভা আৰু স্বাস্থ্য পৰীক্ষণ শিবিৰৰ আয়োজন কৰা হয়। সভাত বিবেকানন্দ বিদ্যাপীঠৰ প্ৰায় ৪৫০গৰাকী ছাত্ৰ-ছাত্ৰীক মানসিক ৰোগ আৰু যক্ষ্মা ৰোগৰ বিষয়ে সজাগ কৰাৰ উদ্দেশ্যে আজিৰ এই সভা অনুষ্ঠিত কৰা হয়। বিবেকানন্দ বিদ্যাপীঠ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক বিভিন্ন ৰোগৰ স্বাস্থ্য পৰীক্ষা কৰাৰ উপৰি হিম'গ্লবিন পৰীক্ষা কৰে আৰু বিনামূলীয়া ঔষধো যোগান ধৰে। অনুষ্ঠানত উপস্থিত থাকে ধুবুৰী চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ সামূহিক চিকিৎসক ডাঃ ছাদিক আহমেদ আৰু ডাঃ পৰশজ্যোতি বৰা, মানসিক চিকিৎসা বিভাগৰ ডাঃ শ্যামন্ত দাস আৰু ডাঃ ঈশ গাৰ্গৰ লগতে বিবেকানন্দ বিদ্যাপীঠ বিদ্যালয়ৰ পৰিচালনা কমিটীৰ সভাপতি অসীম ভট্টাচাৰ্য, প্ৰধান শিক্ষয়িত্ৰী তথা বিদ্যালয়ৰ সম্পাদক ডেজী ব্ৰহ্ম।

## কুলহাটী ৰাইজৰ উদ্যোগত শতবাৰ্ষিকী সাৰ্বজনীন দুৰ্গা পূজাৰ আয়োজন

■ ১১ দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰ প্ৰস্তুতি

অগ্ৰদূত বাৰ্তা

**হাজো, ১৬ ছেপ্টেম্বৰ ঃ** কামৰূপ জিলাৰ হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত কুলহাটী ৰাইজৰ শতবাৰ্ষিকী সাৰ্বজনীন শ্ৰীশ্ৰী দুৰ্গা পূজা এইবেলি অহা ২৫ ছেপ্টেম্বৰৰ পৰা পাঁচ অক্টোবৰলৈ বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব। ইতিমধ্যে শতবাৰ্ষিকী সাৰ্বজনীন দুৰ্গা পূজা পৰিচালনাৰ বাবে গোবিন্দ ভৰালীক সভাপতি, ধীৰেণ দাসক কাৰ্যকৰী সভাপতি, ৰমেন জ্যোতি দাস, দিলীপ ঠাকুৰীয়া আৰু হৰেন দাসক উপ-সভাপতি, মনোজ দাসক মুখ্য সম্পাদক, অৰূপজ্যোতি দাস, বেণুধৰ দাস আৰু যাদৱ দাসক সম্পাদকত্ৰয় ৰূপে লৈ গঠন কৰা হৈছে এখন উদ্‌যাপন সমিতি। কুলহাটী সাৰ্বজনীন দুৰ্গা মন্দিৰ প্ৰাংগণত আয়োজন কৰা শতবাৰ্ষিকী দুৰ্গা পূজাৰ প্ৰস্তুতি ইতিমধ্যে তুংগত কৰি তোলা পৰিলক্ষিত হৈছে। সেই অনুসৰি ২৫ অক্টোবৰৰ পৰা পুৱা কুলহাটী ৰাইজৰ পতাকা উত্তোলন কৰিব কুলহাটী গাঁও উন্নয়ন সমিতিৰ সভাপতি মনমোহন দাসে। শতবাৰ্ষিকী দুৰ্গা পূজাৰ পতাকা উত্তোলন কৰিব শতবাৰ্ষিকী দুৰ্গা পূজা পৰিচালনা সমিতিৰ সভাপতি গোবিন্দ ভৰালীয়ে। ধৰ্মধ্বজা উত্তোলন কৰিব উদ্যোগপতি তথা বন্যাৰ্তৰ বন্ধু বনমালী শৰ্মাই। বন্তি প্ৰজ্বলনত অংশগ্ৰহণ কৰিব কুলহাটী গাঁও উন্নয়ন সমিতিৰ সম্পাদক তপনজ্যোতি দাস আৰু শতবাৰ্ষিকী দুৰ্গা পূজা পৰিচালনা সমিতিৰ মুখ্য সম্পাদক মনোজ দাসে। ইয়াৰ পাছত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হ'ব। সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰিব হাজো বিধানসভা সমষ্টিৰ বিধায়িকা সুমন হৰিপ্ৰিয়াই। অনুষ্ঠানত অংশগ্ৰহণ কৰিব সামাজিক ন্যায় আৰু সৰলীকৰণ মন্ত্ৰী, ভাৰত চৰকাৰৰ প্ৰতিমা ভৌমিক, মঙলদৈ লোকসভা সমষ্টিৰ সাংসদ তথা বিজেপিৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক দিলীপ শইকীয়া আৰু বিশিষ্ট অভিনেত্ৰী আশা বৰদলৈয়ে। ইয়াৰ পাছতে প্ৰীতি ভোজন। বিয়লি 'মহালয়া' শীৰ্ষক আলোচনাচক্ৰ সঞ্চালনা কৰিব দমদমা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ গণেশ ১৩ পৃষ্ঠাত চাওক

## দেৰগাঁৱত আপৰ যোগদান কাৰ্যসূচী

**দেৰগাঁও, ১৬ ছেপ্টেম্বৰ ঃ** আম আদমী পাৰ্টিৰ ৰাজ্যিক আপ যুৱ শক্তিৰ উদ্যোগত আৰু দেৰগাঁও আপ যুৱ শক্তিৰ সহযোগত অহা ২৫ ছেপ্টেম্বৰত দেৰগাঁৱৰ ধেমাজিত এক বৃহৎ গণ যোগদান কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। দুপৰীয়া ১১ বজাৰ পৰা অনুষ্ঠিত হ'ব লগা অনুষ্ঠানত ৰাইজৰ উপস্থিতি কামনা কৰিছে আয়োজকসকলৰ হৈ ৰাজ্যিক যুৱ শক্তিৰ সাংগঠনিক সম্পাদক ছাকিল আহমেদ আৰু দেৰগাঁও বিধানসভা সমষ্টিৰ তত্ত্বাৱধায়ক প্ৰফুল্ল দত্তই। অনুষ্ঠান সম্পৰ্কত অধিক জানিবলৈ আগ্ৰহীসকলে ৯৮৭৮৪৫৭১৮৮/৯১০১৪৮৯৯৬৮ নম্বৰত যোগাযোগ কৰিব পাৰিব।

## অসমৰ বিভিন্ন প্ৰান্তলৈ গ্ৰন্থৰ চিৰন্তন আবেদন বিস্তাৰিত কৰাৰ লক্ষ্য

■ 'অসম গ্ৰন্থমেলা-ধেমাজি'ৰ প্ৰস্তুতি তুংগত

**গুৱাহাটী, ১৬ ছেপ্টেম্বৰ ঃ** অসমৰ বিভিন্ন প্ৰান্তৰলৈ গ্ৰন্থৰ চিৰন্তন আবেদন বিস্তাৰিত কৰাৰ লক্ষ্যৰে অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ যৌথ উদ্যোগত সম্প্ৰতি প্ৰস্তুত কৰি তোলা হৈছে এক সুদূৰপ্ৰসাৰী পৰিকল্পনা। মুখ্যমন্ত্ৰী ড° হিমন্তবিশ্ব শৰ্মা, শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ আগ্ৰহ আৰু পৰিকল্পিত আঁচনি অনুযায়ী অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ যৌথ উদ্যোগত এইবাৰ গুৱাহাটীকে ধৰি অসমৰ চাৰিটা স্থানত অসম গ্ৰন্থমেলাৰ আয়োজন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। সেই সিদ্ধান্ত অনুযায়ী অহা চাৰিৰ পৰা ১৩ নৱেম্বৰলৈ ধেমাজিৰ কাছাৰী ময়দানত 'অসম গ্ৰন্থমেলা-ধেমাজি' অনুষ্ঠিত হ'ব। অসম প্ৰকাশন পৰিষদৰ সচিব প্ৰমোদ কলিতাই আজি এক সংবাদ বিজ্ঞপ্তিত জনোৱা মতে 'অসম গ্ৰন্থমেলা-ধেমাজি'ৰ পাছতে অসম প্ৰকাশন পৰিষদ, সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থা আৰু অসম শৈক্ষিক কেন্দ্ৰৰ যৌথ উদ্যোগত অহা দুইৰ পৰা ১১ ডিচেম্বৰলৈ যোৰহাট কাছাৰী ময়দানত অনুষ্ঠিত হ'ব ১৩ পৃষ্ঠাত চাওক

## ১৯ ছেপ্টেম্বৰত কাৰ্যভাৰ গ্ৰহণ কৰিব নৱগঠিত পৰিচালনা সমিতিয়ে

■ অন্ত পৰাৰ দিশে আঠখেলীয়া নামঘৰৰ দুই পক্ষৰ দীৰ্ঘদিনীয়া সংঘাত



বিশেষ সংবাদদাতা

**নগাবাট, ১৬ ছেপ্টেম্বৰ ঃ** ঐতিহ্যমণ্ডিত আঠখেলীয়া নামঘৰ পৰিচালনাক লৈ দুই পক্ষৰ মাজত সংঘাত অব্যাহত থকাৰ মাজতে নৱগঠিত পৰিচালনা সমিতিয়ে ১৯ ছেপ্টেম্বৰত দায়িত্বভাৰ গ্ৰহণ কৰিব। পৰিচালনা সমিতিৰ নৱ নিৰ্বাচিত সভাপতি খগেন্দ্ৰ নাথ হাজৰিকাই এই কথা সদৰী কৰি সংবাদ মাধ্যমৰ আগত কয় যে আঠখেলীয়া নামঘৰৰ দীৰ্ঘদিনীয়া সংঘাতৰ অৱসান ঘটাই উচ্চ ন্যায়ালয়ৰ অনুমতি সাপেক্ষে যোৱা ন ছেপ্টেম্বৰত অনুষ্ঠিত হৈছিল এখন ৰাজহুৱা সভা। উক্ত সভাৰ জৰিয়তে আঠখেলীয়া নামঘৰৰ সৰল পূৰ্ণাংগ এখন পৰিচালনা সমিতি গঠন কৰা হৈছিল। খেলৰ প্ৰায় ২৫০ জন লোকৰ ১৩ পৃষ্ঠাত চাওক

## শিলপোতাবৰী হাইস্কুলত অভিভাৱক-অভিভাৱিকা সভা সম্পন্ন

■ খালী হৈ থকা শিক্ষক পদ পূৰণৰ বাবে কৰ্তৃপক্ষলৈ দাবী

অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ১৬ ছেপ্টেম্বৰ ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰৰ গুৱাকুছি গাঁৱত অৱস্থিত শিলপোতাবৰী হাইস্কুলৰ ছাত্ৰ-ছাত্ৰীৰ অভিভাৱক-অভিভাৱিকাসকলৰ উপস্থিতিত কালি এখন শৈক্ষিক সভা অনুষ্ঠিত হয়। বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি হৰেন্দ্ৰ নাথ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে পৰিচালনা সমিতিৰ সম্পাদক তথা ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক বাসৱ পাঠকে। সভাত উপস্থিত থাকি বিদ্যালয় পৰিচালনা সমিতিৰ উপ-সভাপতি মাধৱ ডেকাই বিদ্যালয়খনৰ শৈক্ষিক বিষয়ৰ ওপৰত বক্তব্য প্ৰদান কৰে। আনহাতে, সভাত সাংবাদিক তথা বিদ্যালয় পৰিচালনা সমিতিৰ সদস্য শ্বাহ আলম আহমেদে বিদ্যালয়খনত খালী হৈ থকা পদসমূহৰ কথা উল্লেখ কৰে। বিশেষকৈ আৰবী শিক্ষকৰ পদটো খালী হৈ থকা বাবে ছাত্ৰ-ছাত্ৰীসকলে বহু অসুবিধাৰ সন্মুখীন হৈ আহিছে বুলি কয়। এই ক্ষেত্ৰত বিভাগীয় কৰ্তৃপক্ষৰ ওচৰত শিক্ষক নিযুক্তিৰ বাবে বিদ্যালয়ৰ তৰফৰ পৰা দাবী দিয়া প্ৰয়োজন বুলিও সাংবাদিক আলমে সভাত কয়। সভাত অভিভাৱক তথা সমাজকৰ্মী চোহৰাব আলীয়ে বিদ্যালয়খনৰ শৈক্ষিক পৰিৱেশ ইয়াতকৈ অধিক উন্নত হ'ব লাগে বুলি কয়। বিদ্যালয়খনৰ পৰা এইবেলি হাইস্কুল শিক্ষান্ত পৰীক্ষাত ছাত্ৰ শ্বাহিদ আলমে যি উন্নত সাফল্য দেখুৱাই বিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিছে আৰু যি কেইগৰাকী ছাত্ৰ-ছাত্ৰীয়ে সাফল্য অৰ্জন কৰিবলৈ সক্ষম হৈছে আটাইলৈ শুভেচ্ছা জনায় সমাজকৰ্মী আলীয়ে পৰৱৰ্তী অধিক উন্নত ফলাফল কৰিবলৈ বিদ্যালয় কৰ্তৃপক্ষলৈ আহ্বান জনায়। সভাত উপস্থিত ১৩ পৃষ্ঠাত চাওক

## সাম্প্ৰদায়িক বিষবাষ্পৰ বিৰুদ্ধে সকলোৱে থিয় হওক ঃ অধ্যাপক তালুকদাৰ

■ জালাহৰ বি বি কিষাণ কলেজত ৪৪ সংখ্যক নৱাগত আদৰণি সভা

অগ্ৰদূত বাৰ্তা

**জালাহ, ১৬ ছেপ্টেম্বৰ ঃ** 'প্ৰায় চাৰিশ বছৰ পূৰ্বে ইংলেণ্ডৰ সমাজ ব্যৱস্থাত যিদৰে ঘূণে ধৰিছিল, তেনে ধৰণে এতিয়া আমাৰ সমাজ ব্যৱস্থাতো ঘূণে ধৰিছে। আমাৰ সংস্কৃতি বাহিৰলৈ গৈছে আৰু বাহিৰৰ সংস্কৃতিয়ে ভাৰতবৰ্ষ চানি ধৰিছে। তাৰ মাজতো ভাৰতৰ অৰ্থ ব্যৱস্থা কেনেকৈ টনকীয়াল হৈ আছে তাক ভাৰতৰ ঐক্যতাই প্ৰমাণ কৰে।' কালি বাগ্‌সা জিলাৰ জালাহস্থ অন্যতম উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান বি বি কিষান মহাবিদ্যালয়ৰ নৱাগত আদৰণি সভাৰ মুকলি সভাত নিৰ্দিষ্ট বক্তা হিচাপে ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক খনীন্দ্ৰ তালুকদাৰে এইদৰে কয়। তেওঁ লগতে কয় যে ছাত্ৰ-ছাত্ৰীসকলে ভাল শিক্ষা লাভৰ জৰিয়তে নিজক প্ৰতিষ্ঠা কৰি দেশৰ সেৱাত আত্মনিয়োগ কৰিব লাগে। তদুপৰি নিজৰ ঐতিহ্য-সংস্কৃতি কোনো কাৰণতে বিসৰ্জন নিদিবলৈ আহ্বান জনায়। বৰ্তমান মানুহৰ মানৱতাবোধ কিছু কম হোৱা যেন লাগে। ভগৱানে মানুহ সৃষ্টি কৰিছে। হিন্দু, মুছলমান বা সামাজিক বৈষম্য সৃষ্টি কৰা নাই। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক সাম্প্ৰদায়িক বিষবাষ্পৰ বিৰুদ্ধে থিয় দিবলৈও আহ্বান জনায়। তদুপৰি বৰ্তমান ভাৰতবৰ্ষত সকলো সুবিধা পৰ্যাপ্ত পৰিমাণে হোৱাৰ ফলত ৮০-৯০ৰ দশকত হোৱা ব্ৰেইন ড্ৰেইন নোহোৱা হৈছে। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কেশৱ বসুমতাৰীৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনত আদৰণি ভাষণ প্ৰদান কৰে ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক সীমান্ত দাসে। সভাত বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ পৰীক্ষাসমূহৰ উপনিয়ন্ত্ৰক তথা মহাবিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ ড° সঞ্জয় বড়োৱে মুখ্য ১৩ পৃষ্ঠাত চাওক



## ড° জ্যোতিপ্ৰসাদ শইকীয়াৰ নতুন গ্ৰন্থ 'প্ৰজ্ঞাৰ প্ৰভাৱ' উন্মোচন

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ১৫ ছেপ্টেম্বৰ ঃ** সতী সাধনী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য তথা প্ৰতিষ্ঠিত লেখক ড° জ্যোতিপ্ৰসাদ শইকীয়াৰ নতুন গ্ৰন্থ 'প্ৰজ্ঞাৰ প্ৰভাৱ' আজি উন্মোচন কৰে অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা খ্যাতনামা কথাশিল্পী ইমৰান শ্বাহে। শিৱসাগৰ চহৰৰ ধাই আলিত থকা কথা শিল্পীজনৰ বাসগৃহত এই উপলক্ষে অনুষ্ঠিত এক অনুষ্ঠানত শ্বাহে গ্ৰন্থখনি উন্মোচন কৰি কয় যে ড° জ্যোতিপ্ৰসাদ শইকীয়াই বিভিন্ন ব্যক্তিৰ জীৱন আৰু কৰ্মক প্ৰাধান্য দি এই গ্ৰন্থখনি ৰচনা কৰি উলিয়াইছে। যিখন গ্ৰন্থত ভালেসংখ্যক পৰিচিত ব্যক্তিৰ লগতে কে'বাগৰাকীও প্ৰচাৰ বিমুখ ব্যক্তিৰ জীৱন আৰু কৰ্মই স্থান লাভ কৰিছে। অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতিজনে শইকীয়াৰ কলমেদি অনেক মুল্যবান গল্প,কবিতা আৰু প্ৰবন্ধ নিগৰি ওলোৱাৰ কথা ব্যক্ত কৰে। তদুপৰি ভালেসংখ্যক গ্ৰন্থৰ লেখক শইকীয়াক তেওঁ উচ্চ প্ৰশংসা কৰি কয় যে তেওঁৰ এক নিজস্ব শৈলী আছে। নিজ ইচ্ছা মতে শৈশৱৰে পৰা কাম কৰে। সেই ধাৰা তেওঁ এতিয়ালৈকে অব্যাহত ৰাখিছে। যাৰ বাবে শইকীয়াই ইমানবোৰ গ্ৰন্থ ৰচনা কৰিবলৈ সক্ষম হোৱা বুলি শ্বাহে মন্তব্য কৰে। উল্লেখ্য যে মিত্ৰদেৱ মহন্ত, ডিম্বেশ্বৰ নেওগ, প্ৰহ্লাদ কুমাৰ বৰুৱা, ড° নগেন শইকীয়া, চৈয়দ আব্দুল মালিক, মাখন ভূঞা, বীৰেন বৰকটকী, ইমৰান শ্বাহকে ধৰি মুঠ ২২ গৰাকী লোকৰ জীৱন আৰু সৃষ্টি কৰ্মক প্ৰাধান্য দি 'প্ৰজ্ঞাৰ প্ৰভাৱ' নামৰ গ্ৰন্থখনি ৰচনা কৰা হৈছে। গ্ৰন্থখনিৰ ৰচক ড° শইকীয়াই অনুষ্ঠানত কয় যে সমাজ জীৱনত গুৰুত্বপূৰ্ণ ভুমিকা থকা ব্যক্তিসকলৰ জীৱন আৰু সৃষ্টি কৰ্মক প্ৰাধান্য দি পৰ্যয়ক্ৰমে 'প্ৰজ্ঞাৰ প্ৰভাৱ' প্ৰকাশ কৰা হ'ব। 'প্ৰজ্ঞাৰ প্ৰভাৱ' ৰচনাত শিল্পী সাহিত্যিকৰ পৰা আৰম্ভ কৰি সমাজৰ ১৩ পৃষ্ঠাত চাওক

## ড° জ্যোতিপ্ৰসাদ শইকীয়াৰ নতুন গ্ৰন্থ

*১২ পৃষ্ঠাৰ পৰা* বিভিন্ন ক্ষেত্ৰলৈ বৰঙনি আগবঢ়োৱা লোকক বিশেষভাৱে প্ৰাধান্য দিয়া হ'ব। ওৰেটো জীৱন সমাজৰ বিভিন্ন ক্ষেত্ৰৰ উন্নয়নৰ বাবে নিঃস্বাৰ্থভাৱে কাম কৰিও এন্ধাৰতেই থাকি যোৱা ভালেসংখ্যক লোকক ভৱিষ্যতে প্ৰকাশ হ'ব লগীয়া গ্ৰন্থখনৰ খণ্ডসমূহত পৰ্যায়ক্ৰমে স্থান দিয়া হ'ব বুলি দোহাৰি তেওঁ কয়, 'শিল্পৰ লগতে শিল্পীকো মই শ্ৰদ্ধা কৰোঁ। সেইবাবেই শিল্পকৰ্মৰ লগত জড়িত শিল্পীক এই গ্ৰন্থত প্ৰাধান্য দিয়া হৈছে।' অনুষ্ঠানত উপস্থিত থকা গড়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ তথা বিশিষ্ট নিৰন্ধকাৰ ড° সব্যসাচী মহন্তই জ্যোতিপ্ৰসাদ শইকীয়াক উচ্চ প্ৰশংসা কৰে। ভাষণ প্ৰসংগত তেওঁ বহু মেধা আৰু প্ৰতিভাসম্পন্ন লোক আৰ্থিক দৈন্যতাৰ বাবে এটা সময়ত নিৰাশ হোৱাৰ কথা ব্যক্ত কৰে। তেওঁ ভাষণ প্ৰসংগত নতুন প্ৰজন্মক সাহিত্য চৰ্চা অব্যাহত ৰখাৰ বাবে আহ্বান জনায়। তদুপৰি ইতিপূৰ্বে অৰ্থনৈতিকভাৱে প্ৰতিষ্ঠা লাভ কৰা সকলক এই ক্ষেত্ৰত অধিক গুৰুত্ব দিয়াৰ আহ্বান জনায়। অনুষ্ঠানত শিৱসাগৰ জিলা সাহিত্য সভাৰ উপ-সভাপতি তথা বিশিষ্ট লেখক ড° প্ৰশান্ত চুতীয়া, বিদ্যুৎ বিকাশ শইকীয়া, চাৰু প্ৰসাদ শইকীয়া, ফৰিদ আখটাৰ খান আৰু ইমানু শ্বাহ উপস্থিত থাকে।

## ১৯ ছেপ্টেম্বৰত কাৰ্যভাৰ গ্ৰহণ কৰিব

*১২ পৃষ্ঠাৰ পৰা* উপস্থিতিত আৰু বিপক্ষৰ কোনো প্ৰতিদ্বন্দ্বী নথকাৰ বাবে বিনা প্ৰতিদ্বন্দ্বিতাৰে পূৰ্ণাংগ সমিতিখন গঠন কৰা হয়। সেইদিনাই নৱ গঠিত সমিতিখনে কাৰ্যভাৰ ল'ব লাগিছিল যদিও পৱিত্ৰ ভাদৰ নাম চলি থকাৰ বাবে নামত ব্যাঘাত জন্মিব বুলি সেই কাৰ্য কৰা নহ'ল। এতিয়া যিহেতু ভাদ মাহ শেষ হৈ আহিছে। সেইবাবে নৱ নিৰ্বাচন পৰিচালনা সমিতিয়ে কাৰ্যভাৰ গ্ৰহণ কৰিবলৈ সিদ্ধান্ত লোৱা হৈছে। সকলো খেলুৱৈ ৰাইজৰ উপস্থিতিত নামঘৰত গৈ কাৰ্যভাৰ লোৱা হ'ব বুলি প্ৰকাশ কৰে সভাপতিজনে। বৰ্তমানেও নামঘৰ চলাই থকা কৰ্ণধাৰ সমিতিখনৰ সন্দৰ্ভত সভাপতি হাজৰিকাই আৰু কয় যে উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ মৰ্মে এইখন পৰিচালনা সমিতি গঠন হৈছে। এই পৰিচালনা সমিতিখনে কাৰ্যভাৰ লোৱাৰ পাছতে কৰ্ণধাৰ সমিতি নামঘৰৰ পৰা অপসাৰিত হ'ব। সেইখন কৰ্ণধাৰ সমিতিক আঠখেলীয়া ৰাইজেতো বাদেই ন্যায়ালয়েও অবৈধ হিচাপে ঘোষণা কৰিছে বুলি প্ৰকাশ কৰে সভাপতি হাজৰিকাই। উল্লেখ্য যে কৰ্ণধাৰ সমিতিয়ে কিছুদিনৰ পূৰ্বে এখন সংবাদমেল আয়োজন কৰি পূৰ্বৰ পৰিচালনা সমিতিৰ লগতে একাংশ বিষয়বীয়াৰ বিৰুদ্ধে বিভিন্ন অভিযোগ উত্থাপিত কৰিছিল। আজি নৱগঠিত পৰিচালনা সমিতিখনে এখন সংবাদমেলৰ জৰিয়তে সকলো অভিযোগৰ প্ৰত্যুত্তৰ দিয়ে। দুই পক্ষৰ এনেবোৰ অভিযোগ-প্ৰতিঅভিযোগ বৰ্তমানেও অন্ত পৰা নাই যদিও ১৯ ছেপ্টেম্বৰত গোলাঘাট জিলাৰ প্ৰশাসনৰ সহযোগত নৱগঠিত সমিতিখনে দায়িত্বভাৰ লোৱাৰ পাছত দীৰ্ঘদিনীয়া বিতৰ্কৰ অন্ত পৰাৰ সম্ভাৱনা আছে। অৱশ্যে কৰ্ণধাৰ সমিতিৰ ভূমিকা সময়তহে স্পষ্ট হ'ব।

## কুলহাটী ৰাইজৰ উদ্যোগত শতবাৰ্ষিকী

*১২ পৃষ্ঠাৰ পৰা* চন্দ্ৰ দাসে। সন্ধিয়া মৰমী শইকীয়া আৰু ডালিমী পাটোৱাৰীৰ দ্বাৰা পৰিৱেশিত নাগাৰা নাম উদ্বোধন কৰিব চিৰিশ পাঠকে। ২৬ ছেপ্টেম্বৰৰ পুৱা আয়তীসকলৰ নাম-প্ৰসংগ, বৃক্ষৰোপণ, ৰাজহুৱা সভা, আৰতি আৰু সন্ধিয়া সদৌ অসম ভিত্তিত আধুনিক নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ২৭ ছেপ্টেম্বৰৰ পুৱা আয়তীসকলৰ নাম-প্ৰসংগ, সৰু ল'ৰা-ছোৱালীৰ চিত্ৰাংকন প্ৰতিযোগিতা, সদৌ অসম ভিত্তিত দিহানাম প্ৰতিযোগিতা আৰু সন্ধিয়া আৰতি, ২৮ ছেপ্টেম্বৰৰ পুৱা আয়তীসকলৰ নাম। বিয়লি 'সমাজ গঠনত নাৰীৰ ভূমিকা' শীৰ্ষক আলোচনাচক্ৰ উদ্বোধন কৰিব ৰিণিকি ভূএগ্রা শৰ্মাই। সন্ধিয়া আৰতি আৰু স্থানীয় শিল্পীৰ গীত-মাত-নৃত্য প্ৰদৰ্শন হ'ব। ২৯ ছেপ্টেম্বৰৰ পুৱা আয়তীৰ নাম। বিয়লি কৃতী ছাত্ৰ-ছাত্ৰী আৰু বীৰ সৈনিক ৰমেশ চন্দ্ৰ কোচক সম্বৰ্ধনা জনোৱা হ'ব। সন্ধিয়া আৰতি আৰু স্থানীয় শিল্পীৰ গীত-মাত পৰিবেশন কৰা হ'ব। ৩০ ছেপ্টেম্বৰৰ পুৱা আয়তীসকলৰ নাম, বিয়লি বিয়া নাম প্ৰতিযোগিতা, আই নাম প্ৰতিযোগিতা, নাগাৰা নাম আৰু সন্ধিয়া আৰতি। এক অক্টোবৰৰ পুৱা আয়তীৰ নাম, পাছত 'সনাতন ধৰ্মত দুৰ্গা পূজাৰ মহত্ব' শীৰ্ষক আলোচনাচক্ৰ, স্মৃতিগ্ৰন্থ উন্মোচন। সন্ধিয়া বিল্ব বোধন, কল্পাৰম্ভ, ষষ্ঠীৰ বিহিত পূজা দেৱীৰ আমন্ত্ৰণ আৰু শিল্পীৰ গীত পৰিবেশন। দুই অক্টোবৰৰ পৰা জলাৰোহণ, সপ্তমী বিহিত পূজা আৰম্ভ, আমন্ত্ৰিত অতিথিৰ অভ্যৰ্থনা, আয়তীৰ নাম, মহাভোগ বিতৰণ, ওজাপালি, সন্ধিয়া আৰতি আৰু গামোচা মিনি থিয়েটাৰৰ নাট্যাভিনয়। তিনি অক্টোবৰৰ পুৱা জলাৰোহণ অনুষ্ঠান, মহাষ্টমীৰ বিহিত পূজা, আয়তীৰ নাম, হোমযজ্ঞ, মহাভোগ বিতৰণ, ওজাপালি, আৰতি আৰু সন্ধিয়া ৰাজনন্দিনী ভ্ৰাম্যমাণ নাট্যদলৰ নাট্যাভিনয়। চাৰি অক্টোবৰৰ পুৱা মহানৱমীৰ বিহিত পূজা আৰম্ভ, জলাৰোহণ অনুষ্ঠান, আয়তীৰ নাম, মহাভোগ বিতৰণ, ওজাপালি, আৰতি আৰু নিশাৰ সাংস্কৃতিক অনুষ্ঠানত গীতালি কাকতি, আচুৰ্য বৰপাত্ৰই গীত পৰিৱেশন কৰিব। পাঁচ অক্টোবৰৰ পুৱা দশমীৰ বিহিত পূজাৰম্ভ, ৰাজহুৱা সভা, স্বচ্ছতাৰ বঁটা প্ৰদান আৰু দেৱীৰ প্ৰতিমা লৈ শোভাযাত্ৰা আৰু কলাজল নৈত প্ৰতিমা বিসৰ্জন দিয়া হ'ব। সমূহ কাৰ্যসূচীত ৰাইজৰ সহায়-সহযোগিতা উদ্‌যাপন সমিতিয়ে কামনা কৰিছে।

## সত্ৰীয়া ঐক্য মঞ্চৰ সাংস্কৃতিক মহাসভা

*১২ পৃষ্ঠাৰ পৰা* সভাতে গঠন কৰা হয়। সভাপতি ভুৱনেশ্বৰ কলিতা, ৰাজ্যসভাৰ সাংসদ, কাৰ্যকৰী সভাপতি প্ৰাক্তন আয়ুক্ত পৰমেশ্বৰ দত্ত, উপ-সভাপতি মোহন মালাকাৰ, অঞ্জলি বৰঠাকুৰ, অপূৰ্ব বল্লভ গোস্বামী, প্ৰধান সম্পাদক ডিম্বেশ্বৰ দাস, সহযোগী সম্পাদকদ্বয় অমল মহন্ত আৰু ড° খগেন্দ্ৰ নাথ শৰ্মা, যুটীয়া সহকাৰীসকলৰ ভিতৰত মুকুন্দ বৰ্মন, বৰীশ শইকীয়াকে ধৰি ভালেকেইজন সহকাৰী সম্পাদক মনোনীত কৰা হৈছে। উক্ত বিষয়ববীয়াসকলৰ উপৰি ভালেকেইজন প্ৰশাসনিক বিষয়া-মন্ত্ৰী মণ্ডলীক পৃষ্ঠপোষক কৰি ৰখাৰ বিষয়ে সভাত সৰ্বসন্মতিক্ৰমে প্ৰস্তাৱ গ্ৰহণ কৰা হয়। ইয়াৰ উপৰি কাৰ্যকৰী সমিতিৰ উদ্যোগত প্ৰতিখন জিলাতে একোখনকৈ জিলা সমিতি গঠন কৰিবলৈ সভাই প্ৰস্তাৱ গ্ৰহণ কৰে।

## শিলপোতাবৰী হাইস্কুলত অভিভাৱক

*১২ পৃষ্ঠাৰ পৰা* বুলি কৈ শিক্ষক কলিতাই ছাত্ৰ-ছাত্ৰীসকলৰ নিজ নিজ প্ৰতিভা আছে বুলিও মন্তব্য কৰে। আনহাতে, বিদ্যালয়খনলৈ নতুনকৈ নিযুক্ত হৈ অহা শিক্ষয়িত্ৰী বিজুলী দেৱীও নিজৰ শিক্ষকতা দিনৰ অভিজ্ঞতাসমূহ দাঙি ধৰে। ছাত্ৰ-ছাত্ৰীৰ সাফল্যৰ বাবে অভিভাৱক-অভিভাৱিকাসকলক বেছিকৈ সচেতন হৈ থাকিবলৈ শিক্ষয়িত্ৰী দেৱীয়ে আহ্বান জনায়। বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক প্ৰদীপ শৰ্মাৰ লগতে শিক্ষয়িত্ৰী নাচিৰা চুলতানা, লীনা দেৱী , কাকলি খনিকৰ , নতুনকৈ নিযুক্ত হোৱা শিক্ষয়িত্ৰী পপী পাটোৱাৰী উপস্থিত থকা সভাত কাৰ্যালয় সহায়ক প্ৰাঞ্জল ভূএগ্রাই বিদ্যালয়ৰ অভাৱ-অভিযোগসমূহ পূৰণ কৰাৰ বাবে বিভাগীয় কৰ্তৃপক্ষৰ স'তে যোগাযোগ কৰিছে বুলি মন্তব্য কৰে। সভাৰ শেষত পৰিচালনা সমিতিৰ সভাপতি হৰেন্দ্ৰ নাথ শৰ্মাই হাইস্কুল শিক্ষান্ত পৰীক্ষাত যাতে বিদ্যালয়খনৰ ফলাফল এশ শতাংশই উত্তীৰ্ণ হয় তাৰ প্ৰতি গুৰুত্ব দিবলৈ শিক্ষক-শিক্ষয়িত্ৰীসকললৈ আহ্বান জনায়।

## শক্তি বিভাগে গ্ৰাহকৰ ঘৰলৈ প্ৰেৰণ

*১২ পৃষ্ঠাৰ পৰা* গ্ৰহণ কৰিব। গতিকে তাৰ পূৰ্বেই গ্ৰাহকসকললৈ অত্যাধিক বিল প্ৰেৰণ কৰি বিভাগটোৱে অতিষ্ঠ কৰাৰ প্ৰচেষ্টা চলাইছে। ১৫০০ কিম্বা ২০০০ টকা বিলৰ পৰিৱৰ্তে আঠ বা ১০ হাজাৰ টকাৰ বিল পৰিশোধ কৰিবলৈ পালে গ্ৰাহকে কোনো ধৰণৰ প্ৰতিবাদ নকৰাকৈ প্ৰিপেইড পদ্ধতিৰ মিটাৰ লগাবলৈ বাধ্য হ'ব। ইয়াৰ সমান্তৰালভাৱে একাংশ বিষয়াই অধিক ৰাজহ সংগ্ৰহ কৰাৰ অচিলাৰে শিৱসাগৰতেই পুনৰ খুঁটি পুতি বহাৰ সুযোগ পাব। উল্লেখ্য যে কোনো কোনো গ্ৰাহকৰ ঘৰলৈ যোৱা দুই তিনিমাহৰ পূৰ্বে বিদ্যুৎ বিভাগে প্ৰেৰণ কৰা বিলত পূৰ্বৰ মিটাৰ ৰিডিঙৰ নম্বৰ আৰু সংশ্লিষ্ট মাহৰ বিল পৰীক্ষা কৰাৰ সময় সংগ্ৰহ কৰা মিটাৰৰ ইউনিটৰ নম্বৰো একেই হিচাপে উল্লেখ পাইছে। তৎসত্বেও গ্ৰাহকৰ পৰা বিভাগটোৱে প্ৰেৰণ কৰা বিল অনুসৰিয়েই ধন আদায় লোৱাৰ গুৰুতৰ অভিযোগ উঠিছে। জিলাখনৰ অনেক গ্ৰাহকৰ পৰা ইয়াৰ পূৰ্বেও বিভাগটোৱে বৃহৎ অংকৰ ধন বিল হিচাপে আদায় লোৱা তথ্য পোহৰলৈ আহিছে। শক্তি বিভাগৰ বিষয়া -কৰ্মচাৰীৰ মতে মিটাৰৰ ৰিডিং অনুসৰিয়েই তেওঁলোকে বিল প্ৰেৰণ কৰিছে। কিন্তু বাহিৰৰ ৰাজ্যত নিম্নমানৰ বুলি নাকচ কৰা বিদ্যুৎ মিটাৰ অসমৰ গ্ৰাহকসকলৰ ঘৰত লগোৱাৰ পিছত উক্ত মিটাৰৰ ৰিডিং কিমান শুদ্ধ হ'ব তাক লৈ প্ৰশ্ন উঠিছে।

## সাম্প্ৰদায়িক বিষবাষ্পৰ বিৰুদ্ধে সকলোৱে

*১২ পৃষ্ঠাৰ পৰা* অতিথি হিচাপে ভাষণ আগবঢ়ায়। ভাষণত তেওঁ কয় ছাত্ৰ-ছাত্ৰীসকলে সামাজিক মাধ্যম ব্যৱহাৰ কৰি সক্ৰিয় হৈ থাকিলেও কোনো ধৰণৰ বিতৰ্কমূলক বিষয়ত সোমাই পৰিব নালাগে। সভাত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকি আবছুৰ বাগ্‌সা জিলাৰ সাধাৰণ সম্পাদক নন্দেশ্বৰ বড়োৱে গুণগত শিক্ষা লাভৰ বাবে ছাত্ৰ-ছাত্ৰীসকলক আগবাঢ়ি আহিবলৈ আহ্বান জনায়। সভাত আমন্ত্ৰিত অতিথি হিচাপে অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ ৰাজ্যিক যুটীয়া সম্পাদক হেৰম্ভ মোহন উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীসকলক নিয়মানুবৰ্তিতা বজাই ৰাখি সাতামপুৰুষীয়া ভাৰতীয় সভ্যতা-সংস্কৃতি টনকিয়াল কৰিবলৈ আহ্বান জনায়। সভাত কলেজখনৰ পৰা ৭০ শতাংশৰো অধিক নম্বৰ লাভ কৰি স্নাতক ডিগ্ৰী লাভ কৰা বাবে মুঠ ৭২ গৰাকী শিক্ষাৰ্থীক গামোচা, কলম, মানপত্ৰ আৰু অভিধান প্ৰদান কৰি সম্বৰ্ধনা জনায়। তদুপৰি মহাবিদ্যালয়ৰ ছাত্ৰী লতিকা বড়োৱে আন্তঃজিলা কাবাড়ী প্ৰতিযোগিতাত বাগ্‌সা জিলাক প্ৰতিনিধিত্ব কৰা আৰু ৩০ অসম বেটেলিয়ন এন চি চিৰ কেডেটসকলে ৰঙিয়াত অনুষ্ঠিত হোৱা বাৰ্ষিক শিবিৰত বিশেষ পাৰদৰ্শিতা প্ৰদৰ্শন কৰা ভলীবল খেলুৱৈসকলক গামোচা আৰু মানপত্ৰৰে সম্বৰ্ধনা জনায়। তদুপৰি মহাবিদ্যালয়খনৰ বুৰঞ্জী বিভাগৰ সহযোগী অধ্যাপক ড° দেৱান নজৰুল কাদেৰকো ডি লিট ডিগ্ৰী লাভ কৰাৰ বাবে সম্বৰ্ধনা জনায়। ইয়াৰ আগেয়ে পুৱা অধ্যক্ষ ড° কেশৱ বসুমতাৰীয়ে পতাকা উত্তোলন, ৰাজনীতি বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক মনজিত কুমাৰ দাসে স্মৃতি তৰ্পণ আৰু জ্যেষ্ঠ সহায়ক প্ৰদীপ দাসে বৃক্ষৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰে। ইয়াৰ পাছত ছাত্ৰ-ছাত্ৰীসকলে এটা অন্তৰংগ আদৰণি অনুষ্ঠান অনুষ্ঠিত কৰে।

## কোকৰাঝাৰৰ যান-জঁট চম্ভালাৰ নামত

*১২ পৃষ্ঠাৰ পৰা* আৰু যিসকল কোকৰাঝাৰত আছে তেওঁলোকৰ নিযুক্তি কোকৰাঝাৰতে হ'ব বুলিও তেওঁলোকে দাবী উত্থাপন কৰিছে।

উল্লেখ্য যে চহৰখনৰ বিভিন্ন স্থানত ট্ৰেফিকৰ দায়িত্ব পালন কৰা উক্ত অপ্ৰশিক্ষিত যুৱক-যুৱতীসকলৰ ভুল নিৰ্দেশনাত যান-জঁটৰ সৃষ্টি হোৱাৰ লগতে সময়ৰ অপব্যৱহাৰ হোৱাৰ অভিযোগ উঠা পৰিলক্ষিত হৈছে। তদুপৰি ট্ৰেফিক চম্ভালাৰ নামত একাধিক যুৱক-যুৱতী নিবিষ্টমনে ম'বাইল পিটিকি থকা আৰু যান-বাহন আহিলে ব্যতিব্যস্ত হৈ পৰা দৃষ্টিকটু দৃশ্য এতিয়া চহৰবাসীৰ ববে পৰিচিত দৃশ্য হৈ পৰিছে।

মন কৰিবলগীয়া কথা এয়ে যে কোকৰাঝাৰ চহৰৰ বিভিন্ন অঞ্চলত ট্ৰেফিক সেৱাৰ নামত প্ৰশিক্ষণ ল'বলৈ অহা যুৱকসকলৰ সৰহ সংখ্যকৰে মাতৃভাষা বাংলা আৰু তেওঁলোক পশ্চিমবংগৰ পৰা অহা। কিন্তু কোকৰাঝাৰ জিলা উপায়ুক্তৰ কাৰ্যালয়, কোকৰাঝাৰ জিলা আৰক্ষী অধীক্ষক প্ৰতীক বিজয় কুমাৰ থুবে আৰু জিলা পৰিবহণ বিভাগৰ মুৰব্বী বিষয়াৰ স'তে বেচৰকাৰী সংস্থাৰ দ্বাৰা নিয়োজিত ট্ৰেফিকসকলৰ সন্দৰ্ভত কোনো তথ্য তেওঁলোকৰ জ্ঞাত নহয় বুলি স্পষ্ট কৰি দিয়াত ৰহস্যৰ সৃষ্টি কৰিছে। এইখিনিতে প্ৰশ্নৰ উত্থাপন হৈছে যে কাৰ নিৰ্দেশত চহৰখনত নতুন দিল্লীৰ নেছনেল ছেল্ফ এমপ্লইমেণ্ট কাউঞ্চিল নামৰ বেচৰকাৰী সংস্থাটোৰ সদস্যসকলক ট্ৰেফিকৰ দায়িত্ব চম্ভালিব দিয়া হৈছে। তদুপৰি যদিহে জিলা প্ৰশাসন, আৰক্ষী বিভাগ আৰু পৰিবহণ বিভাগ এই বিষয়ত অজ্ঞ তেন্তে কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই কিয়?

বিশেষকৈ অসমৰ নিবনুৱা যুৱক-যুৱতী কৰ্মসংস্থাপন বিচাৰি বহিঃৰাজ্যলৈ গৈ বিভিন্ন সমস্যাৰ সন্মুখীন হ'বলগীয়া হয়, এনেকি প্ৰধানমন্ত্ৰীৰ আঁচনিৰ নামত বহিঃৰাজ্যত সংস্থাপিত হ'বলৈ গৈ পতিতালয়ৰ পৰা উদ্ধাৰ হৈছে তেনে ক্ষেত্ৰত বহিঃৰাজ্যৰ যুৱক-যুৱতীক ট্ৰেফিকৰ নামত নিয়োগ কৰাৰ ষড়যন্ত্ৰ চলিছে নেকি বুলি একাংশ মহলে শীঘ্ৰে বিটিচি চৰকাৰ-জিলা প্ৰশাসনক ব্যৱস্থা গ্ৰহণ কৰাৰ দাবী তুলিছে।

# শান্তি চুক্তি স্বাক্ষৰ কৰি উভতি অহা বিৰছা কমাণ্ডো ফ'ৰ্চৰ নেতৃত্বক চিৰাঙত সুন্দৰীত আদৰণি

### আদিবাসীসকলক এই চুক্তিয়ে সুকীয়া পৰিচয় প্ৰদানৰ লগতে উন্নয়ন কৰিব ঃ দুৰ্গা হাছদা

**অগ্ৰদূত বাৰ্তা**

**কাজলগাঁও, ১৬ ছেপ্টেম্বৰ ঃ** অসমৰ আদিবাসীসকলৰ যুদ্ধ বিৰতিত থকা পাঁচটাকৈ সশস্ত্ৰ সংগঠনৰ নেতৃত্বই নতুন দিল্লীত কেন্দ্ৰীয় চৰকাৰৰ স'তে শান্তি চুক্তি স্বাক্ষৰ কৰি উভতি অহাত চিৰাঙৰ সুন্দৰী আৰু চম্পা বজাৰত ব্যাপক আদৰণি জনায় আদিবাসী জনতাই। সুন্দৰীত আদিবাসী বিভিন্ন দল-সংগঠনৰ নেতৃত্বই ফুলাম গামোচাৰে আদৰণি জনায় শান্তিচুক্তি স্বাক্ষৰকাৰী বিৰছা কোমাণ্ডো ফ'ৰ্চৰ নেতৃত্বক। আদিবাসী সশস্ত্ৰ সংগঠন বিৰছা কমাণ্ডো ফ'ৰ্চৰ সভাপতি দুৰ্গা হাছদা, সাধাৰণ সম্পাদক লকেন্দ্ৰ হেমব্ৰম, মুখ্য সেনাধ্যক্ষ সুভাস তিৰ্কি, উপ-সেনাধ্যক্ষ বিজয় সেশেক জিলাৰ সুন্দৰীত ঢোলে-ডগৰে, নাচি-বাগি ফটকা ফুটাই আদৰণি জনোৱা পৰিলক্ষিত হয়। আদৰণি অনুষ্ঠানত উপস্থিত হৈ বিৰছা কমাণ্ডো ফ'ৰ্চৰ সভাপতি দুৰ্গা হাছদাই কয়, এই চুক্তি স্বাক্ষৰে অসমত আদিবাসীসকলক এটা নিজস্ব পৰিচয় প্ৰদান কৰিছে। এই চুক্তিয়ে আদিবাসীসকলক জনজাতিকৰণ কৰিব আৰু আদিবাসী উন্নয়ন পৰিষদ গঠন হ'ব। বনাঞ্চলৰ



আদিবাসীসকলক ভূমিপট্টা দিব, সশস্ত্ৰ সংগঠনৰ সদস্যসকলে কৰ্মসংস্থাপন লাভ কৰিব। স্বাধীনতাৰ ৭৬ বছৰ পাছত আদিবাসীসকলে এই চুক্তিৰ জৰিয়তে সুকীয়া পৰিচয় পালে। চাহ জনজাতিৰ নামত যি ৰাজনীতি হৈ আছিল সেয়া দিল্লীতে কাটি থৈ আহিলো বুলি মন্তব্য কৰে দুৰ্গা হাছদাই। বিৰছা কমাণ্ডো ফ'ৰ্চৰ মুখ্য সেনাধ্যক্ষ সুভাস তিৰ্কি, বীৰ সিং মুণ্ডায়ে কয় যে আদিবাসীসকলৰ মুক্তিৰ কাৰণে তেজ দিয়াসকলৰ তেজৰ মূল্য আমি দিব নোৱাৰিলেও কিছু এটা কৰিবলৈ আগবাঢ়িছো এই চুক্তিৰ জৰিয়তে। দীৰ্ঘদিনৰ মূৰত আদিবাসীসকলে এই চুক্তিৰ জৰিয়তে সংবিধান প্ৰদত্ত এটা পৰিচয় লাভ কৰিছে। জনজাতিকৰণৰ বিষয়টো চুক্তিত সন্নিবিষ্ট কৰিছে। কম দিনৰ ভিতৰতে জনজাতিকৰণ হ'ব আদিবাসীসকল। সশস্ত্ৰ সংগ্ৰামীসকলক কৰ্মসংস্থাপন দিয়া, আদিবাসী উন্নয়ন পৰিষদ গঠন কৰা, এহেজাৰ কোটিৰ বিশেষ পেকেজ এই চুক্তিত ঠাই পাইছে। এই চুক্তিৰে আমি আমাৰ জনগোষ্ঠীয় কলা-সংস্কৃতি, পৰিচয় ৰক্ষা কৰিবলৈ সক্ষম হ'ম। ইয়াৰ বাবে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰক ধন্যবাদ জ্ঞাপন কৰে বীৰসিং মুণ্ডাই। এই আদৰণি অনুষ্ঠানত কুঞ্জুৰ সাহিত্য সভা, আছা, চাওতাল সাহিত্য সভা, মুণ্ডা সাহিত্য সভা, চাওতাল ছাত্ৰ সন্থাকে আদি কৰি বিভিন্ন দল-সংগঠনৰ কে'বাশ লোক উপস্থিত থাকে। একেদৰে জিলাখনৰ চম্পা বজাৰত চুক্তি স্বাক্ষৰকাৰী কোব্ৰা মিলিটেন্ট ফ'ৰ্চৰ নেতৃত্বক আদৰণি জনায় আদিবাসী জনতা আৰু বিভিন্ন দল-সংগঠনে। কোব্ৰা মিলিটেন্টৰ নেতা জেব্ৰিয়াছ খাখাই আদৰণি অনুষ্ঠানত কয়, আদিবাসীসকলৰ জাতীয় অস্তিত্ব ৰক্ষাৰ বাবে হাতত অস্ত্ৰ তুলি লৈ এসময়ত যুদ্ধ বিৰতিত আহিছিলো আৰু এটা সপোন আছিল শান্তি চুক্তিৰ। বৃহস্পতিবাৰে সেই বহু আকাংক্ষিত শান্তি চুক্তি হ'ল য'ত আদিবাসীসকলৰ সুকীয়া পৰিচয়ৰ লগতে বহু সা-সুবিধা সন্নিবিষ্ট আছে। সংগঠনটোৰ নেতা বাদল টুডুয়ে কয়, এই চুক্তি এক ঐতিহাসিক চুক্তি। যাৰ জৰিয়তে আদিবাসীসকলে সুকীয়া পৰিচয় লাভৰ লগতে নিজৰ অস্তিত্ব, সুৰক্ষা আৰু উন্নয়নৰ পোহৰ লাভ কৰিব। অনুষ্ঠানত হেজাৰৰো অধিক বিভিন্ন আদিবাসী দল-সংগঠনৰ নেতৃত্বই উপস্থিত থকা পৰিলক্ষিত হয়।

## চিথিলাত প্ৰধানমন্ত্ৰীৰ পুত্তলিকা দাহ আক্ৰাছুৰ

**অগ্ৰদূত বাৰ্তা**

**চিথিলা, ১৬ ছেপ্টেম্বৰ ঃ** ভাৰত চৰকাৰৰ কেবিনেট পাঁচ ৰাজ্যৰ ১২ টা জনগোষ্ঠীক জনজাতিকৰণৰ মৰ্যাদা প্ৰদান কৰাৰ পাছত অসমৰ ছয় জনগোষ্ঠীক বঞ্চিত কৰাত জাঙুৰ খাই উঠিছে বিভিন্ন দল-সংগঠন। ইতিমধ্যে বিভিন্ন জনগোষ্ঠীয় সংগঠনসমূহে বিভিন্ন ধৰণৰ কাৰ্যসূচী অনুষ্ঠিত কৰি আছে ঠিক তেনেদৰে আদি আক্ৰাছু আৰু চিলাৰায় সেনাই ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ পুত্তলিকা দাহ কৰি প্ৰতিবাদ সাব্যস্ত কৰে। অসমৰ ছয় জনগোষ্ঠীক জনজাতিকৰণ নকৰাত চিথিলা বজাৰৰ তিনিআলিত ভাৰতৰ প্ৰধানমন্ত্ৰীৰ পুত্তলিকা দাহ কৰে আক্ৰাছুৱে। উক্ত পুত্তলিকা দাহ অনুষ্ঠানত 'আক্ৰাছু জিন্দাবাদ, বিজেপি চকৰাৰ মিছলীয়া, নৰেন্দ্ৰ মোদী মুৰ্দাবাদ' আদি ধ্বনি দিয়ে। থানাৰ সন্মুখত পুত্তলিকা দাহ কৰি প্ৰতিবাদ সাব্যস্ত কৰি চিলাৰায় সেনাৰ সেনাধ্যক্ষ ৰাজু কুমাৰ বৰ্মনে সংবাদ মাধ্যমৰ আগত কয় যে যদি চৰকাৰে এনে প্ৰতাৰণা কৰে, তেনেহ'লে অনাগত দিনত পথ অৱৰোধ, অনিৰ্দিষ্ট কাল বন্ধৰ দৰে কাৰ্যসূচী হাতত ল'ব বুলিও প্ৰকাশ কৰে।

## ধিং প্ৰেছ ক্লাবত চুৰিকাণ্ড

### ■ অপৰাধী ধৰাৰ নামত শূন্যতে গদা ঘূৰাইছে ধিং আৰক্ষীয়ে

**অগ্ৰদূত বাৰ্তা**

**ধিং, ১৬ ছেপ্টেম্বৰ ঃ** ধিং প্ৰেছ ক্লাবত যোৱা নিশা এক চুৰিকাণ্ড সংঘটিত হয়। এই ঘটনাক কেন্দ্ৰ কৰি বৰ্তমানে সমগ্ৰ অঞ্চলটোতে তীব্ৰ প্ৰতিক্ৰিয়া অব্যাহত আছে। উল্লেখ্য যে নিশা চোৰে ধিং প্ৰেছ ক্লাবৰ দুৱাৰৰ তলা ভাঙি ক্লাবৰ ইনভাৰ্টাৰ আৰু বেটাৰী লৈ যায়। ক্লাবৰ ভিতৰৰ কম্পিউটাৰকে ধৰি আন মূল্যবান বস্তু আছিল যদিও চোৰে কেৱল ইনভাৰ্টাৰ আৰু বেটাৰী লৈ যায়। পুৱা ক্লাবৰ সদস্যসকল আহি দুৱাৰৰ তলা ভঙা অৱস্থাত দেখি লগে লগে আৰক্ষীক খবৰ দিয়াত ধিং আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ অনুসন্ধান আৰম্ভ কৰিছে যদিও বৰ্তমানলৈকে চুৰি ঘটনাৰ লগত জড়িত এজনকো বৰ্তমানলৈকে কৰায়ত্ত কৰিবলৈ সক্ষম হোৱা নাই। ইফালে, আজিৰ পৰা ছমাহ পূৰ্বেও ধিং প্ৰেছ ক্লাবৰ পৰা এনেদৰেই তলা ভাঙি এটা এলইডি টিভি চুৰি কৰি নিয়ে যদিও আজি পৰ্যন্ত ধিং আৰক্ষীয়ে সেই ঘটনাৰ লগত জড়িত এজনো অভিযুক্তক আজিলৈকে কৰায়ত্ত কৰিবলৈ সক্ষম নহ'ল। কেৱল সেয়াই নহয় ধিং অঞ্চলত বিগত কিছুদিন ধৰি সঘনাই দিন দুপৰতে সংঘটিত হৈ অহা চুৰি ঘটনাক লৈ এজনো অপৰাধী আটক কৰিবলৈ সক্ষম নহ'ল ধিং আৰক্ষী। যাক লৈ এতিয়া উদ্বিগ্ন হৈ পৰিছে ধিঙৰ সংবাদ মহল। অপৰাধী ধৰাৰ নামত এতিয়া শূন্যতে গদা ঘূৰাই থকা পৰিলক্ষিত হৈছে ধিং আৰক্ষী। ইফালে, অহা ৩৬ ঘণ্টাৰ ভিতৰত ধিং আৰক্ষীয়ে চোৰক কৰায়ত্ত কৰাৰ আশ্বাস প্ৰদান কৰিছে ধিং প্ৰেছ ক্লাবক। ধিং প্ৰেছ ক্লাবত সঘনাই সংঘটিত হৈ অহা চুৰি কাণ্ড ঘটনাৰ লগত জড়িতক ধিং আৰক্ষীয়ে কৰায়ত্ত কৰিবলৈ সক্ষম হ'বনে সেয়া পৰৱৰ্তী সময়ত লক্ষ্যণীয় হ'ব।

## গোৱালপাৰাত শাৰদীয় দুৰ্গোৎসৱৰ প্ৰশাসন-পূজা সমিতিৰ বৈঠক

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ১৬ ছেপ্টেম্বৰ ঃ** আগন্তুক শাৰদীয় দুৰ্গোৎসৱৰ সন্দৰ্ভত আজি গোৱালপাৰা জিলা উপায়ুক্তৰ কাৰ্যালয় প্ৰেক্ষাগৃহত জিলা প্ৰশাসন, সংশ্লিষ্ট বিভাগ আৰু গোৱালপাৰা পৌৰসভা অঞ্চলৰ পূজা কমিটীৰ বিষয়ববীয়াসকলৰ লগত এখনি সভা অনুষ্ঠিত হয়। অতিৰিক্ত উপায়ুক্ত ৰঞ্জিত কোঁৱৰৰ সভাপতিত্বত অনুষ্ঠিত সভাত দুৰ্গা পূজাৰ সময়ত শান্তি-শৃংখলা বজাই ৰাখি নিয়াৰিকৈ উদ্‌যাপন কৰা ব্যৱস্থা কৰা হয়। সেই মতে পূজা আয়োজক সমিতিয়ে পূজা অনুষ্ঠিত কৰিবৰ বাবে প্ৰয়োজনীয় অনুমতি জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰসাসনৰ পৰা আগতীয়াকৈ ল'ব লাগিব। প্ৰতিটো পূজা মণ্ডপত চিচি টিভি কেমেৰা স্থাপন কৰাৰ লগতে প্ৰতিখন পূজা মণ্ডপত পুৰুষ আৰু মহিলাসকলৰ বাবে পৃথকে পৃথকে প্ৰৱেশ আৰু প্ৰস্থানৰ ব্যৱস্থা কৰিব লাগিব। বিসৰ্জনৰ সময়ত প্ৰতিমাসমূহ পূজা মণ্ডপৰ পৰা ১-৩০ বজাৰ আগতেই বিসৰ্জন ঘাটলৈ নিয়াৰ ব্যৱস্থা কৰিব লাগিব। প্ৰতিখন পূজা মণ্ডপতে অগ্নিনিৰ্বাপক সামগ্ৰী উপলব্ধ কৰাটো বাধ্যতামূলক। পূজাৰ সময়ছোৱাত যাতে বিদ্যুৎ সেৱা ব্যাহত নহয়, সুৰক্ষাৰ দিশত যাতে কোনো ত্ৰুটি নহয়, যাতায়াতৰ ক্ষেত্ৰত যাতে কোনো অসুবিধা নহয় তাৰ বাবে সংশ্লিষ্ট বিভাগসমূহক অতিৰিক্ত উপায়ুক্তই আহ্বান জনায় বুলি জিলা তথ্য আৰু জনসংযোগ বিভাগে এক বিবৃতিযোগে সদৰী কৰে।

## অসমৰ বিভিন্ন প্ৰান্তলৈ গ্ৰন্থৰ

*১২ পৃষ্ঠাৰ পৰা* 'অসম গ্ৰন্থমেলা-যোৰহাট'। এই গ্ৰন্থমেলা পৰিসমাপ্তিৰ পাছতে অহা ২৯ ডিচেম্বৰৰ পৰা ন জানুৱাৰীলৈ অনুষ্ঠিত হ'ব গুৱাহাটীৰ চানমাৰিস্থিত অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠান খেলপথাৰত 'অসম গ্ৰন্থমেলা-গুৱাহাটী'। এই গ্ৰন্থমেলাৰ সফল সামৰণিৰ পাছত ফেব্ৰুৱাৰীত শেষৰখন গ্ৰন্থমেলা অনুষ্ঠিত হ'ব বঙাইগাঁৱত। প্ৰকাশন পৰিষদৰ সচিবে আৰু জনোৱা মতে, 'অসম গ্ৰন্থমেলা-ধেমাজি'ৰ বাবে ইতিমধ্যে যাৱতীয় প্ৰস্তুতি পূৰ্ণগতিত চলিছে। ধেমাজিত প্ৰথমবাৰৰ বাবে আয়োজন কৰিবলৈ লোৱা 'অসম গ্ৰন্থমেলা-ধেমাজি'ৰ কাৰ্যসূচী প্ৰস্তুতি, অতিথি নিমন্ত্ৰণ তথা বিপণী আৱণ্টনৰ প্ৰক্ৰিয়া ইতিমধ্যে আৰম্ভ কৰা হৈছে। এই প্ৰক্ৰিয়া অনুযায়ী 'অসম গ্ৰন্থমেলা-ধেমাজি'ত অংশগ্ৰহণ কৰিব বিচৰা ইচ্ছুক গ্ৰন্থ প্ৰকাশক তথা বিক্ৰেতাসকলে বিপণীৰ বাবে অহা ১৯ ছেপ্টেম্বৰৰ পৰা অসম প্ৰকাশন পৰিষদৰ বামুণীমৈদামস্থিত কাৰ্যালয়, সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ পাণবজাৰস্থিত কাৰ্যালয় নতুবা অসম প্ৰকাশন পৰিষদৰ ৱেবছাইট www.publicationboradassam.com -ৰ পৰা ডাউনলোড কৰি আৱেদন-পত্ৰ সংগ্ৰহ কৰি অহা ১০ অক্টোবৰৰ ভিতৰত জমা দিব লাগিব। গ্ৰন্থমেলা সন্দৰ্ভত সবিশেষ জানিবৰ বাবে—বিশেষ কৰ্তব্যৰত বিষয়া, অসম প্ৰকাশন পৰিষদ, বামুণীমৈদাম, গুৱাহাটী-২১ ফোন ঃ ৯১-৯৮৬৪৬-৫১২৭১ নাইবা সাধাৰণ সম্পাদক, সদৌঅসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থা, পাণবজাৰ গুৱাহাটী-১ ফোন ঃ ৯১-৮৬৩৮৭-৩১৬৫৯ এই ঠিকনাত যোগাযোগ কৰিব পাৰিব।

### বঙাইগাঁৱত প্ৰধানমন্ত্ৰী-মুখ্যমন্ত্ৰীৰ পুত্তলিকা দাহ

## জনজাতিকৰণৰ ক্ষেত্ৰত চৰকাৰৰ প্ৰতাৰণাৰ প্ৰতিবাদ

**অগ্ৰদূত ব্যুৰ'**

**বঙাইগাঁও, ১৬ ছেপ্টেম্বৰ ঃ** দীৰ্ঘদিন ধৰি জনজাতিকৰণৰ মৰ্যাদা বিচাৰি আন্দোলন কৰি অহা অসমৰ কোচ ৰাজবংশী জনগোষ্ঠীকে ধৰি ছয় জনগোষ্ঠীক জনজাতিকৰণৰ ক্ষেত্ৰত কেন্দ্ৰ আৰু ৰাজ্যৰ বিজেপি নেতৃত্বাধীন চৰকাৰে প্ৰতাৰণা কৰি অহাত ক্ষুব্ধ হৈ পৰিছে আক্ৰাছু। শেহতীয়াভাৱে কেন্দ্ৰীয় কেবিনেটে পাঁচখন ৰাজ্যৰ কে'বাটাও জনগোষ্ঠীক জনজাতিকৰণৰ মৰ্যাদা প্ৰদান কৰাৰ বাবে নতুনকৈ অনুমোদন জনোৱাৰ বিপৰীতে অসমৰ ছয় জনগোষ্ঠীৰ জনজাতিকৰণক লৈ চৰকাৰে বাৰে বাৰে আভুৱাভাঁৰি অহাত ক্ষোভত ফাটি পৰিছে আক্ৰাছু। সাব্যস্ত কৰিছে প্ৰতিবাদ। শুকুৰবাৰেও আক্ৰাছুৱে জনজাতিকৰণৰ দাবীত তথা চৰকাৰৰ প্ৰতাৰণাৰ বিৰুদ্ধে বঙাইগাঁও চহৰত প্ৰধানমন্ত্ৰী আৰু মুখ্যমন্ত্ৰীৰ পুত্তলিকা দাহ কৰি প্ৰতিবাদ সাব্যস্ত কৰে। আক্ৰাছুৰ বঙাইগাঁও জিলা সমিতিৰ উদ্যোগত বঙাইগাঁও চহৰৰ মাজমজিয়াৰ মূল ৰাজপথত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ পুত্তলিকা দাহৰ লগতে ভাৰত চৰকাৰ মুৰ্দাবাদ, নৰেন্দ্ৰ মোদী মুৰ্দাবাদ, হিমন্ত বিশ্ব শৰ্মা মুৰ্দাবাদ, ন'এছটি ন' ৰেষ্ট, অসম চৰকাৰ হায় হায়, নৰেন্দ্ৰ মোদী হায় হায়, হিমন্ত বিশ্ব শৰ্মা হায় হায়, অসম চৰকাৰ লেই লেই চেই চেই, ন' কমতাপুৰ ন' ৰেষ্ট আদি বিভিন্ন শ্ল'গান দি ৰাজপথ উত্তাল কৰি তোলে। ইপিনে, প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰি আক্ৰাছুৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি দ্বীপেন পাঠকে কয় যে কেন্দ্ৰীয় চৰকাৰৰ কেবিনেটে নতুনকৈ যিকেইটা জাতি-জনগোষ্ঠীক জনজাতিকৰণৰ বাবে অনুমোদন জনাইছে তাক আমি আদৰণি জনাইছো। কিন্তু তাৰ লগে লগে অসমৰ কোচ ৰাজবংশীকে ধৰি ছয় জনগোষ্ঠীক জনজাতিকৰণৰ ক্ষেত্ৰত দীৰ্ঘদিন ধৰি যি প্ৰতাৰণা কৰি আহিছে তাক আমি ধিক্কাৰ আৰু গৰিহণা দিছো। লগতে আমি প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীক সকীয়াই দিছো যে তেওঁ আমাক দিয়া প্ৰতিশ্ৰুতি অতিশীঘ্ৰে পূৰণ কৰক। অন্যথা আমি জংগী আন্দোলন গঢ়ি তোলাৰ বাবে প্ৰস্তুত আছো আৰু তাৰ ফলত উদ্ভৱ হ'ব পৰা যিকোনো পৰিস্থিতিৰ বাবে প্ৰধানমন্ত্ৰী আৰু মুখ্যমন্ত্ৰী জগৰীয়া হ'ব বুলি সকীয়াই দিয়ে । আনহাতে, জিলা আক্ৰাছুৰ কাৰ্যকৰী সভাপতি ৰবীন বৰ্মনে কয় যে কেন্দ্ৰীয় চৰকাৰৰ কেবিনেটে পাঁচখন ৰাজ্যৰ কে'বাটাও জনগোষ্ঠীক নতুনকৈ জনজাতিৰ মৰ্যাদা প্ৰদানৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে; কিন্তু অতি তাৎপৰ্যৰ কথা যে অসমৰ ছয় জনগোষ্ঠীয়ে দীৰ্ঘদিনৰ পৰা আন্দোলন কৰি অহা সত্বেও জনজাতিকৰণৰ ক্ষেত্ৰত ভাৰত চৰকাৰ আৰু অসম চৰকাৰে কেৱল ব্লেকমেইলিং কৰি আহিছে। চৰকাৰৰ এই কাৰ্যক আমি ধিক্কাৰ জনাইছো। যেতিয়া বিধানসভা আৰু লোকসভা নিৰ্বাচন আহিলে নিৰ্বাচনী ইস্তাহাৰত তেওঁলোকে কোচ ৰাজবংশীকে ধৰি ছয় জনগোষ্ঠীক জনজাতিকৰণ কৰিব বুলি উল্লেখ কৰে। আনকি নৰেন্দ্ৰ মোদীয়ে বঙাইগাঁৱলৈ নিৰ্বাচনী প্ৰচাৰৰ বাবে অহাৰ সময়তো চৰকাৰ গঠন কৰিলে তিনিমাহৰ ভিতৰত জনজাতিকৰণৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছিল; কিন্তু কেৱল ব্লেকমেইলিং কৰি অহাৰ বাহিৰে আজিলৈকে কোনো বাস্তৱ পদক্ষেপ গ্ৰহণ কৰা দেখা নগ'ল। জাতি-জনগোষ্ঠীক এইদৰে কিমান দিনলৈ ব্লেকমেইলিং কৰিব? সেয়ে অনাগত লোকসভা আৰু বিধানসভা নিৰ্বাচনৰ সময়ত আক্ৰাছুৱে ব্লেক মেইলিং কৰি অহাসকলৰ বিৰোধিতা কৰিবলৈ প্ৰতিজ্ঞাবদ্ধ বুলি কয়। লগতে তীব্ৰ আন্দোলন গঢ়ি তোলাৰো হুংকাৰ দিয়ে। প্ৰতিবাদী কাৰ্যসূচীত আক্ৰাছুৰ জিলা সমিতিৰ বিষয়ববীয়া আৰু কৰ্মীয়ে অংশগ্ৰহণ কৰে ।

## কোচ ৰাজবংশী সাহিত্য পৰিষদ গঠনাৰ্থে কাইলৈ দোলাইগাঁৱত অভিৱৰ্তন

**অগ্ৰদূত ব্যুৰ'**

**বঙাইগাঁও, ১৬ ছেপ্টেম্বৰ ঃ** কোচ ৰাজবংশী জাতীয় পৰিষদৰ উদ্যোগত কোচ ৰাজবংশী ভাষা-সাহিত্য চৰ্চা, গৱেষণা, অধ্যয়ন, বিস্তাৰ আৰু উন্নয়নৰ স্বাৰ্থত কোচ ৰাজবংশী সাহিত্য পৰিষদ গঠনাৰ্থে অহা ১৮ ছেপ্টেম্বৰৰ পুৱা ১০ বজাত বঙাইগাঁও নগৰৰ নিকটৱৰ্তী দোলাইগাঁও মাজপাৰাস্থিত জনতা ক্লাবত এখন অভিৱৰ্তন অনুষ্ঠিত হ'ব বুলি আহ্বায়ক সমিতিৰ মুখ্য উপদেষ্টা নৃপেন চন্দ্ৰ ৰায় আৰু আহ্বায়ক উপেন বৰুৱাই এক বিবৃতিযোগে জানিবলৈ দিছে। সাম্প্ৰতিক কোচ ৰাজবংশী ভাষাক কেন্দ্ৰ কৰি উদ্ভৱ হোৱা বিতৰ্কৰ ওৰ পেলাই সকলো শ্ৰেণীৰ কোচ ৰাজবংশী ৰাইজৰ এক সৰ্বসন্মত গ্ৰহণযোগ্য মান্য ভাষা নিৰ্ধাৰণৰ দৰে গুৰুত্বপূৰ্ণ বিষয়সমূহ অভিৱৰ্তনৰ বিশেষ আলোচ্য বিষয়ত থাকিব বুলিও মুখ্য আহ্বায়কগৰাকীয়ে সদৰী কৰি অভিৱৰ্তনত কোচ ৰাজবংশী জনগোষ্ঠীৰ বিদ্বৎ সমাজ, সাহিত্যিক, শিক্ষাবিদ, সমাজকৰ্মীৰ লগতে কোচ ৰাজবংশীৰ সচেতন লোকসকলক উপস্থিত থাকিবলৈ আহ্বান জনাইছে।

## মাদলৰ ধ্বনি, ঝুমুৰৰ নৃত্য-গীতেৰে মুখৰিত ডিগাৰুৰ বামুণখাট

### ■ পাঁচদিনীয়া কৰম উৎসৱৰ সামৰণি

**অগ্ৰদূত বাৰ্তা**

**সোণাপুৰ, ১৬ ছেপ্টেম্বৰ ঃ** মাদলৰ ছন্দময় ধ্বনি, চাহ জনগোষ্ঠীয় ডেকা-ডেকেৰীৰ লয়লাস নৃত্য-গীতেৰে মুখৰিত হৈ পৰিল ডিগাৰুৰ বামুণখাট ক্ষেত্ৰ। বিগত বৰ্ষবোৰৰ দৰে এইবেলিও আটছাৰ বামুণখাট উপ-শাখা সমিতি, অসম চাহ জনজাতি মহিলা সমিতি (আটুৱা) ডিমৰীয়া শাখা সমিতিৰ উদ্যোগত আৰু কে'বাখনো উপ-শাখা সমিতিৰ সহযোগত চাহ জনগোষ্ঠীসকলৰ অন্যতম কৃষিভিত্তিক তথা লখিমী আদৰা উৎসৱ কৰম পূজা ব্যাপক উলহ-মালহেৰে ডিগাৰুৰ বামুণখাটত উদ্‌যাপন কৰা হয়। উল্লেখ্য যে যোৱা ১১ ছেপ্টেম্বৰৰ পৰা পাঁচ দিনীয়াকৈ অনুষ্ঠিত সপ্তম বাৰ্ষিকী কৰম পূজাৰ কালি সফলতাৰে সামৰণি পৰে। মূলতঃ সমাজৰ পৰা অসূয়া-অপ্ৰীতি বিনাশ হোৱা, ধৰিত্ৰীৰ উৰ্বৰা শক্তি বৃদ্ধিৰ কামনাৰে চাহ জনগোষ্ঠীয় ৰাইজে ভাদ মাহৰ পঞ্চমী তিথিৰ দিনা আৰু আহিন মাহত পৃথকে পৃথকে যুগ যুগ ধৰি কৰম দেৱতাক পূজা-অৰ্চনা কৰি আহিছে। এই উপলক্ষে কালি সন্ধিয়া সমূহীয়াভাৱে নাচি-



বাগি পৰম্পৰাগত ৰীতি-নীতিৰে পূজাথলীত কৰম ডাল প্ৰতিষ্ঠা কৰা হয়। ইয়াৰ পাছতে ধূপ-নৈবেদ্য, জনগোষ্ঠীয় ৰীতি-নীতিৰে পূজা ভাগ সম্পূৰ্ণ কৰাৰ পাছতে পূজা বেদীৰ চাৰিওফালে জনগোষ্ঠীৰ লোকসকলে সমূহীয়াভাৱে মাদলৰ তালে তালে ঝুমুৰ নৃত্য পৰিৱেশন কৰে। উল্লেখ্য যে এইবেলি ডিমৰীয়াত পালিত কৰম উৎসৱত ৰাজ্যৰ ভিন্ন প্ৰান্তৰ কে'বাটাও বাছকবনীয়া ঝুমুৰ নৃত্য দলে অংশগ্ৰহণ কৰে। এই সন্দৰ্ভত উদ্‌যাপন সমিতিৰ সম্পাদক তথা প্ৰাক্তন আটছা নেতা ৰাজেশ গোৱালাই কয় যে চাহ জনগোষ্ঠীৰ নৱপ্ৰজন্মক জাতিটোক ঐতিহ্য, পৰম্পৰা, আদিক চা-চিনাকিৰ লগতে সামাজিক, ৰাজনৈতিক, শৈক্ষিক তথা সাংস্কৃতিকভাৱে সচেতন কৰাৰ উদ্দেশ্যৰে এনে উৎসৱৰ আয়োজন কৰা হৈছে। তদুপৰি ইয়াৰ দ্বাৰা ডিমৰীয়াৰ চাহ জনগোষ্ঠীৰ লোকসকলক ঐক্যবদ্ধ কৰাৰ প্ৰচেষ্টা চলোৱাৰ কথাও তেওঁ অৱগত কৰে। ইফালে, সামৰণি অনুষ্ঠানত প্ৰাক্তন মন্ত্ৰী পৃথ্বী মাঝি, স্থানীয় বিধায়ক অতুল বৰা, তিৱা পৰিষদৰ কাৰ্যনিৰ্বাহক সদস্য জবা ইংতি, আটছাৰ কেন্দ্ৰীয় সমিতিৰ সহকাৰী সম্পাদক সুনীল তিৰ্কী প্ৰমুখ্যে বিশিষ্ট লোকসকল উপস্থিত থাকে।



*গুৱাহাটীত চলি থকা পূব মণ্ডল মহিলা বক্সিঙৰ এটি মুহূৰ্ত, শুকুৰবাৰে।*

# কাছাৰৰ লেনৰোলৰ সম্পূৰ্ণ পইণ্ট

## ৭৪সংখ্যক স্বাধীনতা দিৱস কাপ ফুটবল ঃ সঞ্জীৱন সমাজৰ পৰাজয়

অগ্ৰদূত বাৰ্তা

**বেৰেজীয়া, ১৬ ছেপ্টেম্বৰ ঃ** নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত পূৰ্ণগতিত চলি থকা ৭৪সংখ্যক সৰ্বভাৰতীয় আমন্ত্ৰণমূলক স্বাধীনতা দিৱস কাপ প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেল লীগৰ এখন খেলত আজি কাছাৰৰ লেনৰোল এফচিয়ে নগাঁৱৰ সঞ্জীৱন সমাজক ১-০ গ'লত হৰুৱাই সম্পূৰ্ণ পইণ্ট অৰ্জন কৰিছে। তুমূল প্ৰতিদ্বন্দ্বিতামূলক দিবা-নৈশ খেলখনৰ ২৪ মিনিটতে কাপউজানে লেনৰোল এফচিৰ হৈ বিজয়সূচক গ'লটো দিয়ে। সতীৰ্থ পাউলিয়ানে কৰ্ণাৰৰ পৰা বিপক্ষৰ বক্সত দিয়া বলটো সুযোগসন্ধানী কাপউজানে হেড কৰি নেটত আশ্ৰয় দিয়ে। বিৰতিৰ পাছতে নগএঞা দলটোৰ খেলুৱৈসকলে সংঘবদ্ধভাৱে খেলি বিপক্ষৰ ৰক্ষণ বিভাগত কে'বাটাও আক্ৰমণ ৰচনা কৰিছিল যদিও গ'ল দিয়াত ব্যৰ্থ হয়। খেলখন পৰিচালনা কৰাত ৰেফাৰী পবিত্ৰ বৰাক সহায় কৰে ৰূপম বৰদলৈ, নিৰ্মল ভটাচাৰ্য আৰু ঘনশ্যাম দাসে (চতুৰ্থ)। এই প্ৰতিযোগিতাৰ কাইলৈ কোৱাৰ্টাৰ ফাইনেল লীগৰ খেলত যোৱাবাৰৰ ৰাণাৰ্ছআপ কেৰালা ইউনাইটেড এফচিয়ে আছাম ৰাইফলছৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। খেলৰ সময় বিয়লি ৪-৩০ বজা।



# বিদায়ী 'প্ৰতিপক্ষ বন্ধু' ফেডেৰাৰলৈ আবেগিক বাৰ্তা প্ৰেৰণ কৰিলে নাডালে

নিউজ ব্যুৰ'

**মাদ্ৰিদ, ১৬ ছেপ্টেম্বৰ ঃ** টেনিছৰ পৰা অৱসৰ ঘোষণা কৰাৰ পাছতে ৰজাৰ ফেডেৰাৰলৈ আবেগিক বাৰ্তা প্ৰেৰণ কৰিলে 'প্ৰতিপক্ষ বন্ধু' ৰাফেল নাডালে। স্পেনিছ তাৰকাজনে উল্লেখ কৰিছে যে এই দিনটো আহক বুলি তেওঁ কেতিয়াও ভবা নাছিল। উল্লেখ্য যে বুধবাৰে বিশ্ব টেনিছৰ অন্যতম শ্ৰেষ্ঠ খেলুৱৈ ফেডেৰাৰে অৱসৰ লোৱাৰ কথা ঘোষণা কৰে। আগন্তুক লেভাৰ কাপৰ পাছতে তেওঁ টেনিছ ৰেকেট আঁতৰাই থ'ব। ২০টা গ্ৰেণ্ড শ্লামৰ অধিকাৰীজনৰ এই ঘোষণাৰ পাছতে তেওঁৰ কেৰিয়াৰৰ প্ৰধান প্ৰতিদ্বন্দ্বী নাডালে টুইট যোগে নিজৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰে। ফেডেৰাৰক নিজৰ 'বন্ধু' আৰু 'প্ৰতিপক্ষ' বুলি অভিহিত কৰি নাডালে টুইটত লিখিছে, 'এই দিনটো আহক বুলি কেতিয়াও ভবা নাছিলো। মোৰ আৰু সমগ্ৰ ক্ৰীড়া জগতৰ বাবেই বৰ দুখৰ দিন। তোমাৰ স'তে ইমান বছৰ খেলিব পৰাটো সঁচাকৈয়ে বৰ সন্মানজনক। ক'ৰ্ট আৰু ক'ৰ্টৰ বাহিৰত আমি অনেক মধুৰ সময় অতিবাহিত কৰিছো।' উল্লেখ্য যে আঘাতৰ বাবে ফেডেৰাৰে যোৱা বছৰৰ উইম্বলডনৰ পৰাই টেনিছৰ পৰা আঁতৰি আছে। সম্প্ৰতি সুস্থ হৈ উঠিছে যদিও হঠাৎ তেওঁ অৱসৰৰ সিদ্ধান্ত লয়। বিশ্ব টেনিছত ফেডেৰাৰ আৰু নাডালৰ প্ৰতিদ্বন্দ্বিতাই সম্প্ৰতি কাব্যিক ৰূপ পাইছে। পৰস্পৰৰ বিপক্ষে ৪০খন মেচ খেলিছে তেওঁলোকে। ইয়াৰে ২৪খনত নাডাল আৰু ১৬খনত ফেডেৰাৰ জয়ী হৈছে।



# পূৱ যোৰহাট উপ-ক্ৰীড়া সন্থা ছেমিফাইনেলত

**যোৰহাট, ১৬ ছেপ্তেম্বৰ ঃ** যোৰহাট জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত যোৰহাট ষ্টেডিয়ামত অনুষ্ঠিত হোৱা উপ-ক্ৰীড়া সন্থা লীগ ফুটবল প্ৰতিযোগিতাৰ আজি 'বি' গ্ৰুপৰ খেলখন পশ্চিম যোৰহাট উপ-ক্ৰীড়া সন্থা আৰু পূৱ যোৰহাট উপ-ক্ৰীড়া সন্থাৰ মাজত অনুষ্ঠিত হ'বলগীয়া আছিল। অৱশ্যে পশ্চিম যোৰহাট উপ-ক্ৰীড়া সন্থা উপস্থিত নথকাৰ বাবে পূৱ যোৰহাট উপ-ক্ৰীড়া সন্থাক বিজয়ী ঘোষণা কৰা হয়। ফলত 'বি' গ্ৰুপৰ পৰা ইতিমধ্যে উত্তৰ পূৱ যোৰহাট উপ-ক্ৰীড়া সন্থা আৰু পূৱ যোৰহাট উপ-ক্ৰীড়া সন্থা উভয় দলে লীগৰ ছয় পইন্ট লাভ কৰি ছেমিফাইনেলত উপনীত হৈছে। ১৮ ছেপ্টেম্বৰত উত্তৰ পূৱ উপ-ক্ৰীড়া সন্থাই উত্তৰ পশ্চিম উপ-ক্ৰীড়া সন্থাৰ বিপক্ষে খেলিব।

# দুলিয়াজান অইলৰ অগ্ৰগতি

## শ্ৰেষ্ঠ খেলুৱৈ মিলন বসুমতাৰী

অগ্ৰদূত বাৰ্তা

**টংলা, ১৬ ছেপ্টেম্বৰ ঃ** ডিমাকুছি এবছু আৰু ইয়াৰ ক্ৰীড়া সন্থাৰ যৌথ উদ্যোগত চলি থকা ৰূপালী জয়ন্তী বৰ্ষ বড়োলেণ্ড গেলেন্টছ গ'ল্ড কাপ ফুটবল প্ৰতিযোগিতাৰ আজিৰ খেলত দুলিয়াজান অইলে জয় লাভ কৰিছে। ডিমাকুছি ষ্টেডিয়ামত অনুষ্ঠিত আজিৰ খেলত দুলিয়াজান অইলে ডিমাকুছি উশ্ৰু ক্লাবক ৩-০ গ'লত পৰাস্ত কৰি অগ্ৰগতি অৰ্জন কৰে। দুলিয়াজান অইলৰ হৈ সুৱাগ ছেত্ৰীয়ে ৩২ মিনিটত, মিলন বসুমতাৰীয়ে ৪৩ মিনিটত আৰু গেৰেমচা বসুমতাৰীয়ে ৫৮ মিনিটত এটাকৈ গ'ল দিয়ে। অইলৰ মিলন বসুমতাৰীয়ে খেলখনৰ শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান অৰ্জন কৰে।

# ফ্ৰেণ্ডছ ছেমিফাইনেলত

অগ্ৰদূত বাৰ্তা

**পুৰণিগুদাম, ১৬ ছেপ্টেম্বৰ ঃ** নগাঁও জিলাৰ বঢ়মপুৰ সমষ্টিৰ অন্তৰ্গত ভোটাইগাঁৱৰ ভোটাই ডেকা খেলপথাৰত চলি থকা প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত এখন কোৱাৰ্টাৰ ফাইনেল খেলত ফ্ৰেণ্ডছ ক্লাব, ভোটাইগাঁৱে ইটাপাৰা ফুটবল ক্লাবক ৩-০ গ'লৰ ব্যৱধানত পৰাজিত কৰি ছেমিফাইনেলত প্ৰৱেশ কৰে। কাইলৈ অনুষ্ঠিত হ'বলগীয়া অন্তিমখন কোৱাৰ্টাৰ ফাইনেলত কাৰ্বি আংলঙৰ ছাইনিং ষ্টাৰ ফুটবল ক্লাবে ফাইভ এফচি, ভোটাইগাঁৱৰ বিপক্ষে খেলিব।

# ভালুকডুবি পৰৱৰ্তী ৰাউণ্ডত

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ১৬ ছেপ্টেম্বৰ ঃ** গোৱালপাৰা জিলাৰ ডুবাপাৰা উচ্চ মাধ্যমিক বিদ্যালয়ৰ ক্ৰীড়াংগণত চলি থকা ৩৫সংখ্যক ডুবাপাৰা আঞ্চলিক ফুটবল প্ৰতিযোগিতাৰ আজিৰ খেলত ভালুকডুবি ফুটবল ক্লাবে বহতী শালমাৰাৰ মীটআপ ফুটবল ক্লাবক টাইব্ৰেকাৰ পদ্ধতিৰে ৪-৩ গ'লৰ ব্যৱধানত পৰাজিত কৰি পৰৱৰ্তী ৰাউণ্ডত প্ৰৱেশ কৰে। নিৰ্ধাৰিত সময়ত ১-১ গ'লত খেলখন ড্ৰ হোৱাত টাইব্ৰেকাৰৰ সহায় লোৱা হৈছিল।

# লক্ষীবাৰীত গ্ৰাম্য আন্তঃক্লাব ফুটবল

অগ্ৰদূত বাৰ্তা

**ফৰকাটিং, ১৬ ছেপ্টেম্বৰ ঃ** গোলাঘাট জিলাৰ লক্ষীবাৰী অঞ্চলৰ অগ্ৰণী ক্ৰীড়া অনুষ্ঠান পূবেৰুণ বয়জ ক্লাবৰ উদ্যোগত আৰু স্থানীয় ক্ৰীড়াপ্ৰেমী ৰাইজৰ সহযোগত লক্ষীবাৰী ৰাজহুৱা খেলপথাৰত অহা সাত অক্টোবৰৰ পৰা ১৬ অক্টোবৰলৈ গ্ৰাম্য আন্তঃক্লাব ফুটবল প্ৰতিযোগিতা-২০২২ অনুষ্ঠিত কৰা হৈছে। আয়োজক সমিতিয়ে জনোৱা মতে, চূড়ান্ত খেলৰ বিশেষ আকৰ্ষণৰূপে খেল সম্ৰাট নয়নমণি শইকীয়া আৰু নৰজিৎ নাৰ্জাৰী উপস্থিত থাকিব। সবিশেষ জানিবলৈ ৬০০৩৯-০৭২৮৯ আৰু ৯৭০৬৩-৭৯৮০৮ দূৰভাষ নম্বৰত যোগাযোগ কৰিব পাৰিব।

# ভূপেন দাস ফুটবলত বৰনগৰ এফচিৰ জয়

অগ্ৰদূত বাৰ্তা

**হাউলী, ৰছ ছেপ্টেম্বৰ ঃ** হাউলী ক্ৰীড়া সন্থাৰ উদ্যোগত চলি থকা ড° ভূপেন দাস সোঁৱৰণী প্ৰথম বাৰ্ষিক ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত খেলত বৰনগৰ এফচিয়ে ২-০ গ'লৰ ব্যৱধানত জয়লাভ কৰে। স্থানীয় চণ্ডী বৰুৱা ষ্টেডিয়ামত অনুষ্ঠিত উক্ত খেলখনৰ নিৰ্ধাৰিত সময়ত বৰনগৰ এফচিয়ে কয়াকুছিৰ লায়ন্স ক্লাবক দুটা গ'ল দিবলৈ সক্ষম হয়। বৰনগৰ এফচিৰ হৈ ধজেন দাসে খেলৰ ৩০ আৰু ৬০ মিনিটত গ'ল দুটা দিয়ে।

# ৫৬সংখ্যক ৰেজেক আলী চলন্ত ট্ৰফী ফুটবলত ডিমাকুছিৰ অগ্ৰগতি



অগ্ৰদুত বাৰ্তা

**ঘগ্ৰাপাৰ, ১৬ ছেপ্টেম্বৰ ঃ** ঘগ্ৰাপাৰ আঞ্চলিক ক্ৰীড়া সন্থাৰ উদ্যোগত ঘগ্ৰাপাৰ হাইস্কুল খেলপথাৰত চলি থকা ৫৬সংখ্যক ৰেজেক আলী সোঁৱৰণী চলন্ত ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ শেষৰখন প্ৰি-কোৱাৰ্টাৰ খেলত ডিমাকুছি ছাইৰাইজ ক্লাবে ৬-২ গ'লত বৰমা উদাংশ্ৰী ক্লাবক পৰাজিত কৰি অগ্ৰগতি লাভ কৰে। খেলখন পৰিচালনা কৰে দুলুমণি তালুকদাৰ, আনছাৰউদ্দিন আহমেদ, ধ্ৰুৱজ্যোতি কলিতা আৰু গকুল দাসে। অহা ১৯ ছেপ্টেম্বৰত প্ৰথমখন কোৱাৰ্টাৰ ফাইনেল খেল বিজনী ফেৰেংগা আৰু ছয়গাঁও জনজাতি ক্ৰীড়া সন্থাৰ মাজত অনুষ্ঠিত হ'ব বুলি ফুটবল সম্পাদক হেমন্ত বড়োৱে জনাইছে।

# ১৯ ছেপ্টেম্বৰৰ পৰা অম্বা মেধি ফুটবল

## চাৰি বছৰৰ বিৰতিৰ পাছত সাৰ পাইছে নেতৃবৃন্দই

অগ্ৰদূত বাৰ্তা

**মঙলদৈ, ১৬ ছেপ্টেম্বৰ ঃ** সুদীৰ্ঘ চাৰি বছৰৰ বিৰতিৰ অন্তত সৰ্বভাৰতীয় অম্বা মেধি সোঁৱৰণী ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত কৰিবলৈ যো জা চলাইছে মঙলদৈ ক্ৰীড়া সন্থাই। ক'ভিড কালকে ধৰি বিভিন্ন অজুহাতত অম্বা মেধি ফুটবলৰ দৰে এখন আগশাৰীৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰা নাছিল। যাৰ বাবে কঠোৰ সমালোচনাত থকাসৰকা হৈ আছে সন্থাৰ বৰমূৰীয়াসকল। অৱশেষত অহা ১৯ ছেপ্টেম্বৰৰ পৰা মঙলদৈ ষ্টেডিয়ামত অনুষ্ঠিত হ'ব এই উল্লেখযোগ্য প্ৰতিযোগিতাখন।

উদ্বোধনী মেচত অংশগ্ৰহণ কৰিব শ্বিলঙৰ ইউনাইটেড ৰাইজিং ফুটবল ক্লাব আৰু উত্তৰ লখিমপুৰৰ টুলিপ ফুটবল ক্লাবে। ইপিনে, আছাম ৰেজিমেণ্ট, কেৰেলাৰ লুকা ফুটবল ক্লাব, অসম পুলিচ, মণিপুৰ ফুটবল ক্লাব, পঞ্জাবৰ আইটিবিপিএফ আৰু বিদ্যুৎ পৰিষদে প্ৰতিযোগিতাত যোগদান নিশ্চিত কৰিছে বুলি মুখ্য উদ্যোক্তা প্ৰতাপ বৰদলৈয়ে জনাইছে। উল্লেখ্য যে ক্ৰিকেট কেন্দ্ৰিক হৈ পৰা সন্থাটোৰ দুজন বিষয়ববীয়াৰ বিৰুদ্ধে সম্প্ৰতি বহু লোক বিক্ষুব্ধ হৈছে।



*চলিত চেন্নাই অপেন টেনিছৰ খেলৰ এটি মুহূৰ্তত পোলেণ্ডৰ মেগডা লিনেট্টে।*

## আৰ জি বৰুৱা ছুপাৰ ডিভিজন

# জাংগ্লাৰ হেটট্ৰিকেৰে ছানৰাইজৰ জয়লাভ

**গুৱাহাটী, ১৬ ছেপ্টেম্বৰ ঃ** ছানৰাইজ এথলেটিক ক্লাবে আজি গুৱাহাটী ক্ৰীড়া সন্থাৰ আৰ জি বৰুৱা ছুপাৰ ডিভিজন ফুটবল লীগ ২০২২-২৩ৰ প্ৰথম মেচত মহাৰাণা এথলেটিক ক্লাবক ৩-১ গ'লত পৰাস্ত কৰে। ছানৰাইজৰ ষ্ট্ৰাইকাৰ জাংগ্লা ব্ৰহ্মাই হেট্ৰিক কৰি এই বিজয়ত নিৰ্ণায়ক ভূমিকা লয়। জাংগ্লাই খেলৰ তিনি, ৫৯ আৰু ৯০ মিনিটৰ পাছত অতিৰিক্ত সময়ত গ'ল দি দলৰ বিজয় নিশ্চিত কৰে। মহাৰাণাৰ হৈ দীপাংকৰ দাসে ৩৮ মিনিটত এটা গ'ল পৰিশোধ কৰে। আনহাতে, জীৱেশ্বৰ গোস্বামী (গোপাল) 'এ' ডিভিজন ফুটবল লীগত আজি নাৰেংগী এছচিয়ে ছাই এছচিৰ বিৰুদ্ধে ৱাকঅ'ভাৰ লাভ কৰে।

# আন্তঃক্লাব 'এ' ডিভিজন ফুটবলত বলব'মৰ জয়

অগ্ৰদূত বাৰ্তা

**মৰিগাঁও, ৰছ ছেপ্টেম্বৰ ঃ** মৰিগাঁও জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত স্থানীয় ক্ষীৰোদ বৰুৱা ষ্টেডিয়ামত চলি থকা আন্তঃক্লাব 'এ' ডিভিজন ফুটবলৰ আজিৰ খেলত বলব'ম এফচিয়ে ২-০ গ'লত জয়ী হৈ সম্পূৰ্ণ পইন্ট অৰ্জন কৰে। বলব'ম আৰু ৰাণা ক্লাবৰ মাজৰ লীগৰ অন্তিমখন খেলৰ প্ৰথমাৰ্ধ্ব গ'ল শূন্যভাৱে সমাপ্তি হয়। দ্বিতীয়াৰ্ধ্বত বলব'ম এফচি হৈ অনিত বসুমতাৰীয়ে ৭১ আৰু ৭৮ মিনিটত দুটাকৈ গ'ল দিয়ে।

# মুস্তাক আলী টি-২০ ক্ৰিকেটলৈ অসমৰ ১৫জনীয়া দল ঘোষণা

**গুৱাহাটী, ১৬ ছেপ্টেম্বৰ ঃ** আগন্তুক ছৈয়দ মুস্তাক আলী টি-২০ প্ৰতিযোগিতাৰ বাবে মৃণ্ময় দত্তৰ নেতৃত্বত অসম দলটো ঘোষণা কৰা হৈছে। ১৫জনীয়া দলটোৰ স'তে নজন খেলুৱৈক ষ্টেণ্ডবাই হিচাপে ৰখা হৈছে বুলি জনাইছে অসম ক্ৰিকেট সংস্থাৰ সচিব দেৱজিৎ শইকীয়াই। দলৰ মুখ্য প্ৰশিক্ষক ট্ৰেভৰ গঞ্জালভেছ তথা সহকাৰী প্ৰশিক্ষকদ্বয় হৈছে সলিল সিনহা আৰু শুভ্ৰজিৎ শইকীয়া। দলটোৰ ট্ৰেইনাৰ ভাস্কৰ বৰা, ফিজিঅ' কৌস্তভ ভৰদ্বাজ আৰু ভিডিঅ' এনালিষ্ট ৰাজেশ শৰ্মা।

উল্লেখ্য যে টি-২০ প্ৰতিযোগিতাখনত অসমে কঠিন 'এ' গ্ৰুপত স্থান পাইছে। গ্ৰুপত আছে মুম্বাই, ৰাজস্থান, মধ্যপ্ৰদেশৰ দৰে শক্তিশালী দল। অসমে গ্ৰুপৰ প্ৰতিখন খেল ৰাজকোটত খেলিব। ঘোষিত দলটো হৈছে— মৃণ্ময় দত্ত (অধিনায়ক), শুভম মণ্ডল, ঋষভ দাস, ৰিয়ান পৰাগ, ডেনিছ দাস, নীহাৰ নৰহ, ৱাছিকুৰ ৰহমান (উইকেট কীপাৰ), সুমিত ঘাড়িগাঁওকাৰ (উইকেট কীপাৰ), ৰাহুল হাজৰিকা, ধৰণী ৰাভা, মুখতাৰ হুছেইন, অভিনৱ চৌধুৰী, ৰোছন আলম, নিপন ডেকা আৰু ৰাজাকুদ্দিন আহমেদ। (ষ্টেণ্ডবাই খেলুৱৈসকল) প্ৰদ্যুন শইকীয়া, বিশাল ৰয় (জুনিয়ৰ), ৰাহুল সিং, হৃদীপ ডেকা, অভিষেক ঠাকুৰীয়া, আব্দুল আজিজ খুৰেছি, কৰণ মহাজন, আকাশ ছেত্ৰী আৰু সুনীল লাচিত।

# চৰাইদেউত অতুল গগৈ-মনাই গগৈ ফুটবল

# পানীবিলক হৰুৱাই ছেমিত বিহুবৰ

অগ্ৰদূত বাৰ্তা

**চেপন, ১৬ ছেপ্টেম্বৰ ঃ** চৰাইদেউ জিলাৰ টিফুক ৰাজহুৱা খেলপথাৰত চলি থকা চতুৰ্থ বাৰ্ষিক অতুল গগৈ আৰু মনাই গগৈ সোঁৱৰণী আমন্ত্ৰণমূলক প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাৰ অন্তিম চাৰিত প্ৰৱেশ কৰিছে ২০২১ বৰ্ষৰ চেম্পিয়ন দল নাজিৰা বিহুবৰ ফুটবল ক্লাবে। চৰাইদেউ জিলা ক্ৰীড়া সন্থাৰ তত্ত্বাৱধানত অনুষ্ঠিত হৈ থকা প্ৰতিযোগিতাৰ গ্ৰুপ 'বি'ৰ আজি অনুষ্ঠিত দ্বিতীয়খন কোৱাৰ্টাৰ ফাইনেলত বিহুবৰ এফচিয়ে শিৱসাগৰৰ পানীবিল ফুটবল ক্লাবক ৩-১ গ'লৰ ব্যৱধানত পৰাজিত কৰে। খেলৰ প্ৰথমাৰ্ধ্বৰ ১৩ মিনিটত বিহুবৰৰ হৈ ৰিতুৰাজ তাঁতীয়ে দলক ১-০ৰ অগ্ৰগতি দিয়ে। আনহাতে, পানীবিলৰ হৈ সুনন্দ দাসে খেলৰ ৩০ মিনিটত সমতা স্থাপন কৰে যদিও একেটা অৰ্ধ্বৰ ৩৪ মিনিটত বিহুবৰৰ হৈ আকাশ কৰ্মকাৰে আন এটা গ'ল স্ক'ৰ কৰাত বিৰতিলৈকে বিহুবৰ দলটো ২-১ত আগবাঢ়ি থাকে।



অৱশ্যে দ্বিতীয়াৰ্ধ্বৰ খেলৰ ৭৩ মিনিটত বিহুবৰ এফচিৰ হৈ আকাশ কৰ্মকাৰে ব্যক্তিগতভাৱে দ্বিতীয়টো গ'ল স্ক'ৰ কৰি দলৰ অগ্ৰগতি ৩-১লৈ বৃদ্ধি কৰাৰ লগতে বিহুবৰ এফচিক প্ৰতিযোগিতাৰ ছেমিফাইনেলত উপনীত কৰাবলৈ সক্ষম হয়। খেলখন পৰিচালনা কৰে কিৰণ বড়া, ৰাহুল মল্লিক, দীপাংকৰ চাবুকধৰা আৰু কিৰণ মিলিয়ে। আজিৰ খেলখনত শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা লাভ কৰে বিহুবৰ এফচিৰ ৰাইট উইংগাৰ আকাশ কৰ্মকাৰে। খেলুৱৈজনক পুৰস্কাৰ প্ৰদান কৰে দাতা পৰিয়ালৰ সদস্য প্ৰণৱ গগৈৰ পুত্ৰ মানসপ্ৰতিম গগৈ, কণ্ঠশিল্পী সুমন নয়ন, চেপন ক্ৰীড়া সন্থাৰ মুখ্য সম্পাদক অজয় সুত আৰু জ্যেষ্ঠ নাগৰিক প্ৰবীণ বড়াই। কাইলৈ গ্ৰুপ 'এ'ৰ দ্বিতীয়খন কোৱাৰ্টাৰ ফাইনেল খেল অনুষ্ঠিত হ'ব। খেলখনত চেপন ইউনাইটেড এফচিয়ে বিগত বৰ্ষৰ ৰাণাৰ্ছ আপ দল আত্মা এফচিৰ মুখামুখি হ'ব।

# ইংলণ্ডৰ বিপক্ষে মহিলা টি-২০ শৃংখলাত ভাৰতৰ পৰাজয়

নিউজ ব্যুৰ'

**ব্ৰিষ্টল, ১৬ ছেপ্টেম্বৰ ঃ** ঘৰুৱা দল ইংলণ্ডৰ বিপক্ষে টি-২০ শৃংখলা পৰাজিত হ'ল ভাৰতৰ মহিলা ক্ৰিকেট দল। যোৱা নিশাৰ খেলত ইংলণ্ডে সাত উইকেটত ভাৰতক পৰাজিত কৰি শৃংখলাটো ২-১ ব্যৱধানত দখল কৰে। যোৱা নিশাৰ তৃতীয় তথা নিৰ্ণায়ক মেচখনত ভাৰতীয় দলে প্ৰথমে বেটিং কৰি ১২২ ৰাণহে সংগ্ৰহ কৰে। ভাৰতৰ হৈ ৰিচা ঘোষে ৩৩, দীপ্তি শৰ্মাই ২৪ আৰু পূজা বস্ত্ৰকাৰে ১১টা বলত অপৰাজিতভাৱে ১৯ ৰাণ কৰে। প্ৰত্যুত্তৰত ইংৰাজ অপেনাৰদ্বয় ছ'ফিয়া ডাংকলে আৰু ডেনী ৱাটে ১০ অভাৰতে ৭০ ৰাণ যোগ দি দলৰ বিজয় সহজ কৰি তোলে। ৱাটে ২২ ৰাণ কৰাৰ পাছত ডাংকলে এলিছ কেপ্‌ছৰ স'তে দলৰ বিজয় নিশ্চিত কৰে। ডাংকলে ৪৯ ৰাণত আউট হ'লেও এলিছে ৩৮ ৰাণত অপৰাজিত হৈ ৰয়।



# তৰণীকান্ত মেধি ফুটবলত নাক্টীদল চেম্পিয়ন

অগ্ৰদূত বাৰ্তা

**শুৱালকুছি, ১৬ ছেপ্টেম্বৰ ঃ** শুৱালকুছি ক্ৰীড়া সন্থাৰ উদ্যোগত চলি থকা তৰণীকান্ত মেধি সোঁৱৰণী আন্তঃক্লাব ফুটবল প্ৰতিযোগিতাত আজিৰ ফাইনেল খেলত অসম জ্যোতি ক্লাবক ৩-১ গ'লত পৰাজিত কৰি শুৱালকুছি নাক্টীদল একাদশে ৰবিৰাম দাস সোঁৱৰণী বঁটাৰে চেম্পিয়নৰ সন্মান অৰ্জন কৰে। অসম জ্যোতি ক্লাব বিনীতা বায়ন সোঁৱৰণী বঁটাৰে ৰাণাৰ্ছআপ হয়। বঁটা বিতৰণী সভাত কৃষাণ মৰ্চাৰ উপ-সভাপতি ৰঞ্জিত ভট্টাচাৰ্য উপস্থিত থাকে।

# হাৰ্দিকৰ বিকল্পৰ সন্ধান পাইছে জাতীয় নিৰ্বাচকে

নিউজ ব্যুৰ'

**নতুন দিল্লী, ১৬ ছেপ্টেম্বৰ ঃ** ভাৰতীয় দলত হাৰ্দিক পাণ্ডিয়াৰ বিকল্পৰ সন্ধান পাইছে নিৰ্বাচক মণ্ডলীয়ে। নিউজিলেণ্ড 'এ' দলৰ বিপক্ষে আগন্তুক এদিনীয়া মেচৰ শৃংখলাৰ বাবে ভাৰত 'এ' দলত অন্তৰ্ভুক্ত হ'ল বিগত ১৯ বছৰ অনূৰ্ধ্ব বিশ্বকাপৰ নায়ক ৰাজ অংগদ বাৱা। অহা ২২ ছেপ্টেম্বৰৰ পৰা আৰম্ভ হ'বলগীয়া শৃংখলাৰ বাবে আজি সঞ্জু ছেমছনৰ নেতৃত্বত ভাৰত 'এ' দল ঘোষণা কৰা হয়। উল্লেখ্য যে পেচ বলিং অলৰাউণ্ডাৰ ৰাজে যুৱ বিশ্বকাপত ভাৰতীয় দলৰ হৈ দুৰ্দান্ত প্ৰদৰ্শন আগবঢ়াইছিল। ভাৰতৰ বিশ্বকাপ জয়ত তেওঁৰ অলৰাউণ্ড প্ৰদৰ্শন আছিল গুৰুত্বপূৰ্ণ। অৱশ্যে চণ্ডীগড়ৰ হৈ ৰাজে এই পৰ্যন্ত মাত্ৰ দুখন ৰঞ্জী মেচ খেলিছে। তৎসত্ত্বেও চেতন শৰ্মা নেতৃত্বাধীন নিৰ্বাচক মণ্ডলীয়ে তৰুণ খেলুৱৈজনক ভাৰত 'এ' দলত সুযোগ দিয়া বিষয়টোৱে বিশেষ তাৎপৰ্য বহন কৰিছে। উল্লেখ্য যে ভাৰতীয় দলত এই মুহূৰ্তত স্পীন বলিং অলৰাউণ্ডাৰ কে'বাজনো আছে। যদিও হাৰ্দিকৰ বিকল্প হ'ব পৰাকৈ পেচ বলিং অলৰাউণ্ডাৰৰ অভাৱ। অদূৰ ভৱিষ্যতত নিৰ্বাচকে শিৱম ডুবে আৰু বিজয় শংকৰক সুযোগ দিছিল যদিও তেওঁলোকে জাতীয় দলৰ হৈ বিশেষ ভাল খেলিব নোৱাৰিলে।তেনে পৰিস্থিতিত হাৰ্দিক আঘাতপ্ৰাপ্ত হ'লে তেওঁৰ বিকল্প অলৰাউণ্ডাৰ এজন প্ৰস্তুত ৰাখিব বিচাৰিছে নিৰ্বাচকে। ৰাজ হৈছে দ্ৰুতবেগী বলাৰ আৰু বাঁওহতীয়া মাৰমুখী বেটাৰ।


Azadi Ka Amrit Mahotsav
अमृत सरोवर
অসম চৰকাৰ
মিছন অমৃত সৰোবৰ
কৰ্মযোগী প্ৰধানমন্ত্ৰী
শ্ৰীযুত নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ এক দূৰদৰ্শী পদক্ষেপ
১৭ ছেপ্টেম্বৰ ২০২২ তাৰিখে সমগ্ৰ অসমত
২৬২৫টা অমৃত সৰোবৰৰ খনন কাৰ্যৰ শুভাৰম্ভ
অসম আৰ্হিৰ উল্লেখনীয় বৈশিষ্ট্যসমূহ
প্ৰতিখন জিলাত কমেও ৭৫টা অমৃত সৰোবৰ গঢ়ি তোলা হ'ব
প্ৰতিটো অমৃত সৰোবৰৰ ন্যূনতম আকাৰ হৈছে ১ হেক্টৰ
মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনা (চি এম এছ জি ইউ ৱাই), পঞ্চায়ত আৰু গ্ৰাম্যোন্নয়ন বিভাগ আৰু মীন বিভাগ এই প্ৰকল্পৰ ৰূপায়ণ প্ৰক্ৰিয়াৰ সৈতে জড়িত
মীন পালন আৰু তিনি স্তৰীয় প্ৰণালীবদ্ধ বাণিজ্যিক বৃক্ষৰোপণৰ জৰিয়তে জীৱিকাৰ সুবিধা সৃষ্টি
ক্লাষ্টাৰ লেভেল ফেডাৰেচন (চি এল এফ)ৰ বাণিজ্যিক কাৰ্যকলাপৰ জৰিয়তে মহিলা সবলীকৰণ
সৌৰ চকি, ফ্লেগ পষ্ট আৰু ব্যৱহাৰকাৰী লোকৰ বাবে চলি থকা ব্যৱস্থা
নিৰ্ধাৰিত পুঁজি
ৰাজ্য চৰকাৰ : ৬৬৯.২৫ কোটি টকা
এমজিএনৰেগা : ৪৯৩.৬৬ কোটি টকা
বিত্ত আয়োগৰ অনুদান : ৪৫.১০ কোটি টকা
সৰ্বমুঠ : ১,২০৮.০১ কোটি টকা
জিলাসমূহৰ অনুষ্ঠানৰ মুখ্য অতিথিসকল
অন্যান্য জিলাসমূহত মাননীয় সাংসদ আৰু বিধায়কসকল
অমৃত সৰোবৰৰ খনন কাৰ্যৰ শুভাৰম্ভ অনুষ্ঠানত উপস্থিত থাকিব।
অসম চৰকাৰ
তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত। আমাক অনুসৰণ কৰক /@dipraassam https://dipr.assam.gov.in/
অসম বাৰ্তা হোৱাটছএপত পাবলৈ ৮২৮৭৯১২১৬৪ Assam লিখি হোৱাটছএপ কৰক
জনসংযোগ/ডি/১২৩১৬/২২